সাহোন

৩৬তম বৰ্ষ

বৃহত্তৰ ৰুক্মিণীনগৰ ৰঙালী বিহু সন্মিলন- ২০১৯

বৃহত্তৰ ৰুক্মিণীনগৰ ৰঙালী বিহু উদ্‌যাপন সমিতি, ২০১৯

বিষয়ববীয়া আৰু সদস্যসকল

সাহোন

বৃহত্তৰ ৰুক্মিণীনগৰ ষষ্ঠ ত্ৰিংশতিতম্ বৰ্ষ ৰঙালী বিহু সন্মিলনৰ
স্মৰণিকা

১ আৰু ২ ব'হাগ, ১৪২৬ ভাস্কৰাব্দ
সোমবাৰ আৰু মঙ্গলবাৰ
১৫ আৰু ১৬ এপ্ৰিল, ২০১৯ চন

প্ৰতি,

মাননীয়/মাননীয়া..লৈ

বৃহত্তৰ ৰুক্মিণীনগৰ ৰঙালী বিহু সন্মিলনৰ 'সাহোন' ধন্যবাদেৰে প্ৰদান কৰিলো।

শুভেচ্ছাৰে.....

শ্ৰীমতী পাৰুল বৰুৱা
সভানেত্ৰী

অভিজিত নেওগ
সম্পাদক

षष्ठ त्रिংশতিতম্

বৃহত্তৰ ৰুক্মিণীনগৰ ৰঙালী বিহু সন্মিলনৰ স্মৰণিকা - ২০১৯

সম্পাদনা সমিতি

উপদেষ্টা : শ্ৰীযুত ৰমেন কলিতা,
শ্ৰীযুত বৃহস্পতি ডেকা,
শ্ৰীযুত দুৰ্গেশ্বৰ শইকীয়া,

সভাপতি : শ্ৰীমতী পাৰুল বৰুৱা

উপ-সভাপতি : সৰ্বশ্ৰী ৰীতা ডেকা, সুৱৰ্ণ হাজৰিকা,
উন্মনা মাধুৰী দত্ত

সম্পাদক : শ্ৰীঅভিজিত নেওগ

সহকাৰী সম্পাদক : সৰ্বশ্ৰী অলকেশ ভাগৱতী, পুষ্পাঞ্জলী গগৈ

সদস্য/সদস্যা : শ্ৰীমতী নিলীমা শইকীয়া দাস, শ্ৰীমতী নিলীমা ডেকা, শ্ৰীমতী হেপি গোস্বামী, শ্ৰীমতী অজন্তা বৰঠাকুৰ, শ্ৰী প্ৰসেনজিৎ বৈশ্য, শ্ৰী মুক্তিৰাম সান্দিল্য।

প্ৰকাশক : বৃহত্তৰ ৰুক্মিণীনগৰ ৰঙালী বিহু
উদ্‌যাপন সমিতি
ৰঙ্গমঞ্চ পথ, হাউচিং ক'লনি
গুৱাহাটী - ৭৮১০০৬

মুদ্ৰণ : বৰা প্ৰিণ্টিং হাউচ্‌
লাষ্ট গেট, দিশপুৰ, গুৱাহাটী - ৬
ভ্ৰাম্যভাষ : ৭০০২০-৫২৫২৬

ৰঙালী বিহু উৎসৱৰ উদ্বোধনী গীত

ৰঙালী বিহুক জাতীয় মৰ্যাদা দি মঞ্চ বিহুৰ জন্মদাতা গুৱাহাটী বিহু সন্মিলনীৰ প্ৰথম বৰ্ষৰ (১৯৫২ চন) পতাকা উত্তোলনৰ সময়ত সমবেত কণ্ঠেৰে গোৱা এই গীতটি আজিৰ অসমৰ বিহুতলীসমূহে 'বিহু উদ্বোধনী' গীতৰূপে গ্ৰহণ কৰিছে। এই গীতটিৰ সুৰ আৰু কথা যশস্বী সুৰকাৰ আৰু সংগীতজ্ঞ প্ৰয়াত পুৰুষোত্তম দাসৰ -

শ্ৰীময়ী অসমীৰ   শীতল বুকুত উঠে
উছৱৰ মধু আলোড়ন।
জাগে গম্ভীৰ গিৰিবৰ   প্ৰান্তৰ মনোহৰ
সুন্দৰ বন উপ-বন।
ভেদাভেদ পৰিহৰি   কত জাতি-উপজাতি
মহাপীঠ কৰে নিৰমান।
উলাহ অধীৰ ছন্দে   কৌটি কৌটি কণ্ঠে
গায় সৰে মিলনৰ গান।
সৰগৰ ৰহঘৰা   ৰূপে-ৰসে-ৰঙে ভৰা
উচ্ছল যত প্ৰাণ-মন।
সৃষ্টিৰ সুৰ বাজে   প্ৰীতিৰ পতাকা উৰে
নতুনৰ লউ আৱাহন।

Prof. Jagdish Mukhi

RAJ BHAVAN
GUWAHATI

MESSAGE

I am happy to know that Brihattar Rukmini Nagar Rongali Bihu Sanmilan is celebrating the Rongali Bihu with a two day colourful programme on April 15 and 16, 2019 at Dispur, Guwahati. A commemorative souvenir christened ***'Hahun'*** is going to be published synchronising with the occasion.

Rongali Bihu sets the tune for the advent of a new year and a new agricultural cycle. This Bihu personifies gaiety and celebrations.

I hope the celebrations usher in peace, prosperity and plenty in Assam. My kudos to 'Brihattar Rukmini Nagar Rongali Bihu Sanmilan' for its role for celebrating the Bihu for the last 36 years and through this it has been strengthening the bond of universal brotherhood and co-existence in our society.

I convey my best wishes to the organiser and the editorial team of the souvenir all success in their endeavours.

(Prof.Jagdish Mukhi)
Governor of Assam

Dated: April 8, 2019

শুভেচ্ছাবাণী

শুনি সুখী হৈছোঁ,

ৰুক্মিণীনগৰ হাউচিং ক'লনি বিহুতলীয়ে উদ্‌যাপন কৰি অহা বঙালী বিহু সন্মিলনে এইবাৰ তেত্ৰিশটা বছৰ অতিক্ৰমি উলহ-মালহেৰে চৌত্ৰিশ বছৰত বঙালীক আদৰিবলৈ সাজু হৈছে। অতিশয় আনন্দিত হৈছোঁ যে বিগত বছৰবোৰৰ দৰে এইবাৰো বৰ্ণাঢ্য কাৰ্যসূচীৰে ক'লনিবাসীয়ে বিহু সন্মিলনখনি জাকত জিলিকাকৈ উদ্‌যাপন কৰাৰ পৰিকল্পনা হাতত লৈছে, লগতে সন্মিলনিৰ স'তে বজিতা খুৱাই পূৰ্বৰ দৰে এইবাৰো আটকধুনীয়া ৰূপত 'সাহেন'ক সজায়-পৰাই সংস্কৃতিপ্ৰেমী পঢ়ুৱৈ সমাজৰ হাতত তুলি দিয়াৰ মানস কৰিছে উদ্যোক্তাসকলে।

আমি আশা ৰাখিছোঁ সংস্কৃতিপ্ৰেমী ৰাইজৰ মনৰ চাহিদা পূৰণ কৰিব পৰা 'সাহেন' এইবাৰো তথ্য সমৃদ্ধ লেখনিৰে সৰ্বাঙ্গসুন্দৰ হৈ পাঠকৰ হাতত পৰিবহি।

অসমৰ জাতীয় সংস্কৃতিৰ দাপোণস্বৰূপ এই বিহু উৎসৱ অসম আৰু অসমীয়াৰ শান্তি, সদভাৱ, সম্প্ৰীতি আৰু সমৃদ্ধিৰ সাকো হৈ আমাৰ দৈনন্দিন জীৱনৰ প্ৰতিটো ক্ষণ, প্ৰতিটো পল-অনুপল উলাহেৰে ভৰাই তোলক, এই কামনাৰে—

মীৰা ঠাকুৰ
খানাপাৰা

শ্ৰদ্ধাঞ্জলি

নিলম বৰুৱা

ৰাজেন্দ্ৰ নাথ কলিতা

অঞ্জু নাৰ্জাৰী

নৰেণ দাস

সঞ্জয় বৰুৱা

দৰ্শনা বৰুৱা

গজেন্দ্ৰ কুমাৰ ৰাভা

সুনীল বৰা

কনক মেখি

প্ৰদীপ বড়ো

অজিত কুমাৰ দাস

কৰ্ণ চন্দ্ৰ বড়ো

মালতী মেধী

কল্পনা দাস

অনিমা বড়ো

ৰঙালী বিহুৰ সাদৰ সম্ভাষণ

সত্যেন্দ্র নাৰায়ণ গোস্বামী

নতুন বছৰৰ শুভাগমনত প্ৰথম দিনটো সৰ্বোৎকৃষ্ট পৱিত্ৰ দিন। বিগত বৰ্ষৰ ভাল বেয়াবোৰ বিসৰ্জন দি সমাগত নৱবৰ্ষৰ আদৰণিৰ আগমুহূৰ্তত বৃহত্তৰ অসমৰ পৰ্বত-ভৈয়াম, আকাশ-ভূভাগ সুন্দৰ ৰূপত জিলিকি উঠিছে। চ'ত গল বহাগ আহিল। পৰ্বত-ভৈয়ামো সুন্দৰ ৰূপত উঠলি উঠিল। একে সময়তে সমগ্ৰ পূৰ্বাঞ্চলৰ সামাজিক পৰিৱেশত কল্পনাৰে ঢুকি নোপোৱা এটা অতি আনন্দমুখৰ পৰিৱেশৰ সৃষ্টি হ'ল। মূৰৰ ওপৰত আকাশত মেঘৰ গাজনি, ঢেৰেকনি, ভগৱানৰ কলাসদৃশ শান্তিজলৰ চিটিকনি আৰু অদৃশ্য দেৱ-দেৱীসকলৰ মেঘৰ মাজেৰে জিলিকা বিজুলী সদৃশ হাঁহি-ধেমালি জড়িত চকুৰ তিৰবিৰণিসহ গোজৰণিয়ে এই সুবৃহৎ অঞ্চলৰ শতাধিক মাত-কথাৰ নানান জাত-কুলৰ লোকসকলে সৃষ্টিকৰ্তা পৰমমিতা পৰমেশ্বৰৰ আশীৰ্বাদ কামনাৰে হাতযোৰ কৰি প্ৰণাম জনায়। কোনোজনে হাতজোৰ কৰে, কোনোজনে আঠুলয় আৰু কোনোজনে দীঘল দি উবুৰি খাই পৰে আৰু কোনোবাই ওপৰলৈ চাই কপালত হাত দি চকু মুদে। উদ্দেশ্য সকলোৰে একে। সকলোৱেই সেই ভক্তি নিবেদনৰ বিনিময়ত ঈশ্বৰৰ আশীৰ্বাদ কামনা কৰে। কাৰণ মানবজনম উপভোগ কৰিবলৈ হলে পৰমপিতা পৰমেশ্বৰৰ আশীৰ্বাদেই হ'ল একমাত্ৰ সম্বল। পৰ্বত-ভৈয়ামৰ উন্নত-অনুন্নত সকলো ভাষা-ভাষী লোককে লাগে অদৃশ্য ভগৱানৰ কৃপাদৃষ্টি, কৰুণা, আশীৰ্বাদ। কাৰণ তেৰাৰ আশীৰ্বাদ অবিহনে জীৱন নিৰ্বাহ কৰাটো সম্ভৱ নহয়।

ভাৰতবৰ্ষৰ সমগ্ৰ পূৰ্বাঞ্চলৰ পৰ্বত-ভৈয়ামৰ বিভিন্ন সমাজ ব্যৱস্থাৰ লোকসকলৰ ধৰ্মীয় তথা আধ্যাত্মিক চিন্তা-চৰ্চাৰ নীতি-নিয়ম কৰ্ম ব্যৱস্থা ভিন্ন প্ৰকাৰৰ যদিও নৱবৰ্ষৰ শুভাৰম্ভৰ সময়ত পৰমপিতা পৰমেশ্বৰক স্মৰণ কৰি চকু মুদি হাতজোৰ কৰি সকলো লোকেই প্ৰাৰ্থনা কৰিছো "প্ৰভু সকলো লোককে একেটা পৰিয়ালৰ ভাই-ভনী, পিতৃ-মাতৃ, খুড়া-খুড়ী, ককা-আইতাৰ দৰে অতি মিলাপ্ৰীতিৰে একেটা পৰিয়ালৰ লেখীয়া জীৱন উপভোগ কৰিবলৈ সকলো প্ৰকাৰৰ বুদ্ধি-কৌশলেৰে আমাৰ মনত প্ৰেৰণা দিয়া।" বাহিৰত দেখাত আমাৰ মাজত বহু ৰকমৰ ভেদাভেদ আছে যদিও আমি যে সকলোবিলাকেই বৃহত্তৰ অসম, যি অসম কালৰ সোঁতত ৰাজনীতিৰ কুটিল চক্ৰান্তত সপ্তখণ্ডত বিভক্ত হৈয়ো সাতভনীৰূপে বিৰাজমান, সেইখন বৃহত্তৰ ঠাইৰে আমি অধিবাসী বৃহত্তৰ পৰিয়াল। আমাৰ সকলোৰে অতি আদৰৰ আনন্দ-আ।!দেৰে উপৰি পৰা উৎসব হ'ল বৰ্ষাৰম্ভৰ শুভক্ষণটো বিগত বৰ্ষৰ ভাল-বেয়া কৰ্মফল ভোগ কৰি সমাগত নৱবৰ্ষৰ দিনবোৰত সকলো ক্ষেত্ৰতে কৰ্মত দেহমন উজাৰি দিবলৈ সাজু হৈ আমি আজি সংকল্প লওঁহক— "হে ঈশ্বৰ আমাক সজপথত সমাজৰ সকলোবিলাক কৰ্মত সুন্দৰভাৱে যোগদান কৰিবলৈ প্ৰেৰণা দিয়ক যাতে ভাৰতবৰ্ষৰ সৰ্বস্থানৰ ভিন্নভাষী, ভিন্ন ধৰ্মাৱলম্বী লোকসকল আমাৰ গঠমূলক চিন্তা-চৰ্চা আৰু কৰ্মৰদ্বাৰা অনুপ্ৰাণিত হয়। পূৰ্বাঞ্চলৰ নানা ভাষা-ভাষী ভিন্ন ধৰ্মাৱলম্বী, বিভিন্ন সমাজ ব্যৱস্থাৰ মাজত বিৰাজিত ঐক্যভাৱেৰে ঢোল-পেঁপা-টকা-তাল বাদ্যাদিৰ সমাৱেশত আয়োজিত এই বিহুৱেই হল সেই আদৰ্শৰ সৰ্বোৎকৃষ্ট পৱিত্ৰ স্থান। সেই বিহুৰ উৎকৃষ্ট পৰ্ব তথা উৎসৱৰ সমপৰ্যায়ৰ আন কোনো পৰ্ব আছে বুলি নাভাবো। কাৰণ ইয়াত জাত-পাত, ধৰ্ম-ৰাজনীতি একোৰে ভেদাভেদ নাই। কিন্তু পূৰ্বাঞ্চলৰ বহুধা বিভক্ত ভাষা-ভাষী নানা ধৰ্মৰ লোকৰ কলিজা সদৃশ উৎসৱৰ এই উৎসৱৰ গুণ-গৰিমা, চিন্তা-ভাবনা কল্পনাৰ অতীত। এনে এটি উৎসৱৰ শুভক্ষণত আমি সমগ্ৰ ৰুক্মিণীনগৰ নিবাসী লোকে জাতি-ধৰ্মৰ কোনো বিচাৰ নকৰি দেশ-বিদেশৰ সকলো লোকৰে ভৱিষ্যত জীৱন ন্যায়-নীতিৰ মাজেৰে মিলাপ্ৰীতিৰে উপভোগ কৰাৰ কামনা কৰিছো। বৃহত্তৰ ৰুক্মণী নগৰবাসী লোকসকলৰ বিহু আয়োজনৰ উদ্দেশ্য তথা লক্ষ্য হ'ল আমাৰ সমস্ত ৰাইজৰ মঙ্গল কামনা। আহক, আজি আমি সকলোৱে মিলিজুলি এই বিহুৰ দিনাখন ভগৱানৰ ওচৰত প্ৰাৰ্থমনা জনাওঁ— 'প্ৰভু আমি সকলোকে একেটা পৰিয়ালৰ লোকৰ দৰে মিলাপ্ৰীতিৰে বসবাস কৰিবলৈ মনত প্ৰেৰণা দিয়া।' এই দৃষ্টিৰে বিহুৰ সাদৰ সম্ভাষণ জনাই প্ৰণাম কৰিলেহে জীৱন সাৰ্থক হব আৰু বিহু উৎসৱ সফল হ'ব।

ষষ্ঠত্রিংশতিতম্ বৃহত্তৰ ৰুক্মিণী নগৰ
ৰঙালী বিহু সন্মিলনৰ আলোচনী

সম্পাদকৰ এষাৰ.....

পানী, খাদ্যৰ অবিহনে যেনেকৈ কোনো জীৱ জীয়াই থাকিব নোৱাৰে ঠিক একেদৰে একোটা জাতি জীয়াই থাকিবলৈ হ'লে ভাষা, সংস্কৃতি থাকিব লাগিব। বিহু হৈছে অসমীয়া জাতিৰ আয়ুসৰেখা। গতিকে সাৰ পানী দি বিহুটিক সজীৱ কৰি ৰখাৰ দায়িত্ব আমাৰেই।

বৃহত্তৰ ৰুক্মিনী নগৰ বিহু সন্মিলনৰ স্মৰনিকা সাহোনৰ জৰিয়তে বিহুটিক সুন্দৰে, সজীৱ, সৰল কৰি ৰখাৰ প্ৰয়াস কৰিছো। আপোনালোক সমূহ ৰাইজলৈ আমাৰ ফালৰ পৰা বিহুৱবীয়া ওলগ, মৰম শুভেচ্ছা জ্ঞাপন কৰিছো।

যি সকল মহান ব্যক্তিৰ আঙুলিৰ পৰশত, দিহা-পৰামৰ্শ আৰু অক্লান্ত পৰিশ্ৰমৰ বিনিময়ত এই অনুষ্ঠানটি গঢ় লৈ উঠিল এই সুযোগতে তেওঁলোকৰ প্ৰতি আমাৰ শ্ৰদ্ধা নিবেদিছো।

স্মৃতিৰ সুবাস যুগমীয়া কৰি সাহোনে আপোনালোকৰ অন্তৰত সুগভীৰ, অমোচনীয় কৰি ৰাখিব বুলি আশা কৰিলো। লেখক লেখিকা সকলে সাহোনৰ সুষ্ঠৰ বৃদ্ধিৰ বাবে দিয়া লিখনিৰ বাবে তেখেত সকললৈ আমাৰ ফালৰ পৰা ধন্যবাদ জ্ঞাপন কৰিলো।

'বৃহত্তৰ ৰুক্মিনী নগৰ ৰঙাঁলী বিহু সন্মিলন'ৰ জন্মলগ্নৰে পৰা জড়িত বৰণ্যব্যক্তি যি সকলক সময়ে আমাৰ মাজৰ পৰা লৈ গ'ল তেওঁলোকলৈ গভীৰ শ্ৰদ্ধা আৰু অতি কম সময়ত সম্পাদনা কৰি উলিউৱা 'সাহোন'ৰ অনাকাংক্ষিত ভূলৰ বাবে আপোনালোকৰ ওচৰত ক্ষমাপ্ৰাৰ্থী।

সদৌ শেষত আপোনাৰ সকলোলৈকে ৰঙাঁলী বিহুৰ আন্তৰিক শুভেচ্ছা জ্ঞাপন কৰি বছৰটি সুখময়, মঙ্গলময় হোৱাৰ কামনাৰে -

অভিজিৎ নেওঁগ
মুখপত্ৰ, সৃষ্টিৰ প্ৰতিধ্বনি

সূচী

➢ ব'হাগৰ চিন্তা.....	ধীৰেন্দ্ৰ নাথ শইকীয়া	১১
➢ অসমৰ জন বিস্ফোৰণ.....	ডাঃ ইলিয়াছ আলি	১২
➢ প্ৰাক বৈষ্ণৱ যুগৰ বিহু আৰু তাৰ পৰবৰ্ত্তী কালৰ বিহুৰ এটি আলোকপাত.....	শ্যাম মহন্ত	১৭
➢ জ্যোতি সংগীতত অসমৰ প্ৰকৃতিত পৰিৱেশ আৰু মানুহ -	ভাৰতী ভট্টাচাৰ্য	২১
➢ বিহু আৰু আমাৰ আচাৰ ব্যৱহাৰ.....	অনিমা মটক	২৪
➢ নাৰী দিৱসত অহা কিছুমান চিন্তা.....	ডাঃ হিতেশ্বৰ শৰ্মা	২৬
➢ অনাসক্ত, অভিমানী ভকত আৰু শিশুপাল বিন্দুৰাজ জন্ম বৃত্তান্ত-	অঞ্জলি দত্ত	২৮
➢ বসন্ত উৎসৱ বিহু আৰু বিহুৱান.....	পাৰুল বৰুৱা	৩০
➢ অসমীয়াৰ স্পন্দন 'বিহু'.....	জয়ন্ত খনিকৰ	৩২
➢ বিহু.....	ৰিয়া লস্কৰ	৩৪
➢ নামঘোষাত ভক্তিৰস আৰু নামৰ মহিমা.....	মীনাক্ষী ডেকা	৩৫
➢ "বিহু অসমীয়াৰ অংসতিস্বৰূপ".....	মুছলিমুদ্দিন আহমেদ	৩৮
➢ ৰঙালী বিহুৰ লোকাচাৰ	প্ৰতিমা বৰা	৪০
➢ নাৰীৰ অৱদান	ডেইজী পাঠক	৪৩
➢ কপৌ ফুল	সুকণ্যা সাধনিদাৰ	৪৫
➢ ব্ৰহ্মাণ্ডত মনুষ্যৰ স্থিতি	ধ্ৰুবজ্যোতি তামুলী	৪৬
➢ বিহুগীতত নাৰীৰ সৌন্দৰ্য	জুৰি বৰুৱা	৪৯

সূচী

গল্প শিতান

➢ পোনা-পালিনে নীলাইমতীৰ কিবা খবৰ	চন্দ্ৰধৰ কলিতা	৫২
➢ ৰিলায়েন্স কেপিটেল	হৰপ্ৰিয়া বাৰুকিয়াল বৰগোহাঞিঃ	৫৭
➢ ঈশ্বৰ দৰ্শন (গল্প)	ৰেৱতী মোহন হাজৰিকা	৬২
➢ চেনেহৰ এসুঁতি	অৰুণিমা কাকতি	৬৫
➢ বন্ধুত্ব	নিলীমা শইকীয়া দাস	৬৮
➢ ভাত হ'লনে?	মঞ্জুলা কাকতি	৭০
➢ অনুভৱ	সিদ্ধাৰ্থ বৰদলৈ	৭২
➢ ইন্টাৰভিউ	বিপ্লৱ বৰা	৭৪
➢ মহাপ্ৰতাপী দেশ আমেৰিকা যুক্তৰাষ্ট্ৰত এভুমুকি	তুলন দত্ত মেধি	৭৫
➢ জানো আহক	ৰিণা পূজাৰী (সংগ্ৰাহিকা)	৭৯
➢ মহৎ লোকৰ বাণী	পি. কে. (সংগ্ৰাহক)	৮০
➢ সাঁথৰ	পি. কে. (সংগ্ৰাহক)	৮১
➢ ফুল (ful)ৰ মহাত্ম্য	পি. কে. (সংগ্ৰাহক)	৮২

কবিতা কানন

➢ "ব'হাগ আৰু বিপ্লৱ"	ৰমেন কলিতা	৮৪
➢ বিষাদ ব'হাগ	পাৰুল বৰুৱা	৮৫
➢ ফাগুণ	ডঃ আৰতি কলিতা	৮৬
➢ বিহু বিহু লাগিছে গা	গিৰীশ দত্ত	৮৭
➢ আত্মগোপন	কাকলি বৰদলৈ	৮৮
➢ ব'হাগ	উৎপলা বৰা	৮৯
➢ বসন্তৰ মিঠা শিহৰণ	মৃণালী ভৰালী	৯০
➢ বলীয়া মন	মামনী দাস	৯১
➢ বৈ যোৱা ৰাতিৰ শোক	পৰিণীতা বৰুৱা	৯২
➢ হৃদয়ৰ আৰ্তনাদ	বিপ্লৱ বৰা	৯৩
➢ ম'বাইল পুৰাণ	কুন্তলা দত্ত	৯৪
➢ বসন্ত আহিব এদিন	অঞ্জলা প্ৰভা দেৱী	৯৬
➢ প্ৰেমৰ সুবাস দিশে দিশে	দীপিকা খাউণ্ড	৯৭
➢ "জাগৰণ"	পলাশ বৰুৱা	৯৮
➢ গীত এটি ব'হাগৰ	কল্পনা শৰ্মা	৯৯
➢ নিৰ্বাচনৰ পৰশত	চন্দন বাচফোৰ (ওম)	১০০

ব'হাগৰ চিন্তা

ধীৰেন্দ্ৰ নাথ শইকীয়া
সৰুমটৰীয়া, গুৱাহাটী

সুধাকণ্ঠ ড° ভুপেন হাজৰিকাৰ কণ্ঠত নিগৰি অহা 'ব'হাগ মাথো এটি ঋতু নহয়, নহয় ব'হাগ এটি মাহ, অসমীয়া জাতিৰ ই আয়ুস ৰেখা, গণ জীৱনৰ ই মাহ।' গীতৰ এই কথা আমি যেন প্ৰতিজন অসমীয়াই অন্তৰৰ কোনোবা খিনিত অনুভৱ কৰোঁ। আমাৰ বাবে 'ব'হাগ মাথোঁ বিহুগীত নহয় ইনাই বিনাই গোৱা'। আমাৰ বাবে ব'হাগ এক ডাঙৰ উপলব্ধি, সৃষ্টিৰ এক গভীৰ প্ৰেৰণা। ব'হাগে আমাৰ বাবে কঢ়িয়াই লৈ আহে আশা। এই আশা বুকুত বান্ধি আমি আগুৱাই যোৱাৰ বাবে সাহস পাওঁ। মনলৈ আহে ন-ন চিন্তা। সমাজ গঢ়াৰ সপোন দেখোঁ, শস্য শ্যামলা এখন নতুন পৃথিৱী পাবলৈ হাবিয়াস জাগে। ভেদাভেদ পাহৰি আমি সকলো অসমীয়া মিলি এক বৃহত্তৰ অসমীয়া জাতিলৈ পৰিণত হোৱাৰ অংকুৰণ ব'হাগতেই ঘটে। দুখ-শোক পাহৰি এক প্ৰত্যাশাৰে উজ্জ্বল দিনবোৰলৈ দুহাত মেলি বাট চাই ৰওঁ। এনেদৰেই প্ৰতি বছৰে ব'হাগ আহে আমাৰ মাজলৈ।

বসন্ত, ব'হাগ, ৰঙালী যেন এক ভিন্ন হৃদয়। বসন্তৰ আগমনে ব'হাগ অহাৰ বাতৰি দিয়ে। এই ব'হাগতেই আমাৰ মাজলৈ লৈ আহে ৰঙালী বিহু। গছৰ কোমল পাতৰ মাজেদি কুলি কেতেকীৰ মাতত ৰঙালী বিহু আহে, ঢোলে-ডগৰে আহে ব'হাগ বা ৰঙালী বিহু। কপৌ ফুলে আনে গাভৰুৰ পাৰ ভঙা উৎসাহ, বিহুগীতে প্ৰাণ পায় পথাৰৰ মাজৰ গছৰ তলত। ঢোল-পেঁপা, গগণাৰে ঢুলীয়াই যেন গচকত ভাঙি যায় যঁতৰ। মাজনিশা নিয়ৰ সনা দুবৰি গচকি বিহুৱা দলে হুঁচৰি আৰম্ভ কৰি ঢোলত গৃহস্থৰ কুশলৰ অৰ্থে চেও দিয়ে। হুঁচৰিৰ অন্তত গৃহস্থই আঠু লৈ শৰাই আগবঢ়ায়, বিহুৱাই মূৰৰ চুলি চিঙি পুখুৰীত মাছ, পথাৰত ধান, বাৰীত তামোল-পাণ, উপচি পৰিবলৈ আৰ্শীবাদ দিয়ে। বিহুৱাৰ বাবে ধনী-দুখীয়া সকলো সমান। সকলোকে ৰঙালীৰ ৰং-ৰইছ সমানে বিলাই যোৱাটোৱেই ব'হাগৰ পৰম্পৰা। ব'হাগ বা ৰহালী বিহুৱে বিভিন্ন জাতি-জনজাতিৰ মাজৰ মিলাপ্ৰীতিৰ ভাৱ গাঢ় কৰাৰ বাট প্ৰশস্ত কৰি তোলে। সমাজৰ বান্ধোন হৈ পৰে নিকপ্‌কঁপীয়া। বৰলুইতৰ দৰে চিৰপ্ৰৱাহমান অসমীয়া জাতি, আমাৰ সংস্কৃতি, আমাৰ কৃষ্টি। ব'হাগতে আমালৈ লৈ আহে শান্তি আৰু আনন্দৰ বতৰা। ৰঙালীক আদৰিবলৈ ডেকা-গাভৰু সকলো জাকিমাৰি ওলাই আহে। ব'হাগৰ ৰঙালী যেন আমাৰ প্ৰাণৰো প্ৰাণ। ব'হাগত জাতিয়ে স্নান কৰে, মলিয়ন বস্ত্ৰ সলায়'। সকলো ভেদাভেদ পাহৰি একতাৰ ডোলেৰে বান্ধ খাই এক বৃহত্তৰ সমাজৰ একোটা পৰিয়ালৰ দৰে থাকিবলৈ আমি যেন প্ৰেৰণা পাওঁ এয়ে ব'হাগৰ দিনৰ কামনা। সমাজত শান্তি-সম্প্ৰীতি অটুত থাকক আমাৰ চাৰিওফালৰ পৰিৱেশ আনন্দময় হৈ পৰক। এই আশাৰে সকলোকে বিহুৰ ওলগ যাচিলোঁ।

অসমৰ জনবিস্ফোৰণ

ডাঃ ইলিয়াছ আলি

সম্প্রতি অসম কিছুমান অভাৱনীয় প্রত্যাহ্বানৰ সন্মুখীন হৈছে। সেইবোৰৰ ভিতৰত অতি ভয়াৱহ তথ্য সৰ্ববৃবৎ প্রত্যাহ্বান হৈছে অনিয়ন্ত্রিত জনবিস্ফোৰণ। এই সমস্যা দিনক দিনে জটিল হৈ পৰিছে। জনসংখ্যা বৃদ্ধিৰ বৰ্তমানৰ গতি অব্যাহত থাকিলে অনতিপলমে ই মাৰাত্মক ৰূপ ধাৰণ কৰিব। বৈজ্ঞানিক দষ্টিভংগীৰে বিশ্লেষণ কৰিলে দেখা যায় আৰ্থ-সামাজিক পশ্চাদপদতাই হৈছে জনবিস্ফোৰণৰ প্ৰধান কাৰণ। কেৰালা, তামিলনাডু, অন্ধ্রপ্রদেশ, কৰ্ণাটকক আদি ৰাজ্যত জনসংখ্যা নিয়ন্ত্রিত হোৱাৰ মূলতে হৈছে সেইবোৰ ৰাজ্যৰ আৰ্থ-সামাজিক উন্নয়ন। দুৰ্ভাগ্যৰ বিষয় এই যে অসম প্ৰাকৃতিক সম্পদত চহকী হৈয়ো সেইবোৰ ৰাজ্যতকৈ শিক্ষা-দীক্ষা তথা অৰ্থনৈতিকভাৱে পিছপৰি থাকিল। ইয়ে অসমৰ জনসংখ্যাৰ সমস্যাক গভীৰ কৰি তুলিছে।

২০১১ চনৰ লোকপিয়লৰ পৰিসংখ্যা অনুযায়ী অসমৰ জনসংখ্যা ৩,১২,০৫,৫৭৬ জন। ইয়াৰে পুৰুষ ১,৫৯,৫৪,৯২৭ জন আৰু ১,৫২,১৪,৩৪৫ গৰাকী মহিলা। ২০০১ চনত অসমৰ জনসংখ্যা আছিল ২,৬৬,৫৫,৫২৮ জন। ইয়াৰে ১,৩৭,৭৭,০৩৭ জন পুৰুষ আৰু ১, ২৮,৭৮,৪৯১ গৰাকী মহিলা। অৰ্থাৎ বিগত দশকটিত অসমৰ জনসংখ্যা বৃদ্ধি পাইছে ৪৫,১৩,৭৪৪ জন। জনসংখ্যাৰ ফালৰ পৰা ভাৰতবৰ্ষত অসমৰ স্থান চতুৰ্দশ আৰু দেশৰ মুঠ জনসংখ্যাৰ ২.৫ শতাংশ বহন কৰে অসমে। ৭৮,০০০ বৰ্গ কিলোমিটাৰ মাটিকালিৰে অসমৰ স্থান হ'ল ষষ্ঠদশ।

১৯০১ চনত অবিভক্ত অসমৰ জনসংখ্যা আছিল মাত্র ৩২.৯ লাখ আৰু ১৯৫১ চনত ৮০.২৮ লাখ। অৰ্থাৎ পঞ্চাশ বছৰত বৃদ্ধি পাইছে ৪৩.৩৮ লাখ। ১৯৫১ চনৰ পৰা দ্ৰুতগতিত জনসংখ্যা বৃদ্ধি হবলৈ ধৰে আৰু ২০০১ চনত অসমৰ জনসংখ্যা হয়গৈ ২.৬৬ কোটিতকৈ অধিক। অৰ্থাৎ বিগত শতিকাৰ দ্বিতীয়াৰ্ধত জনসংখ্যা বৃদ্ধি পালে ১.৬৬ কোটি। এই সংখ্যা আছিল শতিকাটিত অসমৰ জনসংখ্যা বৃদ্ধি পাইছে ২.৩৩ কোটি বা ৭০৬ শতাংশ। উল্লেখ্য সেই সময়ত ৰাষ্ট্ৰীয় পৰ্যায়ত জনসংখ্যা বৃদ্ধি হৈছিল ৩০৮ শতাংশ, অৰ্থাৎ অসমত প্ৰায় ৪০০ শতাংশতকৈ অধিক বৃদ্ধি হৈছিল। মন কৰিবলগীয়া যে শতিকাটোৰ দ্বিতীয়াৰ্ধত অসমৰ পৰা ফালৰি কাটি নাগালেণ্ড, মিজোৰাম, অৰুণাচল আৰু মেঘালয় নামেৰে সুকীয়া ৰাজ্য গঠন হয়।

অসমৰ জনসংখ্যাৰ অস্বাভাৱিক বৃদ্ধি কেৱল প্ৰাকৃতিক নহয়, চুবুৰীয়া পুব পাকিস্তান (বৰ্তমান বাংলাদেশ) আৰু নেপালৰ পৰা হোৱা অবাধ প্ৰব্ৰজনে এইক্ষেত্ৰত বিপুলভাৱে অৰিহণা যোগাইছে। তদুপৰি ভাৰতবৰ্ষৰ অন্য ৰাজ্যৰ পৰা হোৱা প্ৰব্ৰজনো

অসমৰ জনসংখ্যা সমস্যা জটিল কৰি তোলাৰ বাবে বহু পৰিমাণে দায়ী। তলত ১৯০১ চনৰ পৰা ২০১১ চনৰ মাৰ্চ মাহলৈ অসমৰ জনসংখ্যা বৃদ্ধিৰ হাৰ দেখুওৱা হ'ল।

চন	জনসংখ্যা	জনসংখ্যা বৃদ্ধি (লাখ)	শতকৰা হাৰ
১৯০১	৩২,৮৯,৬৮০		
১৯১১	৩৮,৪৮,৬১৭	৫.৫৯	১৭.৯৯
১৯২১	৪৬,৩৬,৯৮০	৭.৮৮	২০.৪৮
১৯৩১	৫৫, ৬০,৩৭১	৯.২৩	১৯.৯১
১৯৪১	৬৬,৯৪,৭৯০	১১.৩৪	২০.৪০
১৯৫১	৮০,২৮,৮৫৬	১৩.৪০	১৯.৯৩
১৯৬১	১,০৮,৩৭,৩২৯	২৮,০৮	৩৪.৯৮
১৯৭১	১,৪৬,২৫,১৫২	৩৭.৮৭	৩৪.৯৫
১৯৮১			
১৯৯১	২,২৪,১৪,৩২	৭৭.৮৯	৫৩.২৬
২০০১	২,৬৬,৫৫,৫২৮	৪২.৪১	১৮.৯২
২০১১	৩,১২,০৫,৫৭৬	৪৫.৫	১৬.৯৩

অসমৰ সকলো জিলাতে জনসংখ্যা বৃদ্ধিৰ হাৰ সমান নহয়। কিছুমান জিলাত জনসংখ্যা অস্বাভাৱিক হাৰত বৃদ্ধি পাইছে। বিশেষকৈ নামনি অসম, মধ্য অসম আৰু বৰাক উপত্যকাৰ জিলাসমূহত জনসংখ্যা বৃদ্ধিৰ হাৰ উজনি অসমৰ জিলাসমূহতকৈ বেছি। সৰ্বাধিক জনসংখ্যা বৃদ্ধি হোৱা জিলাখন হৈছে ধুবুৰী। দ্বিতীয় আৰু তৃতীয় স্থানত আছে ক্ৰমে মৰিগাঁও আৰু গোৱালপাৰা। দৰং আৰু নগাঁৱৰ স্থান ক্ৰমে চতুৰ্থ আৰু পঞ্চম। ইপিনে বৰাক উপত্যকাৰ তিনিওখন জিলা— কাছাৰ, হাইলাকান্দি আৰু কৰিমগঞ্জতো জনসংখ্যা বৃদ্ধিৰ হাৰ অধিক। তলত অসমৰ জিলাভিত্তিক জনসংখ্যা বৃদ্ধিৰ দশকীয় হাৰৰ তালিকা (২০১১ চনৰ লোকপিয়ল অনুসাৰে) এখন দিয়া হৈছে।

জিলা	দশকীয় বৃদ্ধি (শতাংশ)
ধুবুৰী	২৪.৪৪
মৰিগাঁও	২৩.৩৪
গোৱালপাৰা	২২.৬৪
দৰং	২২.১৯
নগাঁও	২২.০০
হাইলাকান্দি	২১.৪৪
বৰপেটা	২১.৪০
কৰিমগঞ্জ	২০.৭৪
ধেমাজি	২০.৩০
কাছাৰ	২০.১৭

বঙাইগাঁও	১৯.৫৮
কামৰূপ মেট্ৰ'	১৮.৯৫
কাৰ্বিআংলং	১৮.৬৯
লখিমপুৰ	১৭.০৬
কামৰূপ (গ্ৰামীণ)	১৫.৬৭
শোণিতপুৰ	১৫.৬৭
তিনিচুকীয়া	১৪.৫১
এন চি হিলছ	১৩.৫৩
ডিব্ৰুগড়	১২.০৩
গোলাঘাট	১১.৮৮
নলবাৰী	১১.৭৪
চিৰাং	১১.২৬
বাক্সা	১১.১৭
ওদালগুৰি	৯.৭৬
শিৱসাগৰ	৯.৩৭
যোৰহাট	৯.২১
কোকৰাঝাৰ	৫.১৯

২০১১ চনৰ লোকপিয়লৰ পৰিসংখ্যা

মুঠ জনসংখ্যা ঃ ৩,১২,০৫,৫৭৬

পুৰুষ ঃ ১,৫৯,৩৯,৪৪৩

মহিলা ঃ ১,৫২,৬৬,১৩৩

০-৬ বছৰীয়া শিশুৰ সংখ্যা

ঃ ৪৬,৫ ১৩০

১,৬৩,৪৮৫

ছোৱালী ঃ ২২,৭৪,৬৪৫

শিক্ষাৰ হাৰ ঃ

সাক্ষৰ লোকৰ সংখ্যা ঃ ১,৯১,৭৭,৯৭৭ (৭২.১৯ শতাংশ)

পুৰুষ ঃ ১,০৫,৬৮,৬৩৯ (৭৭.৮৫ শতাংশ)

মহিলা ঃ ৮৬,০৯,৩৩৮ (৬৩.০০ শতাংশ)

মাটিকালি ঃ ৭৮,০০০ বৰ্গ কিঃ মিঃ

জিলা ঃ ২৭ খন

মহকুমা ঃ ১৫৩ খন

নগৰ ঃ ২১৪ খন

গাঁও ঃ ২৬,৩৯৫ খন

অধিক জনবসতিপূৰ্ণ জিলা (জনসংখ্যা প্ৰতি বৰ্গ কিঃ মিঃত)

১। কামৰূপ মেট্ৰ'	১৩১৩
২। ধুবুৰী	৮৯৬
৩। বৰপেটা	৭৪২
৪। নলবাৰী	৭৩৩
৫। নগাঁও	৭১১

২০০১ চনত অসমত প্ৰতি বৰ্গ কিলোমিটাৰত জনবসতি আছিল ৩৪০ জন। ২০১১ চনত এই সংখ্যা হৈছেগৈ ৩৯৭ জন। এই দশকটোত জনসংখ্যাৰ বৃদ্ধিৰ হাৰ ১৭.০৭ শতাংশ। কিন্তু ২০০১ চনত জনসংখ্যাৰ বৃদ্ধিৰ হাৰ আছিল ১৮.৮৫ শতাংশ। অৰ্থাৎ ২০০১-২০১১ দশকত জনসংখ্যা বৃদ্ধিৰ হাৰ সামান্য কমিছে। প্ৰায় ১.৭৮ শতাংশ। আপাতদৃষ্টিত এয়া অসমৰ বাবে সুখবৰ যেন লাগে, পিছে ভালকৈ লক্ষ্য কৰিলে দেখা যায় যে মুঠ জনসংখ্যা বৃদ্ধি অলপো কমা নাই। বৰং ই অভাৱনীয়ভাৱে বাঢ়িয়েই আছে। উদাহৰণস্বৰূপে ১৯৯১-২০০১ দশকত জনসংখ্যা বৃদ্ধি পাইছিল ৪২.৩ লাখ। কিন্তু ২০০১-২০১১ ৰ দশকত বৃদ্ধি পায় ৪৫.৫ লাখ। অৰ্থাৎ বিগত দশকটোত ১৯৯১-২০০১ ৰ দশকৰ তুলনাত ৩.২ লাখ অতিৰিক্ত জনসংখ্যা বৃদ্ধি পাইছে। আমি মনত ৰখা দৰকাৰ যে জনসংখ্যা জ্যামিতিক অনুপাতত (সহজ অৰ্থত চক্ৰবৃদ্ধি হাৰত) বৃদ্ধি পায়। সেয়ে জনসংখ্যা প্ৰতিৰোধৰ ব্যৱস্থা পৰ্যাপ্ত পৰিমাণে উপলব্ধ কৰিব নোৱাৰিলে ইয়াৰ বৃদ্ধিৰ গতি সহজে ৰোধ কৰিব নোৱাৰি। অসমত জনসংখ্যা বৃদ্ধিৰ প্ৰৱণতাৰ তালিকা এখন দিয়া হ'ল। তালিকাখন ২০১১ চনৰ লোকপিয়লৰ তথ্যৰ আধাৰত প্ৰস্তুত কৰা হৈছে—

প্ৰতি বছৰে 8,৫১,৩৭৪ জন

প্ৰতিমাহে ৩৭,৬১৪ জন

প্ৰতিদিনে ১,২৫৩ জন

প্ৰতিঘণ্টাত ৫২ জন।

জনবিস্ফোৰণৰ পৰিণতি

অসম জনসংখ্যা বৃদ্ধিৰ ফলত উদ্ভৱ হোৱা বিভিন্ন অবাঞ্চিত পৰিঘটনা আমি সকলোৱে দেখি আহিছো। তাৰ অন্যতম উদাহৰণ হ'ল অসমৰ প্ৰাকৃতিক সম্পদসমূহৰ ধ্বংসযজ্ঞ। হাবি-জংঘল, পাহাৰ-পৰ্বত, জান-জুৰি, খাল-বিল, নদ-নদী সকলোতে আৰম্ভ হৈছে অবাধ লুণ্ঠন। বনাঞ্চল নাইকিয়া হৈছে। অটব্য অৰণ্য উদং হৈ পৰিছে। গছ-গছনিৰে ভৰপূৰ চিৰ সেউজীয়া চিৰ সুন্দৰ পাহাৰসমূহ লঙঠা হৈ পৰিছে। বন্যপ্ৰাণীৰ ৰম্যভূমি চিৰ বিনন্দীয়া অসম আজি বধ্যভূমিত পৰিণত হৈছে। জীৱ-জন্তু, চৰাই-চিৰিকটি, কীট-পতংগ দ্ৰুতগতিত নাইকিয়া হৈ আহিছে। জান-জুৰিত মাছ-পুঠি পাবলৈ নাইকিয়া হল। ডাল ভৰি ভৰি এতিয়া আৰু বাৰীত নালাগে আম, জাম, কঁঠাল, লেটেকু পনীয়ল। কুলি-কেতেকীৰ সুমধুৰ গীত যেন হেৰাই গ'ল। প্ৰাণোচ্ছল অসম লাহে লাহে প্ৰাণহীন হৈ পৰিছে। বিধ্বস্ত হৈ পৰিছে প্ৰাকৃতিক পৰিৱেশ। উশাহ-নিশাহ ল'বলৈও যেন পাবলৈ নাই মুকলি ঠাই। প্ৰাণভৰি সেৱন কৰিবলৈও যেন নাইকিয়া হৈ আহিছে কাহিলিপুৱাৰ মলয়া বতাহজাক।

বিগত কিছুবছৰ ধৰি চুবুৰীয়া ৰাজ্য নাগালেণ্ড, মেঘালয় আৰু অৰুণাচলৰ সৈতে অসমৰ সঘনাই বিবাদ সৃষ্টি হৈছে। এই বিবাদে দিনে দিনে ভয়াৱহ ৰূপ ধাৰণ কৰিছে। সীমামুৰীয়া অঞ্চলত ভয়-শংকা, হিংসা-অসূয়া বিৰাজ কৰিছে। চুবুৰীয়াই চুবুৰীয়াৰ ঘৰ-দুৱাৰ জ্বলাই ছাৰখাৰ কৰিছে। গাঁও-ভূই উছন হৈছে, আনকি ইজনে সিজনক নৃশংসভাৱে হত্যা কৰিছে। ভূলুণ্ঠিত হৈছে মানৱতা। আনহাতে জনসংখ্যা বৃদ্ধিৰ লগে লগে অসম তথা চুবুৰীয়া ৰাজ্যসমূহতো দিনে দিনে প্ৰাকৃতিক সম্পদৰ চাহিদা বাঢ়িছে। ফলত সেই ৰাজ্যবোৰতো প্ৰাকৃতিক সম্পদ দ্ৰুতগতিত হ্ৰাস হৈ আহিছে। মূলতঃ প্ৰাকৃতিক সম্পদ শেষ হোৱাৰ স্বাভাৱিক ভয় নতুবা সেইবোৰ আহৰণ বা সংৰক্ষণ কৰাৰ মানসিকতাই সৃষ্টি কৰিছে সীমামুৰীয়া কন্দল।

কেবাদশকৰ পৰা অসমৰ বিভিন্ন জনগোষ্ঠীৰ মাজতো সৃষ্টি হৈছে নজিৰবিহীন উত্তেজনা, অৰিয়াঅৰি, দ্বন্দ-খৰিয়াল্। দিনক দিনে এই দ্বন্দ-খৰিয়ালসমূহে ভয়াৱহ ৰূপ ধাৰণ কৰিবলৈ লৈছে। যুগ যুগ ধৰি অসমত বসবাস কৰা ক্ষুদ্ৰ জনগোষ্ঠীসমূহে ভয় খাইছে যে বৃহৎ জনগোষ্ঠীৰ লোকে তেওঁলোকৰ মাটি-সম্পত্তিবোৰ বেদখল কৰিব আৰু নিজৰ ঘৰতেই তেওঁলোক অথৰী হৈ পৰিব। কেৱল সেয়াই নহয়, এদিন তেওঁলোকৰ ভাষা-সংস্কৃতি, ৰীতি-ৰোৱাজ, আচাৰ-অনুষ্ঠান সকলো ধ্বংস হৈ যাব। এনে কাৰণত অসমৰ বিভিন্ন জনগোষ্ঠী শংকিত হৈ পৰিছে আৰু সেই শংকাই ভয়াবহ গোষ্ঠী দ্বন্দত পৰিণত হৈছে।

সন্ত্ৰাসবাদীৰ সন্ত্ৰাস, সাম্প্ৰদায়িকতাবাদী তথা আঞ্চলিকতাবাদীৰ তাণ্ডৱ আৰু বিভিন্ন জাতি তথা গোষ্ঠী সংঘৰ্ষ আমাৰ দৈনন্দিন জীৱনৰ লগৰীয়া হৈ পৰিছে। অসমৰ পূৰ্বৰ শান্তিৰ পৰিৱেশ সুউচ্চ পাহাৰত কাছৰ কণীত পৰিণত হৈছে। বাটে-ঘাটে, গাঁৱে-ভূই, নগৰে-চহৰে যেন কিবা ভয়, শংকা, সন্দেহ, হতাশা, নিৰাপত্তাহীনতাই বিৰাজ কৰিছে। যিবোৰ সম্প্ৰদায়ৰ যুগ যুগ ধৰি একেলগে ভাই-বন্ধুৰ দৰে বসবাস কৰিছিল, সুখে-দুখে, সকামে-নিকামে, ইজনে-সিজনৰ পৰম সাৰথি আছিল— সেই সকলোবোৰ থানবান হৈ পৰিছে। বৃহত্তৰ অসমীয়া জাতি গঠনৰ প্ৰক্ৰিয়া ব্যাহত হৈ পৰিছে। আজি যেনিবা অসমৰ বিভিন্ন জাতি-ধৰ্মৰ লোকসকল অসমীয়া হৈ থকা নাই। তেওঁলোক হৈ পৰিছে ৰাভা, বড়ো, কোচ, ৰাজবংশী, মিৰি, দেউৰী, মৰাণ, মটক, হিন্দু-মুছলমান। আনকি বহু সময়ত তেওঁলোকে মানৱীয় প্ৰমূল্যবোধক বিসৰ্জন দি ইজনে সিজনৰ প্ৰাণ লবলৈও কুণ্ঠাবোধ নকৰা হৈছে।

আমি সৰহভাগেই বিশ্বাস কৰো যে কলা-কৃষ্টি, শিল্প-সংস্কৃতিয়েই হৈছে বিভিন্ন জনগোষ্ঠীৰ মাজত সমন্বয়ৰ এনাজৰী। সেইবাবেই সকলোৱে ইয়াৰ সাধনাক পৰম শ্ৰদ্ধাৰ চকুৰে চাই আহিছে। ব্যক্তিগত তথা সামাজিক প্ৰসাৰৰ উপৰি স্বাধীনতাৰ পৰবৰ্তী

পৰ্যায়ত চৰকাৰে এইবোৰৰ উত্তৰণৰ বাবে সাংস্কৃতিক মন্ত্ৰণালয় সৃষ্টি কৰিছে। কিন্তু সাংস্কৃতিক সম্পদৰ পীঠস্থান অসম সম্প্ৰতি গোষ্ঠী-দ্বন্দ্বৰ কবলত পৰি যেৰ সাংস্কৃতিকভাৱেও বিপন্ন হোৱাৰ পথত অগ্ৰসৰ হৈছে। স্বনামধন্য শিল্পী জ্যোতিপ্ৰসাদ আগৰৱালা, বিষ্ণুপ্ৰসাদ ৰাভা, ড° ভূপেন হাজৰিকাই সমন্বয়ৰ সাঁকো গঢ়িবলৈ কৰা অহোপুৰুষাৰ্থও যেন বিফল হোৱাৰ উপক্ৰম ঘটিছে। অন্যান্য কাৰণৰ লগতে জনবিস্ফোৰণো ইয়াৰ এটা মূল কাৰণ। জনবিস্ফোৰণৰ দৈত্যই সকলো জনগোষ্ঠীক শংকিত কৰি তুলিছে। নিঃশেষ হোৱাৰ দু শ্চিন্তাই বহু জনগোষ্ঠীক আত্মনিয়ন্ত্ৰণৰ পিনে ঢপলিয়াবলৈ বাধ্য কৰাইছে। কেৱল পৰস্পৰৰ মাজত কলা-কৃষ্টি, শিল্প-সংস্কৃতিৰ বিনিময়েৰে যে জনগোষ্ঠীসমূহক একতাৰ ডোলেৰে চিৰদিনলৈ বান্ধি ৰাখিব নোৱাৰি— এই কথা আমি আগেয়ে উপলব্ধি কৰিব নোৱাৰাৰ বাবেই এনে পৰিস্থিতিৰ সন্মুখীন হৈছোঁহি। পূৰ্বৰেপৰা কলা-কৃষ্টি, শিল্প-সংস্কৃতিৰ বিকাশ আৰু বিনিময়ৰ লগে লগে জনসংখ্যা বৃদ্ধি প্ৰতিৰোধৰ প্ৰচেষ্টা হাতত লোৱা হলে অসমৰ অৱস্থা এনে নহলহেঁতেন।

জনসংখ্যা বৃদ্ধিয়ে অসমৰ উন্নতিৰ পথতো প্ৰধান হেঙাৰ হিচাপে থিয় দিছে। অসমৰ জনমূৰি আয় আৰু মুঠ ঘৰুৱা উৎপাদনো হতাশজনক। মানৱ উন্নয়নৰ অন্যতম সূচকাংক প্ৰসূতি আয় আৰু মুঠ ঘৰুৱা উৎপাদনো হতাশজনক। মানৱ উন্নয়নৰ অন্যতম সূচকাংক প্ৰসূতি আৰু শিশুৰ মৃত্যুৰ হাৰ অতি হতাশজনক। উল্লেখ্য যে অসমৰ প্ৰসূতিৰ মৃত্যুৰ হাৰ ভাৰতবৰ্ষৰ ভিতৰতে সৰ্বাধিক। শিশুৰ মৃত্যুৰ ক্ষেত্ৰতো অসমৰ স্থান দ্বিতীয়। সেইদৰে পুষ্টিহীনতাত ভোগা শিশুৰ সংখ্যাও ভাৰতবৰ্ষৰ বহু ৰাজ্যতকৈ অধিক।

জনসংখ্যাৰ বৃদ্ধি অসমৰ বাবে অতিশয় চিন্তাৰ বিষয় হৈ পৰিছে। বৰ্ধিত জনসংখ্যাই ৰাজ্যখনৰ আৰ্থসামাজিক, ৰাজনৈতিক তথা সাংস্কৃতিক ক্ষেত্ৰত সুদূৰপ্ৰসাৰী বিৰূপ প্ৰভাৱ পেলাইছে। সেয়ে যিমান সোনকালে পাৰি বৰ্ধিত জনসংখ্যাই াজ্যখনৰ আৰ্থ-সামাজিক, ৰাজনৈতিক তথা সাংস্কৃতিক ক্ষেত্ৰত সুদূৰপ্ৰসাৰী বিৰূপ প্ৰভাৱ পেলাইছে। সেয়ে যিমান সোনকালে পাৰি বৰ্ধিত জনসংখ্যা নিয়ন্ত্ৰণাধীন কৰিব লাগে। ভাষা-ধৰ্ম-নিৰ্বিশেষে অসমৰ প্ৰতিজন নাগৰিক জনবিস্ফোৰণ সম্পৰ্কে সচেতন হোৱা উচিত। জনসংখ্যা নিয়ন্ত্ৰণ আঁচনি ৰূপায়ণত চৰকাৰৰ লগতে ৰাইজেই সহায়ৰ হাত আগবঢ়াব লাগিব। অন্যথা অসমৰ ভৱিষ্যত তেনেই অন্ধকাৰ।

প্ৰাক বৈষ্ণৱ যুগৰ বিহু আৰু তাৰ পৰৱৰ্তী কালৰ বিহুৰ এটি আলোকপাত

শ্যাম মহন্ত
লতাকতা, গুৱাহাটী

"মোৰ ধন কলিয়া আলক্ষৰ দেৱতা
নিলগত আছিলা বৈ।
কালিমতীক লগপাই ৰঙালীক লগত লৈ
কলিয়াবৰতে ৰলি না ঐ"

সংস্কৃতি বোৱটি নৈ। যেতিয়ালৈকে পৃথিৱী থাকিব, চন্দ্ৰ, সূৰ্য থাকিব, তেতিয়ালৈকে সংস্কৃতিয়ে বিভিন্ন ৰূপত প্ৰৱাহমান হৈ থাকিব। অসমীয়া সংস্কৃতিয়েও বিভিন্ন স্তৰ অতিক্ৰম কৰি আজিৰ পৰ্যায় পাইছেহি। অসমীয়াৰ বাপটি সাহোন হিয়াৰ আমঠু ৰঙালী বিহুতিয়ে ও মহাবাহু ব্ৰহ্মপুত্ৰৰ দৰে বিভিন্ন জাতি-জনগোষ্ঠীৰ সোণসেৰিয়া বিহুগীত তথা সমলসমূহ একত্ৰিত কৰি অসমীয়া জাতিটোক চহকী সংস্কৃতিবান জাতিলৈ ৰূপান্তৰ কৰিছে। অসমীয়াৰ তিনিটা বিহুৰ ভিতৰত বহাগ তথা ৰঙালী বিহুটি অতিকৈ আপোন। ই পৰিৱৰ্তনৰ বিহু, নতুনক আদৰি লোৱাৰ বিহু, আকৌ কোনোবাই কল্পনাৰ প্ৰেয়সীক আজীৱন আপোন কৰি লোৱাৰ বিহু। শ্যামলী পৃথিৱীয়ে গছে-বনে ফুলে পাতে জাতিষ্কাৰ হৈ পৰাৰ দৰে মানুহৰ মনবোৰো বসন্তৰ পৰশ পাই প্ৰফুল্লিত হৈ পৰে। সেইয়ে অসমীয়া বিহুৱাই স্বতঃস্ফুৰ্তভাৱে হিয়া ভৰাই গায়—

বিহু বিহু বিহুটি বিহু আমাৰ তিনিটি
কাতি বিহু কঙালী
মাঘৰ বিহু ভোগালী
বহাগতে ধেমালি কৰো।

....

অতিকৈ চেনেহৰ মুগাৰে মহুৰা
তাতোকৈ চেনেহৰ মাকো।
তাতোকৈ চেনেহৰ বহাগৰ বিহুটি
নাপাতি কেনেকৈ থাকো।

প্ৰাক্শংকৰী তথা বৈষ্ণৱ যুগৰ পৰাই এই বিহুগীতসমূহ অসমীয়া বিহুৱাৰ মুখে মুখে চলি আহিছে। বিহু উৎপত্তিৰ বহু বছৰলৈকে উজনি অসমৰ কলিয়াবৰলৈকেহে বিহু সীমাবদ্ধ আছিল। আমাৰ লিখনিৰ পাতনিতে উল্লেখ কৰা বিহুৰ যোজনা ফাকিয়ে তাৰেই ইংগিত বহন কৰিছে। গছৰ তল, পথাৰৰ বিহু আহি চোতাল পোৱাৰ বহু বছৰলৈকে বিহুগীতৰ প্ৰভাৱ উজনি অসমতে সীমাবদ্ধ আছিল। এতিয়াও হুচৰি বিহুৰ বাহিৰে যেনে— জেং বিহু, ৰাতি বিহু, মুকলি বিহু, লগ বিহু (মৰাণ সকলৰ) মঞ্চৰ বাহিৰে বা বিহু সন্মিলনৰ বাহিৰে নামনি অসমত দেখা পোৱা নাযায়। চোতালৰ বিহুক মঞ্চলৈ আদৰি অনাৰ

পাছৰ পৰাহে শদিয়াৰ পৰা ধুবুৰীলৈকে সমগ্ৰ অসমতে বিহুৰ প্ৰভাৱ পৰিলক্ষিত হৈছে। আচলতে মঞ্চই বিহু+ হুঁচৰি একেলগ কৰি বিহু হুঁচৰি বা হুঁচৰি বিহু কৰিলে। বিশেষকৈ প্ৰতিযোগিতা আৰম্ভ হোৱাৰ পিছৰে পৰা বিহু এযোৱাৰ আচল পৰিসৰ কমি আহিল। ঢোলৰ চাপৰ, পেঁপাৰ চেও ইত্যাদি সকলো চুটি চুটিকৈ পৰিৱেশন কৰিবলগা হৈছে। যাৰ ফলত আজিকালিৰ বিহুৱাসকলে একেটা বিহুকে পেৰি পেৰি বা থিতাতে বিহু ৰচি বিহু গাব নোৱাৰে। চোতালৰ বিহুত প্ৰতিঘৰ গৃহস্থৰ চোতালত নতুন নতুন তথা বেলেগ বেলেগ বিহু গোৱা হয়। কিন্তু মঞ্চ বিহুত নিৰ্দিষ্ট কেইটামান ঢোলৰ চেও নিৰ্দিষ্ট দুটা বা তিনিটা বিহুগীত এমাহৰ আগৰপৰা অনুশীলন কৰি প্ৰতিখন মঞ্চত উপস্থাপন কৰা হয়। আমি আগতে এঘৰৰ চোতালতে অতি কমেও এঘণ্টা পেৰি পেৰি বিহু মাৰিছিলো। নাচৰ কোনো পৰিধি নাছিল। ছোৱালী নাচনীৰ ব্যৱস্থা নাছিল। ল'ৰা এজন বা দুজনক ছোৱালী সজাই নচোৱা হৈছিল। ডেকা সকলেই চক্ৰাকাৰ বিবহুগীত গাই গাই নাচিছিল। লহৰি নাচিছিল।

প্ৰাক শংকৰী যুগত বিহুগীতসমূহত বিশেষকৈ প্ৰেম-বিৰহ, গছ-লতা, নৈ-বিল, জান-জুৰি, চৰাই-চিৰিকটি ঢোল-পেঁপা, গগনা-বাঁহী আৰু গৰু-ম'হ আদিৰ প্ৰভাৱ আছিল। তাৰে কেইটিমান বিহু গীত তলত উল্লেখ কৰা হ'ল—

(১) *প্ৰেম বিৰহৰ গীত —*

(ক)

"এৰি গ'লে এৰাপাত নালাগে লাহৰি
বেলি গলে নালাগে ভাত।
বয়স ভাটি দিলে তোমাক সোণ নালাগে
মৰম চেনেহ নাথাকে গাত।"

(খ)

"ধনশিৰি পাৰেহে ঢপলিয়াই আহিলো
জিৰালো কলিয়াবৰত।
তোমাকে বিচাৰি ঘৰ-বাৰী এৰিলো
তোমাক নাপালোহি ঘৰত।"

(গ)

"দিছো বুকু পাতি মাৰা লপা যাঠি
তেজেৰে বৈ যাব নৈ।
হেনো নৈ খনিতে তুমি নাও খেলিবা
লুটুৰি পুটুৰী হৈ"।

(২) গছ-লতা ঃ

(ক)

পৰ্বতে পৰ্বতে বগাব পাৰো মই
লতা বগাবলৈ টান।
যুৰীয়া হাতীকো বলাব পাৰো মই
তোমাক বলাবলৈ টান।

(খ)

হাবিলৈ গৈছিলো কটাৰী নিনিলো
লতাই বেৰি বেৰি ধৰে।
বিহুলৈ গৈছিলো হাঁচতি নিনিলো
চেনাইধনে আমনি কৰে।

(গ)

"ঔৰে গছতে মৌৰে বাঁহ ললে
চেনাই পাৰি দিয়া খাঁও।
তুমি সাজি দিয়া লাহৰী গগণা
বহি তাঁতৰ পাতত বাওঁ।"

(৩) নৈ বিল—

(ক)

নৈ লৈ হালিলে নদালি ভলুকা
পথাৰলৈ হালিলে কাক
বুকুৰে কামিহাড় হ'ল ডালি ডালি
কালৈ চিন্তা কৰি থাক।

(খ)

ৰঙানদী শুকালে মাছৰে বেজাৰত
লুইতখন শুকাইছে কিয়।
মই চেনাই শুকাইছো তোমাৰে বেজাৰত
তুমি চেনাই শুকাইছা কিয়?

(গ) পদুমনি বিলৰে পাভমাছ আনিলো
খৰিছা টেঙা দি ৰান্ধো।
খাবৰে সময়ত তোলৈ মনতপৰি
উচুপি উচুপি কান্দো।

(৪) জান-জুৰি —

(ক)

ৰউজানৰ তেলিয়া সাকো
দিনটোত নেদেখি থাকিব নোৱাৰো
ৰাতিটো কেনেকৈ থাকো।

(খ)

কুলু কুলু কৰি পাহাৰৰ জুৰিটি
ভৈয়ামলৈ কৰিলে গতি।
সময়ো নাটনি ৰাইজৰো আমনি
সামৰণি মাৰিলো ইতি।

(গ)

ফুৰিভালে লাগে জুৰি-জান
ৰাতি মাজে নিশা...
বজাইনো ভালে লাগে বাঁহী।
তোমাক ভালে লাগে জুৰি-জান
মুগা ৰিহা পিন্ধিলে
মুখত মিচিকিয়া হাঁহি।

(৫) চৰাই-চিৰিকটি —

(ক)

চৰায়ে তুলিলে ছকুৰি পোৱালি
গছৰ ডাল শুৱনি কৰি।
তোমাক সোণ তুলিলে তোমাৰ মাৰ-দেউতাৰে
ৰৰঘৰ শুৱনি কৰি।

(খ)

শালিকী চৰাইয়ে কিৰিলি পাৰিলে
গছৰ গুটি খাবলৈ পাই।
আমি ল'ৰাহতে কিৰিলি পাৰিছো
বিহুতলীৰ নাচনীক পাই

(গ)

চৰাই কুমলীয়া উৰিব নোৱাৰে
ঘূৰি ঘূৰি ডালতে পৰে।
মন কুমলিয়া বুজাব নোৱাৰো
উচুপি উচুপি কান্দে।

(৬) ঢোল-পেঁপা —

(ক)

ঢোলেটি বাবলৈ তিনিটি আঙুলি
মাজৰটি আঙুলি লৰে।
ৰাতিৰে খাবলৈ পোৱা নাই
কাচুতি সুলকি পৰে।

(খ)

ঢোলে ভালে কৰি বাবি ঐ ঢোলীয়া
ঢোলে ভালে কৰি বাবি।
ঢোলৰে মাৰিৰে নাকটি চিঙিব
ঘৰলৈ উভটি যাবি।।

(গ)

পেঁপাটি পেঁপাটি ম'হৰ শিঙৰ পেঁপাটি
কলিদৈ মহৰে শিং
বজালে বজাবি ভালেকৈ বজাবি
বিহুৰান এখনি দিম।

সাহোন

(৭) গগণা-বাঁহী —

(ক)

গগণা আৰণি গগণা পুৰণি
গগণা কিহেৰে বাওঁ।
দুফালে দুচটি মাজতে এচটি
উশাহৰ টিপতে বাওঁ।

(খ)

আগলি বাহঁৰে লাহৰী গগণা
বহি তাতৰ পাতত বাওঁ।
আহে কি নাহে ঐ মোৰে ধন চেনাই ঐ
চিৰিপাতি মণ্ডল খন চাওঁ।

(গ)

বাঁহৰে আগতে বাঁহী বাই আছিলো
শাহুআই শুনকহি বুলি।
শাহু আই শুনিলে মিচিকাই হাঁহিলে
জোঁৱাই ধেমেলীয়া বুলি।

(৮) গৰু-মহ—

(ক)

ম'হ বুঢ়াহলে গুৱালৰ কাৰণে
গৰু বুঢ়াহলে হালত।
তই বুঢ়ী হলি বাপেৰৰ কাৰণে
নিদিলে যৌৱনৰ কালত।

(খ)

এহালি গৰুৰে চপাই খেতি কৰো
জোৰে ছমাহৰে ভাত।
বাকী ছমাহলৈ জোৰাব নোৱাৰো
শুনো মই কেটেৰা মাত।

(গ)

গৰু বিহুদিনা গৰু গা ধুৱালো
মাখিয়তিয়ে কোবালো গাত।
গাঁৱৰ ঘৰে ঘৰে হুঁচৰী ঘুৰিলো
টঙালি মেৰিয়াই গাত।

জগতগুৰু শ্ৰীমন্ত শংকৰ গুৰুজনাই এক শৰণ বৈষ্ণৱ ধৰ্ম প্ৰচাৰ কৰাৰ আগলৈকে মানুহে দেৱ-দেৱী, গছ-গছনি আৰু চন্দ্ৰ-সূৰ্য ইত্যাদি ভগৱানৰ বিনন্দীয়া সৃষ্টিসমূহকে ভগৱান বুলি পূজা-অৰ্চনা কৰিছিল। সেইকাৰণে বিহুগীতত দেৱ-দেৱীৰ প্ৰভাবো পৰিছিল— আই সৰস্বতী মাৱে পাৰ্বৱতী তোমালৈ মানি যাওঁ কি। তোমালৈ মানি যাওঁ শুকুলা ছাগলী মাহে পৰমানে দি। আই সৰস্বতী, মাৱে পাৰ্বৱতী তোমালৈ বান্ধি যাওঁ শৰাই। পাহৰা নামকে দি যাবা সোঁৱৰাই যেনে পাজি কটা শলাই।

সমাজত বৈষ্ণৱ ধৰ্মৰ প্ৰভাৱ পৰাৰ পাছৰে পৰা বিহুগীতত হৰি নামৰ প্ৰভাৱ পৰিবলৈ ধৰিলে। বিশেষকৈ হুঁচৰিত বন ঘোষাত হৰি নামৰ প্ৰভাৱ বেছিকৈ পৰা দেখা যায়। যেনে—

(১) শংকৰদেও আমাৰ নিজৰ গুৰু,
দৈৱকী নন্দন দেও এহেই।

(২) ৰাম হে কৰুণা ময়
হৰি হে কৰুণা ময়।

(৩) গোবিন্দ বৃন্দাবনে যায় অ' যায়।
ৰুণ জুন জুন ৰুণ জুন জুন নূপুৰ বজাই।।

(৪) ঈশ্বৰে সৰজা নামৰে কঠিয়া
ব্ৰহ্মাই সৰজা নাম।
বেয়া নাম ওলালে ক্ষমিবা গৃহস্থ
গাই যাঁও বিহুৰে নাম।

(৫) গোবিন্দ গোবিন্দাই।
ধেনু চাৰি বেণু বায় ইত্যাদি।

মুঠতে যুগৰ লগত পৰিৱেশৰ লগত ৰজিত খুৱাই অৱধাৰিত ভাৱে বিহুগীত ৰচনা হৈ আহিছে। আজি-কালি মোবাইল আৰু ফেচবুকক লৈও বিহুগীত ৰচনা হৈছে। কিন্তু যিমানেই বিহুগীত ৰচনা নহওক কিয় আগৰ নিৰক্ষৰ হোজা বিহুৱাসকলে যিবোৰ বিহুগীত ৰচনা কৰিছিল সেইবোৰ চিৰসেউজ আৰু সেইবোৰক চিৰসেউজ কৰি ৰখাটো নতুন প্ৰজন্মৰ সকলো বিহুৱা তথা অসমীয়াৰে কৰ্তব্য।

জ্যোতি সংগীতত অসমৰ প্ৰকৃতিত পৰিৱেশ আৰু মানুহ

ভাৰতী ভট্টাচাৰ্য

অনন্ত কোটি ব্ৰহ্মাণ্ডৰ মাজত এতিয়ালৈকে আমাৰ পৃথিৱীয়েই একমাত্ৰ গ্ৰহ য'ত জীৱ আৰু উদ্ভিদৰ কাৰণে জীয়াই থকাৰ পৰিৱেশ আছে। প্ৰকৃতি আৰু পৰিৱেশক বাদ দি আমাৰ জীৱনৰ কথা ভাবিব নোৱাৰি। আমি প্ৰকৃতিৰ সন্তান। এই প্ৰকৃতিৰ বুকুতেই মানৱ সভ্যতা আঙ্কুৰিত হৈছিল। সভ্যতাৰ আলমত গঢ় লৈ উঠিছিল সংস্কৃতি, উৎসৱ পাৰ্বন, গীত-কবিতা, আয়ুগত প্ৰাকৃতিক বৈচিত্ৰতাৰ মাজত কবি গীতিকাৰে বিচাৰি পাইছিল কালজয়ী লিখনিৰ সমল। ইংৰাজ কবি William Wordsworth ৰ 'ডেফডিল' নামৰ কবিতাত সেই হালিজালি বতাহত নাচি থকা হালধিয়া ফুলবোৰৰ কথা কোনে পাহৰিব। ওৰেটো জীৱন নিজৰ বিনন্দীয়া সৃষ্টি গীত-কবিতা সমূহৰে প্ৰকৃতিৰ ৰূপৰ সাধনা কৰি যোৱা জ্যোতি প্ৰসাদ আগৰৱালাক আমি সেয়েহে ৰূপকোঁৱৰৰ আখ্যা দিছো।

প্ৰকৃতি আৰু পৰিৱেশ বাদ দি শিল্প তথা সংগীত সাধনা যে ব্যৰ্থ সেই কথা তেওঁ মৰ্মে মৰ্মে উপলব্ধি কৰিছিল। অসমীয়া সংস্কৃতিক বুকুৰ উমেৰে জীপাল কৰি ৰখা জ্যোতিয়ে বৰলুইতখন, পাহাৰ-ভৈয়াম, জান-জুৰি, ধাননি, চৰাই-পখিলা বুকুত সাবটি গতি কৰিছিল সাগৰলৈ, বিশ্ব তথা বিশ্ব ব্ৰহ্মাণ্ডলৈ।

নীল সাগৰৰ সমীৰণে
বাট হেৰুৱাই আছে
মোৰ পদুলিৰ বকুল তলত
আছিল হাঁহি হাঁহি।
আকৌ সেইদৰে—
এইয়ে অসীম ৰভাতৰি
কোটি কোটিৰে
জোন তৰাৰে থৈছে জোনাক কৰি ...

প্ৰকৃতিৰ প্ৰান্তে প্ৰান্তে ভ্ৰমণ কৰা জ্যোতিৰ মনে সেয়েহে এই পোহৰৰ যাত্ৰাত সকলোকে সহযাত্ৰী কৰি এই যাত্ৰাক অব্যৰ্থ কৰিব খুজিছিল।

তোৰে মোৰে আলোকৰে যাত্ৰা
অব্যৰ্থ
আমি পালো জীৱনৰে
অৰ্থ অভিনৱ।

জোনাকী বাটত শেৱালি বুটলি তেওঁ পোহৰৰ কাৰেঙত সুন্দৰৰ সাধনাত ব্ৰতী হৈছিল।

অসমী আইৰ বুকুত ৰূপালী ৰিহাখন হৈ আৱহমান

কালৰে পৰা বৈ থকা লুইতখন আছিল জ্যোতিৰ প্ৰাণৰ ও সেয়েহে তেওঁৰ সৃষ্টিশীল মনে বাৰে বাৰে বৰলুইত আৰু লুইতপৰীয়া গাঁও বোৰৰ কাষলৈ গৈছে—

লুইতৰে পানী যাবি অ' বৈ
জয়াৰে কিৰিটি দেশে বিদেশে
চহৰে নগৰে যাবি অ' কৈ
জয়াৰ কাহিনী যুগমীয়া কৰিবলৈ তেওঁ লুইতক মিনতি কৰিছে।

বৰ্তমান সময়ত পৰিৱেশ ভিত্তিক নাৰীবাদৰ বিষয়ে (Eco faminism) চিন্তা-চৰ্চা হৈছে। কিন্তু আজি কেইবাদশকৰ আগতেই জ্যোতিয়ে এই বিষয়ে নিজৰ গীতত উনুকিয়াই থৈ গৈছে। লুইতৰ পানীক তেওঁ নাৰীৰ চকুপানীসম জ্ঞান কৰিছে। লুইতৰ লগতে অসমীয়া নাৰীকো। তেওঁ জয়াৰ কাৰণে এটুপি চকুলো টুকিবলৈ কৈছে। অসমীয়া ছোৱালীক তেওঁ শেৱালী-নেৱালী ফুলৰ সৈতে ৰিজাই সেউজ দেশৰ ছোৱালী বুলিছে।

নৱ জীৱনৰ জোনাকী বাটেৰে
কোন যাব
কোন যাব
প্ৰকৃতি শুৱাই
সেউজী দেশৰে ছোৱালী অ'

জ্যোতি প্ৰসাদৰ গীতত বাৰে বাৰে ধৰা দিছে তেওঁৰ সপোনৰ গাঁও আৰু গাঁৱৰ পৰিৱেশ। গাঁও থাকিলেহে পৰিৱেশ থাকিব আৰু প্ৰকৃতিক পৰিৱেশতহে সংস্কৃতি জীপাল হ'ব।

গাঁওখনি মোৰ ধুনীয়া
গাঁওখনি মোৰ গুণীয়া
মৰমতে মাতো
সেউজ আঁচলত ধৰো
মোৰ গাঁওখনিত
কোনে বাৰ চম্পা বুলালে
মোৰ পথাৰ খনিত
কোনে বাৰু সেউজ বুলালে।

আকৌ গাঁৱতে থাকে মাটিৰ ..., পুৰাতন মন মতলীয়া কৰা মাটিৰ গোন্ধ ক'ত কবিয়ে গীতৰ লেছেৰি বোটলে।

মাটি
মাটি
প্ৰাণ আছে তোৰ
গান আছে তোৰ
জীৱন থাকে তোৰ কোলাত শুই।

গাঁও বুলি কলেই মুখলৈ আহে দিগন্ত বিয়পি থকা সেউজ-হালধীয়া ধাননি। ধানৰ লগত চহা মানুহ, ল'ৰা-বুঢ়া, জীয়ৰী-বোৱাৰী সকলোৰে আজীৱন সম্বন্ধ। ধান অবিহনে অসমীয়া সংস্কৃতি আধৰুৱা । সেয়েহে কবিয়ে গাইছে—

সেউজীয়া ধাননিত
সোণৰ আখৰবোৰ
কোনে লিখিলে
কুমলীয়া ধাননিত
মুকুতাৰ চকুপানী
কোনে টুকিলে
সেউজ ধানৰ সোণ হাঁহি
বিনন্দীয়া বোল অ'
বিনন্দীয়া বোল
গাঁৱৰ ল'ৰা গাবি গাঁৱৰ গান....।

এইদৰে জ্যোতিৰ গীতবোৰ এখন পৰ্বত-ভৈয়াম, জান-জুৰি, গছ-লতা, ফুল-পাতেৰে মনোমোহা, অনুপম প্ৰাকৃতিক পৰিৱেশ। জৈৱ-বৈচিত্ৰৰে চহকী অসমৰ ছবি ভাহি উঠে। এই পৰিৱেশত অঙ্কুৰিত হয় দেশ প্ৰেম, বিশ্ব প্ৰেম তথা মানৱ প্ৰেম, উৰ্বৰা হয় সংস্কৃতি।

কিন্তু বৰ্তমান সময়ত আমাৰ চাৰিওফালে সকলো স্তৰতে ঘটি থকা ঘটনাবোৰে আমাক ভাবিবলৈ বাধ্য কৰাইছে, আমি

জ্যোতি সংগীতত মূৰ্ত হোৱা অসমখনক ধৰি ৰাখিব পাৰিছো নে, পাৰিম নে? ব্যক্তিগত আৰু সামূহিক ভাৱে আমি এতিয়া ব্যস্ত প্ৰকৃতি আৰু পৰিৱেশৰ ধ্বংসযজ্ঞত। গছ-বন এফালৰ পৰা নিৰ্মূল হৈ আহিছে, ধাননি পথাৰ হৈ আহিছে সংকুচিত।

লুইতৰ পাৰৰ ডেকা ল'ৰাই এতিয়া মৰিবলৈ নহয়, মাৰিবলৈ ভয় নকৰা হ'ল। গাঁৱে গাঁৱে বস্তি জ্বলাবলৈ আজি ডেকা ল'ৰা নাই। আছে হাতে হাতে মৰণাস্ত্ৰ নহ'লে মাদকদ্ৰব্য লৈ সম্পদ আৰু পৰিৱেশ উজাৰ কৰিবলৈ। লুণ্ঠনকাৰী, সন্ত্ৰাসবাদীৰ হাতত পৰিছে এসময়ত হাতী লুকাব পৰা অৰণ্য। কাজিৰঙাৰ শিৰৰ মুকুট এশিঙীয়া গঁড় আজি নিঃশেষ হোৱাৰ পথত।

অতি দ্ৰুত গতিত নিদাৰুণ, নিঃশেষ, নিশংস আৰু নিঃস্ব হৈ অহা পৰিৱেশত আমি জ্যোতিপ্ৰসাদক জীয়াই ৰাখিব পাৰিম নে? অসমী আইৰ যি সুষমা ভৰা প্ৰাকৃতিক পৰিৱেশ তেওঁৰ কালজয়ী ৰচনাসমূহৰ পটভূমি আছিল তাক ৰক্ষা কৰিবৰ কাৰণে এতিয়াও যদি আমি একো পদক্ষেপ নলও, অসমীয়া জাতি হিচাপে আমি জীয়াই থাকিব নোৱাৰিম।

সভ্যতা আৰু সংস্কৃতি গঢ় লৈ উঠে নৈৰ পাৰত। আমি ঈশ্বৰৰ বৰদান হিচাপে বৰলুইতখন পাইছো, যিখন জ্যোতিৰ সৃষ্টি আৰু কৃষ্টিৰ পৃষ্ঠভূমি আছিল লুইতৰ পাৰৰ প্ৰকৃতি আৰু মানুহ। আমি তেওঁক যুগমীয়া কৰিবলৈ হলে প্ৰকৃতিৰ হেৰোৱা সৌষ্ঠৱ ঘূৰাই আনিবলৈ বলিষ্ঠ পদক্ষেপ ল'ব লাগিব। বছৰৰ পাছত বছৰ ধৰি ৰূপকোঁৱৰৰ স্মৃতিচাৰণ সভা পাতি, পৰাই নোৱাৰাই জ্যোতি সংগীত এটা গাই নহয়, আমি তেওঁক জীয়াই ৰাখিব লাগিব আমাৰ জীৱনলৈ জ্যোতিৰ চিন্তাধাৰৰ উত্তৰণ ঘটায়।

অমাৰ গাতে লাগি থকা পশ্চিমবংগৰ লোকসকলে ৰবীন্দ্ৰনাথক যি ধৰনেৰে জীৱনৰ প্ৰতিটো স্তৰ আৰু প্ৰতিটো ক্ষণতে ধৰি ৰাখিছে, আমি অসমীয়া মানুহখিনিয়ে জ্যোতিৰ ক্ষেত্ৰত কিন্তু সেইখিনি কৰিব পৰা নাই। বাংলাভাষী মানুহখিনিৰ দৈনন্দিন জীৱনৰ প্ৰতিটো পল, প্ৰতিটো উশাহ ৰবীন্দ্ৰময় বুলি কলেও বেছি কোৱা নহয়। গৃহস্থই অসময়ত গৃহিনীক চাহ একাপ বিচাৰিলেও ৰবীন্দ্ৰ সংগীত এটা গুণগুণাই হে কথাষাৰ কয়। আমি কলেজত পঢ়ি থাকোতে দেখিছিলো বাঙালী ছাত্ৰী কেইগৰাকীমান গোটখালেই ৰবীন্দ্ৰ সংগীত এটা গাবলৈ আৰম্ভ কৰে।

আহক, আমিও জ্যোতিৰ মাজেৰে জীয়াই থাকিবলৈ শিকো, তাকে কৰিবলৈ যাওঁতে তেওঁৰ প্ৰাণ.... আপোন অসমৰ প্ৰাকৃতিক পৰিৱেশ সুস্থ কৰিবলৈ কিবা এটা কৰো। জ্যোতিয়ে জয়মতী ছবিৰ ৰাজ কাৰেঙৰ খুঁটা ভীমকলৰ গছেৰে সাজিছিল, আহক আমি অসমখনতে তেওঁৰ চিত্ৰবন এখন সজাও।

শান্তি নিকেতনত ৰবীন্দ্ৰনাথৰ চৰ্চা প্ৰতিটো দিন, প্ৰতিটো ঋতুত হয়। ৰবীন্দ্ৰ নাথৰ লিখনিৰ ন ন দিশ উন্মোচন কৰাত তেওঁলোক সদাব্যস্ত। আমিও জ্যোতিৰ কাৰণে কিবা এটা ভাবিব নোৱাৰোনে? জ্যোতিৰ গান আৰু কবিতাবোৰ ফুল, পখিলা, নিয়ৰ মুকুতাৰ দৰে সজীৱ আৰু সতেজ কৰি ৰাখিব নোৱাৰোনে? আহিবলগা প্ৰজন্মৰ বাবে জ্যোতিক জ্যোতিস্মাণ কৰি থৈ যাব নোৱাৰোনে?—

জনতা তোৰ প্ৰাণৰ ও প্ৰাণত
ম... ও মনত
শিল্পি যে মই লুকাই আছো
তোৰ সপোনৰ ক'ত ছবি
ক'ত যে ফুল বাছো
লুকাই লুকাই আছো...।

বিহু আৰু আমাৰ আচাৰ ব্যৱহাৰ

শ্ৰীমতী অনিমা মটক

"বিহু বিহু বিহুটি
আমাৰ বিহু তিনিটি
কাতি বিহু কঙালী,
মাঘৰ বিহু ভোগালী
ব'হাগতে ধেমালি কৰো।"

ওপৰৰ বিহুগীত ফাকিৰে আমাৰ সংস্কৃতিৰ মেৰুদণ্ডস্বৰূপ তিনিটি বিহু উৎসৱৰ কথা কোৱা হৈছে। এই বিহুৰ উৎপত্তি কেতিয়া এই বিষয়ে বিভিন্নজনৰ বিভিন্ন মত দেখা যায়। পুৰণি অসমবাসী থলুৱা লোকসকলে সমাজ গঠন কৰি কৃষিকৰ্মৰ লগত জড়িত হোৱাৰ দিনৰ পৰাই বিহু উৎসৱৰ জন্ম হয় আৰু তেতিয়াৰে পৰা ইয়াত পালন কৰি আহিছে বুলি আমাৰ বিশ্বাস।

বিহু বিভিন্ন জনগোষ্ঠীৰে সমৃদ্ধ বৃহৎ অসমীয়া জাতিৰ প্ৰধান উৎসৱ। বিহু তিনিটা- ব'হাগ বা ৰঙালী বিহু, মাঘ বা ভোগালী বিহু আৰু কাতি বা কঙালী বিহু। বছৰৰ ব'হাগ, মাঘ আৰু কাতি মাহত উৎযাপন কৰা এই বিহুৰ বিশেষত্ব বেলেগ বেলেগ। প্ৰকৃতিৰ সৈতে জড়িত এই বিহুৰ কাল আৰু আচাৰ ব্যৱহাৰ। ব'হাগ মাহ বসন্ত কালৰ অন্তৰ্ভুক্ত। এই বসন্ত কালত প্ৰকৃতিৰ ৰেহৰূপ চালে দেখা যায় প্ৰকৃতি যেন যৌৱনপ্ৰাপ্ত হয়। গছৰ পাত ফল ফুলে সজীৱ ৰূপ ধাৰণ কৰে। এই সময়চোৱাত বৰ গৰম নাইবা বৰ ঠাণ্ডা নাথাকে। প্ৰকৃতিৰ এনে এটি সুন্দৰ অৱস্থাৰ প্ৰভাৱ মানুহৰ দেহৰ ওপৰতো পৰে। প্ৰকৃতিৰ লগে লগে মানুহৰ দেহ আৰু মন উৎফুল্ল হয়। ডেকা-গাভৰুৰ মনবিলাক সজীৱ হয়। সেয়েহে এই বসন্ত কালতেই আমাৰ ল'ৰা-ছোৱালীৰ বিয়া-বাৰুৰ উজান উঠে।

পৃথিৱীৰ প্ৰায় সকলো সমাজতেই ৰং-ৰইছৰ বাবে কিবা নহয় কিবা উৎসৱ পালন কৰা হয়। অসমীয়া সমাজত এই ৰং-ধেমালী বিহু উৎসৱৰ ৰং-ধেমালী নৃত্য, গীত আৰু বিভিন্ন বাদ্য-বাজনৰ যোগেদি কৰা হয়। বাদ্য সমূহৰ ভিতৰত ঢোল, পেঁপা, গগণা (ম'হৰ শিঙৰ) শুতুলি, বাঁহি, তকা আদি নৃত্য-গীতৰ সময়ত বজোৱা হয়।

চ'ত মাহৰ শেষৰ দিনটোক সংক্ৰান্তিৰ দিনা গৰু বিহুৰ দিন বুলিও কয়। সেইদিনাই গৰুক মাহ হালধিৰে গা ধুওৱা হয়। গৰুক গা ধুওৱাৰৰ বাবে ওচৰত থকা নদ-নদী, বিল, আদিলৈ নি ৰাইজে সমুহীয়াভাবে গা ধুৱায়। এইদৰে গা ধুৱাওতে কুমলীয়া ফলা বাঁহ এটিটা তিনি চাৰিডাল শলা চাট্ বনাই তাতে লাউ, বেঙেনা, কেচা হালধি, ঠেকেৰা, কেৰেলা আদি শিয়াই লৈ গৰুৰ গালৈ মাৰি পঠিয়াই এইদৰে গোৱা হয় - "লাউ খা, বেঙেনা খা, বছৰে বছৰে বাঢ়ি যা, মাৰ সৰু, বাপেৰ সৰু, তই হবি বৰ গৰু।" গৰুৰ গাত দীঘলতি মাখিয়তি ঠাঁৰিৰে বনোৱা এছাৰিৰে কোবোৱাৰ নিয়ম কৰি গায় -"দীঘলতিৰ দীঘল পাত, মাখিমাৰো জাক জাক।" জনবিশ্বাস মতে দীঘলতিৰ ডাল-পাতে মহ-মাখি আদি আতৰোৱাত সহায় কৰে। মাঁহ আৰু হালধী গৰু, ম'হ ও মানুহৰ চালৰ বাবে উপকাৰী। গৰু বিহুৰ দিনা সন্ধ্যা গৰুক নতুন পঘাৰে বন্ধা হয়। কোনো কোনো ঠাইত মৰাপাতৰ পঘাৰ সলনি তৰা গছৰ আঁহৰ পৰা বনাই লোৱা পঘা ব্যৱহাৰ

কৰা হয়। সন্ধ্যা সময়ত গৰুৰ গোহালিত আৰু ঘৰৰ পদুলিত তুহঁগুৰি, বিহলঙীও দীঘলতি, মাখিয়তিৰ ডাল পাত আদিৰে যাগ দি ধোঁৱা দিয়া হয়, যাতে অনিষ্টকাৰী কীট-পতঙ্গ যেনে মহ, দাঁহ, মাখি আদিক গৰু ম'হৰ পৰা আঁতৰাই ৰাখিব পৰা যায়। তামোল তথা ফলমূলৰ গছত বাঁহৰ তামোলৰ বান্ধ দিয়াৰ নিয়ম আছে। পুৱা গৰু গা-ধুওৱাৰ পাছত ঘৰখনৰ সৰুৱে বয়োজেষ্ঠজনক সেৱা সৎকাৰ কৰে আৰু বিভিন্ন খাদ্য সামগ্ৰী যেনে - তিলপিঠা, ঘিলাপিঠা, তৰাপিঠা, কোমল চাউল, চিৰা, দৈ আদিৰে সকলোৱে জলপাণ গ্ৰহণ কৰে। সাধাৰণতে সৰুৱে ডাঙৰক কৰা সেৱাৰ সময়ত কপাহী সূতাৰে ফুল তুলি বোৱা গামোচাৰে মান ধৰাৰ নিয়ম। মন ধৰিলে ডাঙৰেও মান ধৰোতাক প্ৰতি উপহাৰ হিচাপে কোনো বস্ত্ৰ অথবা নগদ টকা আগবঢ়ায়। অসমীয়া সমাজত থকা গো-মাতা (গৰু-গাই) ৰ প্ৰতি লোৱা যত্ন ও পৰিয়ালৰ সৰু-বৰৰ মাজত সন্মান আৰু মৰম চেনেহ বিনিময়ৰ নিয়মবোৰ সঁচাই উচ্চ মান বিশিষ্ট।

গৰু বিহুৰ পিছৰ দিনাই মানুহ বিহু। সেইদিনা আত্মীয় স্বজন, বন্ধু-বান্ধৱক শ্ৰদ্ধা, মৰম বিনিময় আৰু ৰং ৰইছ কৰাৰ দিন। ডেকা গাভৰুৱে ডাঙৰ গছৰ তল আদিত জমা হৈ বিহু পাতে। মানুহৰ ঘৰে ঘৰে একোটা বিহুৱা দলে হুঁচৰি গাই গৃহস্থৰ মঙ্গল কামনাৰে আৰ্শীবাদ দিয়ে। হুচৰিৰ আৰম্ভণি গাঁওৰ গাওঁবুঢ়া তথা বিজ্ঞজনৰ ঘৰৰ পৰা আৰম্ভ কৰা হয়। হুঁচৰি গাওঁতে জাতীয় পোচাক হিচাপে মতা মানুহখিনিয়ে বগা চুৰিয়া আৰু শৰীৰৰ ওপৰ ভাগত গেঞ্জি জাতীয় কপাহী বা বগা পাতৰ সূতাৰে তৈয়াৰী চোলা পিন্ধে, আৰু ককাঁলত টঙালি মাৰি লয়। ছোৱালীহতঁৰ সাজ-পাৰত মুগা পাটৰ ৰিহা-মেখেলা, হাতত গামখাৰু, চুলিৰ খোপাত কপৌফুল, কঁকৈ (মহৰ শিঙৰ), নাহৰ পাত, ডিঙিত ডুগডুগি আদি থাকে। বিহু মৰাৰ সময়ত মতা মানুহৰ উপৰিও কোনো কোনো নাচনীয়েও টকা-গগণা আদি বজাই বিহুৰ নাচ-গানত আমোদ বঢ়ায়। বহাগৰ পিছৰ পৰাই খেতিয়কে শস্য উৎপাদনৰ বাবে পথাৰৰ কামত লাগি পৰে। বিশেষকৈ ধান খেতিৰ বাবে কঠিয়া পৰাৰ কাম আৰম্ভ কৰে। হাল-কোৰ বাই মাতি চহাই কঠিয়া ৰোপন কৰা হয়। আহাৰ শাওঁণ মাহত ৰুৱা কঠিয়া শস্যৰ ৰূপত দেখা দিয়ে কাতি মাহত। সেউজীয়া ধাননি পথাৰত খেতিয়কে শস্যৰ পথাৰ কাতি বিহুৰ সময়ত পৰিদৰ্শন কৰি চাকি বন্তি জ্বলাই অপায় অমঙ্গলৰ পৰা বাচি থাকিবলৈ প্ৰাৰ্থনা কৰে। গোটেই কাতি মাহটোতে মানুহৰ ঘৰে ঘৰে তুলসীৰ তলত চাকি বন্তি জ্বলোৱা হয়। এই বিহুৰ সময়ত যিহেতু কৃষকৰ আৰ্থিক চচ্ছলতা নাথাকে সেই এই বিহুত বৰকৈ ৰং ৰইছ কৰা নাযায়। কাতি মাহৰ গেঁৰ ধৰা শস্য আঘোণ পুহ মাহত পুৰঠ হয় আৰু শস্য চলোৱাৰ কাম মাঘৰ আগে আগে সমাপ্ত হয়। সমাজৰ প্ৰতি ঘৰে ঘৰে শস্যৰ ভড়াল ভৰি থাকে তথা মানুহৰ অভাৱ অনাটন নাথাকে বাবে মাঘ মাহৰ আৰম্ভণিতে মাঘ বিহু পালন কৰা হয়।

মাঘ বিহুৰ উৰুকাৰ দিনা সমজুৱা ভোজ-ভাতৰ আয়োজন কৰা হয়। সমজুৱা ভাৱে ও উমৈহতীয়াকৈ মানুহে কাঠ-বাঁহেৰে মেজি ঘৰ সাজে আৰু বিহুৰ দিনা পুৱাই এই মেজিঘৰ জ্বলাই অগ্নিদেৱতাক পুজা কৰা হয়। সমাজৰ সকলো অপায়-অমঙ্গল যাতে অগ্নি দেৱতাই দাহ কৰি সকলোৰে মঙ্গল কৰে তাৰ বাবে প্ৰাৰ্থনা কৰা হয়। মেজি জ্বলোৱা ছাঁইৰে গৰু-গাইক ফোট দিয়াৰ নিয়ম আছে। মাঘ মাহৰ মকৰ সংক্ৰান্তিৰ দিনটো হিন্দু সকলৰ বাবে বৰ পবিত্ৰ দিন। দৰাচলতে এই মাহটোৱেই পবিত্ৰ মাহ বুলি গণ্য কৰা হয়।

অসমত বাস কৰা থলুৱা সকলো জনগোষ্ঠীৰ মাজত বিহু উৎসৱে এক সমন্বয়ৰ ভেটি গঢ়ি আহিছে। বিহু উৎসৱৰ সৈতে প্ৰতিখোজতে জড়িত থকা আমাৰ বিহুৱান তথা গামোছাখনে আমাৰ অসমীয়া জাতিৰ পৰিচয় দাঙি ধৰি আহিছে। আমি গৌৰৱ বোধ কৰো যেতিয়া আমাৰ দেশৰ প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোডি ডাঙৰীয়াই প্ৰায় সকলো ৰাজহুৱা অনুস্থানতে আমাৰ বিহুৱানখন ডিঙিত মেৰিয়াই লৈ ফুৰে। আমাৰ বিহু উৎসৱৰ সমাজত প্ৰচলিত অন্য কোনো উৎসৱৰ লগত তুলনা নহয়।

নাৰী দিৱসত অহা কিছুমান চিন্তা

ডাঃ হিতেশ্বৰ শৰ্মা
গুৱাহাটী

ৰোনাল্ডো আলমেৰ ফিচাৰ (Ronald Almyer Fisher) এগৰাকী পৰিসংখ্যাবিদ তথা জিনীয় বিজ্ঞানিক (Geneticst) আছিল। ১৯৬২ চনত মৃত্যুবৰণ কৰা এইগৰাকী বিজ্ঞানীয়ে প্ৰায় অকলেই পৰিসংখ্যা বিজ্ঞানৰ ভেটি নিৰ্মাণ কৰি থৈ যোৱা বুলি বহুতেই ক'ব খোজে। ১৯৩০ চনতে তেওঁ 'The genetical theory of natural selection' নামৰ গ্ৰন্থত উল্লেখ কৰে যে যৌন প্ৰজননৰ দ্বাৰা বংশ বৃদ্ধি কৰা জীৱসমূহৰ লিংগৰ অনুপাত প্ৰায় ১ঃ১ হয়। যদিহে এই অনুপাতৰ দীৰ্ঘকালীন সময়ৰ বাবে তাৰতম্য ঘটে তেতিয়া প্ৰজাতি বিনাশ হয়। যদি সেয়াই হয় মানুহৰ ক্ষেত্ৰত পুৰুষ-মহিলাৰ অনুপাতটোও ১ঃ১ হোৱাটো বাঞ্চনীয়। ফিচাৰৰ এই ক্ৰমবিকাশৰ আৰ্হিটো এটা গুৰুত্বপূৰ্ণ বিষয়। ইয়াৰ ওপৰতে ভিত্তি কৰি দেশত পুৰুষ আৰু মহিলাৰ অনুপাতৰ বিষয়টো বিবেচনা কৰা হয়। সেয়েহে সামান্য ইফাল-সিফাল হলেও প্ৰতি ১০০০ জন পুৰুষৰ বিপৰীতে ১০০০ গৰাকী মহিলা হোৱাটো বাঞ্চনীয়।

২০১১ চনৰ লোকপিয়ল মতে ভাৰতত এই অনুপাত ১০০০ পুৰুষৰ বিপৰীতে মহিলাৰ সংখ্যা ৯৪০ গৰাকী। ২০০১ চনত এই সংখ্যা আছিল ৯৩০ গৰাকী। দহ বছৰৰ পৰা এই সংখ্যা কিছু উন্নত দেখা গৈছিল যদিও বিশ্বৰ গড়ৰ হিচাপে ভাৰত এতিয়াও বিশ্বৰ ২০১ খন দেশৰ ভিতৰত ১৯২ স্থানহে দখল কৰিবলৈ সক্ষম হৈছে। ভাৰতত কেৱল কেৰালা আৰু পুডুচেৰীত হে প্ৰতি ১০০০ পুৰুষৰ বিপৰীতে ক্ৰমে ১০৮৪ আৰু ১০৩৭ গৰাকী নাৰী আছে। উত্তৰ ভাৰতত এই সংখ্যা ৯০০ তকৈও কম। ডাঙৰ কথা বিগত ৭/৮ বছৰত এই অনুপাতৰ উন্নতিৰ গতি অতি মন্থৰ। এই বৈষম্যৰ মূল কাৰণ হ'ল শিক্ষা, নাৰী সবলীকৰণত বাধা, লিংগ বৈষম্য, ভ্ৰূণ হত্যা ইত্যাদি। গতিকে দেখা যায় যে মহিলাৰ শিক্ষা সবলীকৰণ আদিত দেশখনৰ কৰিবলগীয়া বহুত আছে।

২০০৩ চনত মনিষ ঝাই মাতৃভূমি বুলি এখন চিনেমা উলিয়াইছিল। মনিষ ঝাই বাতৰি কাকতত এটি খবৰ পঢ়িবলৈ পাইছিল যে এখন গুজৰাটত গাঁও আছে য'ত কোনো মহিলা নাই। ইয়াৰ কাৰণ বিচাৰ খোচাৰ কৰি পালে যে ভাৰতত দুখলগাকৈ নাৰী অৱহেলিত হৈ আহি ছেলগতে নিৰ্যাতন, যৌতুৰৰ বাবে হত্যা, ভ্ৰূণ হত্যা আদিৰ দ্বাৰা বৈষম্যৰ স্বীকাৰ হৈ আহিছে। সেয়াই আছিল তেওঁৰ চিনেমাৰ উৎস। চিনেমাখনে মহিলা বিহীন ভৱিষ্যতৰ কুৎসিত তথা ভয়ংকৰ অৱস্থাটোৰ

এখন বাস্তৱ ছবি ডাঙি ধৰিবলৈ সক্ষম হৈছিল। ২০১১ চনৰ লোকপিয়লে দেখুৱাই দিলে যে ভাৰতত এখন, চিনেমা খনত দেখুওৱাৰ দৰেই লিংগ বৈষম্য (Gender imbalance) দেশৰ ফালে আগবাঢ়ি গৈ আছে।

আজি মহিলাৰ সৱলীকৰণ, শিক্ষা, স্বাস্থ্য আনকি মহিলাৰ বাবে সংৰক্ষণ ব্যৱস্থা ভাৰতে কৰিছে তথাপিও কিছু সমস্যাৰ সমাধান হোৱা নাই। কৰ্মক্ষেত্ৰত মহিলা আগবাঢ়ি আহিবলৈ এইখিনিয়েই যথেষ্ট নহয়। মহিলাই আগবাঢ়ি আহিবলৈ এতিয়াও উপযুক্ত পৰিৱেশ এটা গঢ় লৈ উঠা নাই। এতিয়াও কৰ্মক্ষেত্ৰত এগৰাকী মহিলাই বহু সময়ত নিৰাপত্তাৰ অভাৱ অনুভৱ কৰে। এগৰাকী কৰ্মৰত মহিলাই গৃহিনীৰ দায়িত্বও সমানে পালন কৰি যাব লগীয়া হয়। য'ত বহুত ক্ষেত্ৰত পৰিয়ালৰ পৰা প্ৰয়োজনীয় সহযোগৰ পৰা বঞ্চিত হয়। আটাইতকৈ ডাঙৰ অসুবিধাৰ সন্মুখীন হয় কৰ্মৰত মাতৃসকল।

চৰকাৰে মাতৃৰ সুবিধাৰ বাবে ২০১৭ চনত আইন সংশোধন কৰি ২৬ সপ্তাহলৈ প্ৰসূতিজনিত ছুটী বৃদ্ধি কৰে। লগতে যিকোনো প্ৰতিষ্ঠানত য'ত ৫০ জনতকৈ বেছি মহিলা কৰ্মচাৰীয়ে কাম কৰে তাত শিশুৰ যতনৰ (Creche facility) ব্যৱস্থা ¿Ò¿ (î কৰে। কিন্তু বাস্তৱত চৰকাৰী প্ৰতিষ্ঠানেই হওক বা বেচৰকাৰী প্ৰতিষ্ঠানেই হওক শিশুৰ যতনৰ ব্যৱস্থা দেখা নাই। অৱশ্যে দুই এটা ব্যতিক্ৰমী ব্যক্তিগত প্ৰতিষ্ঠানত সেই সুবিধা নথকা নহয়। তথাপিও আইনৰ এই সংশোধনে মহিলাৰ চাকৰিত অংশগ্ৰহণ বৃদ্ধি কৰিব পৰা নাই। বিশ্ব বেংকৰ এক প্ৰতিবেদনৰ তথ্য অনুসৰি কৰ্মক্ষেত্ৰত মহিলাৰ অংশগ্ৰহণ ১৯৯০ চনত ৩৫ শতাংশৰ পৰা ২০১৭ চনত ২৭ শতাংশ লৈ হ্ৰাস পায়। ইয়াৰ বাবে জগৰীয়া কৰিছে ব্যক্তিগতখণ্ডক। ব্যক্তিগত খণ্ডই মুনাফাৰ খাতিৰত সাধাৰণতে এগৰাকী মহিলা কৰ্মীক ইমান ৰেহাই দিব নোখোজে আৰু আওপকীয়া ভাৱে তেনেকুৱা কৰ্মচাৰীৰ প্ৰতি কোনো আগ্ৰহ নেদেখুৱায়। দোষ যাৰেই নহওক ভুক্তভোগী কিন্তু মহিলাসকলেই হৈ আহিছে।

আজি মহিলাসকল আগবাঢ়ি আহিবলৈ উপযুক্ত পৰিৱেশ এটা ৰবকৈ প্ৰয়োজন অনুভৱ হয়। কথাবোৰ তৃণপৰ্যায়ত গভীৰভাৱে বিবেচনা নকৰিলে বা এক ব্যৱহাৰিক সমাধান উলিয়াব নোৱাৰিলে মহিলা সৱলীকৰণ কেৱল এটা শ্লোগান হিচাপে পৰি ৰ'ব।

1. Efron, Bradley. R. A. Fisher in the 21st century (Invited paper presented at the 1996 R. A. Fisher Lecture). Statist. Sci. 13 (1998), no. 2, 95--122. doi:10.1214/ss/1028905930. https://projecteuclid.org/euclid.ss/1028905930

2. Fisher, R.A. 1930 The Genetical Theory of Natural Selection, Clarendon Press, Oxford

3.http://censusindia.gov.in /2011-prov-results /data_files /india/ Final_PPT_2011 _chapter5.pdf

. 4. "Matrubhoomi (2003)". New York Times.

5. https:// labour.gov.in /sites/ default/ files/ Maternity % 20Benefit% 20Amendment% 20Act% 2C2017% 20.pdf

6. https://data.worldbank.org/ indicator/ SL.TLF.CACT.FE.ZS? end=2018&locations= IN&start= 1990&view=chart

অনাসক্ত, অভিমানী ভকত আৰু শিশুপাল বিন্দুৰাজ জন্ম বৃত্তান্ত

অঞ্জলি দত্ত, ৰুক্মিণী নগৰ

মহাপুৰুষ মাধৱদেৱে তেৰাৰ এগৰাকী ভকত আৰু এগৰাকী দাল দৰিদ্ৰ ভতকৰ ভিতৰত কোনজন অধিক অনাসক্ত তাক বুজাবলৈ বহুলাশ্ব ৰজা আৰু শ্ৰুতদেৱৰ কাহিনী ভকতসকলৰ আগত দাঙি ধৰিছিল। মিথিলাৰ ৰজা আছিল বহুলাশ্ব আৰু শ্ৰুতদেৱ আছিল সেই ৰাজ্যৰ ব্ৰাহ্মণ। কিন্তু দুয়োজন আছিল কৃষ্ণ ভক্ত। কৃষ্ণ মিথিলালৈ গ'লে দুয়োৰে লগত আলাপ কৰে কিন্তু আতিথ্য গ্ৰহণ কৰে ৰজাৰ গৃহত। সেয়েহে শ্ৰুতদেৱে পেটে পেটে ভাবে কৃষ্ণও মায়াত পৰিল বুলি। তেওঁ সকপাদহীন সন্ন্যাসী সেয়েহে কৃষ্ণ তেওঁৰ গৃহত নাথাকে। অন্তৰ্যামী কৃষ্ণই ব্ৰহ্মণৰ মনৰ ভাব জানি এদিন ৰজা আৰু শ্ৰুতদেৱক মিছিথলাৰ কাষৰ এটা টিলাৰ ওপৰলৈ লৈ গ'ল আৰু তাতে বহি তিনিও আলাপ কৰিবলৈ ধৰিলে। কিন্তু সেই সময়তে মিথিলা নগৰত জুই লাগিল। ৰজাৰ ৰাজপ্ৰসাদকে ধৰি ঋষিৰ আশ্ৰমলৈকে চকুৰ পচাৰতে জুইৰ লেলিহান শিখাই আগুৰি ধৰিলে। লগে লগে শ্ৰুতদেৱে বিচলিত হৈ মোৰ সোপাই পুৰিব এতিয়া বুলি লৰ মাৰিব খুজিলে। কিন্তু ৰজা অবিচলিত হৈ থাকিল। কৃষ্ণ ধন এৰি সামান্য সমাদৰ আকৰ্ষণত নপৰিল। কিন্তু হঠাৎ জুইকুৰা নাইকিয়া হৈ গ'ল। তেতিয়া শ্ৰুতদেৱে উপলব্ধি কৰিলে ৰাজপ্ৰসাদৰ অধিকাৰী হৈয়ো বহুলাশ্ব তেওঁতকৈ অধিক উন্মাদ। বৈৰাগ্য হৈছে এটি মাথো মনৰহে অৱস্থা।

দেৱৰ্ষি নাৰদে অবিৰাম গতিত ভগৱন্ত কৃষ্ণৰ নাম লয়। সেয়েহে নাৰদৰ মনত অহংভাব জাগিছিল। তেওঁৰ সমান ভগৱন্তৰ নাম লোৱা পুৰুষ এই পৃথিৱীত নাই। সেয়েহে তেওঁ মনৰ ভাবটো ব্যক্ত কৰিলে কৃষ্ণৰ ওচৰত। কৃষ্ণইও নাৰদৰ আগত ব্যক্ত কৰিলে তেওঁতকৈয়ো এজন পৰম ভকত আছে। যিজনে এখন সৰু গাঁৱত বাস কৰে। পুৱাৰ পৰা গধূলিলৈকে কৰ্মত ব্যস্ত থাকে। পুৱা শয্যা ত্যাগ কৰিয়েই মোৰ নাম লয় আৰু দিনটো কামত ব্যস্ত থাকে আৰু সন্ধিয়া ঘৰৈ আহি আহাৰ গ্ৰহণ কৰি শয্যালৈ যোৱাৰ পৰত মোৰ নাম লৈ শুই পৰে। নাৰদ আচৰিত হৈ কলে মই অবিৰাম তোমাৰ নাম লওঁ, কিন্তু কৃষকজনে পুৱা আৰু গধূলি মাত্ৰ দুবাৰহে নাম লয়। কিন্তু তেওঁ কেনেকৈ শ্ৰেষ্ঠ হ'ল। নাৰদৰ মনৰ ভাব কৃষ্ণই উপলব্ধি কৰি এটা উপায় উলিয়ালে। নাৰদৰ পৰীক্ষা চাবৰ কাৰণে এটা কোথালৈ লৈ গল আৰু জ্বলি থকা এগছি বন্তি তেওঁৰ হাতত তুলি দিলে আৰু সকিয়াই দিলে কোথাটোৰ চাৰিওফালে প্ৰদক্ষিণ কৰিবলৈ কিন্তু বন্তিগছৰ পৰা এটোপালো তেল ভূমিত নপৰে যাতে নাৰদে বন্তিগছ লৈ খোজ কাঢ়িবলৈ ধৰিলে ইমান সাৱধানে তেল নপৰাৰ ভয়ত যাওঁতে কৃষ্ণৰ নাম লবলৈ পাহৰি গ'ল। কৃষ্ণই মিচিকিয়া হাঁহি এটা মাৰি নাৰদক সুধিলে কিমানবাৰ তেওঁ নাম ল'লে। কৰ্মই ধৰ্ম। কৃষকজনে কৰ্ম কৰে সেয়েহে তেওঁ পুৱা গধূলি নাম লয়। এইদৰে ভগৱন্তই নাৰদৰ গৰ্ব খৰ্ব কৰিলে।

পুৰণি কালত মহাতপস্বী মাণ্ডব্যমুনিয়ে লোকালয়ৰ পৰা আঁতৰৰ এখন হাবিত আশ্রয় পাতি আছিল। এদিন তেওঁ এজোপা আঁহত গছৰ তলত ধ্যান মগ্ন হৈ থকা সময়তে কেইটামান ডকাইতে সিহঁতৰ পিছে পিছে মহাৰাজৰ প্রহৰীৰ পৰা ৰক্ষা পাবলৈ ঋষিৰ আশ্রমেৰে পঁজাত ডকা দি তেওঁলোকৰ লগত অনা সামগ্রীবোৰ লুকুৱাই থৈ আন এফালে লুকাই থাকিল গৈ। প্রহৰীসকলে আহি ধ্যানমগ্ন ঋষিক ডকাইত কেইটাক দেখিছিলনে বুলি সুধিছিল। কিন্তু ধ্যানমগ্ন ঋষিৰ কাণত সেই কথা নোসোমাল। কিন্তু ৰজাৰ প্রহৰীয়ে ইফালে সিফালে চাই ফুৰোতে মুনিৰ পঁজাৰ ভিতৰত মাল বস্তু আৰু ডকাইত কেইটাক ধৰা পেলালে। অবিবেচক প্রহৰীসকলে মুনিকেই ডকাইতৰ দলপতি বুলি ধৰি নি ৰজাৰ আগত শোধালেগৈ। ৰজায়ো আগপাছ নুগুনি মুনিক শূলত দিবলৈ নির্দেশ দিলে। মুনিক শূলত দিয়া হ'ল। শূলত দিয়া অৱস্থাতো মুনি ধ্যানমগ্ন হৈ থকাত আৰু মুনিৰ আচল পৰিচয় পাই ৰজাই মুনিক শূলৰ পৰা নমাই ক্ষমা প্রার্থনা কৰিলে। দণ্ডৰ অধিপতি যমৰজাই তেনেকৈ আগপিছ নুগুনি গুৰুদণ্ড দিয়োতাক মুনিয়ে যমক মনুষ্যজন্ম পাবলৈ শাপ দিলে। সেই শাপগ্রস্ত হৈ ধর্মৰাজেই আহি বিচিত্রবীয্যৰ ভাৰ্য্যা অম্বালিকাৰ এগৰাকী লিগিৰীৰ গৰ্ভত গৰ্ভত সত্যৱতী নন্দন ব্যাসদেৱৰ ঔৰসত জন্মলাভ কৰি বিদুৰ নামে খ্যাত হ'ল।

দমঘোষৰ পুত্র শিশুপালৰ জন্মতে চকু আছিল এটা আৰু হাত আছিল চাৰিখন। উপজিয়েই সি গাধই চিঞৰাদি চিঞৰিছিল। বাপেক দমঘোষ আৰু মাক শ্রুতশ্রৱাই পুৰোহিতসকলৰ লগত আলোচনা কৰি অদ্ভুত বিকৃত শিশুটো পেলাই দিব খুজিছিল। সেই সময়তে আকাশীবাণী হ'ল। পেলাই নিদিবা ইয়াৰপৰা তোমালোকৰ কোনো অমঙ্গল নাই। যাৰ কোলাত দিলে তাৰ কুস্বচ জপগুচি সি স্বাভাৱিক হ'ব তেওঁৰ হাততেই তাৰ মৃত্যু হ'ব। মাকে তাক যিমান পালে সিমান ৰজা প্রমুখ্যে লোকৰ কোলাত তুলি দি চালে। কিন্তু সি একেই থাকিল। এদিন কৃষ্ণ তেওঁলোকৰ ঘৰলৈ যাওঁতে মাকে তাক কৃষ্ণৰ কোলাত তুলি দিয়া মাত্রেই সি স্বাভাৱিক ৰূপ পালে। মাকে কৃষ্ণক কাকুতি কৰি তাক বধ নকৰিবলৈ কৃষ্ণৰ পৰা প্রতিশ্রুতি বিচাৰিলে। কৃষ্ণই পেহীয়েকৰ কথা ৰক্ষা কৰিলে। কিন্তু এশটালৈকে দোষ ক্ষমা কৰিম বুলি পেহীয়েকক কথা দিলে। এশটা দোষ হ'লে ক্ষমা নকৰে।

যুধিষ্ঠিৰৰ ৰাজসূর্য যজ্ঞত কৃষ্ণই প্রথম অর্ঘ্য পোৱাটো শিশুপালে সহিব নোৱাৰি নানা কুটবাক্য বর্ষণ কৰিবলৈ ধৰিলে। সভাত থকা বৈষ্ণৱসকলে কৃষ্ণ নিন্দা শুনিব নোৱাৰি বিষ্ণু বিষ্ণু স্মৰি কাণত আঙুলি দি সভাঘৰ ত্যাগ কৰিলে। ভীমকে প্রমুখ্য কৰি কেইবাজনেও শিশুপালক আক্রমণ কৰিবলৈ আগবাঢ়িল। কিন্তু ভীষ্মই বাৰণ কৰিলে।

অপৰাধৰ সীমা চেৰাই যোৱাত ৰাজসভাতে চক্র হানি শিশুপালৰ শিৰচ্ছেদ কৰিলে আৰু শিশুপালৰ শৰীৰৰ দেহত বিলীন হ'ল।

জগতত নিজৰ নিজৰ কৰ্মৰ দ্বাৰাই হে মান-অপমান আদি অনুভূতি হয়। ঈশ্বৰেই একমাত্র গতি। কৰ্মৰ ফলাফল সকলো ঈশ্বৰৰ ইচ্ছামতে লাভ হয়। সুখ, দুখ পূৰ্বৰ কৰ্মফল বুলি যি মন সংগত কৰি উভয়তে সন্তুষ্ট হৈ থাকে তেৱেঁই সহজে মুক্তি লাভ কৰে। যিজনে নিজতকৈ অধিক গুণসম্পন্ন লোকৰ আসূয়া নকৰে বৰং শ্রদ্ধা কৰে নিজতকৈ কম গুণসম্পন্ন লোকক তিৰস্কাৰ নকৰি দয়া কৰে তেওঁলোক দুখত কেতিয়াও অভিভূত নহয়।

'পবিত্র হৃদয় যাৰ ভগৱান সহায় তাৰ'।

বসন্ত উৎসৱ বিহু আৰু বিহুৱান

পাৰুল বৰুৱা

বিহু মূলত ঃ কৃষি ভিত্তিক উৎসৱ। আদিম মানুহে যেতিয়াৰ পৰা কৃষি কৌশল আৱিষ্কাৰ কৰি খেতি কৰিবলৈ ল'লে তেতিয়াৰ পৰাই কৃষিৰ লগতে আনন্দ উৎসৱবোৰো কৰিবলৈ ল'লে। অসমীয়াৰ বিহু তিনিটা। মাঘৰ বিহু ভোগালী, কাতি বিহু বা কঙালী আৰু ব'হাগ বিহু বা ৰঙালী বিহু।

মাঘ বিহু সাধাৰণতে খেতি চপোৱা বিহু। কৃষিজীৱি মানুহে খেতি চপাই ভোগৰ সমল গোটাই মাঘৰ বিহু পালন কৰে। সেইবাবেই মাঘ বিহুক ভোগৰ বিহু বা ভোগালী বিহু বোলে। কাতি বিহু খেতি চপোৱাৰ আগতে পতা বিহু। এই সময়ত খেতিয়কৰ ভঁড়ালো উদংপ্ৰায় হয়। কাতি বিহুত ৰং ৰহইচ, ভোগৰ পৰিৱৰ্তে ধৰ্মীয় পৰম্পৰাইহে মুখ্য স্থান পায়।

ব'হাগ বিহু ৰঙৰ উৎসৱ বাবে ৰঙালী বিহু বোলা হয়। এসময়ত চ'ত মাহৰ আৰম্ভণীৰ পৰাই ৰঙালী বিহুৰ নাম শুনিবলৈ পোৱা গৈছিল আৰু ব'হাগত ইয়াৰ পূৰ্ণতা লাভ কৰিছিল। এই সময়তে অসমৰ ভৌগোলিক পৰিৱেশত বসন্তই বিৰাজ কৰে। শীতল লঠঙা হোৱা গছ-বিৰিখত ন কুঁহিপাতে গজালি মেলে। পলাশ, মদাৰ তেজৰঙী হৈ ফাগুনক বিদায় জনোৱাৰ সময়তে চ'ত আহে। তেতিয়াই বসন্তৰ আৰম্ভণী হয়। নাহৰ, নগৰৰ শোভা

আৰু গোন্ধে মানুহৰ দেহ-মন পুলকিত কৰে। চ'তে গৈ গৈ ব'হাগে আহে। আনহাতে কৃষি উৎপাদনৰো প্ৰস্তুতি চলে। প্ৰকৃতিৰ বিনন্দীয়া শোভাই মানুহৰ মন-প্ৰাণ চঞ্চল কৰি তোলে। ডেকা-গাভৰুৰ মন প্ৰকৃতিৰ দৰেই ৰঙেৰে ভৰি পৰে। বসন্তৰ উন্মাদনাই দেহ, মন-প্ৰাণ চঞ্চল, উতলা কৰি তোলে। সেইবাবেই এই উৎসৱ বসন্ত উৎসৱ। ব'হাগত ভেবেলী লতা ফুলে। বিহুনামত গোৱা হয়—

'চ'তে গৈ গৈ ব'হাগে পালেহি
ফুলিলে ভেবেলী লতা
কৈ নো কৈ থাকিলে ওৰকে নপৰে
ব'হাগৰ বিহুৰে কথা।'

এই সময়তে অসমৰ পথাৰ-সমাৰ, হাবিয়ে-বননিয়ে ঢোল-পেঁপা, বিহুনামৰ ধ্বনিৰে মুখৰ হৈ উঠে। কপৌ, তগৰ, নাহৰ, বকুল আদি ফুলবোৰ ফুলি উঠে। তাহানিতে ডেকাই গাভৰুক বিহুৰ বতৰতে কপৌ ফুল উপহাৰ দিয়াটোত প্ৰণয়ৰ বাৰ্তা নিহিত হৈ আছিল। কোনো কোনোৱে বহুমূলীয়া উপহাৰ হিচাপে কেতেকী ফুলো দিছিল। ওঠত বোলাবলৈ বৰ্হমথুৰি আনি দিছিল। তেনে কৰিব নোৱাৰিলে পীৰিত আধৰুৱা বা অসাৰ্থক বুলি ভবা হৈছিল। সেইবাবে এই বসন্ত উৎসৱক যৌৱনৰ প্ৰতীক বুলি কোৱা হয়। বিহুৰ লগত বিহুনাম বোৰৰো সম্বন্ধ এৰাব নোৱাৰা। বিহুনামৰ মাজেৰেই ডেকা-গাভৰুৱে মনৰ ভাব বিনিময় কৰিছিল। জনজীৱনৰ সামগ্ৰিক স্বৰূপটোত এই বিহুনামবোৰৰ মাজেৰে উজলি উঠিছে। জন-জীৱনৰ সুখ-দুখ, আশা-আকাংখ্যা, দুৰৱস্থা আদিৰ ছবি এই বিহুনামবোৰে বহন কৰি আহিছে যদিও বিহুনামৰ মূল উপজীৱ্য হৈছে ডেকা-গাভৰুৰ মিলন-বিৰহ, প্ৰেম-প্ৰণয় আদি। ডেকা-গাভৰুৰ উতলা, উছলা মনৰ বতৰাই হৈছে বিহুনামৰ ঘাই বিষয়বস্তু। প্ৰকৃতিৰ নৈসৰ্গিক সৌন্দৰ্যই ডেকা-গাভৰুৰ প্ৰাণৰ মাজত লুকাই থকা সৌন্দয্যক জগাই দিয়ে। ডেকা-গাভৰুৱে অনুভৱ কৰে প্ৰাণৰ স্পন্দন আৰু কিবা যেন কৰুণ তৃষ্ণা। ডেকা-গাভৰুৰ জীৱনলৈ বাসনাৰ ঢৌ আহে আৰু বিহুতলীতে বহুতে জীৱনৰ লগৰী বাছি লৈ সংসাৰৰ পাতনি মেলে।



বিহুনাম কেতিয়া কেনেকৈ কোনে সৃষ্টি কৰিছিল জনা নাযায় যদিও বহু যুগৰ আগৰে পৰা বিহুনামবোৰ ৰচিত হৈ মুখে মুখে চলি আহি আজিৰ সময়ত উপনীত হৈছে। নিৰক্ষৰ হোজা অসমীয়া কৃষকৰ প্ৰাণৰ স্বতঃস্ফূৰ্ত প্ৰকাশ এই বিহুনামবোৰতে লুকাই আছে অসমীয়া জাতিৰ প্ৰাণৰ স্পন্দন, জীৱনৰ বুৰঞ্জী আৰু সময়ৰ প্ৰতিচ্ছবি।

সময় পৰিৱৰ্তনশীল। সময়ৰ পৰিৱৰ্তনৰ লগে লগে এই বিহুনামেও পৰিৱৰ্তনৰ সাজ পিন্ধিছে। বিহুনামৰ গইনা লৈয়ে বহু আধুনিক বিহু সুৰীয়া গীতৰো সৃষ্টি হৈছে। সময়ৰ বিৱৰ্তনত সমাজত ঘটা পৰিৱৰ্তনৰ ছবি বিহুগীতবোৰত উপলব্ধ হয়। কিন্তু এই পৰিৱৰ্তন যাতে বিহুৰ মৰ্যাদা অক্ষুন্ন ৰাখি বিহুৰ মূল ঐতিহ্যৰ পৰা ফালৰি কাটি নাযায়, পৰিৱৰ্তনৰ সোঁতে যাতে বিহুৰ মূল ভেটিটো উটুৱাই নিব নোৱাৰে সেয়াই আমাৰ লক্ষ্য হোৱা উচিত।

অসমীয়াৰ স্পন্দন 'বিহু'

জয়ন্ত খনিকৰ

প্ৰকৃতিৰ লগত সংগতি মিলাই অসমীয়া জাতীয়ে মনৰ আনন্দত মতলীয়া হৈ যি উৎসৱ পাতে সেয়াই হৈছে আমাৰ হিয়াৰ আমঠু ৰঙালী বিহু। ফাগুন মাহৰ পৰাই প্ৰকৃতিয়ে ন-কইনাৰ দৰে ৰূপ সলাবলৈ ধৰে। গছে-বনে, ফুলে-ফলে ধৰণিখন ধুনীয়া কৰি বহাগী আহি অসমীয়াৰ চোতালত এদেও দুদেওকৈ ভৰি দিয়েহি সংগোপনে নাই কোনো ভেদাভেদ ধনী-দুখীয়াৰ। সকলোটি ব্যস্ত হৈ পৰে ৰঙালীক আদৰাৰ বাবে। ফাগুনৰ পছোৱা গাত লগাৰ লগে লগেই গাঁৱৰ মহিলাসকলৰ গা সাতখন-আঠখন। গামোচা জুতি লগোৱা মাত্ৰেই ব্যস্ততাই হেঁচা মাৰি ধৰে। ডেকাসকলে ঢোল চোবাবলৈ দিয়ে কিয়নো বিহুৰ কৰ্মশালা আৰম্ভ হয়। সীমান্তত থকা সুঠাম ডেকাটিৰ পৰা দেশ বিদেশৰ ঘৰৰ বাহিৰত বাস কৰা প্ৰতিজন অসমীয়াৰ চিৰিং চিৰিংকৈ গাঁওখনলৈ, ঘৰৰ পৰিয়ালৰ লোকসকলৰ মুখখনলৈ মনত পৰিবলৈ আৰম্ভ কৰে। ফাগুন মাহৰ পৰা হাঁহে কণী পাৰিছেনে? টান টান কণী কেইটা কড়ী মাৰি, দাঁতত মাৰি যুঁজাবলৈ আইয়ে ৰাখিবলৈ দিছেনে নাই নে উমনি দিন বুলিহে গোটাই থৈছে। কড়ী মাৰিবলৈ দিয়া নাই। নাহৰ, তগৰৰ গোন্ধই নাকত লগাৰ সময়তেই কুলি, কেতেকীৰ মিঠা মাতে মনটো বেলেগ কৰি তোলে। নভৰাকৈয়ে শৰীৰ-মন পুলকিত হৈ পৰে। মুঠতে প্ৰকৃতিয়ে ৰং সলাই কুমল কুঁহিপাতৰে, আমে মলিয়াই, চামে মলিয়াই কঁঠালে পেলালে মুচি। বিভিন্ন ধৰণৰ ফুলেৰে নন্দন কাননৰ ৰূপ ধাৰণ কৰে। দীঘলতি, মাখিয়তি, গোটাই লাও, বেঙেনা, হালধী, ঠেকেৰা, টিয়হেৰে চাক সাজি গৰু গা ধুৱাবলৈ সাজু হয়। গোটেই গাঁৱৰ ৰাইজ গোট খাই গৰুক পথাৰ বা টোপত হৰিধ্বনি দি লাহনীৰে পানী মাৰি গীত গাই কৰা আনন্দ কি নান্দনিক সেইয়া কেৱল অসমীয়া সমাজেহে শিৰাই শিৰাই অনুভৱ কৰে।

অতীতৰ পৰম্পৰাৰে আজিও অসমীয়া সমাজে ৰংঘৰ, কাৰেংঘৰত বিহু উদ্‌যাপন কৰি আহিছে। সময়ৰ পৰিৱৰ্তনৰ লগে লগে মালিতা লগাই এই বিহুটো আধুনিকতাই ঠাই নোপোৱা নহয়। হলেও কৃষ্টি-সংস্কৃতিক সুন্দৰকৈ জীয়াই ৰাখিবলৈ কৰা প্ৰয়াসক আমি আদৰণি জনাবই লাগিব। প্ৰতিকী স্বৰ্গদেউক ঢোলে-দগৰে বিশাল শোভাযাত্ৰাৰে ৰাজকাৰেং তলাতল ঘৰৰ পৰা ৰংঘৰলৈ আদৰি অনা হয়। আমোদ-প্ৰমোদৰ বাবে নিৰ্মাণ কৰা ঐতিহ্যময় ৰংঘৰত বহি অসমৰ বিভিন্ন প্ৰান্তৰ পৰা অহা বিভিন্ন জনগোষ্ঠীয় বিহুক ৰাইজৰ লগত উপভোগ কৰে প্ৰতিকী স্বৰ্গদেউ, ডা-ডাঙৰীয়াসকলে। বিহুৰ লগত সংগতি ৰাখি উদীয়মান গায়ক-গায়িকা, অভিনেতা-অভিনেত্ৰীক আমন্ত্ৰণ

জনোৱা হয় অনুষ্ঠানটো দৃষ্টিনন্দন কৰিবলৈ।

গাঁৱত ঘৰে ঘৰে গৈ হুঁচৰি গাই গৃহস্থৰ বছৰটিৰ বাবে কুশলে থাকিবলৈ দিয়া আশীৰ্বাদ, বিভিন্ন ধৰণৰ পিঠা-পনাৰ জুতি লোৱা, জৰী-বৰগছৰ তলত সকলোৱে মিলি বিহু মৰা দেখিবলৈ নোপোৱা হ'ল। মেন্থল লাইট লৈ বোকাত খুপি খুপি ঘোপ মৰা আন্ধাৰ নিশা গেল গেলীয়া পিছল বাটত ইটো পদুলিৰ পৰা সিটো পদুলি পাৰ হৈ চোতালত গোৱা সেই বিহুৰ মাদকতা কিন্তু আজিৰ প্ৰজন্মই বুজিব নোৱাৰিব। সময়ৰ পৰিৱৰ্তনৰ লগে লগে সমাজৰ পৰিৱৰ্তনৰ উন্নয়ন, বিকাশ ঘটাৰ বাবে নতুনত্বক আদৰি লোৱাটোৱেই আমাৰ নিয়ম। কিয়নো এতিয়া বিহু গাই গাঁৱৰ ডেকাসকলে এটা ফটবল, ভলীবল, ক্ৰিকেটৰ চেট, ক্লাব বা নামঘৰ বনাব নালাগে। সেই যুগৰ অৱসান ঘটিছে। তথাপিও সেই দিনবিলাকৰ মাদকতা তুলাচালনীৰে আজিৰ সময়ত জুখিব নোৱাৰি। যিয়ে পাইছে তেওঁহে জানে। মাজ ৰাতি বিহু দূৰৰ পৰা ভাহি অহা হুঁচৰি দলৰ ঢোল, পেঁচা, বাঁহীৰ মাত উপভোগ কৰিবলৈ যোৱা ডেকাৰ কিৰিলি। কোনোবাই ৰাস্তাইদি গাই যোৱা ভাওনাৰ লয় লয়স যোযা।

মৰম আৰু আন্তৰিকতা অবিহনে বিহু সম্ভৱ হয় জানো? বিহু সংজ্ঞাৰ কথা কলেই দেখুন মনলৈ আহে দিয়া আৰু লোৱা অৰ্থাৎ বি মানে দিয়া হু মানে লোৱা। সৰুৱে ডাঙৰক বিহুৱান দিয়া, সেৱা দিয়া আৰু ডাঙৰজনৰ পৰা আশীৰ্বাদ লোৱা। আগৰ সময়ত এই সময়ছোৱাত ডেকা-গাভৰুৰ মাজত মনৰ মিল হোৱাও দেখা যায় আৰু বিহুৰ পিছতে গাৰ্হস্থ্য জীৱনৰ পাতনি মেলাও দেখা যায়। মুঠতে প্ৰকৃতিয়ে কঢ়িয়াই অনা এই ব'হাগ বিহুটো অসমীয়া জাতিৰ বাবে কিমান আনন্দময় ইয়াক বিহুৰ গীত বা কবিতাৰে প্ৰকাশ কৰিব পাৰি কেৱল আংশিক ৰূপহে বিহুটি আদৰৰ, বিহুটি সাদৰৰ...। বিহু থাকে মানে বিহুকে বিনাবা, বিহু গ'লে বিনাবা কাক। বিহু পাৰ হোৱা মানেই কৃষি-কৰ্মত আত্মনিয়োগ।

চহা জীৱনৰ লগত চিৰ পৰিচিত বহু লোক চাকৰি বা ব্যৱসায়মুখী হৈ চহৰত বাস কৰিবলৈ অহাত চহৰৰ বিহুত আজিকালি বহু সুন্দৰ আৰু আনন্দময়। গাঁৱত যদি কিবা বিহুৰ পিঠা পনাৰ অভাৱ হলেও চহৰত লিকটিয়া গুৰৰ পৰা আৰম্ভ কৰি বাঁহৰ চুঙাৰ দৈ লৈকে সুলভ। চহৰৰ নৱ প্ৰজন্মই তেওঁলোকৰ পিতৃ-পুৰুষৰ পৰা তাহানিৰ বিহুৰ প্ৰকৃত আনন্দখিনি উপলব্ধি বা হৃদয়ংগম কৰিব পাৰিছে বুলি ভাবিব পাৰি।

কৃষ্টিৰ অবিহনে জাতি জীয়াই থাকিব নোৱাৰে। কিন্তু তাৰ লগে লগে সময়ৰ লগতো খোজ মিলাবই লাগিব। উচ্চ শিক্ষা, ভাষা জ্ঞানেৰে দেশক আগবঢ়াই নিয়াৰ লগতে বাপটি সাহোন বিহুকো সুন্দৰ সমাজ গঢ়াৰ বাবেও সময় দিব লাগিব। এটা তিল সাতজন ককাই-ভাইয়ে ভগাই খোৱা আমি অসমীয়া জাতি। মৰম-চেহেন, আদৰ আমাৰ অন্তৰৰ পৰা নিগৰিত হয় স্বতঃস্ফুটভাৱে। অলপো ব্যাহ্যিকতা নাই, কৃত্ৰিমতা নাই। প্ৰকৃতিয়ে কঢ়িয়াই অনা এই বিনন্দীয়া ৰূপ, কুঁহিপাত, ফুল আদিৰে পৰিপূৰ্ণ মনোমোহা বতৰত সুঠাম ডেকাটিৰ ঢোল, পেঁপা, বাঁহী সুগঢ়ি নাচনীৰ খোপাত কপৌফুল, গগনাৰে মুগা কাপোৰৰ সাজটো দেখিলেই কি ভাৱ হয় আমাৰ অসমীয়া সমাজেহে উপলব্ধি কৰিব পাৰে।

ৰুক্মিণী গাঁৱৰ বিহুও বৰ সুন্দৰ হয়। আন্তৰিকতাৰে বছৰ বছৰ ধৰি বিহু উদ্‌যাপন কৰা আমি দেখি আহিছো। মহিলাসকল অতিকে পাৰ্গত বিহুনাচ, বিহুনামত। বয়োজ্যেষ্ঠ মহিলাসকলে ইমান আনন্দৰে বিহুগীত বা নাচত মতলীয়া হয় ইয়াক সঁচাকৈয়ে শলাগিবলগীয়া। বিহুটিক আমি জীয়াই ৰাখিব লাগিব আমাৰ হিয়াৰ আমঠুৰ দৰে। বিযুব ৰেখাৰ দৰে সদায় থাকিব লাগিব দীঘল হৈ। থাকিব লাগিব আমি অসমীয়া জাতি একত্ৰিত হৈ। সকলো জনগোষ্ঠীয়ে হাতত হাতে ধৰি বৃহত্তৰ অসমীয়া জাতি গঢ়িবলৈ বিহুৱেই হৈছে শ্ৰেষ্ঠ সম্বল।

বিহু

ৰিয়া লস্কৰ, খানাপাৰা

'বিহু আনন্দীয়া বিহু বিনন্দীয়া
বিহুৰ মৌ মিঠা নাম,
বিহুৰ বা লাগি বিহুৱা ককাইৰ ঐ
দেওধনি লাগিছে গাত।'

আদিম মানৱে সভ্যতাৰ সোপানত এখোজ-দুখোজকৈ আগবাঢ়ি অহাৰ লগে লগে চিকাৰ কৰি খাদ্য যোগাৰ কৰাৰ পৰা কৃষিকাৰ্যত জৰিত হৈ শ্ৰমৰ বিৰতিৰ পিছত আজৰি সময়ত মনৰ আনন্দ-উলাহ প্ৰকাশ কৰাৰ স্বতঃস্ফুট প্ৰকাশেই বিহুৰ উৎপত্তি।

বিহুৰ উৎপত্তি সম্বন্ধে বিভিন্ন মত থাকিলেও 'বিষুৱ' শব্দৰ পৰাই বিহুৰ উৎপত্তি হোৱা বুলি কোৱা হয়। বিহু অসমীয়া জাতিৰ জাতীয় উৎসৱ। আমাৰ এই বিহুক তিনিটা ভাগত ভাগ কৰা হৈছে। প্ৰথমে বহাগ বিহু। প্ৰকৃতিৰ বুকুলৈ অহা পৰিৱৰ্তনৰ লগে লগে যেন মানুহৰ মনলৈও পৰিৱৰ্তন আহে। গছে গছে নতুন পাত, ফুল অহাৰ লগে লগে মানুহৰ মনলৈও নতুন চিন্তাৰ আগমন হয়। গছৰ ডালত কুলি-কেতেকীৰ মধুৰ গুঞ্জনে যেন মানুহক মাহৰ সংক্ৰান্তিৰ দিনা বহাগ বিহু আৰম্ভ হয়। এই বিহু সাতদিনলৈ থাকে। প্ৰথম দিনা গৰু বিহু। গৰু বিহুৰ দিনা গৰুক মাহ-হালধিৰে নোৱাই, গা ধুৱাই, নতুন পঘাৰে বান্ধি, পিঠা-পনা খুৱাই এক প্ৰকাৰ পূজা কৰে, যাতে আহিব লগা দিনত কৃষিকাৰ্যত সহায়ক হয়। দ্বিতীয় দিনা মানুহৰ বিহু বুলি কোৱা হয়। মানুহেও নতুন 'বিহুৱান' বা গামোচা লৈ ভগৱান উপাসনা কৰি সৰুৱে ডাঙৰৰ পৰা আশীৰ্বাদ লয়। ডাঙৰেও সৰুক আশীৰ্বাদ দি নামঘৰ, গোঁসাইঘৰ আদিত গোটখাই ভগৱানৰ আশীৰ্বাদ লয়। এই বিহুক ৰঙালী বিহু বুলিও কোৱা হয়।

দ্বিতীয়তে আহে কাতি বিহু। আহিন-কাতি মাহৰ সংক্ৰান্তিৰ দিনাই এই বিহু উদযাপন কৰা হয়। প্ৰকৃতিৰ সেউজীয়া ৰূপৰ লগে লগেই মানুহে তুলসীৰ তলত, পথাৰ-ধাননিৰ মাজত আকাশ বন্তি লগাই লখিমীক আদৰা আৰম্ভ কৰে। এই বিহুক ৰঙালী বিহু বুলি কোৱা হয়।

শেষত আমাৰ মাঘ বিহু বা ভোগালী বিহু আহে। ইয়াক পুহ আৰু মাঘ মাহৰ দোমাহীৰ দিনা উদযাপন কৰা হয়। পথাৰৰ লখিমী আহি মানুহৰ ঘৰৰ ভঁৰাল পোৱাৰ লগে লগে মানুহৰ মনত ৰং-আনন্দই জোৱাৰ উঠে। মানুহে নতুন চাউলৰে নানা ধৰণৰ পিঠা, জা-জলপান, ভোজভাত খায় ভোগৰ যেন জোৱাৰ উঠে। সেয়ে ইয়াক ভোগালী বিহু বোলে।

মুঠতে বিহুৰ সময়ত মানুহৰ মন ৰং-আনন্দত মতলীয়া হৈ পৰে। কিয়নো বিহুয়েই অসমীয়া জাতীয় সভ্যতা-সংস্কৃতিৰ বৰ মজিয়া। বিহুৱেই অসমীয়া জাতিক একতাৰ ডোলেৰে বান্ধি ৰখাৰ এক মাধ্যম, এক নিৰবিচ্ছিন্ন অংগ।

নামঘোষাত ভক্তিৰস আৰু নামৰ মহিমা

মীনাক্ষী ডেকা, ৰুক্মিণী গাঁও



"মুক্তিত নিস্পৃহ যিটো সেহি ভকতক নমো
ৰসোময় মাগোহো ভকতি।
সমস্ত মস্তক মিলি নিজ ভকতৰ বৈশ্য
ভগো হেন দেৱ যদুপলি।।" (নামঘোষা)

জয়জয়তে শংকৰদেৱ-মাধৱদেৱ দুজনা গুৰুলৈ আমাৰ সশ্ৰদ্ধ প্ৰণাম। যিদৰে দুজনা গুৰুৱে একশৰণ নামধৰ্ম প্ৰচাৰ কৰি জাতি-ধৰ্ম, বৰ্ণ-নিৰ্বিশেষে সকলোকে একতাৰ ডোলেৰে বান্ধি বৰ অসমৰ ভেটি সুদৃঢ় কৰিছিল, ঠিক তেনেদৰে সামাজিক, সাংস্কৃতিক, আধ্যাত্মিক সকলো দিশতে প্ৰভুৰ প্ৰভাৱ বিস্তাৰ কৰি অসমীয়া জাতিক জ্ঞানৰ আলোক দিছিল। ইয়াৰ উপৰিও বৰগীত, ভটিমা, তোতয়, কীৰ্তন, দশম, ৰত্নাৱলী আৰু নামঘোষা আদি অনেক পুথি ৰচনা কৰি অসমীয়া সাহিত্যৰ ভঁৰাল তেনেই চহকী কৰি থৈ গৈছে। এই লেখাটিত আমাৰ সম্যক জ্ঞানেৰে নামঘোষাত ভক্তিৰস আৰু নামৰ মহিমাৰ বিষয়ে কিছু আলোকপাত কৰিব বিচৰা হৈছে। ভুল-ত্ৰুটিৰ বাবে ভক্তবৃন্দৰ ওচৰত ক্ষমা-প্ৰাৰ্থনা।

নাম ঘোষা মহাপুৰুষ মাধৱদেৱৰ আধ্যাত্মিক অভিজ্ঞতাৰ শ্ৰেষ্ঠ প্ৰকাশ আৰু এক অমূল্য সৃষ্টি। শ্ৰীশ্ৰী শংকৰদেৱ-মাধৱদেৱত এখনি ঘোষা শাস্ত্ৰ প্ৰণয়ন কৰিব আজ্ঞা কৰিছিল। মাধৱদেৱে ঘোষাশাস্ত্ৰ খন কেনেকুৱা হ'ব সোধাত শংকৰদেৱে কৈছিল—'পকা বগৰীৰ দৰে, বাহিৰে খাবলৈ কোমল, ভিতৰি গুটিটো টান'। গুৰুজনাৰ বাক্য শিৰোধায্য কৰি মাধৱদেৱে ঠিক তেনেদৰে ঘোষাখন লিছিছিল আৰু সঁচাকৈয়ে নামঘোষা শাস্ত্ৰখন পঢ়ি থাকোতে সোৱাদ লগা কিন্তু অন্তৰ্নিহিত অৰ্থ বুজা কঠিন। অৱশ্যে নামঘোষাৰ সৌন্দৰ্য, কোমলতা-কঠিনতাৰ মাজতে সীমাবদ্ধ নহয়। এয়া শংকৰদেৱৰ অন্তৰৰ পৰা নিগৰি অহা ভক্তিৰসৰ নিজৰা। আৰম্ভণিতে 'মুক্তিত নিস্পৃহ ভক্তক প্ৰণাম কৰি ৰসময়ী ভক্তিতে বুৰদি 'এহুৰজ মাধৱ

সুৰখমতি গাঁৱে'— বুলি ঘোষাখন শেষ কৰিছে। নামঘোষা ভাষাৰ ছন্দেময় প্ৰকাশ প্ৰজ্জ্বালতা আৰু ভক্তিৰসৰ এক অপূৰ্ব সমাবেশ। ইয়াৰ অতুলনীয় ভাষা, সুৰ আৰু ছন্দৰ ঝংকাৰে সৰ্বসাধাৰণৰ মন সহজে আকৰ্ষণ কৰে। জ্ঞান, কৰ্ম আৰু ভক্তিৰ ভিতৰত ঈশ্বৰ লাভৰ প্ৰশস্ত উপায় কি, ঈশ্বৰ সগুণ নে নিগুণ, সকাৰ নে নিৰাকাৰ, ব্ৰহ্মৰে লগত জীৱ আৰু জগতৰ সম্বন্ধ কেনেকুৱা ইত্যাদি প্ৰশ্নসমূহৰ সমাধান নামঘোষাত পোৱা যায়। সেয়ে নামঘোষা ভক্তি প্ৰধান গ্ৰন্থ বুলি কোৱা যায়।

একান্ত ভকতসৱে নিগুণ কৃষ্ণৰ গুণ
দাৱে সদা বাসিয়া যথাত।
বৈকুণ্ঠক পৰিহৰি যোগীৰো হৃদয় এৰি
থাকা হৰি সাক্ষাতে তথাত। (নামঘোষা)

আন্তৰিকতা, একাগ্ৰতাৰে আৰু ভক্তিভাৱে কৃষ্ণপ্ৰভুৰ গুণগান গালে বৈকুণ্ঠৰ দৰে পৱিত্ৰ স্থান, যোগীসকলৰ হিয়া এৰি ভকতৰ সমাজত বিৰাজ কৰে।

নামঘোষাৰ প্ৰতিটো ঘোষা তুতি, কাকুতি, প্ৰাৰ্থনা পাঠকৰ হৃদয়স্পৰ্শী আৰু ভক্তিৰসত সদগদ। 'এক দেৱ এক সেৱ এক বিনে নাই কেৱ'— এই মূলমন্ত্ৰ সৰোগত কৰি গুৰুজনাই ছন্দোময় ভাষাত ভগবান কৃষ্ণৰ গুণগান প্ৰকাশ কৰিছে এনেদৰে—

কৃষ্ণ একদেৱ দুখহাৰী কাল মনায়দিৰো অধিকাৰী
কৃষ্ণবিনে শ্ৰেষ্ঠ দেৱ নাহি নাহি আৰ।
সৃষ্টি, স্থিতি-অন্তকাৰী দেৱ তান্তবিনা আননাহিকে
জানিবা বিষ্ণুসে সমস্ত জগতে সাৰ।

'ময়ো শৰ্য্যা মাগে ধুমটি মাই' থকা সকলো জড়ৰূপী প্ৰাণীয়ে মায়াত বন্দীহৈ সংসাৰত নানা ক্লেশ ভোগ কৰে। ঈশ্বৰৰ ওচৰত ভকতি কৰি জীৱই ময়া মুক্তহৈ মুক্তিপায়। হৰিজে সত্য—এই কথা গুৰুজনাই বাৰে বাৰে দোহাৰিছে এনেদৰে—

সৰ্ব পুৰুষাৰ্থ কৈতব জান
হৰি মাত্ৰ সত্য বেদ প্ৰমাণ(নামঘোষা)

হৰিক আশ্ৰয় কৰি সংসাৰ সাগৰ নিৰাপদে পাৰ হ'ব পাৰি। এই সত্য নামঘোষাৰ প্ৰতিটো ঘোষাই ৰিঙিয়াই কয়। লগতে দাজ্যভাবক মাধৱদেৱে গভীৰৰ পৰা গভীৰতৌলৈ লৈ গৈছে। সেয়ে কাকুতি ঘোষাত গাইছে—

কিমতে ভকতি কৰিব তোমাত হৰি এ,
মই মূঢ়মতি নাপালো তাৰ উপায় ৰাম ৰাম।

এনেদৰে ভক্তিৰসত বুৰগৈ নামৰ আনন্দত মজি থাকোতে শেষৰ ফালে সকলোভাব একাকাৰ... কেৱল নামৰূপে প্ৰকাশ পালে। সেয়ে গুৰুজনাই লিখিছে—'হিয়াৰ মাগে নামৰ ভাণ্ডাৰ মুখে ৰাজ হয়, ৰাম নামে মৰণা মাৰে পাপ কটকৰ ক্ষয়।' নামঘোষাৰ প্ৰতিটো ঘোষা ফহিয়াই চালে ভক্তিৰসৰ নিজৰা আদিৰ পৰা অন্তলৈকে বৈ থকা দেখা যায়। সেয়ে নামঘোষাক ভক্তিত্ব নিৰূপক গ্ৰন্থ বুলি কোৱা হয়।

সৎ সংগত বঞ্চি ঈশ্বৰৰ গুণানুকীৰ্তন কৰাকে নাম বুলি কোৱা হয়। এবিধ ভক্তিৰ ভিতৰত শ্ৰৱণ কীৰ্তনকে ঈশ্বৰ চিন্তাৰ উত্তম উপায় বুলি কোৱা হয়। সেয়ে দুজনা গুৰুৱে অসমৰ ইমূৰৰ পৰা সিমূৰলৈ নামঘৰ, কীৰ্তনঘৰ, সত্ৰ আদি প্ৰতিষ্ঠা কৰি ভকত-বৈষ্ণৱক আগত লৈ ঈশ্বৰৰ নাম-কীৰ্তন কৰি জনসাধাৰণৰ চিন্তাকৰ্ষণ কৰি এক নৱ বৈষ্ণৱ যুগৰ সূচনা কৰিছিল। এই ধাৰা এতিয়াও অব্যাহত আছে। এই নামৰ মহিলা অপাৰ—

"হৰিত শৰণ লৈয়া যিটো জান এ,
হৰিৰ চৰিত্ৰ-শ্ৰৱণ কীৰ্তন কৰে।
দুয়োৰে অপাৰ সংসাৰ সাগৰ এ
সিয়ো মহাজনে অতি অপ্ৰয়াসে তৰে"

(নামঘোষা)

নামেৰেই এই বিশ্ব ব্ৰহ্মাণ্ডৰ পাপচাৰী মনুষ্যই মুক্তি লাভ কৰিব পাৰে। ঈশ্বৰৰ নামলোৱা কোনো স্থান, কাল, পাত্ৰ নাই। যেতিয়াই মন যায় তেতিয়াই ল'ব পাৰি। কেৱল নাম লওঁতাজনৰ একান্ত ভক্তিৰ প্ৰয়োজন। ভক্তিভাৱে নাম ল'লে তেওঁক ঈশ্বৰে বিপদৰ পৰা উদ্ধাৰ কৰে। কীৰ্তনত থকা

গ্ৰাহগজেন্দ্ৰ, প্ৰ াাদ চৰিত্ৰ, অজামিল আদি উপাখ্যানত গ্ৰাহকৰ কবলৰ পৰা উদ্ধাৰ পাবলৈ গজেন্দ্ৰই ঈশ্বৰক একান্ত মতে কৰা টুতিত সন্তুষ্ট হৈ ঈশ্বৰ আবিৰ্ভাৱ হৈ গ্ৰাহৰ কবলৰ পৰা গজেন্দ্ৰক উদ্ধাৰ কৰিছিল। ভক্ত প্ৰ াাদে মেটবৰষা হৰি নাম উচ্চাৰণ কৰি অসুৰৰ মন জয় কৰিছিল আৰু ভক্ত প্ৰ াাদৰ মনোবাঞ্চা পূৰণ কৰি নৰসিংহ ৰূপে দেখা দি হিৰণ্য কশিপুৰক বধ কৰিছিল। ঠিক তেনেদৰে পাপী অজামিলে যমৰ দূতক দেখি উপায়হীন হৈ পুত্ৰ নাৰায়ণক বাৰে বাৰে মাতিছিল। পাপীৰ মুখত ৰাম নাম শুনি যমৰ দূতৰ সলনি বিষ্ণুৰ দূত আহি উপস্থিত হৈছিল আৰু মহাপাপী অজামিলে মুক্তি লাভ কৰিছিল। এয়া সৎ-সামান্য উদাহৰণহে। সেয়ে ৰাম নামক পাপৰ অগনি বুলি কোৱা হয়। ৰাম নামৰ ধ্বনি যিমান দূৰলৈ যায় সিমান দূৰলৈ হেনো পৱিত্ৰ হয়। ঘৰখনত কিবা অপায় অমংগল হ'লে এভাগ নামসেৱা পাতি পৰম শান্তি পোৱা যায়। সৎ-সঙ্গত বহি আনন্দ মনেৰে একচিত্ৰে ঈশ্বৰৰ নাম ল'লে ভগৱন্ত সন্তুষ্ট হৈ ভকতৰ সমাজত বিৰাজ কৰে। কথাগুৰু চৰিততে আছে—এদিনাখন বেলগুৰিত 'উৰেষা বৰ্ণন'ৰ ঘোষা কীৰ্তন গাঁওতে দৰনা পুষ্পৰ ঘ্ৰান উঠিল। গুৰুজনে বোলে 'বাপুসৰ নাম নেৰিবা জগন্নাথ আহিছে, দৱনাৰ ঘ্ৰনি উঠিছে।' সেয়ে একান্তচিত্ৰে নাম ল'ব লাগে।

শৰীৰত নানা পীড়া থাকিলেও নামৰ আনন্দত সকলো পাহৰি থকা যায়। ধনী, দুখীয়া, উচ্চ-নীচ ভেদাভেদ পাহৰি সকলোৱে একেলগে বহি নাম লোৱা হয় বাবে ভাতৃত্ববোধৰ বান্ধোন কটকটীয়া হয়। লগতে পদ্মাসনত বহি দুই হাতৰ তলুৱা লগলগাই যোৰকৈ চাপৰি বজালে আমাৰ সৰ্বশৰীৰৰ শিৰা-উপশিৰাবোৰ সক্ৰিয় আৰু সবল হৈ উঠি শৰীৰৰ তেজ চলাচল বৃদ্ধি কৰে। আমাক সুস্বাস্থ্যবগৰাকী কৰে। (যিটো যোগাসনত শিকোৱা হয়) অৰ্থাৎ ই আমাৰ শৰীৰত ফিজিঅ'থেৰাপিৰ কাম কৰে। গুৰু দুজনাই এনে কাৰণতে বাউসী তুলি নাম লোৱাৰ কথা কৈ গৈছে। নামত শৰণ ল'লৈ খুব উগ্ৰ, খঙাল প্ৰকৃতিৰ মানুহো কিছু ক্ষান্ত হোৱা দেখা যায়। সেয়ে বৰ্তমান যুগত নামৰ প্ৰাসংগিকতা অতি গুৰুত্বপূৰ্ণ। নামৰ মহিমা গুৰুজনাঅ কীৰ্তনত এনেদৰে বৰ্ণনা কৰিছে—

কলিত পৰম উপায় নাম
একদায়ে সিজে ত্ৰিতয় কাম
উপজে পূণ্য পাপ হোৱা দূৰ
মিলে মহামোক্ষ্য সুখ প্ৰচুৰ।।

(ভাগৱত তাৎপৰ্য)

ভাৰতীয় দৰ্শন মতে হাজাৰ হাজাৰ লক্ষ্য যোনিত জন্ম লাভ কৰাৰ পিছতহে মানৱ জীৱন পোৱা যায়। সেয়ে মানৱ জীৱনক দুৰ্লভ বুলি কোৱা হয়। এনে দুৰ্লভ মানৱ জীৱন লাভ কৰি যদি মানুহে ঈশ্বৰত ভকতি নকৰে তেন্তে মানৱ জীৱন বিফলে যায়। মহাপুৰুষ মাধৱদেৱে নামঘোষাত কৈছে—

দুৰ্লভ মনুষ্যতনু লভিয়া পশুৰ যোগ্য
বিষয়ৰ সুখ পৰিহৰা।
সন্তৰ সংগত বসি সুখে হৰিগুণ গায়
সন্তোষে অমৃত পান কৰা।।

নামাৰ মহিমাৰ কথাকৈ অন্ত কৰিব নোৱাৰি তেন্তে আহক ভক্তপ্ৰাণ ৰাইজ— পৰম অমৃত হৰিনাম পান কৰি সংসাৰৰ শোক তাপ, জৰা ব্যাধিৰ পৰা মুক্তি পাবলৈ প্ৰয়াস কৰো। শেষত ভুল-ভ্ৰান্তিৰ বাবে ক্ষমা-ভিক্ষা মাগি দুজনা গুৰুলৈ পুনৰ প্ৰণাম যাচি প্ৰভু ভগৱন্তলৈ ভক্তিভৰা অঞ্জলিৰে আমাৰ এই লেখাৰ সামৰণি মাৰিলো।

"বিহু অসমীয়া অংসতিস্বৰূপ"

মুছলিমুদ্দিন আহমেদ
অনুপম নগৰ

হাজাৰ হাজাৰ বছৰ আগতে হোবাংহো আ ৰু ইয়াংচিকিংয়াং নদীৰ পাৰৰ পৰা কিছুমান মানুহ গংগা আৰু ব্ৰহ্মপুত্ৰ উপত্যকালৈ ব্যৱসায় সূত্ৰে আহিছিল। অতীত বুৰঞ্জীত লিপিবদ্ধ কৰা পণ্ডিত সকলৰ বিভিন্ন তথ্যৰ পৰা জনা যায় - এই বিহু 'ছঁচৰি' ৰ সৃষ্টি নোহোৱা হ'লে ইয়াত ধৰ্মীয় বা জাতীয় ভাৱ একেবাৰে নাথাকিল হেতেন। ৱৰ্ডচবাৰ্থে কৈছে - কবিতা হৈছে শক্তিশালী আবেগ-অনুভুতিৰ স্বতঃস্ফূৰ্ত প্ৰকাশ। কৰিতা অন্তৰৰ নিঃসৃত ভাষাৰ মোহময়ী উক্তি। সেয়েহে আমি ক'ব পাৰো আমাৰ বিহুগীতবোৰ এক সঁচা কৰিতা। চহা অনামী কৰিৰ মুখে মুখে ৰচিত এই গীতবোৰোত সঁচাকৈ নাই কোনো আৰ-বেৰ, নাই অশ্লীলতা, নাই জটিলতা, নাই স্বাৰ্থতা। ই হৈছে বিহু বলীয়া ডেকা-গাভৰুৰ উপযুক্ত হিয়াৰ সৰলতা, স্বতঃস্ফূৰ্ত আবেগৰ মূৰ্ত প্ৰকাশ।। প্ৰকৃতিৰ যৌৱন কাল হৈছে বসন্ত ঋতু, এই ঋতুত প্ৰকৃতিৰ মোহময়ী পৰিৱেশে ডেকা-গাভৰুৰ সুৰৰ কথা আদহীয়া-বুঢ়া মেথাৰো মন চুই যায়। অন্তৰৰ এই থৌকি-বাথৌ আনন্দ, যৌৱনৰ পোৱা-নোপোৱাৰ অভিব্যক্ত, ডেকা-গাভৰুৱে গোৱা গীতবোৰত ভুৰ-ভুৰি। অতীতত উজনি অসমত ডেকা-গাভৰুসকলে মনৰ আনন্দত চ'ত মাহ সোমোৱাৰ পৰা গছৰ তলত বিহু মাৰিছিল বাবে চ'তৰ বিহু বুলিছিল, আজিৰ দিনত কৰ্মৰত ডেকা-গাভৰুৱে দুমাহ সময় আনন্দত কটোৱাটো সম্ভৱ নহয় বাবে বহাগ বা ৰঙালী বিহু এমাহ ধৰি পালন কৰে।। বহাগ বিহুক আকৌ দুভাগত ভগাব পাৰি ডেকা আৰু গাভৰু বিহু, অৰ্থাৎ আগতে ডেকাৰ বিহু আৰু গাভৰুৰ বিহু বেলেগ আছিল। কালক্ৰমত ডেকা-গাভৰুসকলে একেলগে বিহু মাৰিবলৈ ধৰিলে। যাক মুকলি বিহু কোৱা হয়। তথাপিও গাভৰু বিহু লুপ্ত হোৱা নাই, এতিয়াও জেং বিহু বুলি অভিহিত কৰে।

কৃষিমূখী গ্ৰাম্য-সংস্কৃতি, বিহু অসমীয়াৰ জাতীয় উৎসৱ, প্ৰাণৰো প্ৰাণ। অসমখন এক নদীকেন্দ্ৰীক সাৰ্ব্বজনীন দেশ। অসমীয়া সভ্যতা-সংস্কৃতি বিহু হ'ল নদীৰ এক অবিচ্ছেদ্য অংগ।। দিহিং, দিচাং, দিখৌ, লোহিত, কলং আদি বৰ লুইত বা ব্ৰহ্মপুত্ৰৰ উপনৈ। ইয়াৰ দুয়োপাৰে বাস কৰা অসমীয়া জনগণৰ আশা ভৰষাৰ মূল এই চিৰ বহিমান লুইতৰ অবিহনে জাতিৰ অস্তিত্ব, পৰিচয় অসম্পূৰ্ণ। বিহু গীতত মহাশক্তিমান বৰলুইতক অনুৰোধ কৰিছে -

ব্ৰহ্মপুত্ৰৰ পাৰতে বৰ্হমথুৰি এজুপি
আমি খৰি লুৰা নাই উটুবাই নিনিবা
হে দেৱতা তামোল পান দি সাতোৰা নাই।।

বিশ্ব কবি হেমাংগ বিশ্বাসে লিখিছিল - বিহু কাব্যত প্ৰেম অবাধ কিন্তু ইয়াত দেহবাদী বা অশ্লীলতা নাই।। আজিও যৌথ কৃষি আৰু চহকী জীৱনৰ প্ৰকৃতিৰ পৰিৱেশক বশ কৰাৰ ঐন্দ্ৰজালিক কল্পনাৰ ঐতিহ্যৰে ই মধুৰ। বিহুৰ আদি ৰস কৰ্মজীৱনৰ পৰা বিচিন্ন ব্যক্তিকেন্দ্ৰীক নাগৰিক প্ৰেম নহয়। সমষ্টি চেতনাৰ চন্দেৰে ই সুস্থ আৰু সজীৱ। কিন্তু অতি সাম্প্ৰতিক কালত পথাৰৰ বা গছৰ তলৰ বা গাঁএৱৰ চোতালৰ বিহু আহি কংক্ৰিট নগৰত জাক-জমকীয়া মঞ্চ পোৱাৰ পিচত মধ্যবিত্তীয় বা সুবিধাবাদী ধ্যান-ধাৰণাৰ কবলত পৰি বিহু কাব্য আৰু ইয়াৰ আনুসাংগিক বিহু নাচৰ প্ৰেম দিনৰ পিচত দিন জড়িত নোৱাৰাকৈ দেহবাদী হৈ পৰিল। কালৰ কুটিল গতিৰ পৰশত বিহু নাচ এতিয়া প্ৰকৃতিৰ

পৰিৱেশ বশ কৰাৰ ঐন্দ্ৰজালিকৰ কল্পনা নোহোৱা হৈ পৰিল আৰু এচাম দৰ্শকৰ বাবেই মনোৰঞ্জনৰ আহিলা হৈ পৰিছে। ক'লা-সাংস্কৃতিৰ চেতনাৰ পৰিবৰ্তে ব্যক্তি স্বাৰ্থ চেতনাৰহে খোৰাক হৈ পৰিছে। যুগৰ পৰিবৰ্তনৰ লগে লগে গাওঁৰ সাধাৰণ ডেকা-গাভৰুৱে গাওঁৰ বৰচোতালত, বৰগছৰ তলত বিহু মৰাটো প্ৰায় বন্ধ হোৱাৰ উপক্ৰম হৈছে। চহৰ-নগৰবোৰত পহিলা বিহুৰ পৰা বিশাল ধনৰ টোপোলাৰ পুৰস্কাৰ আদিৰ টোপদি গাওঁৰ পৰা চহৰ-নগৰলৈ আহিবলৈ বাধ্য কৰাইছে অৰ্থাৎ বৰ্ত্তমানৰ বিহুটি এটা ডাঙৰ পুৰস্কাৰ আদিৰ টোপদি গাওঁৰ পৰা চহৰ-নগৰলৈ আহিবলৈ বাধ্য কৰাইছে অৰ্থাৎ বৰ্ত্তমানৰ বিহুটি এটা ডাঙৰ ব্যৱসায়ৰ ৰূপত দেখিবলৈ পোৱা যায়।। যাৰ ফল স্বৰূপে বিহু আৰম্ভণীৰ দিনাৰ পৰা গোটেই মাহটোৰ বাবে গাওঁৰ ডেকা-গাভৰুসৱে চহৰ বা নগৰমুখী হবলৈ বাধ্য হয় এমুঠি ধনৰ আশাত।। বিহু সংস্কৃতি সৰ্ব্বস্ব হোৱাতকৈ ই প্ৰতিযোগিতা সৰ্ব্বস্ব হৈছে।। অতীতৰ অসমৰ কৃষিজীৱি মানুহৰ ৰসেৰে সমৃদ্ধ বিহুটি আজি আচল থলীৰ পৰা বিচিন্ন হৈ নগৰীয়া কৃত্ৰিম পৰিৱেশত বান্ধ খাই পৰিছে।। আনহাতে আজি অনা অসমীয়া ব্যৱসায় বা অস্থায়ী উচ্চ ব্যক্তিসকলে অসমীয়াৰ ক'লা-সংস্কৃতি, ভাষা জাতি-জনগোষ্ঠীক ধ্বংশ কৰিবলৈ অহৰহ চেষ্টা কৰি থকা দেখা যায়। তেওঁলোকে অসমীয়া জাতি সাহিত্য-সংস্কৃতি ধ্বংশ কৰি এক বহিৰাগতৰ চৰণ ভূমিত পৰিণত কৰিব বিচাৰিছে আৰু আমি এচামে দেখিও নেদেখাৰ ভাও ধৰি আছো বা ব্যক্তিগত স্বাৰ্থৰ বাবে সিহতৰ মিঠা কথাত ভোল গৈ আছো। এই নিঃকিন লিখনীৰ জড়িয়তে অসমত বসবাস কৰা বিভিন্ন জাতি-জনগোষ্ঠী অৰ্থাৎ অসমী আইক তথা অসমীয়াৰ ভাষা, ক'লা-সংস্কৃতিক ভালপোৱা সকলোক বিনম্ৰ অনুৰোধ-সময় থাকোতে পুলি-পখালিৰ সৈতে এইসকলক উভালি পেলাওক আৰু অসমীয়াক ভাল পাওঁ বুলি মিছা চক্ৰান্ত কৰি অসমখনক ধ্বংশ কৰা সকক চিনাক্ত কৰক।

"জয়তু ৰঙালী।। জয় আই অসম"

জ্ঞান-সফুঁৰা

১) আমি যি জানো যি অতি সামান্য, আমি যি নাজানো তাৰ সীমা নাই এতেকে নিজক জ্ঞানী বুলি অনুচিত - পাপলেচ

২) আজিৰ কাম কাইলৈ কৰিম বুলি পেলাই থৈ নিদিবা, কাৰণ কাইলৈ তোমাৰ কি অৱস্থা হব নাজানা - হজৰত মহম্মদ (ছঃ)

৩) বিৰহৰ এটোপাল চকুলো মিলনৰ হাজাৰ আনন্দতকৈ মহান - মাইকেল এঞ্জেলো

৪) প্ৰত্যেক বিজ্ঞান আৰম্ভ হয় দৰ্শনৰ ৰূপত, শেষ হয় ক'লাৰ ৰূপত - উইন ডুৰান্ত

৫) যি শিক্ষাই নিজক আনৰ হাতত বেচিবলৈ শিকাই, তেনে শিক্ষাৰে শিক্ষিত হোৱাতকৈ জধামূৰ্খ হোৱা ভাল - হেম বৰুৱা।

ৰঙালী বিহুৰ লোকাচাৰ

প্ৰতিমা বৰা

লোকবিশ্বাস আৰু লোকাচাৰ একেটা মুদ্ৰাৰ দুটা পিঠি বুলি ক'ব পাৰি। আমাৰ সমাজত চলি থকা পৰম্পৰাগত লোকবিশ্বাস সমূহৰ ভিত্তিতেই বিভিন্ন লোকাচাৰে গা কৰি উঠিছে। কাতিৰ কঙালী, মাঘৰ ভোগালী আৰু ব'হাগৰ ৰঙালী বিহু এই আটাইকেইটা বিহুৱেই কৃষি ভিত্তিক হোৱা বাবেই কৃষিকৰ্মৰ লগত জৰিত পৰম্পৰাগত লোকবিশ্বাস গাত ভেজা দি সৃষ্টি হ'ল বহুতো লোকাচাৰ আৰু লোকসংস্কৃতি। যিবোৰ কথা যুক্তিৰে শ্ৰুতিপন্ন কৰিব পৰা নাযায়, তেনেবোৰ কথা বহু সময়ৰ বিশ্বাসেৰে মানি ল'ব লগীয়া হয়। বিজ্ঞানৰ জয়যাত্ৰা ক্ষিপ্ৰতৰ হোৱাৰ আগতে বহু কথা সত্যতা যুক্তিৰে দাঙি ধৰিব পৰা হোৱা নাছিল। সেই সময়ত সাধাৰণ জনগণৰ মাজত প্ৰচলিত পৰম্পৰাগত বিশ্বাসে সৃষ্টি কৰি গ'ল অজস্ৰ লোকাচাৰ। এতিয়াও তেনে বহুত লোকাচাৰ আমাৰ সমাজত শিলৰ খুঁটিৰ দৰে থিয় দি আছে।

ব'হাগৰ ৰঙালী বিহুতো তেনে বহু লোকাচাৰ অসমীয়া লোকে পালন কৰা দেখা যায় এনে লোকাচাৰসমূহ স্থান-কাল-পাত্ৰ ভেদে সামান্য বা বহু পৰিমাণে ইফাল সিফালো হয়। এতিয়াৰ পৰা প্ৰায় তিনি-চাৰিকুৰি বছৰৰ আগলৈকে অসমৰ প্ৰাকৃতিক পৰিৱেশ আজিৰ দৰে নাছিল। খৰালি দিন কেইটাত চোৰোকাকৈ দুই এজাক বৰষুণ দিছিল যদিও ৰঙালী বিহুৰ উৰুকাৰ দিনা নিশাটো দোপাল পিটা বৰষুণ হৈ ফাটি থকা পথাৰ পানীৰে উপচি পৰিছিল। তাৰ পিছদিনা অৰ্থাৎ গৰু বিহুৰ দিনা গএঃ ৰাইজে পথাৰত গৰুৰ গা ধুৱাবলৈ কোনো সমস্যাৰ সৃষ্টি নহৈছিল। এনে ঘটনাবোৰ দেখি অসমলৈ অহা বাহিৰৰ লোকে তবধ মানিছিল আৰু কৈছিল— 'অসম দেওলগা দেশ।' সঁচাকৈয়ে অসমীয়া মানুহেও প্ৰকৃতিৰ এনে কাৰ্যক দৈৱ আৰ্শিষ ৰূপে গ্ৰহণ কৰি বিশ্বাস কৰিছিল যে দেৱতাৰ আশিষ থাকিলেহে এয়া সম্ভৱ হয়। সেই লোকবিশ্বাসৰ ভিত্তিতেই সৃষ্টি হৈছিল অন্য এক লোকাচাৰ।

এক শতিকা মাহৰ আগলৈকে চ'ত মাহৰ আৰম্ভণিৰ পৰাই ৰাতি বিহুৰ উপৰি গছতলত বিহু মৰাৰ নিয়ম আছিল। ব'হাগৰ সাত বিহুৰ বাদেও এনেদৰে বিহু মাৰোতাৰ লোকবিশ্বাস জড়িত হৈ আছে। আগতেই উল্লেখ কৰি আহিছো যে খৰালিৰ দিনত চেগা-চোৰোকাকৈ হ'লেও সময়ত বৰষুণ হয়। তেতিয়াৰ পথাৰবোৰ হৈ পৰে সুকোমল আৰু উৰ্বৰা। পথাৰক নৰাৰ লগত তুলনা কৰা হয় ? নাচনীৰ বিহুনাচৰ গিৰগিৰণিত ধৰণী উত্তেজিত

হয় বুলি বিশ্বাস কৰে। সেয়ে চ'তৰে পৰা অসমীয়া গাভৰুৱে বিহু নাচি পথাৰখন শস্যে-মৎস্যে নদন-বদন হ'বলৈ মণেপ্ৰাণে কাকুতি কৰে। উল্লেখ্য যে সাম্প্ৰতিক কালত নাচনীয়ে ৰঙা ৰঙৰ ব্লাউজ পিন্ধি নচাৰ মাজতো লোকবিশ্বাস সোমাই নথকা নহয়। ৰঙৰ ৰং উৰ্বৰতাৰ প্ৰতীক। ৰঙা ৰঙৰ ব্লাউজে নাচনী এগৰাকীৰ উৰ্বৰতাক প্ৰতিনিধিত্ব কৰে। বসন্ত কালত পালিত এই কৃষি উৎসৱ ৰঙালী বিহুত ৰঙা ব্লাউজ পিন্ধি নাচি-বাগি যেন জীৱন লগৰীক আকৰ্ষণ কৰিব খোজে। তদুপৰি নোৱাই তুলনি বিয়াত কইনাজনীৰ শিৰত ৰঙা সেন্দুৰ ফোঁট দিয়াৰ অৰ্থও হৈছে ছোৱালীজনীৰ উৰ্বৰতা প্ৰাপ্তিক সামাজিকভাৱে আদৰণি জনোৱাটোহে।

সাত বিহুৰ প্ৰথম দিনটো গৰু বিহু হিচাপে পালন কৰা হয়। কৃষিধৰ্মী অসমীয়া মানুহৰ খেতি-খোলাৰ বাবে গৰু নহলেই নহয়। সেয়ে একালত অসমীয়া মানুহৰ ঘৰে ঘৰে দুই-তিনি হালকৈ হালোৱা গৰুৰ উপৰি গাখীৰতী গাইৰে গোহালি ভৰি আছিল। ঘৰৰ দমৰাৰে ঘৰত হাল নাবাইছিল। তেনে কৰিলে লক্ষীয়ে দোষ ধৰে বুলি মানুহে বিশ্বাস কৰিছিল। আনৰ লগত তেনে দমৰাবোৰ সলাইছিল বা বিক্ৰী কৰি দিছিল। আচলতে গৰুক সকলোৱে ঘৰখনৰ লক্ষ্মী বুলি মানিছিল আৰু সেয়ে ৰঙালী বিহুৰ প্ৰথম দিনাই গৰুক গা-পা ধুৱাই মান-সন্মানেৰে পুৰণা পঘা আতৰাই ন'-পঘা দিছিল। তৰা গছৰ কলিৰ পৰা গুঠিছিল সেই পঘা মানুহে বিশ্বাস কৰিছিল যে ৰঙালী বিহুৰ আৰম্ভণিৰ দিনা গৰুক তৰা পঘাৰে বান্ধিলে গৰুৰ শ্ৰীবৃদ্ধি হয় আৰু বংশবৃদ্ধি হৈ গৃহস্থৰ জয় জয় ময় ময় হৈ পৰে। ৰাতিপুৱা গোহালিৰ পৰা গৰুবোৰ গা ধুৱাবলৈ নিওঁতে মাখিয়তীৰ ঠালেৰে আলফুলকৈ কোবাই নিয়া হয়। গৰু গা ধুওৱাৰ পাছতেই পুৰণা পঘাবোৰ খুলি গৰুৰ গাৰ তলেদি সৰকাই পেলাই দিয়া হয়। এনে কৰিলে গৰুৰ গাত লাগি থকা ৰোগ-ব্যাধি নাইকিয়া হয় বুলি ভাবে। বহুতে গাত মাহ-হালধি, শিঙত তেলো সানে। কঁপালত সেন্দুৰৰ ফোট দিয়ে। তাৰ পাছতে চাটত সী নিয়া লাও, বেঙেনা, থেকেৰা, হালধি গৰুৰ গাত মাৰি গোৱা হয়— লাও খা, বেঙেনা খা, বছৰে বাঢ়ি যা, মাৰে সৰু বাপেৰে সৰু, তই হবি বৰ গৰু। সেই চাটবোৰ বহু ঠাইত চুবুৰীয়া অসমীয়া মানুহৰ লগত সলনা-সলনি কৰে। এনে কৰিলে গৰুৰ ৰোগ-ব্যাধি নহয় বুলি ভাবে। গৰুৰ গা ধুওৱা পৰ্ব শেষ কৰি চাটবোৰ ঘৰলৈ আনি গোহালিৰ চালত বা ঘৰৰ চালত গুজি থোৱা হয়। কেইটুকুৰামান এশ এবিধ শাকৰ লগত মিহলি কৰি ৰান্ধিও খোৱা হয়। গধূলি যেতিয়া গৰুবোৰ গোহালিলৈ আহে তেতিয়া গোহালিৰ খুঁটিত নতুন পঘা দিয়া হয়। গোহালিৰ কেওফালে নহৰুপানী ছটিয়াই দিয়া হয়, যাতে সাপ আদি বিষাক্ত মহ গোহালি ভিতৰলৈ নাহে। লগে লগে তুঁহ খেৰৰ জুমুঠি বা আন আন সামগ্ৰীৰে জাগ দি কেওফালে ধোঁৱাময় কৰি দিয়া হয়। তাৰ পাছতে মাখিয়তীৰ ঠালেৰে গৰু গাত আলফুলকৈ কোবাই দি গোৱা হয় মাখিয়তীৰ কোমল পাত, মাখি মাৰো জাত জাত। এনে কৰিলে বছৰটোলৈ মহ, ডাহ আদিৰ উপদ্ৰৱ কমি যায় বুলি গওঁৱা ৰাইজে ভাবে। এইবোৰ নীতি-নিয়ম কৰি উঠাৰ পাছত গৰুক পিঠা খাবলৈ দি গো পূজাৰ সামৰণি মৰা হয়। তেনে বিশ্বাস কেৱল অসমতে নহয়, পৃথিবীৰ বিভিন্ন দেশত তেনে বিশ্বাসে গঢ় লৈ উঠিছে। তেনে এক পৰম্পৰাগত বিশ্বাস হৈছে কণীযুঁজ। পৃথিবীৰ বহু দেশত কণীযুঁজৰ পৰম্পৰা আছে। এই কণীযুঁজক শত্ৰুনাশৰ প্ৰতীক বুলি ধৰা হয়। সেয়েহে গৰু বিহুৰ দিনা গৰুক গা ধুওৱাৰ পাছতে কণী যুঁজ অনুষ্ঠিত হয়। সেইদিনা কণী যুঁজাবলৈ বা কণীযুজত হাৰিলে শত্ৰুৱে লাই পায় বুলি আমাৰ সমাজত এক বিশ্বাস আছে। সেয়ে সকলোৱে কণীৰ খুন্দা এটা মাৰিবলৈ চিন্তা কৰে।

কণীযুঁজৰ শেষত দুপৰীয়া পইতা ভাত খোৱা হয়। কণীযুঁজত জিকি অনা কণীৰে ভজা, আলুৰ পিটিকা, পোৰা বেঙেনা বা বহুতে (আমৰলি) টোপ ভাজি লৈ পৰম তৃপ্তিৰে

পইতা ভাত খায়। সেইদিনা পইতাভাত খালে বছৰটোলৈ গা শীতল হৈ থাকে বুলি বিশ্বাস কৰে। তাৰ ওপৰি কণীযুঁজ আৰু কড়ি খেল প্ৰজননৰ প্ৰতীক ৰূপেও গণ্য কৰা হয়। কড়ি খেলত কড়ি ফুটিলে পথাৰ শইচেৰে নদন-বদন হৈ পৰে বুলি বিশ্বাস কৰা হয়। আৰু নুফুটিলে ধুমুহা-বতাহ অতিবৃষ্টি হৈ মাৰি মৰকৰ সৃষ্টি হয় বুলি বিশ্বাস কৰে।

গৰু বিহুৰ দিনা গধূলিলৈ তুলসীপানী ছটিয়াই গোটেই ঘৰটো বিচনীৰে বিচি দিয়া নিয়ম। সেইদিনাৰ পৰা মানুহেও বিচনীৰ বা' লব পাৰে। তাৰ আগতে বিচনীৰে বা' ললে মূৰ ঘূৰণি হয় বুলি বিশ্বাস কৰে। তদুপৰি গধূলি ঘৰৰ মূল দুৱাৰখনৰ ওপৰত জেটুলিপকা এঠাল আৰি দিয়ে। কাইটীয়া জেটুলীপকা ঠাল আৰি দিলে ভূত-প্ৰেত ঘৰত প্ৰৱেশ কৰিব নোৱাৰে বুলি বিশ্বাস কৰে।

ব'হাগ বিহুত জেতুকা লোৱাটো সৰ্বজনবিদিত। বহুতে বৰ্হমথুৰিৰ ৰঙো সানে। এই দুয়োবিধৰ বহু উপকাৰী গুণ আছে। এইবোৰ ঘহাৰ ফলত কেৱল ছালৰ সৌন্দৰ্য বৃদ্ধিয়েই নহয়, বহু ৰোগৰ পৰা হাত সাৰিব পৰা যায়। গৰু বিহুৰ দিনাই ৰাতিলৈ এশ এবিধ শাকেৰে আঞ্জা ৰান্ধি খোৱা নিয়ম। এনেকৈ খালে বহু বেমাৰৰ পৰা বাচি থকা যায় বুলি অসমীয়া সমাজত এক লোকবিশ্বাস আছে।

সেইদিনাই নিশালৈ গঞা ৰাইজে হুঁচৰি গাবলৈ আৰম্ভ কৰে। গাঁওখনৰ মুখিয়াল লোকজনৰ ঘৰত প্ৰথমে হুঁচৰি গোৱা হয়। সকলোৱে বিশ্বাস কৰে যে গাঁৱৰ মুখিয়ালজনৰ অনুগত হৈ বিহু হুচৰি গালে দেৱতাসকল সন্তুষ্ট হয় আৰু অপায়-অমংগল আতৰ হয়।

উল্লেখ্য যে ৰঙালী বিহুৰ লগত হাচতি বা বিহুৱানৰ ওতঃপ্ৰোত সম্পৰ্ক। ৰঙালী বিহুত বিহুৱান এখন নহলেই নহয়। বিহুচেৰা কাপোৰ পুৰুষক লবলৈ নিদিয়ে। আয়ুস কমে বুলি লোকবিশ্বাস আছে। বিহুৰ লগত এনেদৰে বহুত লোকবিশ্বাস জড়িত হৈ আছে। বহাগৰ ৰঙালী বিহুৰ লোকাচাৰ সমূহৰ বৈজ্ঞানিক ভিত্তি থাককেই বা নাথাকক সমাজ এখন পৰিচালিত হোৱাৰ ক্ষেত্ৰত এনেবোৰ নীতি-নিৰ্দেশনা বহু ফলপ্ৰসু বুলি স্বীকাৰ কৰিবই লাগিব। যদিওবা আধুনিক প্ৰযুক্তি বিদ্যাই মানুহক অন্ধবিশ্বাসৰ পৰা মুক্ত হৈ সঠিক পথেৰে আগবাঢ়িবলৈ প্ৰেৰণা দিয়ে। পৰম্পৰাগত লোকাচাৰসমূহে সমাজ এখনৰ শক্তিশালী বুনিয়াদ ৰচনা কৰাৰ ক্ষেত্ৰতো অৰিহণা যোগায় বুলিলে ভুল কৰা নহব নিশ্চয়।



নাৰীৰ অৱদান

ডেইজী পাঠক,

ভগৱানৰ সৃষ্টিৰ ভিতৰত আটাইতকৈ সুন্দৰ সৃষ্টিটোৱে হৈছে নাৰী। নাৰী সৌন্দৰ্য, ত্যাগ, সহনশীলতা, মৰম, দায়িত্ববোধৰ প্ৰতীক।

পুৰণি কালৰে পৰা নাৰীয়ে বিভিন্ন সময়ত ৰূপ লৈ এই ধৰণীখনক ৰক্ষা কৰি আহিছে। মা পাৰ্বতীয়ে দুৰ্গা, কালী মা আদি বিভিন্ন ৰূপ লৈ দস্যুক দমন কৰিছিল। ঠিক সেইদৰে বৰ্তমান সময়তো নাৰীয়ে বিভিন্ন ৰূপত বিভিন্ন ক্ষেত্ৰত বহু পাৰদৰ্শিতা দেখুৱাইছে।

নিজৰ দেশক ৰক্ষা কৰিবৰ কাৰণে কলকলতা, মূলাগাভৰুৱে নিজৰ জীৱন আহুতি দিছিল। সতী জয়মতীয়েও নিজৰ দেশ আৰু স্বামীৰ কাৰণে যথেষ্ট দুখ-কষ্ট-যান্ত্ৰণা সহ্য কৰি জীৱন উছৰ্গা কৰিছিল।

দেশ ৰক্ষাৰ ক্ষেত্ৰত যেনেকৈ নাৰীৰ অৱদান অলেখ, ঠিক সেইদৰে অন্য ক্ষেত্ৰতো যেনে ঃ বিজ্ঞান আৰু প্ৰযুক্তি বিদ্যা, সাহিত্য, সমাজ সেৱিকা, নৃত্য-গীত, প্ৰশাসনিক আৰু ৰাজনীতি আদিৰ ক্ষেত্ৰতো নাৰীৰ অৱদান অতুলনীয়। আমি গৌৰাৱান্বিত যে আমাৰ দেশৰ নাৰী কল্পনা চাওলা মহাকাশলৈ যোৱা প্ৰথম গৰাকী নাৰী, যি গৰাকী নাৰী 'শ্বাটল মিছন'ৰ বিশেষজ্ঞ আছিল। তেওঁৰ প্ৰতিভা সমগ্ৰ বিশ্বৰ কাৰণে এটা অবিশ্বাস্য অৱদান। ঠিক তেনেদৰে সকলোৱে জ্ঞাত সমাজ সেৱিকা - 'মাদাৰ টেৰেছা' নামেই যাৰ পৰিচয়। প্ৰথম মহিলা ভাৰতীয় আৰক্ষী সেৱা (IPS) ৰ বিষয়া কিৰণ বেদী আৰু অসম কেডাৰৰ প্ৰথম অসমীয়া মহিলা আই পি এছ বিষয়া সংযুক্তা পৰাশৰ নাৰী তথা সমাজৰ কাৰণে এক অতুলনীয় অৱদান।

ড° মামনি ৰয়ছম গোস্বামী সাহিত্যৰ ক্ষেত্ৰত বিশ্বৰ ভিতৰতে এগৰাকী বিশিষ্টা মহিলা। তেওঁ ২০০০ চনত 'জ্ঞানপীঠ' বঁটা লাভ কৰিছিল তেওঁৰ বহুমুখী প্ৰতিভাৰ কাৰণে। তেখেত এগৰাকী প্ৰসিদ্ধ লেখিকা, অধ্যাপিকা আৰু ৰামায়ণৰ ওপৰত অগাধ জ্ঞান থকা মহিলা, যি গৰাকী নাৰী বিভিন্ন সন্মানেৰে সন্মানিত হৈছিল আৰু আমাৰ দেশলৈ সুনাম কঢ়িয়াই আনিছিল। তেওঁ চৰকাৰ আৰু উগ্ৰপন্থীৰ মাজত শান্তিপূৰ্ণ বাতাৱৰণৰ কাৰণে যথেষ্ট চেষ্টা কৰিছিল।

ক্ৰীড়াৰ ক্ষেত্ৰতো নাৰী কোনো দিশৰ পৰাই কম নহয়। আমাৰ দেশত পি.টি.উষা, চানিয়া মিৰ্জা, চায়না নেহৱাল, মেৰীকম, হিমা দাস, মনালিছা বৰুৱা, মিঠু বৰুৱা আদিয়ে দেশে-বিদেশে অভিলেখ স্থাপন কৰি সুনাম কঢ়িয়াই আনিছে।

সাংস্কৃতিক জগততো নাৰীৰ অৱদান অতুলনীয়। দিপালী বৰঠাকুৰ, সুদক্ষিণা শৰ্মা, ধনদা পাঠক, লতা মংগেশকাৰ, পাৰবিন চুলতানা, নাহিদ আফ্ৰিন, মুনমী বৰা আদিয়ে দেশলৈ যথেষ্ট গৌৰৱ কঢ়িয়াই আনিছে।

ইয়াৰ উপৰিও নাৰীৰ আটাইতকৈ ডাঙৰ ক্ষমতাটোৱেই হৈছে এটি শিশুক এই পৃথিৱীলৈ অনাটো আৰু তুলি-তালি পালন কৰি ডাঙৰ-দীঘল কৰাটো, যিটোৱে সকলোকে আনন্দিত আৰু উৎফুল্লিত কৰি তোলে।

এগৰাকী নাৰীয়ে মাতৃ, ভগ্নী, সহধৰ্মিণী হিচাপে বহু দায়িত্ব লয়, তথাপিও আজিৰ সভ্য সমাজত নাৰীক অৱহেলিত কৰা দেখা যায়। বৰ্তমান কালতো এচাম মানুহে নাৰীক কুসংস্কাৰ আৰু অন্ধ বিশ্বাসৰ বলি কৰি ডাইনী সজাই নানা ধৰণৰ অত্যাচাৰৰ কৰি হত্যা কৰা দেখা যায়। সতিদাহ প্ৰথাও আজিৰ এই সভ্য সমাজত মাজে-সময়ে পৰিলক্ষিত হোৱা দেখা যায়। যৌতুকৰ ক্ষেত্ৰতো নাৰীক নিৰ্যাতন চলোৱা তথা বহু ক্ষেত্ৰত নাৰীয়ে স্বামীৰ পৰা লাঞ্চিত হোৱাও দেখা যায়। বৰ্তমান এখন সভ্য, শিক্ষিত সমাজত প্ৰায়েই ঘটি থকা আটাইতকৈ ঘৃণনীয় কাৰ্যটো হৈছে মহিলাৰ ওপৰত সঘনাই চলি থকা ধৰ্ষণ। ই নাৰী সমাজৰ, কাৰণে এক দুৰ্ভাগ্যজনক তথা বেদনাদায়ক ঘটনা। সেয়ে, আমি সকলোৱে বিশেষকৈ নাৰীসকলে কিছুমান নতুন পদক্ষেপ ল'ব লাগে যেনে ঃ এখন শিক্ষিত সমাজ গঢ়ি তোলা, নাৰী সৱলীকৰণ, নাৰী সজাগতা, অন্ধ বিশ্বাস তথা কু-সংস্কাৰ আদি দুৰ কৰি এখন সুস্থ, সবল আৰু নিকা সমাজ গঢ়াৰ য'ত নাৰীক সমান অধিকাৰ, সন্মান আৰু মৰম-স্নেহ দিয়া হয়।

কপৌ ফুল

সুকণ্যা সাধনিদাৰ
দশম শ্ৰেণী, ছিলভাৰ অক হাইস্কুল

"অ', অ', পদুলিত ফুলিল কপৌফুল চ'ত বাগৰি
ব'হাগ আহিল অ', অ', হিয়াখন উতলা হ'ল।"

বসন্ত কালত প্ৰকৃতি ৰাণীয়ে ন-সাজ পিন্ধে, গছত কুঁহিপাত মেলে, তগৰ, কেতেকী ফুলৰ গোন্ধত মলেমলাই থাকে। ঠিক সেইদৰে পদুলি মূখত তামোল গছ জোপাত ফুলি উঠা কপৌফুল জোপায়ে শোভা বৰ্দ্ধন কৰে। সেই কাৰণে বিহুগীতত গাইছে -

"কপৌফুল ফুলিলে জকেমকাই,
বসন্তৰ বতৰা পাই।
নাহৰো ফুলিলে তগৰো ফুলিলে
কেতেকী মলেমলাই।।"

বসন্ত কালত ফুলি উঠা কপৌফুল পাহিত জিলিকি উঠে বসন্তৰ মিঠা হাঁহি।

কপৌফুল পাহৰ অসমীয়া জনজীৱনত বিশেষ গুৰুত্ব আছে। কপৌফুল পাহ যিহেতু যঠেষ্ট দীঘল। সেই হিচাপতেই হয়তো নাচনীয়ে খোপাত মেৰিয়াই লবলৈ যঠেষ্ট সুবিধা হয় বাবেই খোপাত গুজি বৰ আনন্দ পায়। সেয়ে হয়তো নাচনীয়ে গায়

"বহাগতে আহিবি চেনাই অই,
খোপাতে এপাহি কপৌফুল দিবলৈ।"
কপৌ ফুল পাবলৈ বৰ দুৰ্লভ।।

যিহেতু এতিয়া আগৰ দৰে ক্ৰমান্বয়ে তামোল গছ জোপাৰো বৰ অভাৱ হৈছে। বেছিভাগ কপৌফুল পাহাৰ পৰ্বতৰ দুৰ্গম অঞ্চলতে হয়। সেয়ে হয়তু বিহুৱা পুৰুষে দুৰ্গম অঞ্চলৰ পৰা কপৌফুল পাহ বিচাৰি আনি নাচনীক দিবলৈ পাই নিজকে ধন্য মানে, সেয়ে বিহুৱা সকলে গায় -

"পাহাৰ বগাই বগাই অ'চেনিমাই
কপৌফুল মই আনিছো
খোপাতো গুজি দিও বুলি।"

কপৌফুলৰ ঔষধী গুনো বহুত আছে কটা-ছিঙা, ঘা আৰু জখম হোৱা স্থানত এই গছ খুন্দি লগোৱা হয়। ইয়াৰ পাত পিহি জ্বৰ হোৱা মানুহৰ গাত সানিলে জ্বৰ ক'মে। কপৌফুলৰ পাতৰ ৰস উলিয়াই নিৰ্দিষ্ট পৰিমানে কাণত দিলে কাণৰ ৰোগ ভাল হয়। কপৌফুলৰ আন এটা নাম গেজেং ফুল'। কপৌ ফুল ইংৰাজীত 'অৰ্কিড' নামেৰে জনাজাত। ভিন ভিন প্ৰজাতিৰ কপৌফুল আছে যদিও অসমত বেছিকৈ দুবিধহে দেখিবলৈ পোৱা যায়। এবিধ ৭০-১২০ টা মান পাহি থাকে আৰু আনবিধ ২০-২৫ ছেণ্টি মিটাৰ দীঘল পাহিৰ সংখ্যা ৪০-৪৫ টা মান হ'ব।

কপৌফুল মূলতে পৰাশ্ৰয়ী। সাধাৰণতে তামোল গছ বা নাৰিকল গছৰ গাত লাগি থাকিলেও সিহঁতৰ কিছুমান নিজস্ব বায়বীয় শিপাৰ সহায়ত বায়ুমণ্ডল বা জলীয় বাষ্প আৰু পানী সংগ্ৰহ কৰিব পাৰে।

কপৌফুলক অভিজাত শ্ৰেণীৰ ফুল বুলি ক'ব পাৰি। বৰ্তমান বাহিৰৰ বজাৰতো কপৌফুলৰ যথেষ্ট চাহিদা আছে। সেয়েহে এতিয়া বিভিন্ন বজাৰত ইয়াৰ ৰপ্তানি বৃদ্ধি পাইছে। কপৌফুলৰ গুটি বহুত হয় যদিও গুটিৰ পৰা গছ নহয় বাবে ইহঁতৰ সংখ্যা বৃদ্ধিৰ ক্ষেত্ৰত যথেষ্ট সমস্যা হৈছে। সেয়েহে ইয়াক উপযুক্ত সংৰক্ষণৰ ব্যৱস্থা কৰিব লাগে।

ব্ৰহ্মাণ্ডত মনুষ্যৰ স্থিতি

ধ্ৰুৱজ্যোতি তামুলী

জীৱ বিজ্ঞানীসকলে জীৱ কুলক ভাগত ভাগ কৰিছে। ঋষি-মুনি তথা শাস্ত্ৰকাৰসকলে জীৱক চাৰি ভাগত ভাগ কৰিছে। চাৰিমুঠি জীৱ-উৰণ, বুৰণ, গজন আৰু ভ্ৰমণ। 'উৰণ' মানে পক্ষীকুল, 'বৰণ' জলচৰ প্ৰাণী, গজন উদ্ভিদ জগত আৰু 'ভ্ৰমণ' স্থলচৰ প্ৰাণী। পৃথিৱীৰ বাহিৰে অন্য কোনো গ্ৰহতে কোনো জীৱন সন্ধান বৈজ্ঞানিকসকলে এতিয়ালৈকে পোৱা নাই।

শাস্ত্ৰত লিখিছে- 'ব্ৰহ্মা আদিকৰি জীৱ য'ত।' অৰ্থাৎ ব্ৰহ্মা দেৱ জীৱ। যদি ব্ৰহ্মা জীৱন দেৱতা সকলো জীৱ। সূৰ্য দেৱতা জীৱ (এটা নক্ষত্ৰ)। চন্দ্ৰ দেৱতা জীৱ (এটা উপগ্ৰহ)। শনি দেৱতা জীৱ (এটা গ্ৰহ)। গ্ৰহ নক্ষত্ৰবোৰ যদি জীৱ হয়, তেন্তে পৃথিৱীও এটা জীৱ। আমাৰ এক জীৱন্ত চলন্ত অনন্য সৰগীয় সৃষ্টি।

পৃথিৱী যদি জীৱ হয়, ই চাৰিমুঠি জীৱৰ কোন মুঠিত? উৰন বা ভ্ৰমণ কোনো ভাগতে ধৰিব নোৱাৰি। পৃথিৱীয়ে বায়ুমণ্ডলত উৰণ নকৰে বৰং মহাশূণ্যত বিচৰণ কৰে। আনহাতে ভ্ৰমণ মহাশূন্যত অবিৰতভাৱে কৰে। ই এক Non Biological life (অজৈৱিক জীৱ), মহাজাগতিক জীৱ বুলিব পৰা যায়। পৃথিৱী বা একোটা গ্ৰহৰ দেহৰ কিছুমান লক্ষণ জীৱ বা প্ৰাণী দেহৰ লক্ষণৰ সৈতে ৰিজাব পাৰি। হৃদয়ৰ স্পন্দনৰ বাবেই হওক কবা শ্বাস-প্ৰশ্বাসৰ বাবে লওক প্ৰাণী দেহ স্পন্দনশীল। গ্ৰহৰ ভিতৰত পৃথিৱীকেই যদি উদাহৰণ হিচাবে দাঙি ধৰো Seismoographic record মতে ভূপৃষ্ঠত প্ৰতিদিনে শতাধিক ভূকম্পন সংঘটিত হয়। কম ৰিখটাৰ স্কেলৰ (২ তকৈ কম হ'লে) কম্পন বিলাক মানুহৰ বোধগম্য নহয়। পৃথিৱীৰ খোলাটো ১০ খন প্লেটেৰে গঠিত। এই প্লেটবোৰক Crustal plate বোলে। প্লেটবোৰৰ নাম—

1. Pacific, 2. Antartic, 3. Indian, 4. African, 5. South American,6. Nazcan,7. North Ameri can, 8. Eurasian, 9. Locos, 10. Astralian.পৃথিৱীৰ অভ্যন্তৰ ৰসযুক্ত আৰু উত্তপ্ত

E Current of molten rock rise up through the mantle like boiling water in a saucepen . There forms Convec-

tion moving away or towards each other (Oxford school Atlas) অৰ্থাৎ এই প্লেটবোৰে লৰচৰ কৰি থাকে বা স্পন্দনশীল। এই প্লেটবোৰে পৃথিৱীৰ খোলাটো সৃষ্টি কৰিছে। এইবোৰ ৩০ কিঃ মিঃৰ পৰা ১০০ কিঃ মিঃ পৰ্যন্ত ডাঠ এই প্লেটবোৰ পৃথিৱীৰ গৰ্ভৰ গলিত ধাতুৰ স্তৰৰ ওপৰত উপঙি থকা বুলি ক'ব পাৰি গলিত ধাতুস্তৰ অংশক দুটা ভাগত ভগাব পাৰি। প্ৰথম স্তৰটোৰ নাম Mantle। ইয়াৰ গভীৰতা ২৯০০° কিঃমিঃ আৰু উষ্ণতা গৰ্ভৰ ফালে ২৯০০°C আৰু খোলাটোৰ ফালে ৫০০° C ৰ পৰা ৯০০° C। গলিত লো আৰু নিকেলৰে গঠিত দ্বিতীয়টো স্তৰৰ নাম Outer core এয়া ২৯০০ ৰ পৰা ৫১০০ কিঃ মিঃ গভীৰতাত। এই স্তৰৰ উষ্ণতা ৪৪০০°C। তৃতীয়টো স্তৰৰ নাম innercore ৫১০০ ৰ পৰা ৬৩৭০ কিঃ মিঃ গভীৰতাত। ভূগৰ্ভৰ কেন্দ্ৰ কঠিন লোৰে গঠিত। এই স্তৰটো ঘূৰ্ণিমান অৱস্থাত থাকে আৰু পৃথিৱীৰ চুম্বকীয় ক্ষেত্ৰৰ কাৰক (The inner core is rotating and is the cause of earth magnetic field) পৃথিৱীৰ শৰীৰটোৰ এই অংশক অস্থি বুলি ধাৰণা কৰিব পাৰি।

পৃথিৱীত অৱস্থিতি সৌৰজগতত। সৌৰ জগতৰ অৱস্থিতি ক'ত? সৌৰজগতৰ অৱস্থিতি কোনোবা এক ব্ৰহ্মাণ্ডত। নাম ঘোষাত লিখিছে— 'অনন্ত কৌটি ব্ৰহ্মাণ্ডৰ হৰি অধিকাৰী'। অৰ্থাৎ ব্ৰহ্মাণ্ড কিমান আছে তাৰ লেখ আমি পোৱা নাই। ভাগৱতত লিখিছে— 'কোটি কোটি ব্ৰহ্মা যাৰ পদে কৰে সেৱ।'

অৰ্থাৎ ব্ৰহ্মাণ্ড এজন নহয়। কিমান ব্ৰহ্মা আছে তাৰো লেখ পোৱা নাই। আমি যদি একোখন ব্ৰহ্মাণ্ডৰ একোজন ব্ৰহ্মা বুলি ধৰি লওঁ তেনেহ'লে ব্ৰহ্মাণ্ডৰ বিষয়ে কিছু স্পষ্ট ধাৰাণা লব লৈ চেষ্টা কৰিব লাগিব। ব্ৰহ্মাণ্ডৰ সঠিক পৰিসৰ তথা বিৱৰণ শাস্ত্ৰ স্পষ্টকৈ পোৱা নাই। বৈজ্ঞানিক বিৱৰণ তথা জ্যোতিবিজ্ঞানীৰ তথ্য অনুসৰি সূৰ্যৰ দৰে প্ৰায় তিনি কোটি নক্ষত্ৰৰে আমি থকা তাৰকা ৰাজ্যখন গঠিত । ইয়াত সূৰ্যই আটাইতকৈ সৰু আকাৰৰ নক্ষত্ৰ । নিশাৰ আকাশত আমি যিবোৰ তৰা দেখিবলৈ পাওঁ, ধ্ৰুৱতৰা , সপ্তৰ্ষি মণ্ডল, কাল পুৰুষ, ৰাশিচক্ৰ আদিবোৰকে লৈ আমাৰ তাৰকাৰ ৰাজ্যৰ বিশাল পৰিয়াল। ডিম্বাকৃতি থাল এখনৰ দৰে আমাৰ তাৰকাৰাজ্যখনৰ কেন্দ্ৰৰ পৰা দীঘলীয়া তাৰকা বাহুৰ দুই তৃতীয়াংশ দূৰত্বত আমাৰ সৌৰজগত অৱস্থিত । It is located in the orion arm of the milky way Galaxy , around two third way from the central bulge কেন্দ্ৰৰ পৰা ইয়াৰ দূৰত্ব ২৭ হাজাৰ পোহ্মৰ বছৰ। সৌৰ জগতে তাৰকা ৰাজ্যৰ বাকী পৰিয়ালৰ সৈতে ২২০ মিলিয়ন বছৰত ইয়াৰ কেন্দ্ৰক এবাৰ প্ৰদক্ষিণ কৰে। ইয়াৰ উপৰিও তাৰকাৰাজ্যসমূহে নিৰ্দিষ্ট দিশ আৰু গতিত অবিৰৰভাৱে পৰিভ্ৰমণ কৰে। আমাৰ নিকটৱৰ্তী তাৰকা ৰাজ্যখনৰ নাম এন্দ্ৰোমিডা। এনে তাৰকা ৰাজ্য কিমান আছে তাৰ লেখ পোৱা নাই। এনে তাৰকা ৰাজ্য এখনকৈ যদি ব্ৰহ্মাণ্ড বোলে তেনেহ'লে আমাৰ ব্ৰহ্মাজন এই ব্ৰহ্মাণ্ডৰে অধিকাৰী হ'ব পাৰে।

পৃথিৱীৰ গতিপৃথিৱীয়ে নিজ কক্ষ পথেৰে গড়ে এক লাখ কিলোমিটাৰতকৈয়ো অধিক বেগেৰে ৩৬৫ দিনত সূৰ্য্যক এপাক প্ৰদক্ষিণ কৰে। অৰ্থাৎ আমি পৃথিৱীৰ পিঠিত বা বুকুত বহি মহাশূণ্যৰ কিমান ঠাই ভ্ৰমিছো তাৰ এটা আনুমানিক লেখ দাঙি ধৰিব পাৰো। এক লাখ কিঃ মিঃ X২৪X৩৬৫X বৰ্তমান নিজৰ বয়স + তাৰকাৰাজ্যত সৌৰজগতে প্ৰদক্ষিণ কৰা দূৰত্ব (?) + তাৰকাৰাজ্যই নিজে পৰিভ্ৰমণ কৰা দুৰত্ব ? = মহাশূণ্যৰত নিজে পৰিভ্ৰমণ কৰা দূৰত্ব। কাৰণ আমাৰ তাৰকাৰাজ্যখমৰ



পৰিভ্ৰমনৰ বাবে সৌৰজগতৰ লগতে আমি প্ৰতি বছৰে মহাশূণ্যৰ নতুন ঠাইলৈ পৰিভ্ৰমণ কৰাৰ সুযোগ পাইছো। পৃথিৱীৰ লগতে ইয়াৰ বায়ুমণ্ডল আৰু আমি দেখা পোৱা নীল আকাশখনো গতি কৰাৰ বাবে ঘিটমিটিয়া এন্ধাৰ দৰে ক'লা মহাকাশ বা মহাশূন্য যাক ভেদ কৰি পৃথিৱীয়ে অহৰ্নিশে গতি কৰি আছে সেই ক'লা ক'লা মহাকাশ আমাৰ, সৃষ্টি গোচৰ নহয়।

সূৰ্য্যৰ পৰা পৃথিৱীৰ জন্ম হৈছে বুলি জনা যায়। জন্ম যিদৰে হৈছে নিৰ্দিষ্ট আয়ুসত ইয়াৰ মৃত্যু হ'ব, ধ্বংস হ'ব অথবা সূৰ্য্যত লীন যাব। পৃথিৱীত আয়ুস বয়স আদি বৈজ্ঞানিক সকলে হিচাব কৰি উলিয়াইছে। আদি জীৱ ব্ৰহ্মাৰ আয়ুস সম্পৰ্কেও শাস্ত্ৰত বৰ্ণনা পোৱা যায়।

আমাৰ জীৱ কুলৰ সৈতে মগাজাগতিক পৃথিৱীখনৰ কি সম্পৰ্ক? আমি আগতেই উল্লেখ কৰিছো যে এতিয়ালৈকে কোনো গ্ৰহতেই জীৱ কুলৰ সন্ধেদ পোৱা নাই। জীৱ কুল থকা নথকাৰ ওপৰত গ্ৰহবোৰৰ জীৱনত কোনো প্ৰভাৱ পৰাবো প্ৰমাণ নাই। এসময়ত পৃথিৱীত বুকুত ডাইনচৰ জাতীয় কিছুমান অতিকায় প্ৰাণী আছিল, আজি সেইবোৰৰ বিলুপ্তি ঘটিছে। যুগে যুগে পৃথিৱীৰ বাহ্যিক বাতাবৰণৰ হয়তো কিছু সালসলনি ঘটিছে। যাৰ বাবে প্ৰতিকূলতা আৰু অনুকুলতাৰ ভিত্তিত কিছুমান জীৱৰ জন্ম হৈছে আৰু আন কিছুমানৰ বিলুপ্তি ঘটিছে।

জীৱ কুলে পৃথিৱীত বাস থকাৰ বাবে উদ্ভিদ আৰু প্ৰাণী জগতে পৰস্পৰৰ আদান প্ৰদানেৰে প্ৰাকৃতিক ভাবে পাৰিপাৰ্শ্বিকতাৰ ভাৰসাম্য ৰক্ষা কৰি চলি আছে। কিন্তু প্ৰাণী কুলৰ ভিতৰতে মনুষ্যকুল এই ক্ষেত্ৰত কিছু বতিক্ৰম যদিও আমি ঈশ্বৰৰ শ্ৰেষ্ঠ সৃষ্টি বুলি নিজেই বখানো। গোটেই জীৱ কুলেই পৰজীৱি প্ৰকৃতিৰ । কাৰণ জীৱই সকলো প্ৰয়োজন পৃথিৱীৰ পৰাই আহৰণ কৰে। উদ্ভিদ জগতে কাৰ্বনডাই অক্সাইড আৰু পানীৰ জৰিয়তে সূৰ্য্যৰ পোহৰতে খাদ্য প্ৰস্তুত কৰিব পাৰে। প্ৰাণীকূলৰ সেইখিনি সামৰ্থ্য নাই। অৰ্থাৎ প্ৰাণী কুল পুৰা মাত্ৰাই পৰজীৱী। পৰজীৱী তথা বীজাণুবোৰে আশ্ৰয় লোৱা দেহত চোকা দাঁত বহুৱাই ৰস শোষণ কৰাৰ দৰে আমিও দীঘল দীঘল নলী বহুৱাই পৃথিৱীৰ দেহ ৰস নানা প্ৰকাৰে শোষন কৰি আছো। ব্যতিক্ৰমি মনুষ্য কুলে আনকি পাৰিপাৰ্শ্বিকতা ৰক্ষাৰ বিপৰীতেও নানা কু-কৰ্ম কৰা দেখা যায়। আমাৰ এনেবোৰ কু-কৰ্মৰ বাবে মহাজাগতিক জীৱ পৰিয়ালৰ দৃষ্টিত মনুষ্য কুলে পৃথিৱীৰ দেহত বীজাণু হৈ বিয়পিছে নেকি?

বিহুগীতত নাৰীৰ সৌন্দৰ্য

জুৰি বৰুৱা

শীতৰ শেষত গছে গছে নতুন কুঁহিপাতেৰে ৰাজ্যত এক নতুনত্ব অনাৰ লগে লগে মানুহৰ মনবোৰো আনন্দত উথলি উঠে। ব'হাগীৰ আগমনত, বুকুৰ মাজৰ অনুভুতি বোৰেও প্ৰাণ পাই উঠে।

অসমৰ জাতীয় উৎসৱ বিহুক কেন্দ্ৰ কৰি সৃষ্টি হোৱা বিহুগীত সমূহ অসমীয়া লোক সাহিত্যৰ অমূল্য সম্পদৰূপে বিবেচিত, সমদৃত হৈছে। অসমৰ চহা জীৱনৰ সুখ-দুখ, বিৰহ-বেদা, প্ৰেম-পীৰিতি, সমাজৰ ৰীতি-নীতি, আচাৰ-ব্যৱহাৰ এই গীত সমূহত ছবিৰ দৰে জিলিকি আছে। বিহুগীত বিলাকক এটা সময়ত গৰখীয়া গীত বুলি অশ্লীল নাইবা চহা বুলি ৰক্ষণশীল এদল লোকে আদৰণি জনোৱা নাছিল। কিন্তু এই গৰখীয়া গীত বিলাকেই আছিল গাঁৱলীয়া নিৰক্ষৰ কবিৰ ভাবোচ্ছাসৰ বাহন। এই গীত সমূহ ইমুখৰ পৰা সিমুখলৈ পৰম্পৰাগতভাৱে চলি আহিছিল। এই গীতবোৰৰ ৰচকৰ নাম নাছিল। স্বভাৱ কবিৰ এই বিহুগীতবোৰৰ মাজত নাৰীৰ সৌন্দৰ্য, পুৰুষৰ সৌন্দৰ্য প্ৰকাশক গীতৰ স্তৱকো পৰিলক্ষিত হয়।

মানুহৰ প্ৰকৃতিৰ লগত সম্বন্ধ আছিল গাঢ়। প্ৰকৃতিৰ বস্তু পৰিধান কৰি নাৰীয়ে সৌন্দৰ্য বৰ্দ্ধন কৰিছিল। সেয়ে বিহুগীতত আছে -

গা ধুই উঠিলো দেউতাক সুধিলো
কি ফুল পিন্ধিব পাই
সেউতী নিপিন্ধো মালতী নিপিন্ধো
পিন্ধো মই খৰিকাজাই।

নাৰীয়ে সৌন্দৰ্য বৃদ্ধিৰ কাৰণে খৰিকাৰদৰে গোটা বগা উগ্ৰগোন্ধৰ খৰিকাজাই খোপাত লৈছিল। সেই বুলি গহনা সৌন্দৰ্য বৃদ্ধি কৰাৰ চখ যে নাৰীয়ে পৰিহাৰ কৰিছিল এনে কথাও নাই। যৌৱন কালতহে গহনা লাগে- বয়স ভাটী দিলে গহনাই কি কৰিব -

এৰি ঐ মৰিলে এৰাপাত নেলাগে
আভোকত নেলাগে ভাত,
বয়স ভাটী দিলে গহনা নালাগে
বহনা নেথাকে গাত।

প্ৰেমিক বিহুৱা ডেকাৰ কণ্ঠত এই বিহুৱতী নাৰীৰ ক'ত যে ৰূপে প্ৰতিভাত হৈছে তাৰ যেন সীমা সংখ্যা নাই।

বাঁহৰ আগলৈ চাই পঠিয়ালো
বাঁহৰ কোন ডালি পোন।
তোমাৰ মুখলৈ চাবকে নোৱাৰি
যেন পূৰ্ণিমাৰে জোন।।

মুখৰ হাঁহি নুগুচা, পূৰ্ণিমাৰ জোনৰ দৰে মুখৰ অধিকাৰী এই গাভৰুৰ শৰীৰৰ বিভিন্ন অংগৰ সৌন্দৰ্যৰ উদাহৰণ দেখাৰ। বিভিন্ন অংগৰ লগত প্ৰকৃতিৰ বিভিন্ন বস্তুৰ সৈতে তুলনা অপূৰ্ব। তেনে কেইটিমান মাত্ৰ উদাহৰণেই এই ক্ষেত্ৰত যথেষ্ট -

হাতো পদুমী ভৰিও পদুমী
পদুমী ছোৱালীৰ নাও।
হাতলৈ কি চাবা হালধি বৰণে
চকু দুটি সৰগৰে তৰা।
মুখলৈ কি চাবা দোলাৰে দাপোনে
কঁকালটি বীণৰে নলা।।

মাছৰ চকুৰ যেন বিৰি অৰ্থাৎ মাদলি প্ৰিয়তমে ভাল পাইছিল। সেই বিৰি গলত পিন্ধা নেদেখিলে গাইছিল -

মাছৰ চকু যেন বিৰি গঢ়াই দিলো
এফেৰি নেদেখো গলত।

বৰ্হমথুৰি নাৰীৰ সৌন্দৰ্যবৰ্ধক আহিলা আছিল। এই বৰ্হমথুৰিৰ থুৰিপাত বা চুপহি তামোলৰ লগত বা শুকাই চোবালে ওঠ আৰু জিভা ক'লা পৰে। ওঠ, দাঁত, আৰু জিভা ক'লা কৰা এসময়ত নাৰীৰ ফেশ্বন আছিল। বিহুগীতত বৰ্হমথুৰিৰ কথাও আছে -

ব্ৰহ্মপুত্ৰ কানতে বৰ্হমথুৰি জুপি
আমি খৰি লোৱা ঠাই।

জামুকী বোলোৱা দাঁতৰ কথাও বিহুগীতত আছে।

বিজুলী বাঁহৰ দৰে নাৰীৰ মূৰত লোৱা হেঙুলীয়া বৰণৰ জাপিটোৰ কথা বিহুগীতত এনেদৰে আছে -

নাও হেঙুলীয়া বঠা হেঙুলীয়া
আৰু হেঙুলীয়া ছৈ
চেনাইৰ মূৰৰে জাপি হেঙুলীয়া
বিজুলী বাঁহৰ দৈ

ফুলবছা বিহাখন নহলে অসমীয়া নাৰীয়ে এখোজো নিদিছিল।

আইটি নেযায় ঐ কোৰাগৈ বুজাই
লাগে ফুল বছা ৰিহা।

ওখকৈ বন্ধা খোপাটো আছিল নাৰীৰ সৌন্দৰ্যবৰ্ধক চিন।

গলধনত পেলাই খোপাটি বান্ধিলো
এহাত এমুঠন কৰি।

নেঘেৰী খোপাত কপৌ ফুল এপাহি থাকিলে সোণত সুৰগা চৰাৰ দৰে হয়।

নেঘেৰী খোপাত কপৌফুল এপাহি
সোণত সুৰগা চৰে।

বিহুগীতত বিহুৱাই খামুচীয়া কঁকালৰ নাৰীৰ পাণি গ্ৰহণ কৰিবলৈ হাবিয়াস কৰিছিল -

"বিহুৰে তলীতে তোমাক বাছি ল'লো
কঁকাল খামুচীয়া পাই'।
তোমাৰে চকু যোৰ সৰগৰ তৰা যেন
কিনো খামুচীয়া কঁকাল"।।

নাৰীৰ খামুচীয়া কঁকালৰ সৌন্দৰ্যই বেলেগ। স্বভাৱ কবিৰ সৰল প্ৰাণৰ পৰা নাৰীৰ সৌন্দৰ্য প্ৰকাশক গীতৰ স্তৱক সাৱলীল গতিত নিৰ্গত হৈছিল - এই স্তৱকবোৰৰ ভাষা সৰল, কিন্তু ভাৱ গধুৰ।

এনেকৈ বিহুগীতত নাৰীৰ সৌন্দৰ্য সাৱলীল ৰূপত প্ৰকাশ পায়। বিহুগীতত যৌনতা থাকিলেও প্ৰকাশ ভঙ্গীয়ে সংযম আৰু শালীনতা ৰক্ষা কৰি অনুভৱৰ গাম্ভীৰ্যতা বজাই ৰাখি শ্ৰোতাক বিমল আনন্দ অনুভৱ কৰায়। বিহুগীতবোৰৰ কাব্যিক জেউতি অতুলনীয়, সাৰ্বজনীন।

গল্প শিতান

পোনা-পালিনে নীলাইমতীৰ কিবা খবৰ?

চন্দ্ৰধৰ কলিতা
ওমলা ঘৰ

সাধাৰণতে বন্ধ বাৰৰ বাহিৰে বাকী দিনবোৰত ৰাতিপুৱা চাহকাপৰ লগতে বাতৰি কাকতখনৰ মূল শিৰোনামাকেইটা থূল-মূলকৈ পঢ়াতো মোৰ এটা পুৰণি অভ্যাস। অৱশ্যে সময়-সুবিধা হ'লে ৰাতি বিছনাত পৰি আদিৰ পৰা অন্তলৈ পঢ়ো, কিন্তু যোৱা কালি কিয়বা কাকতখনৰ ভিতৰ পৃষ্ঠাত প্ৰকাশ পোৱা বাতৰি এটাই মোক মূহুৰ্তৰ বাবে বৰ মৰ্মাহত কৰিলে অৰ্থাৎ অন্তৰত গভীৰভাৱে আঘাত হানিলে। দিনটো বাদেই ৰাতিও মই ভালকৈ খাব-শুব নোৱাৰিলো, অতি আবেগিক অন্তৰখনকো কোনোমতে ক্ষান্ত কৰিব নোৱাৰিলো। সেয়ে ৰাতিপুৱাই গাড়ীখন লৈ গাঁৱৰ ঘৰলৈ বুলি ওলালো। হওতে চাকৰি ক্ষেত্ৰখন ঘৰৰ পৰা বেছি দূৰৈতো নহয়, মাত্ৰ পঞ্চাশ কিঃমিঃ বাট। পিছে ইমান কম দূৰত্ব সত্ত্বেও ঘৰত থাকি চাকৰিটো কৰা মোৰ বাবে সম্ভৱ হোৱা নাই কিয়নো কোম্পানীৰ চাকৰি ৰাতিপুৱা নবজাৰ পৰা ৰাতি কেতিয়াবা দহটাও বাজি যায়, তথাপি আহৰিয়ে পোৱা নাযায়। বন্ধবাৰ বুলিও একো এটা নাই। গাঁৱত থকা একমাত্ৰ ভনীজনী আৰু বৃদ্ধ পিতৃ-মাতৃহালৰ সদায়ে এটাই অভিযোগ - জানো পাই কিনো চাকৰিটো কৰিছ, বিহু-তিথি বুলিও ঘৰখনলৈ মনত নেপেলাৱ।

বাতৰিটো প্ৰকাশ পোৱাৰ আগতেই সিদিনা ভনীজনীয়ে ফোনতেই মোক খবৰটো দি কৈছিল - "ককাইদেউ তইতো এইবোৰৰ একো খবৰে নৰখা হলি, আজি তিনিদিনে তাই ভাতটো বাদেই মুখত পানী এটোপাও দিয়া নাই ঈশ্বৰে নকৰক কিবা এটা হ'লে মনো জেঁঠাই-জেঁঠীয়ে দুয়োটাই অত্যন্ত আঘাত পাব, তই সকলো জানি-শুনিও খবৰ এটা নকৰিলে। গতিকে পাৰিলে দুই-এদিনতে পাক এটা মাৰিবিচোন - আই-পিতাও শান্তি পাব। তোৰ আকৌ অফিচটো যিহে! তথাপি কৈছো নহাকৈ নাথাকিবি।" ভনীজনীক ময়ো প্ৰতিশ্ৰুতি দিছিলো - "হ'ব দে তই চিন্তা নকৰিবি সমস্যা যিমানেই নহওক কিয় মই যিকোনো মুহূৰ্ততে ঘৰত ওলামগৈ।" মই ইমান দৃঢ়তাৰে কোৱাৰ পিচতো আজি এয়াহে হ'ল। সেই বাবেই চাগে ভনীয়ে অভিমান কৰি মোক খবৰটো এতিয়াও দিয়া নাই, সিহঁতে হয়তো ভাবিছে মই কথাটোত অলপো গুৰুত্ব দিয়া নাই। আচলতে কথাটো সেয়া নহয়, ভনীজনীয়ে কোৱা প্ৰতিবাৰ কথাই মই গুৰুত্ব সহকাৰে শুনিছো কিন্তু কি কৰিম? প্ৰাইভেট কোম্পানীৰ চাকৰি, মালিক পক্ষৰ বাবে এয়া কোনো ফেক্টৰ নহয়, ক'ত কি ঘটিছে কোন ক'ত মৰিছে সেয়াও সিহঁতে নাজানে যেনেকৈ নহওক তেওঁলোকক মাথো মুনাফা লাগে সেই বাবেই চাগে মইয়ো কব নোৱাৰকৈ এখন যান্ত্ৰিকতা ভৰা পৃথিৱীত বাট বুলিবলৈ আৰম্ভ কৰিছিলো। ভুল-শুদ্ধ উত্তৰ বিচাৰি মোৰ মনটোক অহৰহে ভয়-শংকা দুয়োটাই ভাৰাক্ৰান্ত কৰি ৰাখিছে

ঠিকেই অথচ একো উৰাদিহো নোপোৱা হৈছো। সেইকাৰণে নিজৰ ওপৰতে কেতিয়াবা বৰ ক্ষোভ আহে আক্ষেপ জাগে। ইমান লিখা-পঢ়া কৰি জীৱনটোত কিয়েইবা পালো সকলোতে দেখোন শূন্যতাহে বুটলিছো।

এনে একো আতি-গুৰি নোহোৱা কথা কিছুমান ভাবি ভাবি কেতিয়ানো আহি ঘৰৰ পদুলি পালোহি ক'বই নোৱাৰিলো। মোক দেখিয়েই আয়ে গাড়ীখনৰ গুৰিলৈ আগবাঢ়ি আহি আদৰেৰে ক'লে - "পালিহি পোনা? উত্তৰত ময়ো শলাগি ভনীৰ কথা সোধাত জেঠাহঁতৰ ঘৰতে ইটো-সিটো কৰি আছে বুলি কোৱা শুনি ময়ো ঘৰত এখন্তেকো নৰৈ চিধাই জেঠাইহঁতৰ ঘৰলৈ গৈ দেখিলো - চোতালত কেইজনমান আদহীয়াই মানে ৰতন খুড়া, তপন খুড়াহঁতে ঘটনাটো সম্বন্ধে নিজা নিজা মতামত আগবঢ়াই আছে। দুজন মানে আকৌ দৰ্শক হৈ কথাবোৰ শুনি আছে। অলপ উমান লৈ জানিব পাৰিলো জেঠা-জেঠী দুয়োৰেই বিছনাত। এনেয়ে হাই ব্লাড পেছাৰ তাতে আকৌ চকু-কাণো গৈছে। আগতে কিবা অলপ শুনিছিল যদিও এতিয়া ধাৰাবাহিকভাৱে পাই থকা দুখ বন্যাই সেইখিনিও কাঢ়ি নিলে। জেঠাইহঁতৰ প্ৰতি মোৰ আস্থা-আন্তৰিকতা নোহোৱা নহয়, সকলো আছে, সময় আৰু সুবিধাৰ অভাৱতহে কিচু হীন-দেৰি হৈছে। তথাপি আজি কিয়বা মই নিজকে ক্ষমা কৰিব পৰা নাই, বাৰে বাৰে মনটো মৰ্মাহত হৈছে তাৰ কাৰণ সিদিনাৰ সেই বোৱাৰী পুৱাৰ অকল্পনীয় দৃশ্যটোৰ সৈতে ময়ে প্ৰথমে মুখামুখি হৈছিলো। কি যে শিহৰণকাৰী দৃশ্য আছিল সেইটো! সম্পূৰ্ণ বিবস্ত্ৰ অৱস্থাত নিথৰ হৈ নিতাইপুখুৰীৰ পাৰত পৰি থকা দেহটো দেখি পুহমহীয়া জাৰতো মই জ্বৰঘামে ঘামিছিলো। এফালে মোৰ মনেও মনা নাছিল ইমান সহজ-সৰল, মৰমলগা, দৃঢ়মনা নীলাইমতীৰো কোনোবা শত্ৰু থাকিব পাৰে! সেয়াও ইমান নিষ্ঠুৰ শত্ৰু!! ভাবি পাৰ পোৱা নাছিলো। জঠৰ হৈ দিগ্-বিদিগ্ হেৰুৱাই শেষত গাৰ এড়ি-চাদৰখনেৰে ঢাকি লৈ ঘৰলৈ অনাৰ পিছত নীলাইমতীক লৈ আৰু এটা নতুন বিতৰ্কৰ সৃষ্টি হৈছিল। গাঁওখনটো বাদেই স্বয়ং জেঠা-জেঠীও সমাজৰ ভয়ত তাইক পুনৰ গ্ৰহণ কৰিবলৈ অস্বীকাৰ কৰিছিল। তাকে দেখি জীৱনত চাপৰ এটাও মাৰি নোপোৱা আই-পিতায়ে সিদিনা মোৰ সেই কাৰ্যত অগ্নিশৰ্মা হৈ কৈছিল - পোনা কিহে পাইছিল তোক এনেদৰে বাটৰ কচু গাত ঘঁহিবলৈ? এই বদনামীজনীক আদৰি আনিছিলি নহয়, এতিয়া দেখিলি? সকলোৰে জবাবদিহিও তয়ে হ'ব লাগিব।" তেনেতে মোৰ ভনীজনীসহ আৰু কেইজনীমান গাঁওৰে ছোৱালী আগবাঢ়ি আহি ক'লে- "হ'ব কোনেও নীলাইমতীৰ দায়িত্ব ল'ব নেলাগে। আমাৰ গাঁৱৰ লাজ আমি নিজেই ৰক্ষা কৰিম। আইন আদালত কিম্বা পুলিচ প্ৰশাসনৰো পৰামৰ্শ নলওঁ। তেওঁলোকে কি কৰিব সেয়াও আমাৰ জনা আছে। সুস্থ হোৱাৰ পিচত সুধি-পুছি তাইৰ দ্বাৰাই দোষীক বিচাৰি উপযুক্ত শাস্তি বিহিম। তাৰ বাবে হয়তো অলপ পলম হ'ব, হওক।" ভনীহঁতে লোৱা সিদ্ধান্তৰ দিনাৰে পৰাই নীলাইমতী আমাৰ ঘৰৰ সদস্য হৈ থাকিল। এফালে জেঠা-জেঠীয়েও একমাত্ৰ ছোৱালীজনীৰ এনে অবাঞ্চিত ঘটনাৱলীৰ পিছতো সাহসেৰে তেওঁলোকে নীলাইমতীক আশ্ৰয় দিয়া বাবে মনতে স্বস্তিৰ নিশ্বাস এৰি চিকিৎসাৰ বাবত লগা সকলোখিনি ধনেই জেঠা-জেঠীয়ে বহন কৰিছিল।

কিছুদিন নিৰৱচ্ছিন্ন চিকিৎসাৰ অন্ততঃ তেওঁ শাৰীৰিকভাৱে সুস্থ হ'ল ঠিকেই, কিন্তু মানসিকভাৱে সুস্থ নহ'ল। মানে তাই আধা বলিয়া হ'ল। খোৱা-বোৱা বেলেগেই কথা হ'কে-বিহকে সকলো সময়তে মানুহ দেখিলেই অতি অশ্লীল গালি-গালাজ পাৰি দিন-ৰাতি একাকাৰ কৰি সকলো সময়তে, যেনিয়ে-তেনিয়ে ঘুৰি ফুৰা হ'ল অকল, ইমানেই নহয় কেতিয়াবা আকৌ কৰবাত ডাঙৰ জলাশয় দেখিলেই আতংকত চিঞৰি চিঞৰি ওচৰতে কাঠ-বাঁহ শিল-ইটা যিয়েই নাথাকক কিয় হাতত তুলি লৈ কাৰোবাক মাৰিবলৈ উদ্যত হয়, কেতিয়াবা আকৌ নিতাইপুখুৰীৰ পাৰত থকা জুপুৰি ঘৰটোলৈ সোমাই গৈ মজিয়াখন পাৰ্যমানে ভৰিৰে গুৰিয়াই গুৰিয়াই কিবা এসোপা

ভোৰভৰাই আৰু কেতিয়াবা দুই-তিনিদিনলৈ ক'ৰবাত অন্তৰ্ধান হয়। নীলাইমতীৰ এনে কৰ্মকাণ্ডবোৰ দেখি এটা সময়ত গাঁৱৰ ল'ৰা-বুঢ়া সকলোখিনিয়ে প্ৰাণৰ সংশয় ব্যক্ত কৰি পগলা ফাটেকলৈ প্ৰেৰণৰ ব্যৱস্থা কৰিছিল। কথাবোৰ শুনাৰ পিছত ময়ো চিন্তা নকৰা নহয়, ভাব হ'ল মানুখিনিয়ে সঠিক সিদ্ধান্তই লৈছে। সঁচাকৈয়ে যদি তেওঁ কাৰোবাক মাৰি দিয়ে, তেতিয়াও সকলো দোষ আমাৰ গাটৈই পৰিব। কিন্তু তাতো ভনীহঁতে ৰাইজমেল মাতি যুক্তি দৰ্শাই সকলকে উদ্দেশি ক'লে - "ৰাইজ হয় আমি স্বীকাৰ কৰোঁ সেই অবাঞ্চিত ঘটনাটোৰ পিছত নীলাইমতীয়ে কিছু পৰিমাণে মানসিক ভাৰসাম্য হেৰুৱাইছে, তাৰ লগে লগে তেওঁৰ আচৰণবোৰতো কিছু বিসংগতিয়ে দেখা দিছে, সেই বুলি আজিৰ এই মুহূৰ্তলৈ তাই কোনো ব্যক্তিকে হাত দাঙি মৰা নাই, কাৰণ তেওঁ মাৰিবলগীয়া মানুহজনক হয়তো এতিয়াও বিচাৰিয়ে পোৱা নাই। গতিকে যিদিনাই তেওঁ কাৰোবাক মাৰিব , আমাৰ বিশ্বাস সিদিনাই উৰহি গছৰ ওৰো ওলাব। গতিকে আমি আপোনালোকক কাবৌ কৰিছো তেওঁ যি কৰে সকলো তেওঁৰ মতেই কৰিব দিয়ক। অৱশ্যে আমি আটায়ে নীলাইমতীৰ আচৰণ গতিবিধিৰ প্ৰতি লক্ষ্য ৰাখিব লাগিব। চিন্তা নকৰিব ইয়াতকৈ যদি আৰু বেছি বলিয়ালি কোৱাই তেতিয়া হ'লে আমিয়েই ধৰি বান্ধি ফাটেকলৈ পঠিয়াম। এটা সময়ত ভনীহঁতে দিয়া প্ৰতিশ্ৰুতিও অসাৰ হ'ল কিয়নো দিনক দিনে নীলাইমতীৰ বলিয়ালি বাঢ়িহে গৈছিল বাটে-পথে ল'ৰাৰ জুম দেখিলেই তালৈ দৌৰি গৈ কিছুমান অবাইচ মাত মাতিছিল। ফলত পিছলৈ তাইক দেখিলেই সকলোৱে ভয়ত দূৰৰ পৰাই পলাইছিল, থকা-খোৱাৰো কোনো ঠিকনা নাছিল সেইবাবেই চাগে তাইৰ প্ৰতি থকা মানুহৰ অনুকম্পাও লাহে লাহে কমি আহিছিল। ইয়াৰ মাজতেই আকৌ ভনীয়ে কেতিয়াবা কেতিয়াবা ঘৰৰ বাকী খবৰৰ লগতে নীলাইমতী সম্পৰ্কে আচৰিত কৰি ফোনতেই মোক কিছুমান কথা কৈছিল - "জান ককাইদেউ আজি দুদিনৰ মূৰত ৰাতি পুৱাতে দেখোন নীলাইমতী কৰবাৰ পৰা আহি চিধাই বাঢ়নীতাৰ হাতত লৈ সিহঁতৰ ঘৰ-চোতাল সোপাকে চিকুণাই গোহালীৰ গাই দুজনীও পথাৰত এৰাল দি আহিছে। তাকে দেখি জেঠীয়ে আনন্দত পানীৰ কলহটো উলিয়াই দি ক'লে - "আই অ' গাৰ কাপোৰ-কানিয়ে গোটেইজনী জধলা হৈছ, হু ল পানীৰ কলহটো গাটো ভালকৈ তিয়াই আহ মই তিনিওৰে বাবে চাহ বাকোঁগে যা।" তেতিয়া আকৌ মুখেৰে একো নকৈ ভুৰুংকৈ আঁতৰি যায়। আৰু কি জান? সিদিনা ৰাতিপুৱাতে পিতায়ে বাৰান্দাত বহি কাকতখন পঢ়ি আছিল, তেনেতে কৰপৰা আহি চিধাই পিতাইৰ হাতৰ পৰা কাকতখন কাঢ়ি লৈ প্ৰথম পৃষ্ঠাৰ প্ৰতিটো শিৰোনামা চিঞৰি চিঞৰি পঢ়ি কি হ'ল নাজানো, গোটেই কাকতখন ফালি দূৰলৈ দলিয়াই দিলে। পিচত পিতায়ে খঙেৰে সুধিলে - "হে'ৰ কাকতখনে আকৌ তোৰ কি জগৰ লগালে ছিৰি-ফালি পেলালি যে?" উত্তৰত নীলাইমতীয়ে কলে - "এইবোৰ সকলো অৰ্থহীন কথা মিছাতেই লিখিছে বুলি কৈ তাৰ পৰা কোবাকু বিকৈ আতৰি গ'লগৈ। মুহুৰ্তৰ বাবে পিতায়ে স্তব্ধ হৈ তাই যোৱালৈ চায়ে থাকিল।" ওলোতাই কিবা কোৱাৰ সাহসো নহল।

ইয়াৰ মাজতে এদিন ময়ো হঠাৎ এৰাতিৰ বাবে ঘৰত গৈ নীলাইমতীক আমাৰ ঘৰতেই লগ পাই সুধিলো - কি অ' নীলাই আমাৰ ঘৰত যে এনেকৈ আছ তোৰ নিজৰ ঘৰত নেযাব নো কিয়? জেঠা-জেঠীয়েও ভাল পাব। মৰম কৰিব।" মোৰ প্ৰশ্নত তেওঁ বৰ গহীন হৈ পৰা যেন লাগিল। পৰিস্থিতিটো পাতলাবৰ বাবে তেতিয়া মই আকৌ ক'লো - "বল অকলে যদি যাব বেয়া লাগে মোৰ লগত বল ময়ো আজি তহতৰ ঘৰতে খাই বৈ শুই থাকিম গৈ ব'ল।" মোৰ কথাত তাই যেন জিকাৰ খাই গা-মূৰ জোকাৰি চকুযোৰ ঘোপা কৰি মোৰফালে চাই ৰুদ্ৰ মূৰ্তিৰে ক'লে - "অসভ্য কৰবাৰ মোৰ ঘৰত ৰাতি থাকিব যাব? মায়েৰাক চিনি পোৱা নাই কাটি দুছেৰ কৰিম" কথাষাৰ শুনি মই হতভম্ব হ'লো মূৰটো ঘূৰোৱা যেন লাগিল আৰে এয়া মই কি শুনিছো? নীলাইমতী সঁচাই পগলা হৈছে নে পগলা হোৱাৰ

ভাও ধৰিছে(?) সিদিনা ৰাতি মোৰ খোৱা-শোৱা একোকেই নহ'ল। মেলা চকুৰেই ৰাতিটো পাৰ হ'ল। দুৰ্বল ভাৰাক্ৰান্ত মন এটা লৈ পিছদিনা ৰাতিপুৱা চহৰলৈ অহাৰ সময়ত নীলাইমতীক বিচাৰিছিলো যদিও লগ নাপালো। আমি শোৱা পাটি এৰাৰ আগতেই তাই অন্তৰ্ধান হৈছিল, তথাপি ওলাই অহাৰ বাটত ভনীজনীক মাত লগাই কলো - এই কথাবোৰ সঁচাই কিবা সাঁথৰ সাঁথৰ লাগিছে অ'। মই অলপতে আকৌ আহি এইক চহৰত লৈ যাম আৰু তাৰপৰাই বাহিৰে বাহিৰে নি গুৱাহাটীৰ ভাল ডাক্তৰ এজনক দেখুৱাম। লগত তয়ো ওলাবি।

আচৰিত! সেই যে মই ঘৰৰ পৰা অহাৰ দিনাই নীলাইমতী নোহোৱা হ'ল যি হলেই। কলৈ গ'ল কি বা হ'ল কোনেও একো উমানকে নাপালে এফালে ভনীয়ে যেতিয়াই ফোন কৰে তেতিয়াই কয় - জানো পাই এইজনী আকৌ কত নোহোৱা হ'ল, জেঠা-জেঠীৰ মুখলৈ চাব্বই নোৱাৰা হৈছো অ' শুকাই খীনাই জকাটোহে হৈছে গৈ। এই বয়সত আৰুনো কিমান কঢ়িয়াব বেদনাৰ এই ডাঙিব নোৱাৰা বোজাবোৰ? এতিয়া ঘৰলৈ যিয়েই যায় তাকেই সোধে পালিনে নীলাইমতীৰ কিবা খবৰ? তয়ো চাবিচোন ককাইদেউ তাতেই কৰবাত আছে নেকি ঘূৰি পকি অগত্য নহলে নগৰলৈ গৈ টিভি, ৰেডি'অ চেণ্টাৰতো জনাবি খবৰটো।" উত্তৰত ময়ো চাওঁচোন ক'ত কি কৰিব পাৰো বুলি কৈ ফোনটো কাটি দিলো।

ইতিমধ্যে ছমাহ সময় উকলি গৈছিল। নীলাইমতীৰ কোনো খবৰ নোলাল। তাই হেঁৰাল। কিন্তু ক'ত কেনেকৈ হেৰাল সেয়াও সকলোৰে বাবেই ৰহস্য হৈ থাকিল এনেদৰেই এদিন জেঠা-জেঠী হতৰ বাদে গাঁওখনৰ আনবোৰেও নীলাইমতীৰ কথা প্ৰায় পাহৰিয়ে গৈছিল। অৱশ্যে ময়ো তাৰ ব্যতিক্ৰম নাছিলো। নিজৰ কৰ্মব্যস্ততাৰ মাজতে জীয়াগাভৰু এজনীৰ পিছত অহৰহে এনেদৰে লাগি থকাটোও মোৰ বাবে সম্ভৱ নাছিল। অৱশ্যে সম্ভাব্য স্থান বোৰত মই সদায়ে ন'জৰ ৰাখিছিলো। তাৰ মাজতেই মই আৰক্ষীৰ ওচৰতো নিৰুদ্দেশৰ কথা কৈ আবেদন এখনো দাখিল কৰিছিলো। এনেদৰে আৰু ছমাহ মানে এবছৰ পাৰ হৈছিল। অত্যন্ত আশাবাদী জেঠা-জেঠীয়েও এদিন সময়ৰ ওচৰত হাৰ মানি সকলো ভগৱানৰ ওচৰতে এৰি দিছিল। নীলাইমতীৰ দৰে নিৰ্জু ছোৱালী এজনীক কিয় এই কু-কৰ্ম কৰি বলিয়া সজালে জেঠা-জেঠীয়ে ভাবি পাৰ পোৱা নাছিল। ভনীজনীৰ মুখে খবৰ পাওঁ জেঠা-জেঠীয়ে হেনো আজি-কালি সদায়ে পূজাই কৰি থাকে। তেওঁলোক হালৰে বিশ্বাস আছে নীলাইমতী এদিন ঘৰলৈ ঘূৰি আহিব, মৰণ কালত মৃত সঞ্জীৱনী হব দুয়োৰে মুখত পানী দিব ইত্যাদি বহুতো কল্পনা-জল্পনা। দিনবোৰ গৈ গৈ সময়ৰ সোঁতত বিলীন হৈছিল, লগতে আমাৰ আশাবোৰো।

এনেদৰে আৰু বছৰ চেৰেক পাৰ হ'ল, নীলাইমতীৰ কোনো শুংসুত্ৰই পোৱা নাছিল। পিচে মাজতে এদিন বোৱাৰী পুৱাতেই ভনী জনীৰ ফোনতো পাইহে ভয়ত মই আকৌ এবাৰ কঁপি উঠিলো - " জান ককাইদেউ "আজি তিনিদিন আগতে নিশা দুপৰতে নিতাইপুখুৰী পাৰত থকা জুপুৰি ঘৰটো দাউ দাউকৈ জলি উঠাৰ সময়তে কোনোবা পুৰুষ কণ্ঠৰ মৰণ কাতৰ চিঞৰ গাঁওখনৰ প্ৰায় প্ৰত্যেকজন মানুহেই শুনিছিল। জন মানুহেই শুনিছিল, যদিও বাহিৰত ওলাই আহি ঘটনাৰ উমান লবলৈ কোনেও সাহস কৰা নাছিল। পিছদিনা পুৱা আচৰিত ধৰণে নীলাইমতীক ঘৰৰ সন্মুখতে দেখা গ'ল অন্য এক ৰূপত। হাতত মেছিদা এখনৰ লগতে তাইৰ মলিয়ন কাপোৰত কেঁচা তেজৰ চিটিকণি। জেঠীয়ে একো তৎ ধৰিব নোৱাৰি দেহীমাইক মোৰ ওচৰলৈ পঠাই মাতি পঠিয়ালে। লগে লগে ময়ো দৌৰি গৈ দেখিলো কথাতো ঠিকেই। মৃতমৌন হৈ পদুলি মুখত বহি আকাশ-পাতাল কিবা এসোপা ভাবি বহি আছে। মোক সকলোৱে বাধা দিয়াৰ সত্বেও তাইৰ কাষলৈ গৈ মই লাহে লাহে ইটো-সিটো বহুতো কথাই সুধিলো কিন্তু উত্তৰত তাই হা-

না একোই নকলে। মানে তাই নিৰুত্তৰ। শেষত সুধিলো - বাৰু নীলাই তই এইবোৰ নকলি নাই কবও নালাগে পিছে গোটেই শৰীৰত এই তেজৰ দাগবোৰ ক'ত কেনেকৈ লগালি? এইবাৰ নীলাইমতী বাঘিনী এজনীৰ দৰে গৰজি উঠিল। প্ৰচণ্ড ক্ষোভত মোৰ হাত এখনত ধৰি দেহৰ সমস্ত বলেৰে টানি নি চিধাই নিতাই পুখুৰী পাৰত তেজত ডুব গৈ থকা মৃত দেহ এটা দেখুৱাই বজ্ৰকণ্ঠে কলে - এই লম্পতেই মোৰ সকলো সৰ্বনাশৰ মুল নায়ক আছিল, গতিকে ময়ে তাক নিজ হাতে হত্যা কৰিলো পঢ়ি থকা দিনৰে পাৰই সি মোক মিছা প্ৰেমৰ প্ৰস্তাৱ দি আহিছিল যদিও বাবে বাৰে প্ৰত্যাখান কৰিছিলো কাৰণ মই জানিছিলো গাঁওখন প্ৰায় খিনি ছোৱালীয়ে তাৰ কামনাৰ চিকাৰ হৈছিল। বাপেক ধনী ক্ষমতাশালী হোৱা বাবেই কোনেও মুখ-খুলি একো কব পৰা নাছিল আৰু এনেদৰেই এটা সময়ত সিহঁতবোৰ অন্তঃসত্বা হৈ মাক বাপেকৰ লগতে নিজেও সমাজ চ্যুত্য হোৱাৰ ভয়ত স্বাভাৱিক ভাবেই আত্মহত্যাৰ দৰে চৰম পথ বাছি হৈছিল, গীতা-ৰীতা হ'ত ইয়াৰ জলন্ত উদাহৰণ। অথচ কথাবোৰ বহুতেই জানিছিল যদিও এই লম্পটৰ কোপদৃষ্টিত পৰাৰ ভয়ত উচিত বিচাৰ কৰাৰ বাবে সমাজৰ কোনেও আগবাঢ়ি নাহিল। বৰং মৃত্যুৰ পিছতো চৰম ঘৃণা আৰু খঙত সিহঁতক লেই-লেই চেই-চেই হে কৰিছিল। সিমানৰ পিচতো সি মোৰ আশা বাদ দিয়া নাছিল, সদায়ে সুযোগৰ সন্ধানতে আছিল, সেয়ে সিদিনা তহতৰ ঘৰত ৰাতি থাকিবলৈ যোৱাৰ বাটতে মুখত সোপা দি হাতে ভৰিয়ে বান্ধি সি মোক ওৰেতো ৰাতি যৌনচাৰ কৰাৰ পিছতো ক্ষান্ত নাথাকি ভাৰতীয় গুণ্ডা বাহিনীৰ হাততো মোক এৰি দিছিল।" নীলাইমতীৰ মুখেৰে কথাবোৰ শুনাৰ পিছতে মই স্তব্ধ হৈ পৰিছিলো। মনতে প্ৰশ্ন কৰিলো নীলাইমতী সচাই পাগলা হৈছে নে প্ৰতিশোধ লবৰ বাবে এইবোৰ কৰি আছে নেকি (?)

ইফালে মৃতদেহতো চাবলৈয়ো সেই মূহুৰ্তত মোৰ ভয় লাগিছিল। তথাপি কলো - বাৰু এইবোৰ সকলো বুজিলো কিন্তু প্ৰকৃত চুৰটোহে ধৰিব নোৱাৰিলো বুলি ক'বলৈহে পালো এইবাৰ আকৌ প্ৰচন্দ ক্ষোভত নীলাইমতীয়ে মৃতদেহতো ভৰিৰে বগৰাই দিয়াৰ পিছতহে মই আকৌ এবাৰ চিঞৰি উঠিলো - হুৱা! এয়া দেখোন বীৰেন চাৰৰ একমাত্ৰ পুত্ৰ মৃগেন ককাইদেউ আমি জনাত তেঁওটো

নগৰতে থাকে এম.বি.এ নে অইন কিবা পঢ়ি আছে, তেনে স্থলত কেতিয়া কেনেকৈ ইয়াত এইবোৰ কাৰ্য্য সংঘটিত কৰিছে? ইতিমধ্যে নিতাই পুখুৰী পাৰত জুমে জুমে হেজাৰ লোকৰ সমাগম হৈছে। কোনোবাই আকৌ পুলিচক খবৰো দিছে। বীৰেন দাস চাৰ বাইদেউৰ হিয়া ভগা কান্দোনত আকাশখন কঁপি উঠিছে। গীতা, ৰীতাৰ পিতৃ-মাতৃয়ে বাৰে বাৰে ঈশ্বৰক ধন্যবাদ দিছে। তাতে আকৌ দুজনে যদি মৃগেন ককাইদেউৰ সপক্ষে কৈছে আন চাৰিজনে আকৌ বিপক্ষেও কোৱাৰ লগতে ইজনে সিজনক প্ৰশ্ন কৰিছিল। সেই কথাবোৰৰ পৰাই অনুমান হৈছিল মৃগেন ককাইদেউৰ বদচৰিত্ৰৰ কথা গাঁৱৰ প্ৰায় প্ৰত্যেকেই জানিছিল। অথচ বাস্তৱ দৃষ্টিত তেওঁ আছিল সদায়ে ব্যতিক্ৰম। যেন সাগৰৰ দৰে গহীন গম্ভীৰ। এৰা পৃথিৱীখন সচাকৈয়ে বৰ বিচিত্ৰ। তাতোকৈ বিচিত্ৰ মানুহৰ চৰিত্ৰ। শান্ত শিষ্ট মুখখনৰ আৰত যে এনে এটা পশু লুকাই আছে, দেখিলে তাক কল্পনাই কৰিব নোৱাৰি। কথাবোৰ ভাৰি থাকোতেই দীঘলীয়া চাইৰেণ বজাই এদল পুলিচে আহি নীলাইমতীক কয়দী কঢ়িওৱা গাড়ীত উঠাবলৈ লওতেই হাতত লৈ থকা মেছি দা খনেৰে তাই নিজৰ ওপৰতে উপৰ্যুপৰি আঘাট হানি ঠাইতে ঢলি পৰিল। ৰাইজৰ মাজত আকৌ হুৱা-দুৱা লাগিল কোনোৱাই ক'লে "এম্বুলেঞ্চখন" আৰু কোনোবাই ক'লে - "নহয় নহয় ডাক্তৰ আন" তেনেতে তাই মোক কঁপা কঁপা কণ্ঠেৰে ক'লে - নাই নাই মই কলৈকে নাযাও, আই পিতাইৰ ওচৰত লৈ বল মই সিহঁত হালৰ কোলাতেই মৰিম, ৰাইজক কবি লম্পট মৃগেনক মাৰি মই একো ভুল কৰা নাই।

ৰিলায়েন্স কেপিটেল

হৰপ্ৰিয়া বাৰুকিয়াল বৰগোহাঞি

ঃ বাইদেউ ! ভালে আছে? মই কোন জানেনে?

ঃকোন?

ঃ সেই যে চিটি ফাইনান্সৰ ডেকা। আপুনি যে দহবছৰমান আগতে দুই লাখ টকাৰ এটা লন লৈছিল— মই যে প্ৰতিমাহে পইচা আনিবলৈ গৈছিলোঁ। ৪ হাজাৰ টকা। মবাইল ফোনত ভাঁহি অহা প্ৰতিটো কথাই পাৰ্বতীক একপ্ৰকাৰ নষ্টালজিক কৰি তুলিলে।

এটা সময় আছিল— পাঁচোটা ল'ৰা-ছোৱালী পঢ়ি আছিল কলেজ ইউনিৰ্ভাচিটিত— মেডিকেল, ইঞ্জিনিয়াৰিং, আইন আৰু জেনেৰেল। কাণসমনীয়া ল'ৰা-ছোৱালী কেইটাৰ পঢ়াৰ খৰচৰ বাবদ নিম্ন মধ্যবিত্ত পৰিয়ালটোৰ যথেষ্ট কষ্ট হৈছিল। ফলত— তাই মানে পাৰ্বতীয়ে যি পাৰে য'তে পাৰে লন লৈছিল। ষ্টেট বেংকৰ লন এটা লৈছিল যদিও হঠাৎ মানুহজনৰ অসুখ হোৱাত বহুত টকাৰ দৰকাৰ হ'ল। কোনোবাই তাইক ক'লে চিটি ফাইনান্সত সোনকালে লন এটা পাব। কথামতেই কাম। তাই দুইলাখ টকাৰ লনটো লৈ ল'লে। তাৰ পিছত প্ৰতিমাহে EMI ৰ টকা নিবলৈ ঘৰলৈ আহি থাকিল ডেকা উপাধিৰ ডেকা ল'ৰাজন। নামটো নজনাকৈয়ে ডেকাৰ লগত সৌহাৰ্দ্য গঢ়ি উঠিল।

ঃ মনত পৰিছেনে বাইদেউ?

ঃ ওঁ পৰিছে পৰিছে।

ঃ মই এতিয়া চিটি ফাইনান্সত নাই। সেইটো বন্ধ হৈ গৈছে।

ঃ এতিয়া ক'ত?

এতিয়া মই ৰিলায়েন্স কেপিটেলত। ভাল কম্পেনী। আমাৰ উদ্দেশ্যই হ'ল পাব্লিকক লন দিয়া। আপুনি বাৰু আগৰ ঘৰটোতে আছেনে? সেই যে উলুবাৰীৰ ব্ৰীজৰ ওচৰত।

ঃ নাই নাই মই এতিয়া তাত নাই। মই এতিয়া খানাপাৰাত নিজৰ ঘৰত থাকোঁ।

ঃ অ, হয় নেকি? চিটি ফাইনান্সৰ যিবোৰ ভাল কাষ্টমাৰ আছিল সেইবিলাকক এতিয়া আমাৰ কম্পেনীয়ে লন দি আছে। তেতিয়াৰ বহু কাষ্টমাৰ এতিয়া আমাৰ কম্পেনীৰো কাষ্টমাৰ। আপুনি বাইদেউ ৰিটায়াৰ কৰিলেনে?

ঃ ওঁ তিনিবছৰ মানেই হ'ল।

ঃ অ' এতিয়া তাৰ মানে আপুনি পেন্সনাৰ?

ঃ ওঁ।

ঃ শুনিছোঁ আপুনি বোলে ল'ৰা আৰু ছোৱালীৰ বিয়া একেলগে পাতিছে? তাই আচৰিত হ'ল। তাইৰ ইমান খবৰ ৰাখিছে ডেকাই।

ঃ এৰা একেলগে পাতিছোঁ। একেলগে আজৰি হওঁ বুলি ভাবিছোঁ।

ঃ পইচা পাতিতো বহুত লাগিব— দুখনকৈ বিয়া।

ঃ লাগিব-লাগিব— সিহঁতে খৰচ কৰিব। মই বিয়াৰ কাৰণে খৰচ কৰিব নালাগে।

ঃ তথাপি আপোনাক নিজা ববীয়াকৈতো লাগিব। নহয় জানো?— তাৰ আন্তৰিকতা পূৰ্ণ কথা বতৰাত তাই আচলতে কিছু নৰম হ'ল। হয় তাইকতো নিজাববীয়াকৈ পইচা লাগে। পেন্সনৰ পইচাকেইটাতো টিলিকিতে শেষ হয়। তাইৰ মনটো উৎসাহিত হৈ উঠিল। এৰা পায় যদি লন এটা লব তাই। পেন্সনৰ পৰা কাটি থাকিব।

ঃ বাইদেউ লওক লন এটা। আমাৰ মানে চিটি ফাইনান্সৰ ভাল কাষ্টমাৰখিনিক প্ৰথমে দি লোৱাৰ কথা কৈছে কম্পেনীয়ে। মাহে চাৰি পাঁচ হাজাৰ কৈ দিব। আগতে চিটি ফাইনান্সত আপুনি চাৰি হাজাৰ কৈ দিছিল।

তাইৰ মনটো আশাৰে ভৰি উঠিল।

মাহে চাৰি পাঁচ হাজাৰনো কি? তাই সুধিলে তাক তাই কিমান ল'ন পাব।

ঃ মই আধা ঘন্টাৰ ভিতৰত চাৰৰ লগত হিচাপ পত্ৰ কৰি কৈ আছোঁ। আৰু ঠিক আধা ঘন্টাৰ ভিতৰতে সি হিচাপ পত্ৰ কৰি ক'লে— বাইদেউ আপুনি তিনি লাখ পাব। তিনিবছৰত যদি মাৰে তেন্তে ৭৫০০ কৈ দিব লাগিব মানে EMI ৭৫০০, পাঁচবছৰত ৬৫০০ আৰু ৭ বছৰত মাৰিলে ৪৩০০ কৈ দিব লাগিব। তাই ভাবিলে ৩ বছৰটো কম হয় ৭ বছৰটো বেছি হয়। পাঁচ বছৰেই ভাল। তাই ক'লে পাঁচবছৰ টোৰেই ভাল হ'ব।

ঃ বাইদেউ আপোনাৰ E-mail এড্ৰেছটো দিয়ক, আপোনাল চিঠি এখন আহিব। আপুনি অ'কে কৰাৰ পিছত আপোনালৈ ৩ লাখৰ ড্ৰাফটৰ নমুনা পঠাব কলিকতাৰ পৰা। আপুনি চাব নামটো শুদ্ধকৈ দিয়া আছে নে নাই, নামটো অকণমান ভুল হ'লেও অসুবিধা হ'ব।

আবেলি সময়ত তাই ইন্টাৰনেট কাফে এটালৈ গ'ল আৰু মেল চেক কৰাৰ পিছত দেখিলে হয় তাইৰ নামত এখন চিঠি আহিছে। তাত লিখা আছে— তাইৰ নামত ৩ লাখ টকা মঞ্জুৰ হৈছে। ই এম আইৰ পৰিমাণ দিয়া আছে। শতকৰা ৪ ভাগ চাৰ্ভিছ টেক্স দিব লাগিব। মানে ৩ লাখত বাৰ হাজাৰ টকা।

তাইৰ বেয়া নালাগিল। তদুপৰি কোনো মৰ্টগেজ নাই— গেৰান্টৰো নেলাগিব। ইমান সুবিধাজনক ভাবে ধাৰ এটা ক'ত পাব? ডেকাই পুনৰ সুধিলে।

ঃ বাইদেউ চিঠিখন ভালকৈ পঢ়ি চালে নহয়? চাৰ্ভিছ টেক্সটো জমা দি দিয়ক— লগে লগে ড্ৰাফটখন আহি যাব— ইতিমধ্যে ইচ্যু হৈ গ'ল।

ঃ চাৰ্ভিচ টেক্স আগতেই দিব লাগিব নেকি?

ঃ অঁ লাগিব। সেইটো কম্পেনীৰ নিয়মেই। কলিকতাৰ পৰা ফোন আহিব আপোনালৈ। বাংলা বুজি পায় নহয়? যি সোধে উত্তৰ দিব? অ'ৰব বাৰ হাজাৰ নিদিব বাইদেউ ন হাজাৰ দিলেই হ'ব।

হয় অলপ পিচতে ফোন আহিল তাইলৈ। বাংলাতে সুধিলে তাইক তাইৰ নামটো শুদ্ধকৈ। তাৰ পিছত তাই জমা কৰা চাৰ্ভিছ টেক্স পোৱা বুলি ক'লে। পিছদিনা ১০ বজাতে তাই ড্ৰাফট বেংকত জমা দিব পাৰিব বুলিও ক'লে। চিন্তা কৰিব নেলাগে। ডেকাই তাইক ড্ৰাফট হেণ্ড অভাৰ কৰিব।

তাইৰ বুকুখন ভৰি পৰিল। তাই মনে মনে হিচাব এটা কৰিয়েই পেলালে। তাইৰ সাঁচনৰ পইচা একেবাৰেই নাই। তাই ১ লাখ টকাৰ এন এচচি কিনিব। ডাঙৰ নাতিটোৰ নামত ৫০ হাজাৰ আৰু সৰু নাতিৰ নামত পঞ্চাশ হেজাৰ টকা এন এচ চি কিনি দিব। তাইকনো টকা কেলেই লাগিছে এনেয়ে। সিহঁতেই তাইৰ সকলো। বাকী ২লাখৰ কিছু খৰচ কৰিব। অলপ ধাৰ আছে সেয়া মাৰিব। বিয়াত অলপ খৰচ কৰিব।

পিছদিনা ১০ বজালৈ অধীৰ আগ্ৰহেৰে বাট চালে তাই। নিশা কেবাবাৰো সাৰ পালে। অন্তত ঃ ধাৰটোৰ যোগেদি তাই

নাতি দুটাৰ কাৰণে কিবা এটা দি থৈ যাব পাৰিব। নিজৰ ধাৰখিনিও মাৰি শেষ কৰিব পাৰিব। তাইৰ আৰু কোনো চিন্তা নাথাকিব। কাকো খাতিৰ নকৰাকৈ তাই জীৱনৰ বাকী কেইটা দিন কটাই দিব পাৰিব পেন্সনাৰ টকা কেইটাৰে। অসুখ বিসুখৰ কাৰণে মেডিকেল ইনচিউৰেন্স কৰি থোৱাই আছে।

পুৱা দহবজাৰ লগে লগে কলকতাৰ পৰা এটা ফোন আহিল। মেডাম কালি আবেলি আমাৰ অফিচলৈ এটা ফোন আহিল ই এম আইৰ দুটা কিস্তি দিব লাগিব। এতিয়াই। ডেকালৈ ফোন কৰিলে তাই। এইটো কেনেকুৱা কথা। আগতেতো কোৱা নাছিল এই কথা। ইমান মুৰামুৰি সময়তে দুটাকৈ ই এম আইৰ টকা কেনেকৈ দিব- ১৩হাজাৰ টকা দিব লাগিব। তাই ভাবিলে লনটো কেন্সেল কৰি দিবলৈ কয় নেকি? ইমান পইচা তৎক্ষণাৎ দিব পাৰিলে তাইৰ লন লোৱাৰ অৰ্থ ক'ত?

ডেকাক ক'লে তাই।

ঃ নহ'ব নহয়। আপোনাৰ নামত ড্ৰাফট ওলাল। চাৰ্ভিচ টেক্স জমা হ'ল। তাৰ পাছত কেন্সেল কৰিবলৈ বহুত দিগদাৰ হ'ব। টকাখিনি এনেয়ে যাব। মোৰ হাতত থকা হ'লে মই দি দিলোহেতেন। চাওকচোন বাইদেউ কিবা কৰি মিলাব পাৰে নেকি? ময়ো বিচাৰো। যদি মিলাব পাৰো মই লগে লগে জমা দিম। হঠাৎ অৰ্ডাৰটো আহি গ'লতো।

ঃ বাইদেউ আপুনি ৭০০০ কিবা কৰি মিলাওক মই ছয়হেজাৰ মোৰ ফালৰ পৰা দি দিলো। অলপ পিচতে ফোন আহিল ডেকাৰ।

তাইৰ ডেকাৰ প্ৰতি শ্ৰদ্ধা বাঢ়ি গ'ল। তাইৰ কাৰণে বেচেৰাটোৱে ইমান চিন্তা কৰিছে। কলকতাৰ পৰা ফোন আহিল। আপোনাৰ ছয়হাজাৰ টকা জমা হ'ল। সাত হাজাৰটো দি দিয়ক।

ডেকালৈ ফোন কৰিলে তাই।

ডেকাই ক'লে মই ড্ৰাফট হাতত লৈ আছোঁ। আপুনি টকা জমা দিয়াৰ লগে লগে মই আপোনাক ড্ৰাফট দি আহিম। এঘন্টাৰ ভিতৰত টকা জমা হ'ব। মোৰ ছয় হেজাৰটো লৈ ল'ব পাৰিম লগে লগে।

তাই বান্ধৱী জয়াৰ পৰা পাঁচহেজাৰ ধাৰে ললে। দুহাজাৰ নিজৰ মুঠ সাতহাজাৰ আই চি আই চি আই বেংকত জমা দিলো। শংকৰ প্ৰসাদ নামৰ এজনৰ একাউন্টত অন লাইন যোগে জমা হৈ গ'ল টকা। লগে লগে তাইলৈ কলকতাৰ ফোন আহিল। ঃআপোনাৰ টকা জমা হ'ল। ড্ৰাফট ডেকাৰ পৰা লৈ লওক।

তাই ডেকালৈ ফোন কৰিলে।

ডেকাই ক'লে— ঃ বাইদেউ মোৰ হাততে আছে ড্ৰাফটখন। কিন্তু মই এতিয়া দুঠাইত দুখন ড্ৰাফট জমা দি যাব লাগিব। আপোনাৰ ঘৰ পাঁওতে পাঁচ বাজিব। চিন্তা নকৰিব।

তাইৰ মনটো অলপ বেয়া লাগিল।

ঃ ডেকা! আপুনি ৫বজাত পাবহিতো! চিন্তাত নেপেলাব কিন্তু! মই আগতে এবাৰ ঠগ খাই থৈছোঁ।

ঃ ইস বাইদেউ, আপুনি কি কথা কৈছে? আপোনাৰ লগত ইমান দিন ডিল কৰিলোঁ, এতিয়ানো তেনেকৈ কয়নে? আপুনি থাকে গুৱাহাটীত, মই থাকো গুৱাহাটীত— আমি আমাৰ কথা চিন্তা কৰিবই লাগিব। টেনচন নল'ব। গৈ আছোঁ।

পাঁচ বাজি গ'ল। ছয় বাজি গ'ল। তেনেতে ডেকাৰ ফোন আহিল— বাইদেউ ৬.৩০ ৰ পৰা ৭ বজাৰ ভিতৰত আপোনাৰ ঘৰ পাই আছোঁ চিন্তা নকৰিব।

৭.৩০ বাজিল। ডেকা নাই।

তাই ফোন কৰিলে। ওলাইছোঁ বাইদেউ। এই অফিচৰ পৰা ওলাইছোঁ— আপোনাৰ ৰচিদখন উলিয়াবৰ বাবে চেষ্টা কৰি আছো। চাৰ্ভাৰ ডাউন হৈ আছে। মই পেন ড্ৰাইভত ভৰাই লৈছোঁ। বাটত কৰবাত প্ৰিন্ট আউট উলিয়াই ল'ম। মুঠতে আঠ বাজিব। বাইদেউ মোৰ ফোনটোৰ বেটাৰী চাৰ্জ একেবাৰে নাইকিয়া হৈছে। ফোনটো অৱশ্যে অফ হৈ যাব। চিন্তা নকৰিব। ৮.৩০ৰ ভিতৰত নিশ্চিতভাৱে পাই যাম আপোনাৰ ঘৰ।

তাইৰ উত্তৰলৈ বাট নাচালেই সি ফোনৰ সংযোগ বিচ্ছিন্ন কৰি দিলে। হঠাৎ তাইৰ মনত পৰিল। তাইৰ কম্পিউটাৰতে দেখোন সি প্ৰিন্ট আউট উলিয়াই ল'ব পাৰিব। তাকে ক'বলৈ বুলি সি তালৈ ফোন লগালে। নাই তাৰ ফোনৰ চুইচ অফ। তাইৰ লাহে লাহে কঁপনি উঠিবলৈ ধৰিলে। ৮.৩০ বাজিল, ন বাজিল দহ, এঘাৰ, বাৰ বাজিল নাই ডেকাৰ দেখাদেখি নাই, ফোনো নাই। তাইৰ বুকু ভুকুৱাই চিঞৰি চিঞৰি কান্দিবৰ মন গ'ল।

নিশা ইকাটি সিকাটি কৰিয়েই কটালে। ডেকাৰ ফোনলৈ বাৰে বাৰে ডায়েল কৰিলে নাই চুইচ অফ ঃ ফোনৰ চাৰ্জ শেষ হৈ যোৱাৰ পিছত আমিতো দৌৰাদৌৰিকৈ চাৰ্জত দি দিওঁ। এওঁ গোটেই ৰাতিটো ফোন চাৰ্জ কৰিবৰ সময় নাপালেনে। তাই ভাবিলে। পুৱাও চুইছ অফ। তাই দহ বজাত কলকতালৈ ফোন লগালে। মানুহজনে ক'লে আমি ড্ৰাফট পঠাই দিছোঁ— এতিয়া আমাৰ দায়িত্বত নাই। সকলো দায়িত্ব ডেকাৰ। আপুনি ডেকাক কনটেক্ট কৰক পাই যাব।

তাই পুনৰ ডেকালৈ ফোন লগালে। এঘন্টা আধাঘন্টাৰ মূৰে মূৰে তাই আজি এসপ্তাহ ফোন লগায়েই আছে।

নাই কোনো সহাঁৰি নাই। ডেকাৰ ফোন নট ৰিচেবল। তাইৰ আৰু বুজিবলৈ বাকী নাথাকিল। তাইৰ ষোল্ল হাজাৰ টকা চিধা চিধি পানীত পৰিল। নিজৰ ওপৰতে প্ৰচণ্ড খং উঠিল। মূৰটো যেন পকাত খুন্দিয়াই দিব তাই। কিয় এনে হ'ল। তাইক কি সন্মোহিনী বান মাৰিছিল নেকি মানুহটোৱে? ইমান চিন্তা চৰ্চা কৰা, প্ৰতিটো কথাকে যুক্তিৰে বিবেচনা কৰা মানুহজনীক কেনেকৈ ব্লেকমেইল কৰিব পাৰিলে? আৰু বা কিমানক এনেকৈ ঠগাইছে এই মানুহবিলাকে, নতুন নতুন ফাইনান্স কম্পেনী নামধাৰী এই সংস্থাবোৰে।

এসপ্তাহৰ প্ৰতীক্ষাৰ অন্ততো যেতিয়া তাই ডেকাৰ শুং সূত্ৰ নাপালে তাই পুলিচৰ কাষ চপাই উচিত বুলি ভাবিলে। কিন্তু পুলিচেও উচিত বিচাৰ দিব পাৰিবনে? প্ৰায় পোন্ধৰ বছৰ আগতে তাইক দুটা ফোন নাম্বাৰৰ পৰা সদায় নিশা ফোন কৰি হাৰাশাস্তি কৰিছিল। লগে লগে পুলিচত দিয়া হ'ল যদিও পুলিচে কোনোদিনেই সেই কেইটা কাৰ নম্বৰ উলিয়াই দিব নোৱাৰিলে। তথাপি চেষ্টা এটাতো কৰি চাব লাগিব। আচলতে তাই বুজি পাই গ'ল এই কাৰবাৰবোৰৰ লগত এটা বিৰাট ডাঙৰ চক্ৰ জড়িত হৈ আছে— যাক ধৰিবৰ বাবে জালখন ডাঙৰকৈ তৰিব লাগিব। তাইৰ দৰে সামান্য মানুহএজনীয়ে সেইখিনি কৰাটো সম্ভৱ নহ'ব। কিন্তু চেষ্টাৰ অসাধ্য একো নাই। তাই চেষ্টা কৰিবই। বাতৰি কাকতত লিখিব। মানুহক সজাগ কৰিব। সেইখিনিতো তাই কৰিব পাৰিব।

তাই কেইদিনমান বাট চালে— কিজানি ডেকাই ফোন কৰেই। তাই কেইবাটাও এচ এম এচ কৰিলে ডেকালৈ। নাই কোনো সঁহাৰি নাই। হঠাৎ এদিন এটা ফোন আহিল।

ঃ আপুনি পাৰ্বতী বৰুৱা?

ঃ হয়।

ঃ মই ৰিলায়েন্স কেপিটেলৰ পৰা কৈছোঁ বিদ্যুৎ গোঁহায়ে। আপুনি বাৰু ৰিলায়েন্স কেপিটেলৰ পৰা এটা লন বিচাৰিছিল নেকি?

ঃ মই বিচৰা নাই, কিন্তু মোক ৰিলায়েন্সৰ মানুহে নিজেই দিব বিচাৰিছিল। তিনি লাখ টকা দিম বুলিছিল।

ঃ অ' সেইটো ২.৭৫ লাখ গ্ৰান্ট হৈছে। আপুনি সোনকালেই মানে দুই এদিনতে পাই যাব। দুই এটা ফৰমেলিটিজ আছে, সেইখিনি সমাধান কৰাৰ পিছত হৈ যাব? আপুনি বাৰু চেক লব নে আপোনাৰ একাউন্টত জমা কৰি দিব লাগিব।

ঃ নাই নাই মোক চেক নালাগে। একাউন্টত জমা কৰি দিব লাগিব। আপোনালৈ কলিকতাৰ পৰা অভিজিতৰ ফোন আহিব। আপুনি ৰিচিভ কৰিব। তেওঁ ফৰ্মেলিটিজ খিনি কব আৰু সেইখিনি পূৰণ কৰাৰ পিচত আপোনাৰ একাউন্টত টকা

জমা হৈ যাব। RTGS কৰিলে সময় আঠচল্লিশ ঘন্টা লাগিব। চেক দিলে সময় বেছি লাগিব।

তাই ডেকাৰ লগত হোৱা সমস্ত কাহিনী ক'লে বিদ্যুতক। বিদ্যুতে গুৰুত্ব সহকাৰে শুনিলে যদিও সেই বিষয়ে বিশেষ একো নক'লে। মাত্ৰ ক'লে মই মোৰ ফালৰ পৰা যিখিনি কৰিব লগা সেয়া সকলো কৰি দিছোঁ। আপুনি মাত্ৰ অভিজিতৰ লগত কথা পাতি চেকখন লৈ লওক। তাৰ ফোনৰ সংযোগ বিচ্ছিন্ন হোৱাৰ লগে লগে অভিজিতে ফোনত ক'লে তাইৰ চেক পাত এটা স্কেন কৰি ই মেইলত পঠাই দিয়ক তেওঁ দিয়া এড্ৰেছলৈ। পান কাৰ্ডৰ জেৰক্স কপি এটাও পঠাই দিয়ক — মেইলত। কাম শেষ। তাই সেইমতে পঠাই দিলে। মনে মনে ভাবিলে— চাও চোন কি হয়।

আবেলি পাঁচবজাত ফোন আহিল অভিজিতৰ?

ঃ আপোনাৰ সকলো পাইছোঁ। আপুনি এইচ ডি এফ চি বেংকত ৪হাজাৰ টকা জমা দিয়ক। এইটো ছাৰ্ভিচ টেক্স।

তাই একো নক'লে। এইচ ডি এফ চি বেংকৰ মেনেজাৰৰ লগত তাইৰ খুবেই ভাল সম্পৰ্ক। গতিকে তেওঁ লৈ ফোন কৰি তাই খবৰ ল'লে। ৰিলায়েন্স কেপিটেলৰ লগত তেওঁ লোকৰ বেংকৰ টাই আপ আছে নেকি। তেওঁ পোন চাটেই নাই বুলি ক'লে আৰু কিয় সুধিলে তাইৰ পৰা জানিব বিচাৰিলে। তাই ক'লে সকলো। তেওঁ তাইক আগ নাবাঢ়িবলে পৰামৰ্শ দিলে।

তাই লগে লগে বিদ্যুত গোঁহাইলৈ ফোন কৰি এইচ ডি এফচি বেংকৰ লগত কথা পতা বুলি ক'লে আৰু ইমান কাৰচাজি কৰিব নেলাগে বুলিও ধমক দিলে। বিদ্যুত গোঁহাইৰ আক তৰ্জন-গৰ্জন মই কেতিয়া পইচা বিচাৰিলো, মই কেতিয়া এইচ ডি এফ চিৰ লগত টাই আপ আছে বুলি কলো? ইত্যাদি ইত্যাদি।

তাই একো নকলে— এবাৰ মাত্ৰ ক'লে— আপুনি নিজে পইচা বিচৰা নাই কি হ'ল? আপোনাৰ নিজৰ মানুহ অভিজিতেতো বিচাৰিছে। মোক লন চন নালাগে।

তাই ফোনৰ সংযোগ বিচ্ছিন্ন কৰিলে। বিদ্যুত গোহাঁয়ে বহুবাৰ ফোন কৰিছিল তাই নধৰিলে।

ইতিমধ্যে এসপ্তাহৰ আগাপিচাকৈ ঘৰৰ বিয়া দুখন সমুখত। ল'ৰালৈ বোৱাৰী আনিলে। ছোৱালীক জোঁৱাইলৈ উলিয়াই এতিয়া তাই নিচিন্ত। সৰু ল'ৰাটোৰ বিয়াখন পাতিব লাগিব। কেতিয়া পাতিব পাৰে সেয়া তাই নাজানে। সি চাকৰিত সোমাইছে। অৱশ্যে চাকৰিটোহ সৰু। ভাল চান্স পালে বোলে সি বাহিৰলৈ গুচি যাব।

তাই একো কোৱা নাই। এতিয়া বিয়া পতা ল'ৰাটো সদায় ঘৰতেই থাকিব। ওচৰৰ কলেজ এখনৰ সহকাৰী অধ্যাপক। এই বছৰ সহযোগী অধ্যাপকলৈ উন্নীত হ'ব। গতিকে বাকীবোৰ বাহিৰে বাহিৰে থাকিলেও তাইৰ অসুবিধা নহয়।

বিয়াখন পাৰ হৈ যোৱা এসপ্তাহ হৈছেহে মাত্ৰ। ল'ৰা বোৱাৰী আঠমঙলা খাবলৈ গৈছে। তাই বাৰাণ্ডাতে বহি বাতৰি কাগজখনত চকু ফুৰাই থাকোতেই হঠাৎ ফোনটো বাজি উঠিল। অচিনাকি নম্বৰ।

ধৰো নধৰোকৈ তাই ফোনটো ধৰিলে। হিন্দীতে কোনোবা এজনে কৈছে কলকতাৰ পৰা। তাইৰ বোলে তিনি লাখ টকাই গ্ৰান্ট হৈছে। ষ্টেট বেংকৰ একাউন্টত টকাটো জমা হ'ব এঘন্টাৰ পিছতে। মাত্ৰ তাই ষ্টেট বেংকৰ কোনোবা এটা শাখাৰ যোগেদি কলকাতাৰ এটা শাখাৰ উত্তম দাস নামৰ এজন মানুহলৈ তিনি হাজাৰ টকাৰ চেক এখন জমা কৰি দিলেই হ'ল। অন লাইনতো পঠাব পাৰে।

তাইৰ মূৰটো গৰম হৈ উঠিল। অসমীয়া, বাংলা, ইংৰাজী, হিন্দী চাৰিওটা ভাষাক মিহলি কৰি তাই মানুহজনক গালি দিলে। ঠগ, প্ৰবঞ্চক, দগাবাজ আদি কিমান যে শব্দ তেওঁলৈ ফমুৰ্টি মাৰিলে তাই তাৰ হিচাপ নাৰাখিলে । এটা সময়ত তাই ভাগৰি পৰিল। আচৰিত মানুহজনে এটা শব্দও উচ্চাৰণ নকৰি কথাবোৰ শুনি থাকিল।

তাইৰ মূৰটো পাতল পাতল লাগিল। বুকুৰ পৰা গধুৰ বোজা এটা সৰি পৰা যেনো লাগিল। তাই এতিয়া মুক্ত ৰিলায়েন্স কেপিটেলৰ পৰা। উস!

ঈশ্বৰ দৰ্শন (গল্প)

ৰেৱতী মোহন হাজৰিকা

খ্ৰীষ্টপূৰ্ব চতুৰ্থ শতিকাৰ শেহৰ দশকৰ এটা অসাধাৰণ ঘটনা। সেই সময়ত ভাৰতৰ মগধ ৰাজ্যৰ ৰজা আছিল চন্দ্ৰগুপ্ত মৌৰ্য্য। তেওঁৰ মহামন্ত্ৰী আছিল চাণক্য। চাণক্যক তিনিটা নামেৰে পৰিচিত আছিল। তেওঁৰ প্ৰকৃত নাম আছিল ব্ৰহ্মগুপ্ত। কিন্তু তেওঁ চাণক্য নামেৰেহে বিশেষভাৱে পৰিচিত আছিল। তেওঁ আন এটা নাম আছিল কৌটিল্য। চাণক্য আছিল সেই যুগৰ ভাৰতৰ বিখ্যাত তথ্যশীলা বিশ্ববিদ্যালয়ৰ ৰাজনীতি বিজ্ঞানৰ মুৰব্বী অধ্যাপক। চন্দ্ৰগুপ্ত মৌৰ্য্যও তক্ষশীলা বিশ্ববিদ্যালয়ৰে ৰাজনীতি বিজ্ঞানৰ ছাত্ৰ আছিল। সেই কালৰ পৰা চাণক্য আছিল চন্দ্ৰগুপ্তৰ শিক্ষাগুৰু।



চাকৰিৰ পৰা অৱসৰৰ পাছতে চাণক্যই বাস্তৱ ৰাজনীতিত মনোনিৱেশ কৰে। চাণক্যই ভালদৰে উপলব্ধি কৰিছিল যে— ৰাজনীতি হৈছে সকলো নীতিৰ উৰ্ধত। ৰাজনীতিৰ সম্যক জ্ঞান লাভ কৰিব হ'লে অন্য বিষয়ৰ— বিশেষকৈ অৰ্থনীতি, সমাজ বিজ্ঞান, ধৰ্মীয় নীতি-নিৰ্দেশনা, পৰম্পৰা আদিৰ বিষয়ে জনাটো দৰকাৰ। সেইবাবে তেওঁ এই সকলোবোৰ বিষয়তে পৰ্য্যমানে জ্ঞান আহৰণ কৰিছিল। চাণক্যই কুটিল ৰাজনীতিৰে মগধ ৰাজ্যত নন্দ বংশৰ অৱসান ঘটাই চন্দ্ৰগুপ্তক ৰাজপাটত বহুৱাই মৌৰ্য্য ৰাজত্বৰ পাতনি মেলিছিল। ভাৰতৰ ৰাজনীতিত এটা নতুন বিপ্লৱ আনিবৰ বাবে তেওঁ দুখন গ্ৰন্থ অৰ্থশাস্ত্ৰ আৰু চাণক্যনীতি ৰচনা কৰিছিল।

চন্দ্ৰগুপ্তৰ ৰাজত্ব কাললৈকে ৰাজ্য প্ৰশাসনৰ সকলো দিশ ঘাইকৈ নিয়ন্ত্ৰণ কৰিছিল দেশত প্ৰচলিত ধৰ্মশাস্ত্ৰ সমূহে। ফলস্বৰূপে প্ৰশাসন ব্যৱস্থাই গতিশীলতা হেৰুৱাই পেলাইছিল। বহুক্ষেত্ৰত স্থবিৰতা আহিছিল। মহামন্ত্ৰী চাণক্যই প্ৰশাসন ব্যৱস্থাত পৰিৱৰ্তন আনি ৰাজতন্ত্ৰৰ ভেটি সুদৃঢ় কৰি আৰ্থিক, সামাজিক, ঐতিহ্য আৰু সাংস্কৃতিক দিশত জনসাধাৰণক আগুৱাই নিয়াৰ প্ৰয়াস কৰিছিল। তাৰ বাবে তেওঁ অৰ্থশাস্ত্ৰ আৰু বহুবোৰ উপদেশ প্ৰশাসন ব্যৱস্থাৰ ওপৰত প্ৰয়োগ কৰিছিল। ফলস্বৰূপে জনসাধাৰণৰ মাজত এটা আলোড়নৰ সৃষ্টি হৈছিল।

চাণক্যনীতিৰ বিশেষকৈ ৰক্ষণশীল পুৰোহিত শ্ৰেণীটো অসন্তুষ্ট হৈছিল। চাণক্য নিজেও ব্ৰাহ্মণ আছিল কিন্তু ৰক্ষণশীল নাছিল। ৰক্ষণশীল ব্ৰাহ্মণসকলে ৰাজ্যশাসনৰ সকলো কাম-কাজ ধৰ্মশাস্ত্ৰৰ জৰিয়তে পৰিচালিত হোৱাটো বিচাৰিছিল। প্ৰশাসনৰ ক্ষেত্ৰত অৰ্থশাস্ত্ৰ আৰু নীতিশাস্ত্ৰৰ প্ৰয়োগ নিষিদ্ধ কৰিবৰ বাবে তেওঁলোকে একগোট হৈ ৰজাৰ ওচৰত আবেদনো জনালে। তেওঁলোকৰ আবেদনৰ মূল ভাষ্য আছিল মহামন্ত্ৰী চাণক্যৰ অৰ্থশাস্ত্ৰ আৰু নীতি শাস্ত্ৰই ৰাজ্যৰ জনসাধাৰণৰ মাজত বিভ্ৰান্তিৰ সৃষ্টি কৰিছে। ধৰ্ম-পৰম্পৰাত আঘাত সানিছে আৰু বিশেষকৈ ঈশ্বৰ প্ৰেৰিত ধৰ্মশাস্ত্ৰসমূহক অবমাননা কৰিছে। ব্ৰাহ্মণসকলৰ গোচৰ নিষ্পত্তিৰ বাবে ৰজাই ৰাজদৰবাৰত মহামন্ত্ৰী, চাণক্য আৰু গোচৰীয়া ব্ৰাহ্মণ সকলৰ এক তৰ্কযুদ্ধ আয়োজন কৰিলে। তাৰ বাবে দিন-বাৰ ঠিক কৰাৰ পাছত গোচৰীয়া ব্ৰাহ্মণসকল সময়মতে আহি ৰাজদৰবাৰত উপস্থিত হ'লহি। তেওঁলোকক নেতৃত্ব দিছিল মুনি উদয়াদিত্যই। মুনি উদয়াদিত্য আছিল এজন সৰ্বশাস্ত্ৰ বিশাৰদ নৈষ্ঠিক ব্ৰাহ্মণ। ৰীতি অনুসৰি মূল অনুষ্ঠান আৰম্ভ কৰাৰ আগতে নৃত্য-পটীয়সী আৰুন্ধতীয়ে নৃত্য-গীতেৰে সকলোকে মোহিত কৰিলে। ইয়াৰ পাছতে আৰম্ভ হ'ল মহামন্ত্ৰী চাণক্য আৰু ব্ৰাহ্মণসকলৰ মাজত বাক-বিতণ্ডা, যুক্তি তৰ্কৰ যুঁজ। ৰজা চন্দ্ৰগুপ্তই ব্ৰাহ্মণসকলক তেওঁলোকৰ অভিযোগ উত্থাপন কৰিবৰ বাবে আদেশ দিলে।

ব্ৰাহ্মণসকলৰ হৈ মুনি উদয়াদিত্যই হাতযোৰকৈ ৰজা আৰু ৰাজদৰবাৰত উপস্থিত থকা সকলোকে নমস্কাৰ কৰি কবলৈ আৰম্ভ কৰিলে,—'মহাৰাজ, মহামন্ত্ৰী চাণক্যই অৰ্থশাস্ত্ৰ আৰু নীতিশাস্ত্ৰ ৰচনা কৰি ঈশ্বৰ প্ৰেৰিত ধৰ্ম শাস্ত্ৰক অৱমাননা কৰিছে। ধৰ্মীয় ধ্যান-ধাৰণাৰ পৰা মানুহৰ মনক আতৰাই নি সমাজত বিভেদ আৰু বিশৃংখলতা সৃষ্টি কৰিব বিচাৰিছে। প্ৰশাসন ব্যৱস্থাত ইয়াৰ প্ৰয়োগ ধৰ্মৰ ভিত্তিত গঢ়ি উঠা ৰাজনীতি আৰু পৰম্পৰাগত বিধি ব্যৱস্থাত আঘাত হানিছে। মহামন্ত্ৰী চাণক্যই ইয়াৰ প্ৰত্যুত্তৰ দিব লাগে।' মহামন্ত্ৰী চাণক্যই থিয় হৈ প্ৰশ্ন কৰিলে—'হয়, অৰ্থশাস্ত্ৰ আৰু নীতিশাস্ত্ৰ মই ৰচনা কৰিছো, ধৰ্মশাস্ত্ৰ কোনে ৰচনা কৰিলে বা কাৰ সৃষ্টি। একমুহূৰ্ত চিন্তা কৰি মুনি উদয়াদিত্যই ক'লে —'ধৰ্মশাস্ত্ৰ কোনো ব্যক্তিৰ সৃষ্টি নহয়। ধৰ্মশাস্ত্ৰ সৃষ্টি কৰিছে স্বয়ং ঈশ্বৰে।' মহামন্ত্ৰী চাণক্যই পুনৰ প্ৰশ্ন কৰিলে—'হয় বাৰু, ধৰি ল'লো ধৰ্মশাস্ত্ৰ সৃষ্টি কৰিলে স্বয়ং ঈশ্বৰে। ধৰ্মশাস্ত্ৰ সৃষ্টি কৰা ঈশ্বৰক কোনে সৃষ্টি কৰিলে?' ঈশ্বৰক কোনে সৃষ্টি কৰিলে এই প্ৰশ্ন মুনি উদয়াদিত্যক কোনেও সোধা নাছিল। সেইবাবে এই প্ৰশ্নৰ উত্তৰ দিবলৈ গৈ তেওঁ অপল বিমোৰত পৰিলে। তথাপি ক্ষন্তেক চিন্তা কৰি ক'লে—'ঈশ্বৰক কোনেও সৃষ্টি কৰা নাই। ঈশ্বৰ অনাদি। মহামন্ত্ৰী চাণক্যই পুনৰ ক'লে—'ধৰি ল'লো ঈশ্বৰ অনাদি। আপুনি সেই অনাদি ঈশ্বৰক কেতিয়াবা দেখিছেনে?' চকুমুদি এখন্তেক চিন্তা কৰি মুনি উদয়াদিত্যই উত্তৰ দিলে—'দেখিছো'। মহামন্ত্ৰী চাণক্য পুনৰ প্ৰশ্ন কৰিলে—'আপুনি আমাৰ সকলোকে আপুনি দেখা ঈশ্বৰৰ দেখুৱাব পাৰিবনে?'

'হয়, পাৰিম।'

'দেখুৱাওক তেতিয়া হ'লে।'

মুনি উদয়াদিত্যই সকলোতে হাতযোৰ কৰি প্ৰণাম জনাই সুললিত কণ্ঠৰে এটা প্ৰাৰ্থনা আবৃত্তি কৰিলে। প্ৰাৰ্থনা শুনি সকলো মোহিত হ'ল। তাৰ পাছতে আৰম্ভ হ'ল ঈশ্বৰ দৰ্শনৰ কাম। চকুমুদি হাতযোৰ কৰি মুনি উদয়াদিত্যই অলপপৰ মুখৰ ভিতৰতে কিবা আওৰালে। ঈশ্বৰ দৰ্শনৰ আশাত সকলোৱে মুনি উদয়াদিত্যলৈ চাই ৰ'ল। অলপ পাছতে ৰজা চন্দ্ৰগুপ্ত আৰু পৰিষদবৰ্গই মুনি উদয়াদিত্যৰ মুখত এটা পাতল পোহৰ দেখা পালে। চাই থাকোতেই সেই পোহৰ ঘনীভূত হৈ ৰাজদৰবাৰ অতিক্ৰম কৰি চকুৰে মনিব পৰালৈকে সকলো অঞ্চল আৱৰি পেলালে। ঘৰ-দুৱাৰ, গছ-গছনি সকলোবোৰ সেই পোহৰত বিলীন হৈ গ'ল। মহাশূন্যৰ মাজত সকলোৱে কেৱল এজন জ্যোৰ্তিময় পুৰুষ দেখা পালে। চকুৰ পচাৰতে সেই জ্যোতিৰ্ময় পুৰুষে বিৰাট আকাৰ ধাৰণ কৰিলে। ভয় আৰু বিস্ময়ত সকলোকে চকু মুদ খালে, আত্মজ্ঞান হেৰুৱাই পেলালে। কিছুপৰ অৰ্দ্ধমৃত অৱস্থাত থকাৰ পাছত পুনৰ সম্বিত ঘূৰাই পাই দেখে

যে মুনি উদয়াদিত্যই হাত যোৰ কৰি তপ-মগ্ন হৈ আছে। মহামন্ত্ৰী চাণক্যই ৰজা আৰু ৰাজদৰবাৰলৈ অবাক দৃষ্টিৰে চাই আছে। ৰচা চন্দ্ৰগুপ্তই ভাবিলে তেওঁৰ মতিভ্ৰম হৈছেনেকি? বাকী মন্ত্ৰীবৰ্গই কি দেখিলে তেওঁ জানিব বিচাৰিলে। মন্ত্ৰীবৰ্গই দিয়া বিৱৰণিৰ পৰা তেওঁ জানিলে যে তেওঁ যি দেখিছিলে সিয়ে সত্য। মহামন্ত্ৰী চাণক্য অবাক দৃষ্টিৰে মন্ত্ৰীমণ্ডলীৰ ফালে চাই আছিল।

ৰজা চন্দ্ৰগুপ্তই চাণক্যক সুধিলে—'মহামন্ত্ৰী আপোনাৰ ¿ò(ûþ ঈশ্বৰ দৰ্শন হ'ল?'

নাই হোৱা, চাণক্যই সহজভাৱে উত্তৰ দিলে।

তেন্তে ইমানপৰে আপুনিনো কি দেখিলে।

চাণক্যই ক'লে—'অতপৰে মই দেখিলো মুনি উদয়াদিত্যই হাতযোৰ কৰি চকু মুদি অস্পষ্টস্বৰে কিবা মন্ত্ৰ আওৰাই আছে আৰু আপোনাকে আদি কৰি বাকী সকলে একান্তচিত্তে মুনি উদয়াদিত্যৰ ফালে চাই আছে। আৰু কিছুপৰৰ পাছতে আপোনালোক সংজ্ঞাহীন হৈ পৰি ৰোৱা যেন লাগিল।' চাণক্যৰ কথাত ৰজা চন্দ্ৰগুপ্ত পতিয়ন নগ'ল। বাকী মন্ত্ৰীবৰ্গৰ অনুমোদন মৰ্মে মুনি উদয়াদিত্যক জয়ী হোৱা বুলি ঘোষণা কৰিলে। ৰজা চন্দ্ৰগুপ্তই নিজে আহি মুনি উদয়াদিত্যক বিজয় মুকুট পিন্ধাই দিলেই। মহামন্ত্ৰী চাণক্যৰ কথাত ৰজা বিতুষ্ট হ'ল। ৰজাই ভাবিলে— চাণক্যই আত্মপক্ষ সমৰ্থনৰ বাবে কূট নীতিৰ আশ্ৰয় লৈছে। তথাপি আকৌ এবাৰ চাণক্যক সুধিলে— 'মহামন্ত্ৰী, আপোনাক আকৌ এবাৰ সুধিছো, আপুনি সঁচাই কওঁকচোন আমি সকলোৱে দেখাৰ দৰে আপুনি ঈশ্বৰক দেখা নাই।'

'নাই দেখা, চাণক্যই স্পষ্টভাৱে উত্তৰ দিলে। ৰজাই আকৌ এবাৰ অলপ কঠিনস্বৰে ক'লে—'মহামন্ত্ৰী, ৰাজ দৰবাৰত ৰজাৰ আগত মিছা কথা কোৱাটো কিমান ডাঙৰ অপৰাধ আপুনি ¿ò (û জানে?'

জানো, কিন্তু মই সঁচা কথা কৈছো। পৰিস্থিতি বেগেলফালে ঢাল খোৱা যেন দেখি অতপৰে মনে মনে বহি থাকি সকলো কথা নিৰীক্ষণ কৰি থকা নৰ্তকী অৰুন্ধতীৰ মনে আৰু সহ্য কৰিব নোৱাৰিলে। নিজ আসনৰ পৰা উঠি অহি ৰজাক সন্মুখত থিয় হৈ হাতযোৰ কৰি সবিনয়ে ৰজাৰ ওচৰত প্ৰাৰ্থনা জনালে, 'মহামান্য মহাৰাজ, অনুগ্ৰহ কৰি মোক এবাৰ কথা ক'বৰ বাবে অনুমতি দিনবে?' ৰজাই অনুমতি দিলে। অৰুন্ধতীয়ে যথাসম্ভৱ নম্ৰতা আৰু দৃঢ়তাৰে ক'লে— মহাৰাজ, মহামন্ত্ৰী মহোদয়ে সঁচা কথা কৈছে। তেখেতে যি দেখিছে ময়ো সেয়াহে দেখিছো। আপোনাসৱে দেখাৰ দৰে অলৌকিক কাণ্ড দেখা নাই।'

এইবাৰ ৰজাৰ খং উঠিল। খঙেৰেই ক'লে— 'নৰ্তকী তই আৰু মহামন্ত্ৰীয়ে যে সঁচা কৈছ তাৰ কিবা প্ৰমাণ আছে?'

অৰুন্ধতীয়ে দৃঢ়তাৰে উত্তৰ দিলে—'হয় মহাৰাজ, তাৰ প্ৰমাণ আছে। তাৰ উপযুক্ত আৰু গ্ৰহণযোগ্য সাক্ষী আছে।'

কোন তোৰ উপযুক্ত আৰু গ্ৰহণযোগ্য সাক্ষী, ৰজাই সুধিলে।

সেই উপযুক্ত আৰু গ্ৰহণযোগ্য সাক্ষী হ'ল মহামান্য মুনি উদয়াদিত্য। লগে লগেই অৰুন্ধতীয়ে মুনি উদয়াদিত্যক সুধিলে—'মহামান্য মুনি মহোদয়, আপুনি বুকুত হাত থৈ ঈশ্বৰৰ নামত শপতখাই কব পাৰিবনে আপুনি স্বচক্ষে ঈশ্বৰক দেখিছে?'

'নাই দেখা, মই কোনোদিন স্বচক্ষে ঈশ্বৰক দেখা নাই। আন কাৰোবাক দেখুৱাবও পৰা নাই।' কথাষাৰ শুনি ৰজাকে ধৰি সকলোৱে অবাক হৈ মুনি উদয়াদিত্য আৰু নৰ্তকী অৰুন্ধতীৰ ফালে চালে। মুনি উদয়াদিত্যই নিজৰ মূৰত বিজয় মুকুট খুলি নৰ্তকী অৰুন্ধতীৰ মূৰত পিন্ধাই দি নমস্কাৰ জনালে। অৰুন্ধতীয়ে মুকুট খুলি পুনৰ মুনি উদয়াদিত্যৰ মূৰত পিন্ধাই দি মুনি উদয়াদিত্যৰ ভৰিত সেৱা কৰি নম্ৰ সুৰেৰে ক'লে—'মহামান্য মুনিবৰ, আপুনি মহান।' ইমানপৰে থৰ লাগি ৰজা চন্দ্ৰগুপ্তই মনতে ভাবিলে— অৰুন্ধতী কেৱল এজন সুন্দৰী, বিখ্যাত নৃত্য-গীত শিল্পীয়ে নহয়। অৰুন্ধতী বহিঃসংস্কৃতি আৰু অন্তঃসংস্কৃতিৰ সুসমন্বয়ৰে জ্ঞানদীপ্তা এগৰাকী নাৰীও।

চেনেহৰ এসুঁতি

অৰুণিমা কাকতি



বহু ভাবি গুনি নিলকান্ত বৰুৱা এটা সঠিক সিদ্ধান্তত উপনীত হ'ল যে তৃতীয় পুত্ৰ ৰঘুমনীলৈ কোনোবা জনাশুনা পৰিয়ালৰ ভাল ছোৱালী এজনী বিয়া কৰাই আনিব। বিশ্বাসযোগ্য দুই এক ব্যক্তিকো উদ্দেশ্যটোৰ বিষয়ে কাণ চোৱালে। সমাজৰ এজন নমস্য ব্যক্তি বাবে তেওঁৰ অনুৰোধটো প্ৰত্যেকেই বৰ আগ্ৰহৰে গ্ৰহণ কৰি চেষ্টা অব্যাহত ৰাখিলে। তিনিটি সু-যোগ্য সন্তানৰ পিতৃ নিলকান্ত বৰুৱাৰ ডাঙৰ দুয়োজন ল'ৰা - ইঞ্জিনীয়াৰ দুয়োজনেই সু-প্ৰতিস্থিত, সৰু ল'ৰা ৰঘুমণীয়ে এম্-এচ্-চি পাছ কৰি চাকৰি কৰিবলৈ মন নেমেলি স্বাধীন ভাৱে কিবা এটা কৰি খোৱাৰ ইচ্ছাৰে ব্যবসায়ৰ যোগেদি তেৰোঁ সু-প্ৰতিস্থিত হ'ল।

ডাঙৰ দুয়োজন ল'ৰাই ভালপোৱা লগৰীৰ লগতে বৰুৱাই সংসাৰ খন পাতি দিলে। আধুনিকতাৰ ঢৌৰে চুই যোৱা দুয়োগৰাকী বোৱাৰীয়ে নিজ সংসাৰখনৰ বাহিৰে আনবোজা লোনাটোত সহ্য নহয় আৰু সেইবাবেই দুয়োটা পৰিয়াল নিজ ঘৰখনৰ পৰা আঁতৰি মুকলি মুৰীয়াকৈ থাকে। বৰুৱা বৰুৱানীৰ তাৰ বাবে কোনো আক্ষেপ নাই কাৰণ তেওঁলোকৰ সুখেই তেওঁলোকৰ কাম্য আৰু সেইবাবেই অচিন কাঠৰ ঠোৰাও নলগাবা বাক্যশাৰী ওপৰত গুৰুত্ব আৰোপ কৰিয়েই ভালদৰে চাইচিতি গাঁও-চহৰ মিশ্ৰণত ডাঙৰ হোৱা শিক্ষিত, ৰূপৱতী নয়নতৰা নামৰ যুৱতী গৰাকীক ৰঘুমণীলৈ অতি ধুমধামেৰে বিয়া কৰাই আনিলে। ৰঘুমনীয়েও কোনো আপত্তি নকৰি মাক-দেউতাকৰ সিদ্ধান্তকে মুক্তমনে মানিলৈ নয়নতৰাক নিজ বুকুৰ মাজলৈ আদৰি আনিলে।

সদায় ঢলপুৱাতে উঠাৰ অভ্যাস থকা শাহুৱেক লাৱন্য

বৰুৱাই নয়নতৰাক মৰমেৰে বুজাইছিল কোনবোৰ কাম তাই কৰিব নালাগে কাৰণ বাহিৰৰ কামবোৰ কৰিবলৈ পুৰণী লগুৱা বনমালী আছে। মাথো তেওঁলোকৰ ঘৰখনৰ আটাইকেইটিৰ এটা অভ্যাস সোণকালে উঠি গা-ধুই গোসাঁই সেৱা কৰিহে চাহ খায়। তাৰবাবে নয়নতৰাৰ একো অসুবিধা নহয় কাৰণ নিজাঘৰখনতো তাই তেনেদৰেই ডাঙৰ হৈ আহিছে। প্ৰতিদিন পুৱা তাই চিলনীৰ জিয়েকৰ সাধু হৈ খন্তেকতে সকলোখিনি নিয়াৰিকৈ কৰি তেওঁলোকক আপ্যায়িত কৰা হ'ল। বহু দিনৰ অপেক্ষাৰ অন্তত এটাযেন সু-স্বাদু মিঠাফলে তেওঁলোক তিনিওৰে অন্তৰ তৃপ্ত কৰি তুলিলে। উচ্চ শিক্ষালৈ কোনো অহঙ্কাৰ নকৰা নয়নতৰাই অতি সোনকালে ঘৰখনৰ সকলোটিৰ অন্তৰ জয়কৰি পেলালে।

সৰুপুত্ৰৰ সংসাৰখন সুখেৰে ভৰি পৰাই ঈশ্বৰলৈ দুয়োৱে কৰযোৰে প্ৰাৰ্থনা জনালে। শহুৰ-শাহুৱেকৰ আলপৈচানৰ লগতে ৰঘুমনীৰ বৰ্ত্তমান ভৱিষ্যতৰ সকলো দিশলৈ চকুৰাখি এগৰাকী নিষ্ঠাৱতী বোৱাৰী আৰু পত্নী হিচাপে তাই উজ্বলি উঠিল। তাই গভীৰ ভাৱে উপলব্ধি কৰে শিক্ষা এগচি অক্ষয় বন্তি যি ভৱিষ্যতৰ অন্ধকাৰ আতঁৰাই পোহৰৰ বাট দেখুৱাই গৈ থাকে। শিক্ষাই কাকো অহংকাৰী আৰু কৰ্ত্তব্য বিমুখ হবলৈ নিশিকায়, যদি ইয়াৰ বিপৰীতমুখী হয় তেন্তে ধ্বংস অনিবাৰ্য্য।

সময় আৰু দিনবোৰ পাখি লগা কাঁড়ৰ দৰে গতি কৰি কেতিয়ানো বছৰটো সম্পূৰ্ণ হ'বৰ হ'ল তাই যেন গমেই ধৰিব নোৱাৰিলে। যোৱাটো বহাগতেই তাই বোৱাৰী হৈ এইখন ঘৰলৈ আহিছিল।

নিলকান্ত বৰুৱা আৰু লাবন্য বৰুৱা এতিয়া ঘৰখনৰ দুটি মূল্যৱান পুতলা হৈ পৰিল। তাইৰ নিভাজ মৰমৰ মেৰপেচত তেওঁলোকো নিৰ্ব্বাক হৈ পৰিল। গুৰু গম্ভীৰ, নিৰ্ভীক আৰু দেখিলেই ভয় আৰু ভক্তি ওপজা নিলকান্ত বৰুৱা ঘৰ আৰু সমাজৰ প্ৰতিজন ব্যক্তিৰ অতি শ্ৰদ্ধাৰ পাত্ৰ। সকলোৱেই যেন এই সুন্দৰ ব্যক্তিত্বৰ মানুহজনৰ ওচৰত নিজৰ নিজৰ আউল লগা জীৱনটোৰ কিবা নহয় কিবা এটা সদোত্তৰ উলিয়াব পাৰে। তেওঁৰেই অমায়িক অতিথি পৰায়না পত্নী লাবন্য বৰুৱাও সমাজ তথা আপোন পৰিয়ালৰ মাজতো সমানেই প্ৰিয়পাত্ৰী। আজি যেন সেইহাল দম্পত্তিয়েই নয়ন তৰাৰ মৰমৰ ওচৰত হাৰ মানিলে। ডাঙৰ দুজনী বোৱাৰী আৰু সৰু বোৱাৰীৰ মাজত তেওঁলোকে যেন দেখিবলৈ পালে এখন অভেদ্য প্ৰাচীৰ।

নয়নতৰাই ৰঘুমনীক কৈ আৰামদায়ক চাৰিখন চকী অনোৱালে। দুখন পিছফালৰ বাৰান্দাত আৰু দুখন আগফালৰ বাৰান্দাত থৈ দুয়োকে মৰমৰ তাগিদা দিলে ৰাতিপুৱা চাহ খাই পিছফালৰ বাৰান্দাত বহিব তাৰ পিছত গৈ আগফালৰ বাৰান্দাত বহি দুয়ো গাড়ী মটৰ চাইচাই সুখ-দুখৰ কথা পাতি দিনটো পাৰ কৰিব। কাৰণ দিনযোৱাৰ লগে লগে ভক্তি ভাবেৰে দুয়োকে এতিয়া মুকলিকৈ কথা ক'ব পৰা হ'ল। তাইৰ চেনেহ ভৰা অনুৰোধ অপেক্ষা কৰাৰ কাৰো যেন সাধ্য নাই। কেতিয়াবা গাওঁখনৰ দুই এক সকামত বৰুৱা ওলাই গ'লে ঘূৰি নহালৈ তাই চটফটাই থকা হ'ল। শহুৰেকে তাইক বুজায় শহুৰেক সাৱধানী ব্যক্তি চিন্তাৰ কাৰণ নাই বুলি। বৰুৱানীয়ে কেতিয়াবা তাইক লগতলৈ গাৱঁৰ নামঘৰ অথবা দুই চাৰিঘৰত ফুৰিবলৈ ওলাই গলেও ঘৰখনত অকলশৰে এৰি যোৱা শহুৰেকৰ চিন্তাত তাই সোনকালে উভতি আহিবলৈ

শাহুৰেকক সোঁৱৰাই থাকে। বয়স বঢ়াৰ লগে লগে সকলো মানুহেই নিঃসঙ্গতা অনুভৱ কৰে এই কথা তাই মৰ্মে উপলব্ধি কৰে। নিশাও তাই দুয়োৰে খোৱা-বোৱা শেষ হোৱাৰ পিছত পানী-দুনি যতনাই থৈ আঠুৱা খুচি মেলিদিহে তাই পিছৰ নিজৰ কৰ্মখিনি কৰিবলৈ যায়। ৰঘুমনীয়ে তাৰ বাবে কোনো আপত্তি নকৰে বৰঞ্চ তাৰ বাবে সি উৎসাহিত হয়। তাই তাক বুজায় বয়সে আচোৰা সেই সন্মানীয় ব্যক্তি দুজনৰ আলপৈচান ধৰোতে কেতিয়াবা যদি তাৰ বাবে সময়ৰ নাটনি হয় সি যাতে অসন্তোষ নকৰে। ৰঘুমনীৰ কোনো আক্ষেপ নাই কাৰণ ডাঙৰ দুজনৰ সংসাৰলৈ মাক-দেউতাকে গোপনে অন্তৰত যি দুখৰ বোজা বহন কৰি লৈ আছে তাক সি বুজি পায়।

সময় আৰু দিনবোৰ পাখি লগা কাঁড়ৰ দৰে গতি কৰি কেতিয়ানো বছৰটো সম্পূৰ্ণ হ'বৰ হ'ল তাই যেন গমেই ধৰিব নোৱাৰিলে। যোৱাটো বহাগতেহে তাই বোৱাৰী হৈ এইখন ঘৰলৈ আহিছিল। এজন অমায়িক কৰ্তব্য পৰায়ণ, আৰু তীক্ষ্ণ মেধা সম্পন্ন স্বামী পাই তাই যে কিমান সুখী তাক যেন তাই ভাষাৰে কাকো বুজাব নোৱাৰে। তাতে আকৌ সোণত সুৱাগ চৰা শাহু-শহুৰৰ হাল। দুপৰীয়াৰ অকনমান নিৰিবিলি সময়ত এইবোৰ কথা ভাবি থাকোতেই তাইৰ মনত খেলালে প্ৰতিবছৰে ৰঙালী বিহুটোত এডোখৰ বিহুৱান তাই বয়। এইবাৰো দুজনকৈ সন্মানীয় শাহু-শহুৰ, জেঠাল, নিজ স্বামীজনক নিজহাতে বোৱা একোখনকৈ বিহুৱান দি অসমীয়া পৰম্পৰাটো ৰক্ষা কৰিব পাৰিলে কিমান যে ভাল লাগিব। তাৰ বাবে শাহুৰেকৰ অনুমতি বিচৰাত তেৱেঁ মনখুলি উৎসাহ দিয়াত তাই তৎক্ষনাত ঘৰলৈ খবৰ পঠাই তাঁতৰ সঁজুলি খিনি আনি বিহুৱান বোৱাৰ প্ৰস্তুতি আৰম্ভ কৰিলে।

যথাসময়ত সকলোকে দিব পৰাকৈ এবেগেতীয়া ফুলেৰে তাই বিহুৱান বৈ উলিয়ালে। তাই এজনী অভিজ্ঞতাপুষ্ট বোৱাৰী হলেও তাইৰ ব্যৱহাৰত থকা চালুকিয়া চৰিত্ৰটোৱে সকলোকে আকৰ্ষিত কৰিছিল সেয়ে তাইৰ মৰমৰ অনুৰোধ অপেক্ষা কৰিব নোৱাৰি ডাঙৰ হালো স-পৰিবাৰে আহি নিজ ঘৰত উপস্থিত হ'ল। ল'ৰাই-ছোৱালীয়ে গোটেইঘৰখন উদুলী-মুদুলী হোৱাত বৰুৱা বৰুৱানীৰ আনন্দই যেন কুলাই পাচিয়ে নধৰা হ'ল। মাছে-মঙহে, জায়ে-জলপানে, সাজে-পোচাকে গোটেই ঘৰখন ৰঙালীৰ ৰঙত ডুব গ'ল।

বিহুৰ দিনা পুৱাই সোণকালে গা-পা-ধুই গোসাঁই সেৱা কৰি তাই সকলোকে বিহুৱান যাচিবলৈ সাজু হ'ল। ইতিমধ্যে ঘৰৰ সৰুবৰ সকলোলৈ মাহ হালধি বটি গা ধুবলৈ যা যোগাৰ কৰি দি তাই পাকঘৰত সোমাল। যথাসময়ত গা-পা-ধুই গোঁসাই ঘৰত সেৱা সৎকাৰ কৰি সকলোটি বিহুৰ জলপান খবলৈ বহিল। তাই সকলোটিকে গুৱা পানেৰে বিহুৱান যাচি শুভেচ্ছা যাচিলে। শাহু-শহুৰলৈ গোপনে আনি থোৱা নতুন সাজ পিন্ধাই তাই দুয়োকে আগফালৰ বাৰান্দাত বহিবলৈ দিলে। কথামতেই কাম। কাৰণ তাইৰ নিষ্কলুষ মৰমৰ মাজত তেওঁলোক আজি দুয়োয়েই বন্দী। ওচৰতে বহি তাই খুন্দনাত তামোল খুন্দিলে। তাইৰ মতে বুঢ়া-বুঢ়ীবোৰৰ ওঁঠ দুখন ৰঙা হৈ থাকিলেহে সুন্দৰ লাগে। খুন্দনাৰ পৰা খুন্দা তামোলখিনি উলিয়াই তাই দুয়োকে খাবলৈ দিলে। খুন্দনাটোত আঙুলী কেইটা ভৰাই দি তাই তামোলৰ অৱশিষ্ট ৰঙাখিনি চুচি আনি দুয়োৰে ওঁঠ আৰু কোবাৰী বুলাই দিলে। হঠাৎ ঘটি যোৱা মৰম সনা এই দৃশ্যই ঘৰখনৰ সকলোকে হতবাক কৰি তুলিলে। খন্তেকতে গোটেই ঘৰখনৰ হাঁহিৰ উত্তাল তৰঙ্গত জীপাল হৈ উঠিল। সকলোৱে অনুভৱ কৰিলে যে মৰমেৰে বনৰ হিংস্ৰ জন্তুকো বশ কৰিব পাৰি। অবুজন সকলেও হয়তো বুজি উঠিল জ্যেষ্ঠজনৰ প্ৰতি কেনেকৈ সহানুভূতিশীল হ'ব লাগে।

বন্ধুত্ব

শ্ৰীনিলীমা শইকীয়া দাস

আমি আমাৰ জীৱন কালত বহুতো মানুহ লগ পাওঁ। সকলো মানুহৰ লগত বন্ধুত্ব গঢ়ি নুঠে। কথাটো তেনেই স্বাভাৱিক, কিন্তু তাৰ মাজতো বহুতো কথা সোমাই থাকে। কেনে মানুহৰ লগত প্ৰকৃত বন্ধুত্ব পাতিব পাৰি, সেই কথাটো বাছি উলিওৱাটো বৰ টান কাম। লগ-বন্ধুৰ সংগই আপোনাক ভালৰ ফালে উৰ্দ্ধ মুখী কৰিব পাৰে। কেতিয়াবা বেয়া সংগই বেয়াৰো বেয়া পথত অগ্ৰসৰ কৰাব পাৰে। যিটো কৰিম বুলি হয়তু আপুনি কাহানিও কল্পনা কৰা নাছিল, কিন্তু আজি তেনে কাম কৰিবলৈ আপুনি অলপো কুণ্ঠাবোধ নকৰে। প্ৰকৃত বন্ধুৱে আপোনাৰ অহিত কেতিয়াও চিন্তা কৰিব নোৱাৰে। ভুল পথে গ'লে, সু-পথে ঘুৰাই আনিবলৈ বহু চেষ্টা কৰে। কেতিয়াবা বিপদৰ আগজাননী দিয়ে যে তুমি সাৱধান হবা, ন'হলে কিন্তু পিছত বিপদত পৰিবা। তাকে যদি ভুল ভাবি প্ৰকৃত বন্ধুক শত্ৰু জ্ঞান কৰি লয়, তাৰ সমান অবুজন আৰু মূৰ্খ বন্ধু নাই।

আমাৰ অসমীয়াত এষাৰ কথা আছে "বিনাশ কালে বিপৰীত বুদ্ধি"। যেতিয়া কালে খেদে তেতিয়া ভাল-বেয়া হিতাহিত জ্ঞান হেৰাই যায়। তেনে সময়ত প্ৰকৃত বন্ধুৱে কেতিয়াও বন্ধুক এৰি নিদিয়ে। সুখত যেনেকৈ সুখী ঠিক তেনেকৈ দুখত দুখৰ অংশীদাৰ হবলৈ আগ বাঢ়ি অহা জনেই প্ৰকৃত বন্ধু। এনে বন্ধু জীৱনত লগ পোৱাটো বৰ দুৰ্লভ।

গোটেই জীৱন কালত বহু বন্ধু-বান্ধৱী লগ পোৱা যায়। বাল্য কালৰ লগৰীয়াবিলাক কেতিয়াওঁ পাহৰিব নোৱাৰি। বাল্য বন্ধু কেতিয়াবা যুগমীয়া হোৱা দেখা যায়। দুই তিনি পুৰুষলৈ চলি থাকে, এই সমন্ধবোৰ। দুই বন্ধুৰ ল'ৰা-ছোৱালীয়ে ইজনে সিজনৰ মাক-দেউতাকৰ আমৈ-তাৱৈ বুলি সম্বোধন কৰে। বন্ধুত্বৰ এনাজৰীয়ে বান্ধ খাই জীৱণটো পাৰ কৰিব পৰাটো বৰ সুখৰ কথা। তেজ-মঙহৰ সম্পৰ্ক নোহোৱা দুজন মানুহে সিজনৰ দুখত দুখী আৰু সুখত সুখী হোৱাটো কম কথা নহয়।

কিন্তু তেনে বন্ধুৰ মাজতো ইজনক সিজনে বিশ্বাস ঘাটক কৰা বহু ঘটনা দেখা যায়। বন্ধু যেতিয়া শত্ৰু হয় তাৰ সমান বেয়া নাই। মানুহ সমাজ প্ৰিয় প্ৰাণী। সেয়ে হয়তো মানুহে সমাজ পাতি বাস কৰে। এই সমাজতে আপোনাৰ ওচৰে-পাজৰে বহুতো মানুহ বন্ধু ৰূপে বাস কৰে। আজৰি সময় কটাবলৈ, চিনেমা চাবলৈ বা বনভোজ খাই ফুৰ্টি-তামচা কৰিবলৈ তেওঁলোক আপোনাৰ কাষত সদায় আছে। যেতিয়া আপোনাৰ বিপদ দেখিব, তেতিয়া দূৰতে বিদূৰ। এনে মানুহ আছে বিপদত

টকা-পইছা দি সহায় কৰা কথা তেওঁলোকে ভাবিবই নোৱাৰে। আনকি এষাৰ মাত দি খবৰ লবলৈ সময় নেথাকে।

সেয়ে বন্ধু বাচনি চাই-চিতি লৈহে কৰিব লাগে। কু-সংগই মানুহৰ বিপদ ঘটাব পাৰে। ই নৈতিকতাৰ পতন ঘটায়। বেয়া সংগই অশ্লীল মাত-কথা ধেমালিতে কৈ থাকোতে নিজে গম নোপোৱাকৈয়ে অভ্যাসত পৰিণত হয়।

এনে এটা সময় আহে স্থান কাল-পাত্ৰ একো ভাল-বেয়া বিচাৰ কৰিব পৰা ক্ষমতা নোহোৱা হৈ পৰে। বেয়া বন্ধুয়ে সদায় বেয়াটোকে ভাল বুলি কৈ জীৱনটো উপভোগ কৰিবলৈ শিকায়। এনেদৰে স্বভাৱ-চৰিত্ৰ সকলো সকলো এদিন শেষ হৈ যায়। ইন্দ্ৰিয় সুখ লব বিচাৰিলে অধঃপতন অনিবাৰ্য্য।

বন্ধুত্ব এনে মানুহৰ লগত কৰিব লাগে যাৰ ভাব-চিন্তাৰ লগত নিজৰো কিছু মিল আছে। তেওঁৰ আদৰ্শ নিজৰ বাবে আদৰণীয় হোৱা দৰকাৰ। দুজন মানুহৰ মাজত পাৰস্পৰিক চিন্তা-ভাবনা একে হব পাৰে। ইজনৰ আনজনৰ প্ৰতি আন্তৰিকতা আৰু সহানুভূতিৰ বান্ধোন থাকিলেহে বন্ধুত্ব গঢ়ি উঠে। আন্তৰিকতা অবিহনে বন্ধুত্ব ক্ষণস্থায়ী হয়। এনে ব্যক্তিৰ লগত বন্ধুত্ব গঢ়ি তুলিব লাগে, যিজনে কাম কৰিবলৈ উৎসাহ আৰু অনুপ্ৰেৰণা যোগায়। কৰ্ম উদ্যোগী, স্বাধীনচিতীয়া গুণেৰে সমৃদ্ধ ব্যক্তি বন্ধুৰ যোগ্য। অন্তঃসাৰ শূণ্য মানুহৰ লগত থাকি বা বন্ধু পাতি কোনো লাভ নাই।

ইন্দ্ৰিয় সুখ বিচৰা মানুহৰ সংগ ললে চৰিত্ৰ বিকৃত হয়। সজ কথা আয়ত্ব কৰিবলৈ বেছি সময়ৰ দৰকাৰ হয়। কিন্তু তাৰ বিপৰীতে ঠাট্টা-মস্কৰা শিকিবলৈ বা অশ্লীল কথা শুনিলে মনত ৰাখিবলৈ বৰ সহজ। বেয়া কাম এবাৰ কৰিলে চিৰদিনলৈ সেই কামটো সমাজত বদনাম হৈ ৰৈ যায়।

যিজন ব্যক্তিয়ে সৎকাম কৰিবলৈ উৎসাহ অনুপ্ৰেৰণা দিয়ে, নিকৃষ্ট কাম কৰিবলৈ বাধা প্ৰদান কৰে, সেই জনহে আচল বন্ধু।

আমি বাসকৰা সমাজখনত ভাল আৰু বেয়া দুয়োটা শ্ৰেণীৰ মানুহ থাকে। এই সমাজৰ মানুহৰ লগত উঠা-বহা, চলা-ফুৰা কাৰণে, মানুহৰ আচল চৰিত্ৰ ওলাই পৰে। বহু বন্ধু-বান্ধৱীয়ে ইজনৰ কথা সিজনক লগায় নিজকে ভালৰি বোলাই থাকে। প্ৰকৃততে যি মানুহে আক-তাক কথা লগাই ৰং চাই বা নিজৰ বাসনা পূৰণ কৰে দুজনৰ মাজত কাজিয়া লগাই আনন্দ উপভোগ কৰে, তেওঁ আচলতে সমাজৰ এজন শত্ৰু। এনে শত্ৰু বৰ মাৰাত্মক হয়। নিজৰ স্বাৰ্থ সিদ্ধিৰ কাৰণে যিকোনো কাম কৰিবলৈ কুণ্ঠাবোধ নকৰে। এনে বন্ধু ৰূপী শত্ৰুৰ পৰা সদায় এৰাই চলিবলৈ যৎপৰোনাস্তি চেষ্টা কৰা ভাল।

শৈশৱ আৰু কৈশোৰ কালৰ বন্ধুৰ বান্ধোন বৰ শক্তিশালী আৰু নিস্বাৰ্থ প্ৰেমী হৈ থাকে। তাৰ বিপৰীতে প্ৰাপ্তবয়স্ক এজন বন্ধু সুবিবেচিত আৰু নিৰ্ভীক হোৱা দেখা যায়। কোনোবা দুজন বন্ধুৰ মাজত মনোমালিন্য হলে দুয়োজনেৰে ভুল বুজাবুজিখিনি ভালদৰে বিশ্লেষণ কৰি, সংশোধন কৰি দিব লাগে। সেয়া প্ৰকৃতলোকৰ কৰ্ত্তব্য। বন্ধুৰ লগত সৰু-বৰ নাথাকে। পাৰ্থিৱ বস্তুৰ বা সা-সম্পত্তিৰ তুলনা কৰি বন্ধুত্ব গঢ়ি নুঠে। বন্ধুত্ব গঢ়ি উঠে এনে ব্যক্তিৰ লগত যাৰ সৈতে সকলো কথা সহজভাৱে আলোচনা কৰিব পাৰি। সুখে-দুখে মনৰ ভাৱ বিলাক প্ৰকাশ মাধ্যমেৰে বিনিময় হয়। ঠগ-প্ৰৱঞ্চকৰ সৈতে কেতিয়াও বন্ধুত্ব গঢ়ি তুলিব নেপায়। সত্য আৰু শুদ্ধৰ ওপৰতহে বন্ধুত্ব যুগমীয়া হয়। শেষত এটা কথা আছে "মূৰ্খ বন্ধুতকৈ জ্ঞানী শত্ৰুয়ে ভাল"।

ভাত হ'লনে ?

মঞ্জুলা কাকতি

খং ৰাগক বেছি প্ৰশ্ৰয় নিদিয়া শান্ত স্থিৰ নিশাৰ আজি তমোময় খং উঠিছে। বহুত আবেগিক হৈ আৰু খঙতে তাই কান্দি কান্দি চিঞৰি উঠি কবলৈ ধৰিলে "মই বাৰু কিয় ইমান কষ্ট কৰিছো? গিৰীয়েক নীলৰ এষাৰ কথাই বাৰে বাৰে তাইৰ তালুত দংশিবলৈ ধৰিছে। তাই খং কেতিয়াও কাকো কৰা নাছিল। কাৰণ তাইৰ মৰমৰ আইটাকে সৰুতে কৈছিল - "বেছি খং উঠিলে মাটিলৈ চাবি, মাটিয়ে সকলো শোষণ কৰি লয় খম নামেই চাণ্ডাল।"

কিন্তু নিলাৰ স্তুআজি এইবোৰ ভাবিবলৈ মন যোৱা নাই। ঘৰখনৰ সম্পূৰ্ণ দায়িত্ব। শহুৰ-শহুৰৰ আলপৈচান ল'ৰা-ছোৱালী লগতে মানুহজনৰ সকলো তদাৰকৰ ৰপিছতো তাই আজি কিয় এনেকুৱা এষাৰ কথা শুনিব লগা হল। শিক্ষা-দিক্ষা থকাৰ পিছতো তাই চাকৰি এটা নকৰিলে পৰিয়ালটোৰ কথা ভাবি। বিয়াৰ পিছতে শাহুয়েকে কিন্তু তাইক কৈছিল ।"শিক্ষা থকা ছোৱালী পাৰিলে চাকৰি এটা কৰিবা, নকৰিলে পিছত অশান্তি হব নেকী? মইও ঘৰখনৰ বাবে বহুত ত্যাগ কৰিলো। কিন্তু ঘৰখনৰ পৰা কিমান সদহাৰি পালো মই নাজানিলো। বাকী তোমাৰ ওপৰত।" তাই বাৰু বোৱাৰী হবলৈ কিয় মন গ'ল? স্বামীৰ দৰমহা খিনিকে নিজৰ বুলি ভাবিলে নেকী বাৰকুড়ি ভাৱে তাইক আগুৰি ধৰিলে। ঘৰখনত বন্ধাবঢ়াৰ উপৰিও লাইটৰ হিল, খাজনা দিয়া, পৌৰ দিয়া, বেঙ্কৰ যাৱতীয় কাম-কাজ সমূহ, ল'ৰা-ছোৱালীৰ ফিজ দিয়া, ফিল্টাৰ চাফা কৰা, নলা চাফা কৰা, ঘৰ সজা মিষ্টি চোৱা আদি সকলো কামৰ দায়িত্ব দেখোন তাইয়েই পালন কৰে।

তাৰোপৰি স্বামী দৰমহাৰ পইছাৰে সকলো জোৰা নমৰে বাৰে মানুহৰ কাপোৰ - ককানি চিলাইও পইছা ঘটিবলৈ চেষ্টা কৰে। অথচ মতা মানুহে কয় "মাইকী মানুহৰনো ভাত কেইটা ৰন্ধা বাহিৰে কি কাম।"

এই যে ভাত কেইটা ৰন্ধা বুলি কয়, তাৰ মাজত কিমান কাম থাকে তেনেকৈ কোৱা মানুহে ভাবি চাইনে? ভাত কেইটা মানেটো বগা ভাত কেইটাই নহয়। ভাত কেই টাৰ লগত আনুষঙ্গিক কিমান কাম। এই ধৰক, আজি মাছটো বৰ ভাল মাছৰ "" বনাবা দেই। বছ, এতিয়া নাৰিকলটো গুচাই থোৱা নাই নাৰিকল গুচাওক, উলিয়াই, মাছ ধুই পখালি, ভাজি, আদা, নহৰু, জিৰা বাতি লৈ পিয়াজ কুকিব লাগিব লগতে আকৌ গোন্ধ টো বাল হবলৈ গৰম মছলা অকণমানো খুণ্ডালৈকে কিমান যতন। আকৌ অকলটো সেইবিধৰেই ভাত খাব নোৱাৰিব। অলপ পাতলকৈ এখন দালি লাগিল, লগতত এখন শুকান ভাজিও। সেই খিনি মিলাই বনোৱা অক্ষটো থাকেই, ইমান যতন কৰি যতিদ কেনেবাকৈ ফুটত নুঠে, কিমান যে সমালোচনা। মামীয়ে বনাই খুৱাইছিল - কি খাবা, আৰু কাৰোবাৰ কথাৰে তোমাক মুঠতে শৰ বিন্ধাদি বিন্ধাব।

অফিচৰ দিনত পুৱাই সৰু মাছ লৈ দি গপছত ক'ব, মোক গৰমে গৰমে কেইটামান ভাজি দিবা, তেলত ফুটি থাকিলে খাই ভাল লাগে। মই কিন্তু অলপ সোণকালে মানে ৯.৩০ বজাত ওলাই যাম। এতিয়া ককালত টঙালী বান্ধি মাছ ৰঞ্জক বনাবলৈ বাচি-কুচি লাগি যাওক। কাৰণ ল'ৰা-ছোৱালী দুটাইও এটা খাই যাব পাৰিব। ল'ৰা-ছোৱালীৰ টিফিন যোগাৰৰ কথাও থাকে লৰালৰিকৈ ভাত, দালি, ভাজি বনাই দিয়া গৰম গৰম মাছ কেইটা ভাজি খুৱাব লাগিব।

ভাতৰ আগত ঘৰৰ বাকী সদস্যৰ জা-জলপান চাহৰ কাম খিনিটো থাকেই। কিন্তু কোনেও নেভাবে এই সকলো যোগান ধৰি থকা মানুহ গৰাকীয়ে কিবা খালেনে নাই বা খাবলৈ সময় পাইছেনে। শহুৰে মাজতে কয় তুমি খাই লবা নহলে গেষ্টিকে পাব। তেতিয়া হলে কেনেকৈনো কব কওক - কোন পূৰুষে কোৱাৰ দৰে "নাৰীহে নাৰীৰ শত্রু" বুলি।

আকৌ বন্ধ বাৰৰ খোৱাৰ তালিকা বেলেগ। বজাৰৰ পৰা ৰঙালাউ ফুল আনি দিব বেচন দি বৰ বনাবা। পদিনা পিন্ধিবা দেই, ঢেকীয়া শাককে ভাজিবা। লগতটো বন্ধু বাৰৰ মাছ বা মাংশৰ তালিকা এখন থাকেই, এতিয়া আপুনি কৰে কি? শাক বাচোতে, যানো সময় নেলাগে? ফুল কেইটা বেয়া হৈ যাব, বেছন গুলি বৰ বনাওক, পদুনা খিনি বাছি তেতেলী অকণমান নহৰু জলকীয়া দি বাতক। মিত্রিত ত বাতিলেও আকৌ কব এইবোৰ পতাত বাটিলেহে খাই ভাল লাগে। আপোনাক কিন্তু সাহার্য কৰা মানুহৰ অভাৱ। ভাবি চিন্তি দেহায়ে আটে মানে কৰি যাওক।

নিৰামিষ দিনৰ তালিকা আৰু বেলেগ। দালিৰ বৰ, বেঙেনা পোৰা, সৰু আলু ভজা, মাটি দালি ধুই বনোৱা আদি বিভিন্ন তালিকা। ল'ৰা-ছোৱালীৰ বাবে লগতে "পনীৰ" অকণমানৰো তালিকাত অৰ্ন্তভূক্ত হয়। কেতিয়াবা আকৌ নিমপাত পতাত বাতি বৰ খাব খুজিলে টো আপুনি পতা ঘঁহাই থাকক। -

সৰিয়হ, পষ্ঠ আদি বতা দিয়া টৰকাৰী যেনে - ছজিনা, জাটিলাউ, সৰিয়হ দিয়া জিকা পষ্ঠ, পটল পষ্ঠ আদিৰ অঙ্গটো আৰু বেলেগ হয়। সৰিয়হ পতাত পিছোতেই কিমান কষ্ট সময় লাগে। এই বোৰটো ভাতৰেই একোটা অংশ।

এইবোৰৰ উপৰিও হিচাপ প্ৰত্ৰ দেখোন আৰু বেলেগ। মাংস পৰিমান চাই আদা, নহৰু, পিয়াজ, জিৰা, জালুক, হিচাব কৰি সকলো খিনি ভাগে-ভাগে পিছি মাংস বনাওক। এই এখন টান পেপাৰ। ভাল হবলৈ হলে হিচাপ ঠিক ৰাখিব লাগে।

নিলাই মাজতে ভাবিলে যে মুখস্থ কৰি থাকোতে ভাবিছিলো এইখনহে টান পেপাৰ। এতিয়া দেখোন গাৰ্হস্থ্য জীৱনৰ মিলাব নোৱাৰা কোব আৰু টান। কলোখিনি যতনাই লৈ বনাওঁতে দেৰী হলেও ল'ৰা-ছোৱালীৰ আমনি, ভাত খোৱা সময়ৰ হেৰফেৰ হলেও ডাঙৰ সকলৰ অভিমান কিনেচাৰ। এঘুমতি তেওঁলোকে শুই খাকেগৈ। আকৌ ভাগে ভাগে বাত বাঢ়ি জগোৱাটো এটা কাম। সকলোৱে খালী শোধে "ভাত হ'লনে?" হ'ল যদি ভালেই অলপ দেৰী হ'লেই সকলোৱে এটাই কথা ভাত কেইটা হওঁতে নো ইমান দেৰী হয় কেনেকৈ?

আজি নিলাৰ খং উঠাৰ কাৰণও সেইটোৱেই, গিৰিয়েক যেতিয়া কাল মই ঘটা দৰমহাৰে ভাত কেইটা বনোৱাৰ বাহিৰেনো তোমাৰ কি কাম? তাই চকখাই উঠি ভাবিছে ল'ৰা-ছোৱালীক কি একো নকৰাৰে পঢ়া শুনা কৰিছে বা ডাঙৰ হৈছে। নিলাই আজি বহুত ভাবি চিন্তি মহস্থ কৰিছে যে তাই এখন দোকান লৈ ট্রেইল'ৰিংৰ এখন দোকান খুলিব আৰু নিজৰ আয়েৰে আগ বাঢ়িব বাকী থকা দিন বিলাক। মাজতে নিলাই শুনিছিল যে চৰকাৰৰ পৰাও বাবে এটা আঁচনী লৈ কিবা এটা টকা বোলে দিব। পিছে সেইটোও দেখোন একো নহ'ল। নিলাই সেয়েহে অভিভাৱক সকলোলৈকে এটি অনুৰোধ জনালে ছোৱালী (কণ্যা) সকলক যেন উচ্ছ শিক্ষাৰে তথা যিমান পাৰে শিক্ষিত কৰিবলৈ আৰু ছোৱালী সকললৈও অনুৰোধ জনালোঁ যে তেওঁলোকৰ চাৰ্টিফিকেট সমূহ গাৰুৰ তলত ভৰাই নথৈ উপযুক্তভাৱে ব্যৱহাৰ কৰে । ব্যৱসায়েই হওক বা চাকৰিয়েই হওক কিবা এটা কৰিব লাগে। যাটে সকলো কণ্যা সন্তানৰ ভৱিষ্যত সুৰক্ষিত হয়।

অনুভৱ

সিদ্ধাৰ্থ বৰদলৈ

এই মোবাইল শব্দটোতে মানুহে নিজকে ইমান আপোন কৰি পেলাইছে যে কাৰো ভালকৈ এষাৰ কথা পতাৰ সময় নোহোৱাৰ লগতে ভাৱ বিনিময় কৰা সময়ো নোহোৱা হৈছে। আৰু আটাইতকৈ ডাঙৰ কথা হ'ল আজিৰ উঠি অহা প্ৰজন্মক এটা দিশৰ পৰা এই মোবাইলে বিধ্বস্ত কৰি পেলাইছে।

বাস্তৱ জীৱনৰ কিছুমান ছবিয়ে মন বাৰুকৈয়ে চুই যায়। অলপতে অনুষ্ঠিত হৈ যোৱা ৰাভা হাচং নিৰ্বাচনত দ্বিতীয় পোলিং বিষয়া হিচাপে বিবেচিত হলো। কামৰ বাবে যাবলৈ ৰাওনা হ'লো, ঠাই পৰিল গোৱালপাৰাৰ ভিতৰৰ এখন ঠাই।

তিনিদিন আগতেই সকলোৱে নিজৰ পৰিয়ালবৰ্গ এৰি যাবলৈ সাজু হ'ল এখন ডাঙৰ বাছত ৫ টাকৈ দল উঠাই দিলে।

কোনেও কাকো চিনি নেপায় তথাপি যাত্ৰা আৰু লগৰ কামসমূহ যাতে ভালকৈ আনন্দ মনেৰে সম্পূৰ্ণ কৰিব পাৰি তাৰে মানোভাৱেৰে বিভিন্নজনক নিজে মাতষাৰ দি সহজ হোৱাৰ চেষ্টা কৰিলো। যাতে এক আত্মীয় মনোভাৱ গঢ়ি উঠে।

যাত্ৰী আৰম্ভ হ'ল গোৱালপাৰা অভিমুখে। কিন্তু কি আচৰিত বিষয় গাড়ীত উঠিয়ে সকলোৱে নিজ নিজ মোবাইল উলিয়াই একান্ত মনে ব্যস্ত হৈ পৰিল।

কোনেও কাকো এষাৰ মাত দিবলৈ সময় নাই বা চিনাকি দিবলৈও সময় নাই মাথো চকু শেন চৰাইৰ দৰে মোবাইলৰ ওপৰতে দৃষ্টি। এইদৰে বহুদুৰ যোৱাত মোৰ কাষত বহাজনক নিজে মাত দিলো, আপুনি ব্যস্ত নেকি, কোন ঠাইৰ পৰা আৰু কোন বিভাগৰ পৰা আহিছে আপুনি?

তেওঁ পোনছাটেই মোক উত্তৰ দিলে অলপ ৰ'ব মই

কথা পাতিম মানে ফেচবুকত অলপ লাইক আৰু কমেণ্ট দি আছো।

আচৰিত হৈ গ'লো মই কাৰণ গোৱালপাৰাৰ সেই ঠাই পোৱালে অকল মোৰ কাষৰজনেই নহয়, সকলোৱে অকল মোবাইলটোতে মনটো মনোনিৱেশ কৰিলে। এতিয়া কথা হ'ল আজিৰ আধুনিক যুগত এই মোবাইল নামৰ যন্ত্ৰটোৰ কিছুমান কাৰণ একেবাৰে সহজলভ্য যেনে— সাহস আছে যদি টাইম লাইনত আহি উত্তৰ কিয়ক। ফুৰিবলৈ বুলি এপাক ওলালো দেই, আজি দিনৰ এসাজ জুতিৰে মই আজি এইখন গাড়ী ললো দেই ইত্যাদি ইত্যাদি হয়তো এইবোৰে এই ভাবেই আজিৰ দহ-বাৰ বছৰ আদৰ সহজলভ্য দিনবোৰ বিলুপ্ত কৰি পেলাইছে।

এই মোবাইল শব্দটোত মানুহে নিজকে ইমান আপোন কৰি পেলাইছে যে কাৰো ভালকৈ এষাৰ কথা পতাৰ সময় নোহোৱাৰ লগতে ভাব বিনিময় কৰা সময়ো নোহোৱা হৈছে। আৰু আটাইতকৈ ডাঙৰ কথা হ'ল আজিৰ উঠি অহা প্ৰজন্মক এটা দিশৰ পৰা এই মোবাইলে বিধ্বস্ত কৰি পেলাইছে। কম বয়সতে নিশিকিব লগা সকলো কথা যেনে— যৌনমূলক ভিডিঅ', ফটো। এইবোৰ চাই মানসিকভাৱে ৰুগীয়া হৈ পৰিছে সুস্থ মানসিকতাৰ অভাৱ পৰিলক্ষিত হৈছে।

আমি যেতিয়া স্কুল পৰ্যায়ত আছিলো, তেতিয়া বহু অনুশাসনৰ মাজত ডাঙৰ-দীঘল হৈছিলো। টিভিটো চাবলৈও আমি মা আৰু দেউতাৰ পৰামৰ্শ ল'বলগা হৈছিল। সন্ধ্যা হলেই প্ৰাৰ্থনা কৰা, সময়মতে ঘৰত সোমোৱা ইত্যাদি। কিন্তু আজিৰ প্ৰায়ে অভিভাৱকে এই মোবাইল নামৰ যন্ত্ৰটো লৈ গৌৰৱ কৰা যেনে— ....

জানে মোৰ ল'ৰা বা ছোৱালীজনীয়ে ইফালে মোবাইলত ইউটিউব চাব জানে। চিনেমা লগাই দিব জানে ইত্যাদি।

সকলো বস্তুৰে ভাল আৰু বেয়া দিশ আছে, গতিকে মোৰ অনুভৱৰে মই আজিও অভিভাৱকলৈ অনুৰোধ জনাও যে আমাক আমাৰ মা-দেউতাই যি আদৰ্শ আৰু নীতিত ডাঙৰ-দীঘল কৰিছিল আমি সকলোৱে সেই আদৰ্শ আৰু ৰীতিৰ অনুসৰণ কৰি আমাৰ প্ৰজন্মক আগুৱাই নিয়াৰ চেষ্টা কৰিব লাগে।

নহ'লে সেই দিন যে আমি আমাৰ অতীজৰ শৈশৱৰ সোণালী দিনৰ কথা। কেনেকৈ বৰ্তমান আমাৰ ল'ৰা-ছোৱালীক কও যেনে— চোৰ, পুলিচ খেলিছিলো, ককা-আইতাই বুঢ়ীআইৰ সাধু কৈছিল, মা আৰু দেউতাই ধুনীয়া ধুনীয়া সাধু কিতাপ আনি দিছিল আৰু লগতে ঘৰৰ কাম কৰিবলৈ শিকাইছিল।

আমি আজিৰ অভিভাৱকে যদি অতীতৰ কথা লক্ষ্যৰাখি আজিৰ প্ৰজন্মক ভাষা জ্ঞানৰ মাজেৰে ডাঙৰ কৰাৰ চেষ্টা নকৰো তেন্তে কাইলৈৰ দিনত তাঁহাতৰ। শৈশৱৰ স্মৃতিৰ কথা আহিবলগা প্ৰজন্মক হয়তো ক'ব যে জান সৰুতে আমি কিমান মোবাইল চাইছিলো বৰ আছিলে। চিনেমা, ইউটিউব আৰু বেয়া বেয়া চিনেমা চাব পাইছিলো। গতিকে সময় থাকোতেই আমি এই মোবাইল শব্দটোৰ ব্যৱহাৰ কিমান দূৰলৈ সীমিত হোৱাকৈ উচিত আৰু ... উঠি অহা প্ৰজন্মক আমাৰ আদৰ্শ নীতিৰে কেনেকৈ ডাঙৰ-দীঘল কৰো তাত বেছি মনোনিৱেশ দিব লাগিব।

নহ'লে আমাৰ প্ৰজন্মই কাইলৈ অহা প্ৰজন্মক একো নীতি কথা শিকাব নোৱাৰিব বা তেনেকুৱা কোনো উদাহৰণো দিব নোৱাৰিব।

ইণ্টাৰভিউ

বিপ্লৱ বৰা

খোলোক দাইটি এইবাৰ পঞ্চায়তৰ সভাপতি পদৰ প্ৰাৰ্থী। শিক্ষা-দীক্ষা কম যদিও বাহিৰা জ্ঞান যথেষ্ট আছে। কোনো ৰাজনৈতিক দলৰ লৈতে জড়িত নহয় যদিও ৰাইজৰ দাবীত নিৰ্দলীয় হিচাপে উঠিছে। মনোনয়ন পত্ৰ দিবলৈ যথেষ্ট মানুহ দাইটিৰ লগত অহা দেখা পাই টিভি ৰিপৰ্টাৰ বিলাকে বেড়ি অসমৰ মুখ্যমন্ত্ৰী, ভাৰতৰ ৰাষ্ট্ৰপতি, প্ৰধানমন্ত্ৰী কোন ইত্যাদি ইত্যাদি সুধিবলৈ ধৰাত দাইটি অতীষ্ঠ হৈ ক'বলৈ ধৰিলে হেৰৌ বোপাইহঁত আমাৰ এই জকাইচুকীয়া গাঁওখনৰ উন্নতি তেওঁলোকৰ নাম যদি মনত ৰাখিলে উন্নতি হ'ল হেঁতেন। তেনেহ'লে কথাই নাছিল। সমস্যা আমাৰ গাঁওখনৰ হে, আমি গাঁওখনৰ চুক-কোণ বিলাক মনত ৰাখিলেহে ভাল। বাৰু যিয়েই নহওঁক তোমালোক টিভিৰ ৰিপৰ্টাৰ, গুগল চাৰ্চ নকৰাকৈ কোৱাচোন ভাৰতত কিমান টা নিউজ চেনেল আছে। দাইটিৰ প্ৰশ্ন শুনি ৰিপৰ্টাৰ কেইটা ফৰিং চিটিকা দি যেনি তেনি পলাল। ইয়াকে কয় জোকৰ মুখত চুণ।

মহাপ্ৰতাপী দেশ আমেৰিকা যুক্তৰাষ্ট্ৰত এভুমুকি

তুলন দত্ত মেধি, হাতীগাঁও, ভেটাপাৰা পথ

দুই-এজনৰ বাহিৰে বেছিভাগৰে হয়তো আশা থাকিব পাৰে আমেৰিকা যুক্তৰাষ্ট্ৰত এবাৰ হ'লেও ভৰি দিবলৈ। ময়ো মনতে আশা এটা পুহি ৰাখিছিলো। এবাৰ সুযোগ এটা পাইছিলো, যেতিয়া ২০০৭ চনত মোৰ ল'ৰাই মিচিগানৰ ডেট্ৰইটত M.Tech পঢ়ি আছিল। কিন্তু তেতিয়া মই সুবিধা নাপালো, কাৰণ তেতিয়া মই চাকৰি কৰি আছিলো।

মোৰ মনৰ আশাটো পূৰ্ণ হ'ল যেতিয়া মোৰ ছোৱালী লীম (মধুলীনা) আৰু জোঁৱাই চাকৰি সূত্ৰে দুয়ো আমেৰিকা যুক্তৰাষ্ট্ৰত কেইবছৰমানৰ কাৰণে থাকিবলৈ লৈছিল। ছোৱালীয়ে পেনচিলভেনিয়া ইউনিৰ্ভাৰ্ছিটীৰ ৱাৰ্টন স্কুল (The Wharton School) ত MBA ৰ দুবছৰীয়া পাঠ্যক্ৰমৰ এটা কৰ্ছ কৰিছিল। লগতে ময়ো চাকৰিৰ পৰা অৱসৰ গ্ৰহণ কৰিলো। সেয়ে, মই সুযোগ, সুবিধা আৰু সময় গোটেইকেইটা পালো।

যোৱা ২০১৮ চনৰ ৭ মাৰ্চৰ দিনা কলকাতাত কৰ্মৰত মোৰ ল'ৰাৰ ঘৰৰ পৰা মই আৰু মোৰ স্বামীয়ে কাটাৰ এয়াৰৱেজৰ প্লেনেৰে পুৱতি নিশা ৩ বজাত ৰাওনা হ'লো কাটাৰ দেশৰ ৰাজধানী ড'হালৈ। তাৰ পৰা পোনে পোনে আমেৰিকা যুক্তৰাষ্ট্ৰৰ ব'ষ্টন চহৰলৈ যাত্ৰা কৰিলো, য'ত মোৰ ছোৱালী আৰু জোঁৱাই বাস কৰে। মনত এটা উৎকণ্ঠা-ভয় ইমান দীঘলীয়া যাত্ৰা আমি নিৰাপদে অতিক্ৰম কৰিব পাৰিম নে নোৱাৰিম তাকে ভাবি। পিছদিনা দুপৰীয়া দুইমান বজাত আমি ব'ষ্টন আন্তঃৰাষ্ট্ৰীয় বিমান বন্দৰত ভৰি দিলো। প্ৰায় বিশ ঘণ্টাৰ যাত্ৰাত ভাগৰি পৰিছিলো। আমেৰিকা যুক্তৰাষ্ট্ৰত তেতিয়াও শীত শেষ হোৱা নাছিল। কিনকিনীয়া বৰষুণ পৰি আছিল। চাৰিওফালে বৰফৰ দ'ম। আমাক নিবলৈ বহু আগৰে পৰা জী-জোঁৱাই বৈ আছিল। অৱশেষত সাগৰৰ তলিৰ সুৰংগ পথেৰে প্ৰায় এঘণ্টা যাত্ৰা কৰি ব'ষ্টনৰ কাষৰ নছোৱা (Nashua) নামৰ ঠাইখন পালো। সুন্দৰ, আহল-বহল, পৰিষ্কাৰ ৰাস্তাবোৰ দেখিলেই মন ভাল লাগি যায়। গাড়ীবোৰ এটা নিৰ্দিষ্ট গতিবেগত নিয়ম মানি চলি গৈ থাকে। কোনোৱে কাকো অভাৰটেক কৰিব নোৱাৰে বা নকৰে। অতিকে প্ৰয়োজন নহ'লে গাড়ীবোৰে হৰ্ণ নবজায়। আমাৰ দেশৰ দৰে অনবৰতে হৰ্ণ বজাই মানুহক বিৰক্ত নকৰে। গাড়ীখন কিমান গতিবেগত চলিব লাগে সেয়া ৰাস্তাৰ কাষৰ ছাইনবোৰ্ডত লিখা থাকে। অলপ হেৰফেৰ হ'লেই শাস্তিৰ সন্মুখীন হ'বলগীয়া হয়। প্ৰতি আধা কিমোলিটাৰৰ ব্যৱধানত মূল পথ সংযোগী উপপথ থাকে। হাইৱেৰে গৈ থাকিলে চাহ-কফি খাবলৈ মন গলে Exit লৈ আগুৱাব লাগিব। ইয়াত পথচাৰীক যথেষ্ট নিৰাপত্তা প্ৰদান কৰা হয়। এজন পথচাৰীৰ কাৰণে এবাৰ কেইবাখনো গাড়ী এটা শাৰীত বৈ যোৱা দেখি আচৰিত হ'লো। এনেবোৰ কাৰণতে সেইবোৰ দেশ বা ঠাইত দুৰ্ঘটনা বৰ কম, নাই বুলিয়েই ক'ব পাৰি। কিন্তু গতিবেগৰ অলপ ইফাল-সিফাল হ'লেই সাংঘাতিক দুৰ্ঘটনা হোৱাৰ সম্ভাৱনা থাকে।

আমেৰিকানসকল অত্যন্ত সপ্রতিভ, হাঁহিমুখীয়া, ভদ্ৰ আৰু মানসিকভাৱে প্ৰচণ্ড শক্তিশালী। মানুহবোৰ পৰিশ্ৰমী, নিজৰ কাম নিজে কৰে আৰু সেয়েহে তেওঁলোক বুঢ়া বয়সতো কৰ্মক্ষম হৈ থাকে। তেওঁলোকৰ সফলতাৰ মূল মন্ত্ৰ হৈছে আত্মবিশ্বাস আৰু দেশপ্ৰেম। তেওঁলোকৰ এটা গুণে মোক বৰকৈ আকৰ্ষণ কৰিছিল, সেইটো হ'ল— চিনাকি-অচিনাকি সকলো মানুহকে মুখা-মুখি হ'লেই সম্ভাষণ জনায়। Rhode Island State চিৰিয়াখানালৈ যাওঁতে জন্তুবিলাকক ঘাঁহ দি থকা মানুহজনৰ ফালে মই চাই থাকোতে তেওঁ হাঁহি এটা মাৰি মোক গুডমৰ্ণিং বুলি কোৱাত মই অলপ অপ্ৰস্তুত হৈ পৰিছিলো।

আমেৰিকাত অফিচ-কাছাৰীবিলাক পুৱা ৮.৩০ বজাৰ পৰা মাজত বিৰতি নোহোৱাকৈ বিয়লি ৫.৩০ বজালৈ চলি থাকে। আমাৰ দেশৰ মানুহৰ দৰে আড্ডা মৰা, বাহিৰলৈ চাহ খাবলৈ যোৱাৰ নিয়ম তাত নাই। সপ্তাহত পাঁচদিন কাম কৰিব লাগে। কেতিয়াবা ঘৰৰ পৰা কাম কৰাৰো নিয়ম আছে তাত। বাকী শনিবাৰ আৰু দেওবাৰে তেওঁলোকে ঘৰৰ বাহিৰলৈ গৈ আনন্দ উপভোগ কৰে।

মোৰ ছোৱালী লীমে তাইৰ মৰমৰ পোহনীয়া কুকুৰ দুটাও আমেৰিকালৈ লগত লৈ গৈছিল। তাত কুকুৰে ভুকি ওচৰ-চুবুৰীয়াক আমনি কৰিলে গোচৰ দিয়ে। তেনে পৰিৱেশ সৃষ্টি নহ'বলৈ সিহঁতে অনবৰতে সজাগ হৈ থাকে। কুকুৰে যি কোনো ঠাইত পায়খানা কৰিব নোৱাৰে। কৰিলে সেয়া তুলি ডাষ্টবিনত পেলাব লাগে। ছোৱালী-জোঁৱাই অফিচলৈ যোৱা কেইদিন দুপৰীয়া কুকুৰ দুটা ফুৰাবলৈ দুজনী ছোৱালী ঠিক কৰিছিল। আমি থকাকেইদিন তেওঁলোকক লগ পাইছিলো। দুয়োজনী ছোৱালী উচ্চশিক্ষিত। কাম কৰিবলৈ তেওঁলোকে লাজ নকৰে। নিজৰ খৰচ উলিয়াবলৈ এনেদৰে কাম কৰে। তদুপৰি বাথৰুম, কাৰ্পেট চাফা কৰা ছোৱালীবোৰে বিলাসী গাড়ী আৰু দামী ফোন লৈ কামলৈ অহা দেখিলে অবাক হ'ব লাগে। আনকি হোটেল, ৰেষ্টোৰাঁবোৰত স্কুল-কলেজত পঢ়া ল'ৰা-ছোৱালীবোৰে বন্ধৰ দিনা নিষ্ঠাৰে কাম কৰা দেখা পাইছিলো।

আমি তাত থকাকেইদিন প্ৰায়ে বৰফৰ ধুমুহা চলি আছিল। সেইকেইদিন বৰ ঠাণ্ডা পৰে, বাহিৰলৈ যাবলৈ মন নাযায়। নিমিষতে বৰফে গছৰ আগ, ঘৰৰ চাল, বাট-পথ ঢাকি পেলাইছিল। বাট-পথত কেইবাফুট উচ্চতালৈ বৰফ পৰে। লগে লগে মানুহ আহি গাড়ীৰে বৰফবোৰ আঁতৰায়।

আমেৰিকা যুক্তৰাষ্ট্ৰৰ মাচাচুছেটৰ কেমব্ৰিজত ১৬৩৬

চনতে স্থাপিত আটাইতকৈ পুৰণি পৃথিৱী বিখ্যাত হাবার্ড বিশ্ববিদ্যালয় দেখাৰ সৌভাগ্য ঘটিল। ইয়াত এটা জনবিশ্বাস আছে যে এই বিশ্ববিদ্যালয়ৰ প্রতিষ্ঠাপক জন হার্বার্ডৰ মূর্তিটোৰ ভৰি যিয়ে চুব পাৰে, তেওঁৰ বংশৰ কোনোবা এজনে হ'লেও এই বিশ্ববিদ্যালয়ত পঢ়াৰ সৌভাগ্য লাভ কৰে। সেয়ে দেখিছিলো সকলোৱে হেতা-ওপৰা কৰি হ'লেও মূর্তিটোৰ ভৰি চুইছে। আমিও তাৰ ব্যতিক্রম নহ'লো।

২৩ মার্চৰ দিনা আমি নিউয়র্ক চহৰলৈ বুলি ৰাওনা হলো। ব্রুকলিন দলংখনেৰে নিউয়র্ক চহৰত প্রৱেশ কৰোতে মোৰ মন-প্রাণ পুলকিত হৈ পৰিছিল। সাগৰৰ মাজত এখন চহৰ। সঁচাকৈয়ে অপূর্ব। নিউয়র্ক চহৰৰ এটা অংশ কুইন (Queen) নামৰ ঠাইখিনিৰ Air BnB ঘৰত আমি আছিলো। তাত ভাৰতীয় হোটেল, ৰেস্তোৰা বহু দেখিবলৈ পাইছিলো। আৰু আমি তাতে বেছিভাগ আহাৰ গ্রহণ কৰিছিলো। বজাৰ অঞ্চলত ভাৰতীয় লোকৰ বহু দোকান দেখা গ'ল। মাজে মাজে এনে লাগে আমি যেন ভাৰততহে আছো।

নিউয়র্কৰ মানহাট্টান (Manhattan) অঞ্চলটো ঘন বসতিপ্রধান। ইয়াকে Skyscrapers বিলাক আছে। ইয়াৰে Empire state building ৰ ৮৬ মহলালৈ উঠি গোটেই নিউয়র্ক চহৰখন দেখা পালো। অতিকে সুন্দৰ লাগিল। ঠিক ডুবাইৰ Burj Khalifa ত উঠি ডুবাই চহৰখন দেখাৰ কথা মনত পৰি গ'ল। তাৰ পিছত Times Square লৈ গ'লো। য'ত দিন-ৰাতি একাকাৰ কৰি মানুহবোৰে আনন্দত মতলীয়া হৈ থাকে। খোৱাই খাইছে, নচাই নাচিছে। তাত যেন ৰাতি নহয়েই। এক মায়াপুৰী অঞ্চল। তাৰ পৰা World Trade Centre, Twin Towers, 9/11 Memorial চাবলৈ গ'লো। ২০০১ চনৰ ১১ ছেপ্টেম্বৰৰ দিনা উগ্রপন্থীয়ে আমেৰিকাৰ World Trade Centre আক্রমণ কৰোতে নিউয়র্ক চহৰৰ মেয়ৰ আছিল ৰুডি গিলানী। তেওঁ অতি দক্ষতাৰে অতি সোনকালে চহৰখন বাসোপযোগী কৰি তুলিছিল।

নিউয়র্কৰ Statue of Liberty ৰ প্ৰতি সৰুৰে পৰা মোৰ এটা আকর্ষণ আছিল। ভগৱানে মোক স্বচক্ষুৰে চোৱাৰ সুযোগ দিলে। Liberty Island ত থকা Statue of Liberty আমেৰিকাৰ স্বাধীনতা দিৱস (৪ জুলাই, ১৭৭৬)ৰ সোঁৱৰণী উপলক্ষে ফ্রান্স দেশৰ ফালৰ পৰা এটি উপহাৰ। মূর্তিটোৰ সোঁহাতত এটা টর্চ লাইট আৰু বাঁও হাতত কিতাপ আছে, য'ত ৰোমান সংখ্যাত আমৰিকাৰ স্বাধীনতা দিৱসৰ তাৰিখটো লিখা আছে।

নিউয়র্ক চহৰ এৰাৰ দিনা পুৱা উত্তৰ আমেৰিকাৰ দক্ষিণ ভাৰতীয় ভক্তসকলে নির্মাণ কৰা আটাইতকৈ ডাঙৰ গণেশ মন্দিৰটো দর্শন কৰিলো। বহুতো ভাৰতীয় ভক্তৰ লগ পালো। মনটো ভাল লাগি গ'ল।

আমেৰিকা যুক্তৰাষ্ট্ৰৰ ৰাজধানী ৱাশ্বিংটন ডিচিলৈ যোৱাৰ লোভটো সামৰি থ'ব নোৱাৰিলো। সেয়েহে আমি ৩০ মার্চৰ দিনা তালৈ বুলি ওলালো। পূব উপকূলৰ পট'মেক নদীৰ কাষৰ এখন পাহাৰীয়া চহৰ। আহল-বহল, পৰিষ্কাৰ ৰাস্তাবোৰ দেখিলে বাৰে বাৰে মনত পৰিছিল আমাৰ দেশৰ কথা। কিয় আমি আমাৰ দেশখন পৰিষ্কাৰ কৰি ৰাখিব পৰা নাই। প্রথমদিনা আমি ভার্জিনিয়া (Verginia)ৰ Pentagon Memorial চাবলৈ গ'লো। ২০০১ চনৰ ১১ ছেপ্টেম্বৰৰ দিনা ইয়াতো উগ্রপন্থীয়ে আক্রমণ কৰি প্রায় ১২৫জন লোকৰ প্রাণ লৈছিল।

পিছদিনা আমি আমেৰিকা যুক্তৰাষ্ট্ৰৰ ৰাষ্ট্ৰপতি ভৱন White House চাবলৈ গ'লো। বেছি কাষলৈ যোৱা নিষেধ যদিও বৰ ভালদৰে চাবলৈ পালো। সেই সময়ত তাত Cherry Blossom Festival চলি আছিল। বন্ধৰ দিন বাবে হাজাৰ হাজাৰ মানুহে এই উৎসৱ উপভোগ কৰিবলৈ ওলাই আহিছে। পোহনীয়া কুকুৰকেইটাও ঘৰত থৈ অহা নাই। এই উৎসৱৰ আনুষংগিক হিচাপে চিলা উৰুওৱা, নাও চলোৱা উৎসৱ চলি আছিল। চাৰিওফালে এক উছৱমুখ্য পৰিৱেশ। চেৰী ফুলবোৰ ৰঙা, গুলপীয়া হৈ চালে চকুৰোৱাকৈ ফুলি আছিল। বসন্ত কাল অহাৰ আগজাননী। ইমান মানুহৰ সমাগম অথচ ক'তো এখিলা কাগজ পৰি থকা নাই। নিজৰ ঠাইখন পৰিষ্কাৰ কৰি ৰাখিবলৈ মানুহবোৰ ইমান সজাগ যে ভাবিয়েই ভাল লাগি যায়। আমাৰ দেশত উৎসৱ এটা হৈ যোৱাৰ পিছত জমা হোৱা জাবৰৰ দ'মবিলাকলৈ মনত পৰিল।

১ এপ্ৰিলৰ দিনা নিশা তিনি বজাত ৱাশ্বিংটন ডিচি এৰিলো। গভীৰ নিশা সকলো যেন নিদ্ৰাৰত। মাত্ৰ নিশা টহল দিয়া পুলিচৰ হুইচেলৰ শব্দহে শুনা পালো। মনটো বিষাদেৰে ভৰি পৰিল—এইবোৰ ঠাইলৈ আকৌ কেতিয়াবা জানো আহিব পাৰিম, নিজকে প্ৰশ্ন কৰিলো।

ৱাশ্বিংটনৰ পৰা ঘূৰি আহি কেইদিনমান নছোৱা (Nashua)ত থাকিলো। প্ৰায় দুমাহ কাল আমেৰিকাত থাকি নিজৰ ঠাইলৈ ঘূৰি আহিলো। এই সময়ছোৱাত আমাক অনবৰতে সংগ দি আছিল জী-জোঁৱাইয়ে।

আমেৰিকা যুক্তৰাষ্ট্ৰৰ ট্ৰেফিক আইন যথেষ্ট কঠোৰ। হাইৱেৰ কাষত প্ৰায়েই লিখা থাকে গতিবেগ ৪৫ মাইল আৰু জনবহুল এলেকাৰ মাজেদি যোৱা পথত লিখা থাকে গতিবেগ ৩০ মাইল আৰু এখন প্ৰাথমিক বিদ্যালয়ৰ কাষৰ পথত দেখিলো গতিবেগ ১৫ মাইল বুলি লিখা আছে। এনে লাগিল তাৰ প্ৰতিটো কামেই শৃংখলাবদ্ধ।

তাত পেট্ৰ'ল পাম্পত গৈ দেখিলো পেট্ৰ'ল ভৰাই দিবলৈ কোনো মানুহ নাথাকে। কাৰ্ডেৰে পইচা দি নিজে নিজে পেট্ৰ'ল ভৰাই ল'ব লাগে। আৰু এটা কথা মন কৰিলো, Wallmart বা অন্য কোনো মলত বজাৰ কৰিবলৈ গৈ দেখিলো তাত খুব কম সংখ্যকহে পৰিচালক থাকে। Cash Counter তহে মাত্ৰ কেইজনমান মানুহ থাকে। কাৰো সহায় নোলোৱাকৈ কিনিব খোজা বস্তুবোৰ পচন্দ কৰি নিজে নিজে আনিব লাগে। অথচ আমাৰ ইয়াত মল এখনৰ প্ৰতিবিধ সামগ্ৰীৰ কাষত কেইবাজনো লোকে ৰখি থাকে। কিজানি কোনোৰে কিবা সামগ্ৰী চুৰি কৰেই, আৰু সেইটো প্ৰায়ে ঘটি থাকেই।

পৃথিৱী বিখ্যাত আমেৰিকা যুক্তৰাষ্ট্ৰৰ সৈতে আমাৰ দেশৰ পাৰ্থক্য এইখিনিতেই।



জানো আহক

সংগ্ৰহ ঃ বিভিন্ন বাতৰি কাকত, আলোচনী, কুইজ প্ৰগ্ৰেম

সংগ্ৰাহিকা ঃ ৰিণা পূজাৰী

১। অক্সফোৰ্ড (Oxford) অভিধানত সংযুক্ত হোৱা প্ৰথম অসমীয়া শব্দটো হ'ল (Muga)

২। কানাড়া (Canada) শব্দটো এটা ভাৰতীয় শব্দ যাৰ অৰ্থ হৈছে 'ডাঙৰ গাঁও'।

৩। নীলা ৰংটো হৈছে মগজ ঠাণ্ডা কৰি ৰাখিব পৰা ৰং। নীলা ৰঙে মগজটো সক্ৰিয় কৰিও ৰাখে।

৪। আমাৰ চকুযুৰিয়ে এক কোটি বিভিন্ন ধৰণৰ ৰং চিনাক্ত কৰিব পাৰে।

৫। পুৰুষতকৈ মহিলাৰ শ্ৰৱণ শক্তি অধিক, কিন্তু মহিলাতকৈ পুৰুষৰ দৃষ্টিশক্তি অধিক।

৬। ঢোল (Dhole) হ'ল এক প্ৰকাৰৰ বনৰীয়া কুকুৰ। সি কেতিয়াও নুভুকে মানে মানে ভুকিব নোৱাৰে। মাত্ৰ সুহুৰিয়ায়। ই হ'ল এছিয়াৰ এটা প্ৰজাতি।

৭। বিখ্যাত হিন্দী গায়ক মান্না দেই অসমীয়া চাৰিটা গীতত কণ্ঠ নিগৰাইছিল।

৮। অসমত বৰষুণ দিবৰ বাবে যেনেকৈ ভেকুলীৰ বিয়া পাতে ঠিক তেনেকৈ মেঘালয়ত জয়ন্তীয়াসকলে বৰষুণ দিবৰ বাবে 'বেচিন খালাম' নামৰ এবিধ উৎসৱ পালন কৰে।

৯। (Thang-ya) হ'ল মণিপুৰৰ এক প্ৰকাৰৰ যুদ্ধ সম্পৰ্কীয় নাচ। Thang মানে তৰোৱাল আৰু (ya) মানে যাঠী। অৰ্থাৎ যাঠী আৰু তৰোৱাল লৈ নচা এক সমৰকলা। এই নৃত্যৰ যোগেদি কেনেকৈ শত্ৰুৰ পৰা নিজক বচাব পাৰি তাকে প্ৰদৰ্শন কৰে।

১০। আমি খোৱা কফি কাপৰ ইতিহাস বুলি ক'লে কৰ্ণাটকৰ কথা ক'ব পাৰি। এজন চুফী সন্ন্যাসী, নাম বাবা বুদান। তেওঁ এবাৰ হজ কৰি ঘূৰি আহোতে য়েমেনৰ মচা বন্দৰৰ পৰা সাতটা কফিৰ গুটি বুকুৰ মাজত ভৰাই (অৰ্থাৎ লুকুৱাই) মনে মনে লৈ আহিছিল। কিয়নো সেই সময়ত আৰবত কফি একেবাৰেই নিষিদ্ধ আছিল। পিছত তেওঁ এই কফি গুটি কেইটা কৰ্ণাটকৰ চিকমাংগলাৰত ৰোপণ কৰে আৰু তেতিয়াৰ পৰাই ভাৰতত কফিৰ প্ৰচলন হয় বুলি জনা যায়।

১১। Jandu Balm অতিকে বিখ্যাত এবিধ বিষ নিবাৰক ঔষধ বৰ্তমান ইমামিয়ে উৎপাদন কৰে। কিন্তু প্ৰথমতে জামনগৰৰ জনদু ভটজীয়ে এই ঔষধ উলিয়াইছিল আৰু জনদু ফাৰ্মাচিউটিকেলে উৎপাদন কৰিছিল। সেই সময়ৰ জামনগৰৰ ৰজাই এই ঔষধটো ব্যৱহাৰ কৰি বৰ ভাল পায়। তেওঁক এটা ফেক্টৰী খুলিবৰ বাবে ১৮৬৪ চনত ৰজাই অলপ মাটি দান কৰে আৰু তেতিয়াৰ পৰা এই আয়ুৰ্বেদিক কোম্পানীটো তাতে চলি আছে।

মহৎ লোকৰ বাণী

— পি কে

কাম কৰিবলৈ টান পোৱাজনে খাবও নালাগে

— বাইবেল

মাতৃৰ হৃদয়খনেই হৈছে সন্তানৰ শ্ৰেণীকোঠা

— হেনৰী বাৰ্ড

এটা সুন্দৰ হাঁহি ঘৰত পৰা ব'দ চেৰেঙাৰ দৰেই

— থাকৰে

যদি সুখী হ'বলৈ বিচৰা, তেন্তে ক্ষমা কৰিবলৈ শিকা

— মাদাৰ টেৰেছা

মিঠা মাত ব্যৱহাৰ প্ৰণালীৰ ঘাই মন্ত্ৰ

— সত্যনাথ বৰা

শিক্ষা হৈছে সুখ-দুখ বিচাৰ কৰিব পৰা ক্ষমতা

— প্লেটো

মানুহ মাত্ৰেই ভুল হয়, কিন্তু জ্ঞানী মানুহে একেটা ভুলকে বাৰে বাৰে কৰি নাথাকে।

মানুহক কেতিয়াও তোষামোদ নকৰিবা, পাৰিলে প্ৰশংসা কৰিবা।

সংগ্ৰাহক ঃ পি কে।

অংকন ঃ সৃষ্টি অৰুনাভা, ৰুক্মিনী নগৰ

সাঁথৰ

সংগ্ৰাহক ঃ পি কে

(১) কি চাই আছ' মোক, ধৰি থম তোক, চাবহি মোক, নিবহি তোক।

(২) তিনি কোণীয়াৰ মূৰত খাল, ডিঙিত ধৰি টানিবলৈ ভাল।

(৩) সেন্দুৰ যেন ডগমগ, মূৰত ক'লাফোঁট, কোৰাচোন ভাইহঁত, সেইটোনো কি গছৰ গোট।

(৪) ৰজাৰ কাপোৰ, মেলিব পাৰি, চপাব নোৱাৰি।

(৫) গাই দুষ্ট, গাখীৰ মিঠা, সাতশ গোপিনীৰ এখনি পিঠা।

(৬) ওপৰে ছাতি তলত গুটি, তাকে খায় আহিন কাতি।

উত্তৰ ঃ (১) চেপা (২) জাকৈ (৩) কাউৰীমণী (৪) আলিবাট (৫) মৌচাক (৬) কচু।

ফুল(ful)ৰ মহাত্ম্য

— সংগ্ৰাহক ঃ পি কে

কি ফুলে মাতি নিয়ে — Beautiful
কি ফুলে খেদি দিয়ে — Houseful
ভয় দিয়ে কি ফুলে — Fearful
জয় দিয়ে কি ফুলে— Successful
কি ফুলৰ তেজ আছে — কলাফুলৰ
কি ফুলৰ অৰ্থ আছে — Meaningful
ধন্যবাদ কোনে দিয়ে — Thankful
কৃতজ্ঞতা কোনে দিয়ে — Greatful
কি ফুল উপকাৰী — Useful
আচৰিত কি ফুল — Wonderful
মনোযোগী কি ফুল — Mindful
কি ফুল বিশ্বাসী — Faithful
কি ফুল সন্দেহী — Doubtful
সুখ দিয়ে কি ফুলে — Cheerful

কি ফুলে হঁহুৱায় — Aprilful
কি ফুলে কন্দুৱায় — Tearful
লাজ দিয়ে কি ফুলে — Shamful
মান দিয়ে কি ফুলে — Respectful
কি ফুলে আশা দিয়ে — Hopeful
কি ফুলে বেদনা দিয়ে — Painful
ৰঙীন কি ফুল — Colurful
ভয়াৱহ কি ফুল — Aweful
কি ফুল পাপী — Sinful
কি ফুল মূৰ্খ — Damfool
লজ্জাকৰণ কি ফুল — Disgraceful
চিন্তাশীল কি ফুল — Thoughtful
কি ফুলে পোহৰায় — Fullmoon
কি ফুলে শান্তি দিয়ে — Peaceful

ষষ্ঠত্ৰিংশতি তম্ বৰ্ষ ৰঙালী বিহু উদ্‌যাপন সমিতি
পৃষ্ঠপোষক, উপদেষ্টা, সভাপতি আৰু সম্পাদক সকল

উৎপল বৰা
মুখ্য পৃষ্ঠপোষক

অলক কুমাৰ বুঢ়াগোহাঁই
মুখ্য পৃষ্ঠপোষক


মনোৰঞ্জন ডেকা
মুখ্য পৃষ্ঠপোষক

দেৱজিৎ দাস
পৃষ্ঠপোষক

ভূপেন্দ্র সিং (কিকি)
পৃষ্ঠপোষক

বিজু কুমাৰ জৈন
মুখ্য পৃষ্ঠপোষক

মানবেন্দ্ৰ দেৱৰায়
পৃষ্ঠপোষক

প্ৰদীপ বৰা
পৃষ্ঠপোষক

নৱ সোণোৱাল
পৃষ্ঠপোষক


ফুলেশ্চ গগৈ
মুখ্য উপদেষ্টা

প্ৰদীপ কুমাৰ গগৈ
মুখ্য উপদেষ্টা

নিৰ্মল চন্দ্ৰ দত্ত
মুখ্য উপদেষ্টা


ৰমেন কলিতা
উপদেষ্টা

বৃহস্পতি ডেকা
উপদেষ্টা

হৰেন দাস
পৃষ্ঠপোষক

দুৰ্গেশ্বৰ শইকীয়া
উপদেষ্টা

কবিতা

কবিতা কানন



"বহাগ আৰু বিপ্লৱ"

ৰমেন কলিতা

চ'তে গৈয়ে গৈয়ে
পালেহি আকৌ ব'হাগ
গুণ-গুণ, গানে-গানে সংগোপনে
চৰাইৰ কল-কলনিত বিনন্দীয়া সুৰৰ
বসন্ত আহিছে
ফুল আৰু কুঁহিপাতত গুঞ্জৰণ
হেৰুৱা বিহুটিক ৰুধিব পৰাহেঁতেন!
অব্যক্ত বেদনা
জহি-খহি গৈছে গৰ্ভীত দেহা
ওঁঠে ওঁঠে অনুৰাগ
হেপাঁহৰ মনটোৰেই এতিয়া
হেপাঁহ পলোৱাত
চঞ্চল মন এতিয়া স্থবিৰ
বয়সে আগুৰিছে
উৰি ফুৰাৰ মন
ব'হাগৰ বুকুতেই প্ৰেমৰ জোৱাৰ
উঠিছে-নামিছে
বসন্তৰ বা-বলিছে
আমাৰ বিহুটি বিহু হৈয়ে থাকক
গাঁওবোৰ গাঁও
বৌটি, পেহীটি, দদাইটি, পিতাই
সকলো আদিমতাৰে
বাট হেৰুৱা বাটেৰে খোজ দি
হেৰুৱাব ধৰিছে শিপা আৰু মাটি
সংস্কৃতি ৰাজনীতি-অৰ্থনীতি
সকলো একাকাৰ
ব'হাগেই উৰুৱাই নিয়ক দুৰ্নীতি
এন্ধাৰত বাট উজ্বলাই
পুৰাব পোহৰে আনক
কৰ্ম সংস্কৃতিৰ বিপ্লৱ
আন্দোলন আৰু উৎসৱ সৰ্বস্ব জাতিটোক
এতিয়া এটা উৎসৱ বিপ্লৱ লাগে
বিপ্লৱ!!

বিষাদ ব'হাগ

পাৰুল বৰুৱা

কৰুণ বাঁহীৰ মাত এটাত
তিতি থাকে ৰাতিটো
বুকুত বাজি থাকে
বিষাদ সুৰ!
নিৰ্বাক সময়
মৌন প্ৰহৰ
কাক সোধো তোমাৰ খবৰ,
বৰদৈচিলাৰ স'তে জানোচা আঁহা
ৰৈ থাকো প্ৰতীক্ষাত
পদুলিত ফুলিছে
নাহৰ তগৰ
ফুলিবলে' তোমাৰহে নহ'ল সময়
উন্মনা আকাশ সজাই
কজলা মেঘৰ তৰণি নাই
বুকুৰেদি মোৰ বাৰিষা মেঘৰ
সঘন আহ যাহ
তোমাৰ ফুল যেন ওঁঠত
সুৰীয়া কোমল মাততে
মোৰ ব'হাগৰ আলাপ,
কাক সোধো তোমাৰ ঠিকনা
পদুলিত মোৰ
বিষাদ ব'হাগ!!

ফাগুন

ডঃ আৰতি কলিতা

(১)

ফাগুন ফাগুনী
দুয়োৱালৈকে দেখোন ভয়
নাই কোনো চিঠি,
নাই কোনো খবৰ,
নাই কোনো সংকেত
মাজে মাজে
উজটি খাই, উফাল খাই,
হুৰহুৰাই আহে সোমাই
চাল-বেৰ ভাঙি,
গছ-লতা উঘালি
তচনচ কৰি।
আইৰ আচল উৰুৱাই উৰুৱাই নিয়া,
ৰঙালি বিহুৰ বতৰা বিলোৱা
মন পিছলোৱা
ফাগুনৰ পচোৱা বা,

(২)

ঢোল, পেঁপা, গগনাৰ শব্দত
জেতুকী মন পখিলীহৈ
সাজি-কাচি, নাচি-নাচি,
ঘূৰি-ঘূৰি উৰি যায়।

(৩)

আভাস পাইছানে ফাগুনৰ পচোৱা বা
বসন্তইও, বৰদৈচিলাক লৈ কুলি-কেতেকীৰে
তোমাকেই অনুসৰণ কৰি আহি আছে
বৰদৈচিলা আৰু বিহুতলীৰ
ওখনা-ওখনি মাৰ যাব কেতিয়া !

(৪)

ক'ত ঋষি-মুনিৰ সিদ্ধি প্ৰাপ্ত
সেউজী সেউজী
গছলতাৰে আবৃত্ত তপোবনত
একলব্যইও মন বিৰিখৰ তলতেই কৰিছিল
অভ্যাস শৰ বিন্যাসৰ,
গুৰুদক্ষিণাৰ ইমান চৰম
পৰিনামৰ সাক্ষী আছিল
সেই সেউজীয়া সেউজীয়হত।



(৫)

সৃষ্টিৰ আৰম্ভণিৰ পৰাই
সমগ্ৰ বিশ্বকে
অম্লজান বিলাই
সজীৱ কৰি ৰখা
সেউজী পাত হৈ যায়
সৰাপাত,
সৰাপাত আৰু তোমাৰ
সম্বন্ধ ঐশ্বৰিক।
কেতিয়াবা পলাশৰ জুই-ৰঙা ৰং
সৰাপাতত ঢালি চাইছানে,
কিমান যে থাকে কাম,
তাৰপিছৰ ঠিকনা বিচাৰে কোনে!
আটাইবোৰ গছটো নহয়
সীতাৰ আশীষপুষ্ট
আহত গছ।

বিহু বিহু লাগিছে গা

গিৰীশ দত্ত

বিহু বিহু লাগিছে
গা মোৰ দেহা ঐ
বলিছে বিহুৱা বা
'বেংলোৰৰ' বিহুৱান
মূৰতে মেৰিয়াই
বিহুগীত এফাঁকি গা।
কী-বৰ্ড, চেক্স'ফোন
বজাৰি বিহুৱা
দিনকাল সলনি হ'ল
নগৰৰ বিহুতলীত
বিহুৱাণী পাতিছে
(গাঁৱৰ) নাচনী ঢাপলি গ'ল।
কপৌফুল বিচাৰি
ডালে নবগাবি
অঁকৰা বুলিব লোকে
প্লাষ্টিকৰ কপৌফুল
পেকেটৰ 'মেহেন্দি'
কিনি আনি দিবি তাকে।
লাহৰী গগনা

ক'তো হেৰাল বহনা
ম'হৰ শিঙো পাবলৈ নাই
মুগাসূতা হাচতি
মাকো দোৰেপতিৰ
ধোঁৱা চাঙত কৰিলো ঠাই।
নাহৰ তগৰ কেতেকী
ডালতে লেৰেৰিল
নুঘূৰে সংস্কৃতিৰ মনিকূট চেৰেকী যঁতৰ
যহি পৰিল কিটো হ'ল
বহাগ মানেই 'এন্‌জয়'ৰ বতৰ।

আত্মগোপন

কাকলি বৰদলৈ,
ৰুক্মিনীনগৰ, গুৱাহাটী

পুৱতিৰ অথবা বেলি ডুবাৰ পৰত
নীড়মুখী পক্ষীৰ কাকলিত
নিবিচাৰিবা মোক!
আকাশৰ বিশালতা অথবা
সাগৰৰ গভীৰতা জুখি
মনত নেপেলাবা মোক!
বিচাৰিছোঁ,
এক অজ্ঞাত জীৱন
জীয়াই থকালৈ
উশাহ লওঁতেও নিজৰ বুকুৱেই
গম নেপায় যেন!!
কেবল তোমাৰ অনুভৱেৰে
সজাই থোৱা তুমিময়
শৰীৰটোৰ সতে থকাৰ মন।
তুমি মোক বিচাৰিলে,
তোমাৰ আকুলতাত
ভঙ্গ হয় মোৰ মনত
তোমাৰেই ধ্যান!
বহুত ভালপাওঁ তোমাক সোণ,
মোক সেয়ে অকলেই
থাকিব দিয়াচোন।।

ব'হাগ

উৎপলা বৰা

ব'হাগ
অ' মোৰ চঞ্চল অঘৰী প্ৰেমিকা পৃথিৱীৰ,
জানোৱেই মই
তুমি যে কৃষ্ণ যোল্ল হাজাৰ গোপীৰ!

মোৰ হৃদয় যমুনাৰ পাৰলৈ আহি
বজাই প্ৰেমৰ মোহন বাঁহী
মাৰি কপটীয়া হাঁহি
চলাহী কথাৰে তুমি ক'লাই জানিবা
তাৰ ভিতৰত ময়েই তোমাৰ
ৰাধিকা প্ৰাণাধিকা,
সংগোপনে তথাপি নিগৰে জানা
চকুলো হৈ তেজৰ নৈ কলিজাৰ পৰা
সহিব নোবাৰি ইমান সতিনীৰ জ্বালা!!!



তথাপিও কিয় সকলো জানিও
তোমাক যে এৰিব নোবাৰো।
তোমাৰ ই কি প্ৰেমৰ যাদু একোকে নুবুজো!
জানানে সেয়ে তোমাক ভাল পাওঁ যিমান
অভিমানত নেওচা দিওঁ সিমান!!!

বসন্তৰ মিঠা শিহৰণ

— মৃণালী ভৰালী

চ'তৰ পচোৱা জাকত
আকাশ ডাৱৰীয়া হ'ল
হয়তো নিশালৈ আহিব
এজাক বৰষুণ।

ন-পানীৰে চপচপীয়া পথাৰখনত
পৰিছে পক্ষীৰ জাক।
পাইছো মই গম
তুমি অহাৰ বাতৰি।

ব'হাগৰ প্ৰথমজাক বৰষুণত
ভৰ যৌৱনা কুলিৰ কাকলিত
খৰখেদা লগাইছে
পেঁপা মাত শুনি চঞ্চলা নাচনী।

আলফুলীয়াকৈ ফুলিছে
কপৌ, তগৰ, কেতেকী, চেনিচম্পা
বসন্তক আদৰাৰ প্ৰতিশ্ৰুতি।

গছ লতাই পিন্ধিছে
সেউজীয়া আভৰণ
ঢোলৰ ছেৱত নাচিছে নাচনী
আনন্দৰ সীমাহীন পাৰ ভাঙি
পিন্ধিছে হাতত গামখাৰু
গালে মুখে সিঁচি দিছে
বসন্তৰ মিঠা শিহৰণ।।

বলীয়া মন

মামনী দাস

চ'তে উৰুৱালে ৰাষ্টাৰে
ধুলি বালি।
ব'হাগে উৰুৱালে ডেকা গাভৰুৰ
মন বলীয়া কৰি।

নোৱাৰো বান্ধিব মন
সঁজাতো বন্দী
পাহৰো কিদৰে অতীতৰ স্মৃতি।

অতীতে মোক বাৰে বাৰে
ৰিঙিয়াই মাতে
থুনুকা হিঁয়া মোৰ
উচুপি কান্দে।

নামাতিবা মোক আৰু
আমনি নকৰিবা
আগৰ কথা কৈ
জ্বলাই নাথাকিবা।

নিজে মই জ্বলি আছোঁ
একুৰা জুই লৈ
আৰু মোক কাহানিও
বিহুলৈ নামাতিবা।

তুমিয়ে হোৱাচোন বিহুতে বলিয়া
সকলো সুখ-দুখ পাহৰি,
নিজৰ জীৱনটোকে
কৰা ধন্য।

বৈ যোৱা ৰাতিৰ শোক

পৰিনীতা বৰুৱা

সেই ৰাতি,
ভৰুণ জোনাকে ধুৱাইছিল
শাওনৰ গাভৰু পথাৰৰ গা

সেই ৰাতি,
সৰিছিল
সততাৰ ফুলাম পাহি
প্ৰেমৰ পথাৰত

সেই ৰাতি,
হৃদয় একোণত
জ্বলি থাকিল কামনাৰ অদম্য অনল...

কথা নাছিল,
বৈ যোৱা ৰাতিত বৈ থাকিব বিশ্বাসৰ এখন নদী
অথবা,
ভালপোৱাৰ প্ৰতিশ্ৰুতিৰ বৰণীয়া
এথোপা ফুল

তাতেই হৈ গ'ল ভুল
তৃপ্তি নে অতৃপ্তিত
স্তব্ধ সময়।

বৈ গ'ল সেই ৰাতি আজীৱন।

হৃদয়ৰ আৰ্তনাদ

বিপ্লৱ বৰা

ভঙা কাঁচৰ টুকুৰাৰ দৰে হৃদয়খন
জৰ জৰকৈ খহি নপৰাকৈ
ধৰি ৰাখিছো বুকুৰ মাজত।
কাণপাতি শুনা চোন এবাৰ
আঘাতেৰে জৰ্জৰিত কৰা
দুৰ্বিসহ যন্ত্ৰণাৰ চটফটনি
কৰ্ণ কুহৰত প্ৰতিধ্বনিত হ'ব
হৃদয় ভঙা শব্দৰ আৰ্তনাদ।
কেতিয়াবা অনুভৱে চুই যায় নে
হৃদয়ৰ কোনোবা এটি কোণ
যাৰ অবৰ্তমানত ৰিক্ত হৈ ৰয়
আকলুৱা হৃদয়ৰ আশা বোৰ।
বুজা নাই এতিয়াও বুজিবা এদিন
সময়ে দিব আহি তাৰ চিনাকী
বিশ্বাস আস্থা মৰমে বাট হেৰুৱাব
হৃদয় ভঙা পতাৰ খেল খেলি
তেতিয়া হৃদয়েও উচুপি উঠিব
নালাগে শুনিব কেতেকীৰ হিয়া ভগা মাত।

ম'বাইল পুৰাণ

— কুন্তলা দত্ত

ম'বাইল ম'বাইল
ভালত অতিভাল
বেয়াত খুটিতাল
নেটৱৰ্ক নাথাকিলে
দলিয়াই দিয়াই ভাল
কোনো কোনোৰ বাবে
আকৌ মিছাকথাৰ ভঁৰাল
জকাইচুকত থাকিয়েই
কলিকতা-দিল্লী-মুম্বাই পায়
কাষৰজনে শুনিলেও
লাজ অকণো নাপায়
ঘৰলৈ কোনোবা আহিম
বুলিলে ঘৰত নাই বুলি কয়
হেল্ল-হাই-বাই-বাই
চিঞৰত টেটুফালে
কিছুমানে আকৌ
মুখত সোপা দি
জানো কি কথা পাতে
আকৃতি-প্ৰকৃতি
দেখাৰ আছে
বিধে বিধে তাৰে কাম
ম'বাইল এটা নহ'লেনো
থাকিল কি যশ-নাম
কাৰোবাৰ বাবে ষ্টেটাছ চিম্বল

কাৰোবাৰ ওলোমা মাদল
হয় লটিঘটি কোনোবাজনৰ
নেজানিলে চাল-চলন
ডেকা-ডেকেৰী বুঢ়া-বুঢ়ী
আটাইৰে আমঠু হিয়াৰ
এসাঁজ নাখায় থাকবা
পাল্লিও কাম নাই বিনে ইয়াৰ
হাতৰ মুঠিতে বিশ্ব-ব্ৰহ্মাণ্ড
টিলিকতে বিচাৰি পায়
ইনটাৰনেটৰ কৃপাতে
সকলো ধন্য ধন্য হয়
ফেবু নামৰ বস্তু এটি
ইয়াৰ বুকুতেই পায়
দিনে-ৰাতিয়ে কথাপাতি
ইয়াতেই বহুতে সময় কটায়
ইয়াৰ গৰ্ভতেই আছে
এটি বাকছ বাৰ্তালাপ
প্ৰেমালাপ-চিত্ৰালাপ-এডালাপ
বিধে বিধে চলে আলাপ
বাৰ্তালাপৰ মাজে মাজে
চলে বিলাপ আৰু প্ৰলাপ
পঠায় প্ৰেমৰ গোলাপ
ইউ টিউব হোৱাটছ্ এপ
আৰু ক'ত কিযে এপ
ইয়াতেই আপুনি সলাব
পাৰিব মুখখনৰো মেপ
টিউব হ'লেও নাই ইয়াৰ
কৰিব নোৱাৰা কাম
ৰাতিটোতে সলাই দিব
পাৰে ই আপোনাৰ শ্বেপ
কাগজৰ সলনি আজিকালি
ব্যৱহাৰ কৰে হোৱাটছ্ এপ
বহুসকলে হুকুম পঠাই
কৰে মহা অতপালি
'চেলফি'ৰ কথা নকলেযে
হ'ব মোবাইল পুৰাণ আধা
চেলফি এখন নুতুলিলে
যেন জীৱনটোৱেই বৃথা
ফেবুৰ মধ্যে আছে পিছে
বন্ধু কিচিম কিচিম
ডাংকোপ মৰা ফিতাহি মৰা
তাৰ্কিকে কৰে ধৰাশায়ী
কবিয়ে দিয়ে হিয়া উজাৰি
মৰমেৰে মাত এষাৰি
অৰ্থ সমাজ ৰাজনীতি জ্ঞান গৰিমা
খেতিবাতি মানৱসেৱাৰ অপাৰ মহিমা
কৈ থাকিলেও ওৰকে নপৰে
নিদিয়ে কাকো আজৰি
ইমানতে ম'বাইল পুৰাণ
থলো আমি সামৰি।

বসন্ত আহিব এদিন

শ্ৰীমতী অঞ্জনা প্ৰভা দেৱী

ব'হাগ গাভৰু হ'লেই
মোৰ শৰীৰত
চুচুক-চামাক বৰযুণ সৰে
বুকুত গছে আশা ....
উচপিচ ভাবনা,
ঢৌ খেলা বতাহৰ
আচল উৰি
পোহৰৰ কায চাপি
বুকুত সিচোঁ সুখৰ সম্ভাৰ
সাত ৰঙী ৰংবোৰ বাঢ়ি আহে
বিয়পি চাৰিও ফাল
নিঃশব্দে অনুভৱ কৰো
ভালপোৱাৰ গান।
আৰু বিহুৱানৰ ভাজে ভাজে
কঢ়িয়াও সজল মৰম,
আজুৰি আনো অযুত সপোন
ক্ৰমশঃ আগবাঢ়ে কথাৰ
পিচে পিচে উঠি অহা কথাবোৰ বাৰ বাৰ!

প্ৰেমৰ সুবাস দিশে দিশে

—দীপিকা খাউণ্ড

সৃষ্টিৰে পৰা তুমি বিশ্বাস বিনন্দীয়া
অনুপম ৰূপত আমি মোহনীয়া
তুমি আছা বাবেই
ধূসৰিত পৃথিৱীত
সপোনৰ কাৰেং সাজি
শৰত, ফাগুন কিম্বা
বৰ্ষাক আকোৱালি লৈছো
তুমি আচা বাবেই
চ'তৰ চোতাল পাৰ
নৌহওঁতেই উতনুৱা বতাহজাকে
ব'হাগক আদৰি আনিছে
প্ৰেম বৰষুণজাকে
কুঁৱলী সূতাৰ মালা গাঠিছে
তুমি আচা বাবেই
অস্ত্ৰযোৱা সূৰ্যৰ সিপাৰে
কোনোবা নাৱৰীয়াই যাত্ৰা কৰে
জীৱনৰ গঢ়াৰ্থ বিচাৰি
মোৰ গভীৰ উশাহ নিশাহত
সিঁচৰিত হয় প্ৰেমৰ সুবাস দিশে দিশে
পুৱাৰ কিৰণ প্ৰথম হাঁহিটোতে
মই ফুলি উঠো প্ৰেৰণাৰ ফুল হৈ
বুকুৰ গভীৰতা প্ৰেমৰ সেউজীয়া দলিচাত
বুটা বাছি বাছি উমলি থাকে
মোৰ কবিতাৰ কলিবোৰে।।

"জাগৰণ"

পলাশ বৰুৱা

নেলাগে বধিব তোৰ তেজৰ মোমাই,
ওলাই আহ মোৰ বঙহৰ ভাই,
অন্তিম ৰণ এয়া জীয়াই থকাৰ,
শৰাইঘাটে মাতিছে ৰিঙিয়াই,
শৰাইঘাটে মাতিছে ৰিঙিয়াই।

ভেদাভেদ আজি আহ তই চেৰাই,
বৰলুইতত সৰ্ব্বস্ব সংকীৰ্ণতা হেৰাই,
তই মই মিলি গঢ়ো আহ জাতি,
মিচিং, ডিমাচা, কাৰ্বি, লালুং,
আহ মোৰ সহোদৰ, চৈয়দ, কলিতা, বামুণ,
ক্ষুদ্ৰ গিয়াতি, খেল পৰিহৰি,
সূৰুজ বিচাৰি উৰক অগণন আকাশচাকি,
পাহাৰ-ভৈয়াম আশাৰ আলোড়নে পোহৰায়।

আহিছে নামি খাছি, মিজো জনগণ,
আবেগ আৰু বিবেকৰ এই মহাৰণ,
একতাৰ ডোলেৰে লওঁ টঙালী মাৰি,
অস্ত্ৰ-সস্ত্ৰৰ নাই আৰু প্ৰায়োজন,
বাজক দবা, বাজক শ্বৰতি,
ৰাইজে আগবঢ়াইছে ওলগৰ খেৰাই,
জাগি উঠক ৰৌদ্ৰৰূপ খিলঞ্জীয়াৰ,
শতৰুৰ পাশা আজি কৰিবলৈ চুৰমাৰ,
অসমী আয়ে মাতিছে ৰিঙিয়ায়!
অসমী আয়ে মাতিছে ৰিঙিয়ায়!

গীত এটি ব'হাগৰ

কল্পনা শৰ্ম্মা

সাহোন তোমাক জনাওঁ স্বাগতম,
ব'হাগ তোমাক স্বাগতম।।
তোমাৰ আগমনত
প্ৰাণ পাই উঠে
সাত ৰঙৰে সপোন,
তুমিয়েই দেখোন
ঐক্যতাৰে ভৰা এখনি জাতিৰ দাপোণ।।

ফাগুনৰ চঞ্চলা সমীৰণে
লঠঙা কৰা গছ লতিকাত
সিঁচিলা সঞ্জীৱনী মণি,
সৃষ্টিৰ অংকুৰ ঢালি
সজালা বাসন্তী ৰাণী
প্ৰাণে প্ৰাণে জাগে মধু শিহৰণ,
ব'হাগ তোমাক স্বাগতম।।

ঢোলটিৰ কিনো তাল
পেপাৰ কিনো লহৰ,
বতাহত কপৌৰ গোন্ধ।
গছে-পাতে হৈছে জাতিস্কাৰ।।
আহা নাচি বাগি,
আমি সবে মিলি
তোমাক জনাওঁ সম্ভাষণ,
ব'হাগ তোমাক স্বাগতম।।

নিৰ্বাচনৰ পৰশত.....।

চন্দন বাচফোৰ (ওম)

বসন্তৰ ৰিব ৰিব মলয়াই
চৌদিশে নিৰ্বাচনৰ পৰশ সানিছে
শুকান বিৰিখত ফুলা
ন-কুহিপাঁতৰ বোকোচাত
শব্দৰ আখলৰ পৰা
কোনো কবিয়ে কবিতাৰ
পৃষ্ঠা ভৰাই সিখিবলৈ সময় পোৱা নাই.....।
নিৰ্বাচনৰ বতৰত
সকলোৱে তঙালী বান্ধি
পৰিবৰ্তনৰ শ্ল'গান গাইছে...
বাপতি সাহোনক আদৰাত
অসমীয়া ডেকাসকলে
নিৰ্বাচনৰ মাজতো
মঞ্চ বিহুক সফল কৰাৰ বাবে
নাচনীসকলে
ঢুলীয়াৰ ঢোলৰ তালত
ককাল ভাঙি নাচিবলৈ
লগৰ সকলক বাৰুকৈ মাতিছে.....।

বৃহত্তৰ ৰুক্মিণীনগৰ ৰঙালী বিহু সন্মিলন

(Brihattar Rukmini Nagar Rongali Bihu Sanmilan)

১ আৰু ২ ব'হাগ, ১৪২৫ ভাস্কৰাব্দ ঃ ১৫ আৰু ১৬ এপ্ৰিল, ২০১৮ চন

সভাপতি
শ্ৰীযুত ৰনজিৎ গগৈ

কাৰ্য্যকৰী সভাপতি
শ্ৰীযুত সত্যজিৎ বৰা
শ্ৰীযুত গোবিন্দ শৰ্মা

সাধাৰণ সম্পাদক
শ্ৰী গৌতম ওঁজা

সহকাৰী সম্পাদক
শ্ৰীনিৰুদ্ধ বৰগোহাঞি
শ্ৰীপাৰ্থপ্ৰতিম শইকীয়া
শ্ৰীগুণজিৎ তালুকদাৰ
শ্ৰীপলাশ বৰুৱা

সাংস্কৃতিক সভাপতি
শ্ৰীযুত মৃদুল বুঢ়াগোহাঁই

সাংস্কৃতিক সম্পাদক
শ্ৰীশুক্লেশ্বৰ বড়ো

স্মৰণিকা সম্পাদনা সমিতি
সভানেত্ৰী
শ্ৰীমতী মঞ্জুলা কাকতি

সম্পাদক
শ্ৰী অভিজিত নেওঁগ

প্ৰসংগ ঃ

তাৰিখ ঃ

১ ব'হাগ (ইং ১৫ এপ্ৰিল, ২০১৮) তাৰিখে ৩৫তম বৰ্ষ বৃহত্তৰ ৰুক্মিণীনগৰ ৰঙালী বিহু সন্মিলনত অনুষ্ঠিত হোৱা বিহুৰাণী প্ৰতিযোগিতাৰ চূড়ান্ত ফলাফল -

প্ৰথম পুৰস্কাৰ ঃ- শ্ৰীমতী প্ৰীয়ঙ্কা শইকীয়া

দ্বিতীয় পুৰস্কাৰ ঃ- শ্ৰীমতী শতাব্দী কলিতা

তৃতীয় পুৰস্কাৰ ঃ- শ্ৰীমতী দিক্ষীতা বৰগোঁহাই

বঙ্গমঞ্চ পথ, হাউছিং কল'নী, দিশপুৰ, গুৱাহাটী - 6

বৃহত্তৰ ৰুক্মিণীনগৰ ৰঙালী বিহু সন্মিলন

(Brihattar Rukmini Nagar Rongali Bihu Sanmilan)

১ আৰু ২ ব'হাগ, ১৪২৫ ভাস্কৰাব্দ ঃ ১৫ আৰু ১৬ এপ্রিল, ২০১৮ চন

সভাপতি
শ্ৰীযুত ৰনজিৎ গগৈ

কাৰ্য্যকৰী সভাপতি
শ্ৰীযুত সত্যজিৎ বৰা
শ্ৰীযুত গোবিন্দ শৰ্মা

সাধাৰণ সম্পাদক
শ্ৰী গৌতম ওঁজা

সহকাৰী সম্পাদক
শ্ৰীনিৰুদ্ধ বৰগোহাঞি
শ্ৰীপাৰ্থপ্ৰতিম শইকীয়া
শ্ৰীগুণজিৎ তালুকদাৰ
শ্ৰীপলাশ বৰুৱা

সাংস্কৃতিক সভাপতি
শ্ৰীযুত মৃদুল বুঢ়াগোহাঁই

সাংস্কৃতিক সম্পাদক
শ্ৰীশুক্ৰেশ্বৰ বড়ো

স্মৰণিকা সম্পাদনা সমিতি

সভানেত্ৰী
শ্ৰীমতী মঞ্জুলা কাকতি

সম্পাদক
শ্ৰী অভিজিত নেওঁগ

প্ৰসংগ ঃ

তাৰিখ ঃ

১ ব'হাগ (ইং ১৫ এপ্ৰিল, ২০১৮) তাৰিখে ৩৫তম বৰ্ষ বৃহত্তৰ ৰুক্মিণীনগৰ ৰঙালী বিহু সন্মিলনত অনুষ্ঠিত হোৱা হুঁচৰি বিহু

প্ৰতিযোগিতাৰ চূড়ান্ত ফলাফল -

প্ৰথম পুৰস্কাৰ ঃ- দিহিং বিহু হুঁচৰি দল, ডিগবৈ

দ্বিতীয় পুৰস্কাৰ ঃ- হাবুং বিহু হুঁচৰি দল, ধেমাজী

তৃতীয় পুৰস্কাৰ ঃ- ৰংমন এনাজৰী দল, মৰাণ

ৰঙ্গমঞ্চ পথ, হাউছিং কল'নী, দিশপুৰ, গুৱাহাটী - 6

বৃহত্তৰ ৰুক্মিণীনগৰ ৰঙালী বিহু সন্মিলন

(Brihattar Rukmini Nagar Rongali Bihu Sanmilan)

১ আৰু ২ ব'হাগ, ১৪২৫ ভাস্কৰাব্দ ঃ ১৫ আৰু ১৬ এপ্ৰিল, ২০১৮ চন

সভাপতি
শ্ৰীযুত ৰনজিৎ গগৈ

কাৰ্য্যকৰী সভাপতি
শ্ৰীযুত সত্যজিৎ বৰা
শ্ৰীযুত গোবিন্দ শৰ্মা

সাধাৰণ সম্পাদক
শ্ৰী গৌতম ওঁজা

সহকাৰী সম্পাদক
শ্ৰীনিৰুদ্ধ বৰগোহাঞি
শ্ৰীপাৰ্থপ্ৰতিম শইকীয়া
শ্ৰীগুণজিৎ তালুকদাৰ
শ্ৰীপলাশ বৰুৱা

সাংস্কৃতিক সভাপতি
শ্ৰীযুত মৃদুল বুঢ়াগোহাঁই

সাংস্কৃতিক সম্পাদক
শ্ৰীশুক্লেশ্বৰ বড়ো

স্মৰণিকা সম্পাদনা সমিতি
সভানেত্ৰী
শ্ৰীমতী মঞ্জুলা কাকতি

সম্পাদক
শ্ৰী অভিজিত নেওঁগ

প্ৰসংগ ঃ *তাৰিখ ঃ*

১ ব'হাগ (ইং ১৫ এপ্ৰিল, ২০১৮) তাৰিখে ৩৫তম বৰ্ষ বৃহত্তৰ ৰুক্মিণীনগৰ ৰঙালী বিহু সন্মিলনত অনুষ্ঠিত হোৱা

জেং বিহু

প্ৰতিযোগিতাৰ চূড়ান্ত ফলাফল -

প্ৰথম পুৰস্কাৰ ঃ- নৱদ্বীপ জেং বিহু দল

দ্বিতীয় পুৰস্কাৰ ঃ- বৃহত্তৰ গুৱাহাটী জেং বিহু দল

তৃতীয় পুৰস্কাৰ ঃ- মেজাংকৰি মহিলা মঞ্চ জেং বিহু দল

চতুৰ্থ পুৰস্কাৰ ঃ- জাগৃতি জেং বিহুৰ দল

ৰঙ্গমঞ্চ পথ, হাউছিং কল'নী, দিশপুৰ, গুৱাহাটী - 6

বৃহত্তৰ ৰুক্মিণীনগৰ ৰঙালী বিহু সন্মিলন

(Brihattar Rukmini Nagar Rongali Bihu Sanmilan)

১ আৰু ২ ব'হাগ, ১৪২৫ ভাস্কৰাব্দ ঃ ১৫ আৰু ১৬ এপ্ৰিল, ২০১৮ চন

সভাপতি
শ্ৰীযুত ৰনজিৎ গগৈ

কাৰ্য্যকৰী সভাপতি
শ্ৰীযুত সত্যজিৎ বৰা
শ্ৰীযুত গোবিন্দ শৰ্মা

সাধাৰণ সম্পাদক
শ্ৰী গৌতম ওঁজা

সহকাৰী সম্পাদক
শ্ৰীনিৰুদ্ধ বৰগোহাঞি
শ্ৰীপাৰ্থপ্ৰতিম শইকীয়া
শ্ৰীগুণজিৎ তালুকদাৰ
শ্ৰীপলাশ বৰুৱা

সাংস্কৃতিক সভাপতি
শ্ৰীযুত মৃদুল বুঢ়াগোহাই

সাংস্কৃতিক সম্পাদক
শ্ৰীশুক্ৰেশ্বৰ বড়ো

স্মৰণিকা সম্পাদনা সমিতি
সভানেত্ৰী
শ্ৰীমতী মঞ্জুলা কাকতি

সম্পাদক
শ্ৰী অভিজিত নেওঁগ

প্ৰসংগ ঃ *তাৰিখ ঃ*

১ ব'হাগ (ইং ১৫ এপ্ৰিল, ২০১৮) তাৰিখে ৩৫তম বৰ্ষ বৃহত্তৰ ৰুক্মিণীনগৰ ৰঙালী বিহু সন্মিলনত অনুষ্ঠিত হোৱা

শ্ৰেষ্ঠ পেঁপাবাদক

প্ৰতিযোগিতাৰ চুড়ান্ত ফলাফল -

পুৰস্কাৰ প্ৰাপক ঃ- ধৈৰ্য্য বৰুৱা, হাবুং বিহু হুঁচৰি দল, ধেমাজী

চিত্ৰাংকন প্ৰতিযোগিতাৰ ফলাফল—

ক শাখা	খ শাখা
প্ৰথম পুৰস্কাৰ ঃ ভূমিকা ৰয়	প্ৰথম পুৰস্কাৰ ঃ হৰ্ষিতা বৰুৱা
দ্বিতীয় পুৰস্কাৰ ঃ দিপ্তাশু চেটাৰ্জী	দ্বিতীয় পুৰস্কাৰ ঃ সাগৰিকা শৰ্মা
তৃতীয় পুৰস্কাৰ ঃ ঋতিকা শৰ্মা	তৃতীয় পুৰস্কাৰ ঃ শৰ্মিষ্ঠা পাল

ৰঙ্গমঞ্চ পথ, হাউছিং কল'নী, দিশপুৰ, গুৱাহাটী - 6

সাহোন

১৯৮৪ চনৰ পৰা বৃহত্তৰ ৰুক্মিণীনগৰ ৰঙালী বিহু উদ্‌যাপন সমিতিৰ সভাপতি, সম্পাদকসকলৰ তালিকা

চন	সভাপতি	সাধাৰণ সম্পাদক
১৯৮৪	ঃ প্ৰয়াত ড° ভবেন্দ্ৰনাথ শইকীয়া	প্ৰয়াত লীলাধৰ বৰগোহাঁঞি
১৯৮৫	ঃ প্ৰয়াত ড° ভবেন্দ্ৰনাথ শইকীয়া	ফুলেশ্বৰ গগৈ
১৯৮৬	ঃ প্ৰয়াত ৰজনী তামুলী	হৰেণ হালৈ
১৯৮৭	ঃদীনেশ চন্দ্ৰ বৰ্মন	গোপাল বৈশ্য
১৯৮৮	ঃ দীনেশ চন্দ্ৰ বৰ্মন	লীলাধৰ বৰগোহাঞি
১৯৮৯	ঃ দীনেশ চন্দ্ৰ বৰ্মন	সুৰেণ দাস
১৯৯০	ঃ দ্বীজেন শৰ্মা	সুৰেণ দাস
১৯৯১	ঃ লীলাধৰ বৰগোহাঞি	বসন্ত পোদ্দাৰ
১৯৯২	ঃ ৰেৱতী মোহন হাজৰিকা	হৰেণ হালৈ
১৯৯৩	ঃ	
১৯৯৪	ঃ ৰেৱতী মোহন হাজৰিকা	টংকেশ্বৰ কাকতি
১৯৯৫	ঃ ৰেৱতী মোহন হাজৰিকা	টংকেশ্বৰ কাকতি
১৯৯৬	ঃ সুনীল বৰা	ফুলেশ্ব গগৈ
১৯৯৭	ঃ বিদ্যা গগৈ	পৰেশ নেওগ
১৯৯৮	ঃ সুনীল বৰা	পৰেশ নেওগ
১৯৯৯	ঃ হেম শইকীয়া	ফুলেশ্ব গগৈ
২০০০	ঃ সুনীল বৰা	পৰেশ নেওগ
২০০১	ঃ সুনীল বৰা	বৃহস্পতি ডেকা আৰু গুনীন্দ্ৰ ডেকা
২০০২	ঃ সুনীল বৰা	ফুলেশ্ব গগৈ

২০০৩	ঃ সুনীল বৰা	ফুলেশ্ব গগৈ
২০০৪	ঃ গোপাল বৈশ্য	পৰেশ নেওগ
২০০৫	ঃ উমেশচন্দ্ৰ শৰ্মা	ফুলেশ্ব গগৈ
২০০৬	ঃ উমেশচন্দ্ৰ শৰ্মা	ফুলেশ্ব গগৈ
২০০৭	ঃ উমেশচন্দ্ৰ শৰ্মা	নিৰ্মল চন্দ্ৰ দত্ত
২০০৮	ঃ উমেশচন্দ্ৰ শৰ্মা ফুলেশ্ব গগৈ সম্পাদক প্ৰধান (ৰূপালী জয়ন্তী বৰ্ষ নিৰ্মল চন্দ্ৰ দত্ত সাধাৰণ সম্পাদক	
২০০৯	ঃ নিৰ্মল চন্দ্ৰ দত্ত	ধৰ্মেশ্বৰ সোণোৱাল
২০১০	ঃ প্ৰদীপ কুমাৰ গগৈ	শুক্ৰেশ্বৰ বড়ো
২০১১	ঃ দীপক কোঁৱৰ	সত্যজিৎ বৰা
২০১২	ঃ দীপক কোঁৱৰ	সত্যজিৎ বৰা
২০১৩	ঃ নিৰ্মল চন্দ্ৰ দত্ত	ৰাজীৱ হাজৰিকা
২০১৪	ঃ নিৰ্মল চন্দ্ৰ দত্ত	ৰাজীৱ হাজৰিকা
২০১৫	ঃ নিৰ্মল চন্দ্ৰ দত্ত	মুকুল বুঢ়াগোহাই
২০১৬	ঃ ফুলেশ্ব গগৈ	গুণীন্দ্ৰ ডেকা
২০১৭	ঃ ৰঞ্জিত গগৈ	গুণীন্দ্ৰ ডেকা
২০১৮	ঃ ৰঞ্জিত গগৈ	গৌতম ওজা
২০১৯	ঃ মৃদুল বুঢ়াগোহাঁই	নিৰুদ্ধ বৰগোহাঁই

বিভিন্ন প্ৰতিযোগিতাৰ সন্মানীয় দাঁতা সকল

বিহু হুচৰি

প্ৰথম পুৰস্কাৰ ঃ লীলাধৰ বৰগোহাঁই সোঁৱৰণী চলন্ত বঁটা আৰু নগদ ধন ৩০,০০১/- টকা।
দাত্ৰী ঃ অমিয়া বৰগোহাই আৰু পৰিয়ালবৰ্গ।
দ্বিতীয় পুৰস্কাৰ ঃ বিতুল বৰুৱা সোঁৱৰণী চলন্ত বঁটা আৰু নগদ ধন ১৫,০০১/- টকা।
দাতা ঃ পাৰুল বৰুৱা আৰু পৰিয়ালবৰ্গ
তৃতীয় পুৰস্কাৰ ঃ কুঞ্জলতা দাস সোঁৱৰণী চলন্ত বঁটা আৰু নগদ ধন ১০,০০১/- টকা।
দাতা ঃ হৰেণ দাস আৰু পৰিয়াল বৰ্গ
শ্ৰেষ্ঠ পেপুৱৈ ঃ ছফিউৰ ৰহমান আৰু ফাৰুক হুছেইন সোঁৱৰণী বঁটা ৫,১১১/- টকা।
দাতা ঃ নাজনীন হুছেইন
বিহু ৰাণী ঃ এটি চলন্ত ৰূপৰ মুকুট আৰু শোভেশ্বৰী দাস সোঁৱৰণী বঁটা আৰু নগদ ২০,০০১/- টকা।
দাতা ঃ দেবজিৎ দাস আৰু পৰিয়ালবৰ্গ।

জেং বিহু ঃ

প্ৰথম পুৰস্কাৰ ঃ পুণম কে চি নাথ সোঁৱৰণী বঁটা আৰু নগদ ধন ১০,০০১/- টকা।
দাত্ৰী ঃ স্মৃতিলেখা নাথ
দ্বিতীয় পুৰস্কাৰ ঃ বঁটা আৰু নগদ ধন ৭,০০১/- টকা।
তৃতীয় পুৰস্কাৰ ঃ সদানন্দ দাস আৰু পাৰুল বালা দাস সোঁৱৰণী চলন্ত বঁটা আৰু নগদ ধন ৫,০০১/- টকা।
দাতা ঃ ৰাঘকানন্দ দাস আৰু পৰিয়ালবৰ্গ।

বৃহত্তৰ ৰুক্মিনীনগৰ ৰঙালী বিহু উদ্‌যাপন সমিতিৰ সৌজন্যত

চিত্ৰাংকণ প্ৰতিযোগিতাৰ দাতাঁসকল

২০১৮

'ক' শাখা: (তৃতীয় শ্ৰেণীলৈ)

প্ৰথম পুৰস্কাৰ : ৰঞ্জিত দাস সোঁৱৰণী বঁটা
দ্বিতীয় পুৰস্কাৰ: সিদ্ধাৰ্থপ্ৰতিম শইকীয়া সোঁৱৰণী বঁটা
তৃতীয় পুৰস্কাৰ: অভিনন্দন হাজৰিকা সোঁৱৰণী বঁটা

'খ' শাখা: (চতুৰ্থ শ্ৰেণীৰ পৰা সপ্তম শ্ৰেণীলৈ)

প্ৰথম পুৰস্কাৰ : পৰেশ নেওঁগ সোঁৱৰণী বঁটা
দ্বিতীয় পুৰস্কাৰ: হীৰা বৰদলৈ সোঁৱৰণী বঁটা
তৃতীয় পুৰস্কাৰ: প্ৰভা গাৰো সোঁৱৰণী বঁটা

২০১৭ চনৰ সদৌ অসম ভিত্তিত আয়োজন কৰা ৰঙালী বিহুৰ স্মৃতিগ্ৰন্থ
প্ৰতিযোগিতাত লাভ কৰা মানপত্ৰ



35th

Brihattar Rukmini Nagar Rongali Bihu Udjapan Samiti

Rukmini Nagar, Housing Colony, Guwahati - 781006

Receipt & Expenditure Statement

RECEIPT		AMOUNT
Opening Balance		19121.00
Cash	2077.00	
Bank Account	17044.00	
Interest from Deposit		252.00
Collection From Donation Books		358090.00
Collection	311590.00	
Donnar's Contribution for Prizemoney	46500.00	
Sponsorship		116497.00
OIL India Limited	50000.00	
NRL	20000.00	
Janasanjog	8500.00	
SBI	10000.00	
NECEM	3000.00	
NHPC	14997.00	
PRAN	10000.00	
Donation from RSCC		100000.00
Refund from ASEB		
Bihu Field Fare		42500.00
Hobby Zone	4000.00	
Bihu Karmoshala	5000.00	
Auto Show	23000.00	
Drama Reharsal	3500.00	
School's Sports Event	7000.00	
Carry Forward		636460.00

EXPENDITURE		AMOUNT
Printing & Stationaries		47520.00
Megazine + Certificate / *Donation Book* / *Flag Printing* / *Deep Press* / *Sponsorship Booklet* / *Somboodhorna Potro*	46240.00	
Stationaries	1280.00	
Pandal & Generator		75560.00
Pandal	60000.00	
Stage Decoration	4760.00	
Flag String	1600.00	
Generator	9000.00	
Generator Diesel	1200.00	
Gamocha & Badges		14000.00
Gamoch, Badges& Japi	14000.00	
Reception		28020.00
Cook & Helper	3800.00	
Grocery / *Pitha, Laru & Others*	17520.00	
LPG Cylinder	2000.00	
Naam Prahonga	2200.00	
Juice	200.00	
Water	2300.00	
Electrical Connection		8300.00
Load Security	8000.00	
Meter Security		
DC/RC		
Test Report		
ASEB Labour Charge	300.00	
Sound & Lighting Arrangement		23700.00
Sound	21000.00	
Electrician	2700.00	
Photographer		2500.00
Renumeration To Judges		14400.00
Husori & Bihuraani Judges	9000.00	
Jeng Bihu Judges	3000.00	
Art Compitition Judge	1000.00	
Modern Dance Judges	2400.00	
Labour Charges		8750.00
Prize Money for Compititions		96050.00
Husori Bihu	45000.00	
Bihu Raani	20000.00	
Jeng Bihu	22000.00	
Modern Dance	6000.00	
Sports Event (Trophy)	3050.00	
Carry Forward		318800.00

35th

Brihattar Rukmini Nagar Rongali Bihu Udjapan Samiti

Rukmini Nagar, Housing Colony, Guwahati - 781006

Receipt & Expenditure Statement

IPT	AMOUNT	EXPENDITURE			AMOUNT
I/F	636460.00	*B/F*			318800.00
		Cultural Night Expenditure			225000.00
		Barnil Samarah		13000.00	
		1st Night		24000.00	
		2nd Night		173000.00	
		Musician		15000.00	
		Miscelleneous Expenses			12562.00
		Meeting Expenses		1160.00	
		Night Chowkidaar		600.00	
		Cleaning Material		250.00	
		Bank Charges		52.00	
		Wrapper		200.00	
		Trophy Polish		700.00	
		Art Compitition		300.00	
		Conveyance		1300.00	
		Silpi Diwas		8000.00	
		Outstanding Liabilities & Others			37500.00
		Pacific Printers (Megazine)		37500.00	
		Total Expenditure			593862.00
		Closing Balance			42598.00
		Cash-in-hand		33106.00	
		Bank Accounts		9492.00	
		Opening	17044.00		
		Deposited	191248.00		
		Interest Accrued	252.00		
		Bank Charges	52.00		
		Withdrawal	199000.00		
	636460.00				636460.00

লাইখুটা স্থাপনৰ এটি মুহূৰ্ত, ২০১৯

স্মৰণিকা 'সাহোন'ৰ সম্পাদনা সমিতি, ২০১৯

স্থানীয় ৰূপালীন মহিলা চ'ৰাৰ সদস্যাসমূহৰ একাংশ

বিহুৰ ৰাজহুৱা প্ৰাৰ্থনা, ২০১৮

অতীতৰ স্মৃতি

NRL
NUMALIGARH
REFINERY
LIMITED
ৰঙালী বিহুটি
আপোনাৰ বাবে ৰঙীন
আৰু সুখময় হওক।
Website : www.nrl.co.in